# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

### তাৰিখঃ ২১/২/২০২৪ বুধবাৰ

---

**ইংৰাজী ২১-০২-২০২৪ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাত মাননীয় অধ্যক্ষ শ্ৰীবিশ্বজিৎ দৈমাৰী মহোদয়ৰ অধ্যক্ষতাত সদনৰ কাম-কাজ পূৰ্ব নিৰ্দ্ধাৰিত সময় সূচীমতে আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ১৪১, শ্ৰীনিজাম উদ্দিন চৌধুৰী। অনুপস্থিত। প্ৰশ্ন নং ১৪২, শ্ৰীৰূপেশ গোৱালা। অনুপস্থিত। এতিয়া প্ৰশ্ন নং ১৪৩, শ্ৰীআব্দুছ ছোৱাহান আলী সৰকাৰ।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**মাননীয় অধ্যক্ষ ঃ** Supplementary.

**শ্ৰীআব্দুছ ছোৱাহান আলী সৰকাৰ, (গোলকগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ইয়াত উত্তৰখিনি পাইছো কিন্তু আপোনালোকে জানে ৯.৩০ বজাৰ পিছতহে আমি এনেক্সাৰ খিনি পাওঁ। এতিয়ালৈকে এনেক্সাৰ খিনি available য়ে হোৱা নাই। তথাপিতো মই মন্ত্ৰী মহোদয়ক এইখিনি কব বিচাৰিছো যে বিশেষকৈ খলিছামাৰী এৰিয়া য'ত আগৰ দিনত এটা মথাউৰি আছিল আজিৰ দিনত মথাউৰি নাই আৰু এনেকুৱা খহনীয়া হৈছে আৰু যোৱা বাঢ়ণি পানীয়ে গোলকগঞ্জ সমষ্টিত দুখন আৰ চি চি দলং উঠাই লৈ গ'ল ৰোড বহুত ভাঙি গ'ল, এনেকুৱা এটা অৱস্থা হৈছে, যদি এইবেলি ইয়াৰ ওপৰত initiative নলয় বিশেষকৈ খলিছামাৰী অঞ্চল মই ভাৱো গোলকগঞ্জ সমষ্টিৰ যি মানচিত্ৰ এই মানচিত্ৰ খন অহা দিনত নাথাকিব। বিশেষকৈ delemitationৰ ক্ষেত্ৰত সমষ্টিটোত এনেকুৱা বনোৱা হৈছে আজিৰ দিনত পৰৱৰ্তী হয়তোৱা যেতিয়া বিধান সভা হ'ব তাৰ পিছত এই অঞ্চল বিলাক এনেকুৱা ভাৱে লৈ অহা হৈছে যে কোনো এখন গাঁও গৌৰীপুৰত পেলাই দিয়া হৈছে কোনো এখন গাঁও গোলকগঞ্জত পেলাই দিয়া হৈছে। অহা দিনত ইয়াত বিশেষকৈ উন্নয়ন পুঁজি ধৰি কাম কৰাতো অসুবিধা হ'ব। সেই কাৰণে মই কৈছো মই বিশেষকৈ বিচাৰিছো মন্ত্ৰী মহোদয়ে খলীছামাৰী অঞ্চলটো নিজে পৰিদৰ্শন কৰিব লাগে আৰু পৰিদৰ্শন কৰি বিহীত ব্যৱস্থা ল'ব লাগে। নিজে পৰিদৰ্শণ কৰিলে মই ভাৱো বিশেষকৈ গোলকগঞ্জ সমষ্টিৰ কি ক্ষতি হ'ব গোলকগঞ্জ সমষ্টি থাকিব নে নাই, সেইখিনি জানিব, ইয়াৰ ওপৰত মন্ত্ৰী মহোদয়ে উত্তৰ দিব বুলি আশা কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য গৰাকীৰ পৰা জানিব বিচাৰিছো, খলিছামাৰী অঞ্চলটোত তেখেতে কৈ আছে যে গড়াখহনীয়া হৈ আছে সেই অঞ্চলটোৰ দৈৰ্ঘ্য কিমান তেখতৰ পৰা মই জানিব খুজিছো।

**শ্ৰীআব্দুছ ছোৱাহান আলী সৰকাৰ, (গোলকগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ক মই জনাব বিচাৰিছো তাত খুবকমেও আজিৰ দিনত দৈৰ্ঘ্য প্ৰায় ৭০০/৮০০ মিটাৰ মান হ'ব।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ঠিক আছে। যোৱাবছৰো তেখেতৰ সমষ্টিত আমি প্ৰায় ৫ কোটি টকা ধনৰ আৱন্টন দিছিলো বিভিন্ন কামৰ বাবে, এইবাৰো তেখেতৰ তামাৰহাট অঞ্চলটো গড়াখহনীয়া প্ৰতিৰোধৰ কাৰণে ৫.৫০ কোটি টকা দিছো আৰু যিহেতু তেখেতে খলিছামাৰী অঞ্চলটো খুব খহনীয়া প্ৰবণ বুলি কৈছে, এই বিষয়ে আৰু ৭০০ মিটাৰ বহুত নহয়,

আমি যিমানখিনি পাৰো এই বছৰ হয়তো পুঁজি যিহেতু ইতিমধ্যে প্ৰাক্কলন বনাই দিলো, তেম্প'ৰাৰী কাম কৰি এই অঞ্চলটোৰ সমস্যাখিনি সমাধান কৰিবলৈ মই নিশ্চয়কৈ চেষ্টা কৰিম।

**শ্ৰীআব্দুছ ছোৱাহান আলী সৰকাৰ, (গোলকগঞ্জ)** ঃ ছাৰ, মোৰ দুই নম্বৰ supplementary টো আছিল বিশেষকৈ মই ইয়াৰ আগতে উত্থাপন কৰিছিলো আমাৰ ৱেষ্টবেঙ্গলৰ ভিতৰত এটা অঞ্চল আছে তিনিওফালে ৱেষ্টবেঙ্গল, এফালে আমি অসম, ৱেষ্টবেঙ্গলে তিনিওফালে ইতিমধ্যে ব'ল্ডাৰ পিট্‌চিং কৰিছে কিন্তু আমাৰ ফালত এনেকুৱা খহনীয়া হৈ আছে আমাৰ ভিতৰৰ পিনে খাই খাই আমাৰ অঞ্চল বিলাক নোহোৱা হৈ গৈছে। এইটোক কয় কুটিবঙনামা, নজেলত আছে, মই ভাৱো যিহেতু তিনিওফালে ৱেষ্টবেঙ্গল সেই খিনি অঞ্চলক যদি আমি সুৰক্ষিত নকৰো তেনেহলে আমাৰ সেই অঞ্চলৰ মানুহ বিলাকৰ মন বিলাক এনেকুৱা হব যে আমি অসমত থকাতকৈ ৱেষ্টবেঙ্গলত থকাটোৱে ভাল। আমি এইখিনি শুনিব নিবিচাৰো। আমাৰ মন্ত্ৰী মহোদয়ে ইয়াৰ ওপৰত চিন্তা কৰিব বুলি মই আশা কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ অধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে কৈছো তেখেতৰ সমষ্তিত প্ৰত্যেক বছৰে আমি বিভিন্ন আঁচনি ৰূপায়ণ কৰিছো আৰু ভৱিষ্যতেও পুঁজি সাপেক্ষে এইখিনি নিশ্চয়কৈ কৰিব পৰা হ'ব।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া আব্দুল বাতিন খণ্ডকাৰ।

**শ্ৰীআব্দুল বাতিন খণ্ডকাৰ, (উত্তৰ অভয়াপুৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ মাজেৰে আই নদী আৰু মানাহ নদী বৈ গৈছে, তাত দুয়োপাৰে সকলো জাতি জনগোষ্ঠীৰ লোক আছে। কোছ ৰাজবংশী, বড়ো, মুছলমান আদি। কিন্তু চাওঁক বিশেষকৈ তেনেকৈ কোনো ধৰণৰ কাম হোৱা নাই মই জনাত আই নদীৰ কাৰণে এটা ডাঙৰ প্ৰজেক্ট ৩৪০ কোটি টকাৰ বনাইছে, সেইটো কি পৰিস্থিতিত আছে ? আৰু ছাৰ, এটা বিশেষ কথা ঐতিহাসিক মানে ইতিহাস প্ৰসিদ্ধ ৰাঙাপানী সত্ৰটো সোনকালে যদি আমি কিবা এটা ব্যৱস্থা নকৰো আমাৰ আই নদীৰ গড়াখহনীয়া বেছি হ'ব।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। মাননীয় মন্ত্ৰী।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ অধ্যক্ষ ডাঙৰীয়া, এটা কথা মই আপোনাৰ পৰা খুজিছো, এটা প্ৰশ্নকে এখন বিধান সভাত বাৰে বাৰে আনিব পাৰে নেকি? তাৰ বিষয়ে আপোনাৰ পৰা ৰুলিং বিচাৰিম। সন্মানীয় সদস্য গৰাকীয়ে এই একেটা প্ৰশ্ন আগৰ মোৰ যিদিনা ৰিপ্লাই আছিল সেইদিনাও কৰিছিল, মই ৰিপ্লাই দি দিছো সেইদিনাই।

**শ্ৰীআব্দুল বাতিন খণ্ডকাৰ, (উত্তৰ অভয়াপুৰী)** ঃ নহয় ছাৰ, ৩৪০ কোটি টকীয়া আঁচনি সম্পৰ্কে কোৱা নাছিল।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ আপুনি সেইটো কওঁক। আপুনি আকৌ আই নদীৰ, মই সিদিনা এটা পোচন কলো যে আই নদীৰ কাম চলি আছে, second part ৰ কাৰণে আমি চেষ্টা কৰি আছো এই বিষয়ে উত্তৰ দিলো। অধ্যক্ষ ডাঙৰীয়া, এটা প্ৰশ্নকে দুবাৰ তিনিবাৰকৈ উত্তৰ দিব পাৰিনেকি মই আপোনাৰ পৰা ৰুলিং বিচাৰিছো। বিধান সভাৰ নিয়মটো জানিব বিচাৰিছো।

**শ্ৰীআব্দুল বতিম খণ্ডকাৰ, (উত্তৰ অভয়াপুৰী)** ঃ প্ৰয়োজন আছে, সেই কাৰণে আঁচনিটো কি পৰ্য্যায়ত আছে জনালে হ'ল।

**মাননীয় অধ্যক্ষ ঃ** ইতিমধ্যে দিছে যদি দিছে।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** অধ্যক্ষ ডাঙৰীয়া, সমস্যাটো থাকিলে ১০ বাৰো আনিব।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়া, This is not your question. আপুনি বহক।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অখিল গগৈ ডাঙৰীয়া আপুনি ওপৰতে কিয় আহিলে?

**মাননীয় অধ্যক্ষ ঃ** আপুনি কৈ দিয়ক আপুনি ইতিমধ্যে জনাই দিছে।

**শ্ৰীদেৱব্ৰত শইকীয়া ঃ** অধ্যক্ষ মহোদয়, এইটো ৰুল ৪৯ ।

**মাননীয় অধ্যক্ষ ঃ** Please don't behave like that you all are Hon'ble Member.

(হুলস্থূল)

**শ্ৰীঅখিল গগৈ ঃ** আমিতো সমস্যাটো উত্থাপন কৰিবই লাগিব।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** সমস্যাটো উঠালে তেখেতে।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** এনেকৈ ধমকি দিলে নহ'ব। এইটো নহ'ব ছাৰ। মই ১০০ বাৰ কম, ১০০ বাৰ উত্তৰ দিব লাগিব। আমাৰ সমস্যা উত্থাপন কৰিবলৈ বিধান সভা।

(হুলস্থূল)

**শ্ৰীদেৱব্ৰত শইকীয়া, (নাজিৰা) ঃ** অধ্যক্ষ মহোদয়, Rule-49 half an hour discussion দি দিয়ক। আপুনি এলাও কৰিছে তেওঁ সুধিছে, মন্ত্ৰী মহোদয়ে উত্তৰ দিয়া নাই, সেইটো ডাঙৰ কথা নহয়, মই অনুৰোধ কৰিছো আপুনি Rule-49 half an hour discussion দি দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** সকলোৰে সন্মানীয় সদস্য, মই বিচাৰো যে এজনে আনজনৰ ওপৰত এটা সন্মান প্ৰদৰ্শন কৰিব লাগে বিধান সভাত সব প্ৰশ্ন কৰিব পাৰে। আৰু সবৰে উত্তৰ, উত্তৰ এনেকুৰা নহয় যে কাৰোবাৰ পুৰা satisfactory হ'ব লাগে বুলি কোনো কথা নাই। কিন্তু কথা বিলাক যেতিয়া উত্থাপন কৰিব আমাৰ অলপ ভাষা আৰু কোৰাৰ সুৰ বিলাক এনেকুৰা হ'ব নালগে যে পাৰিলে মানে ধৰিবই আৰু এনেকুৰা ধৰণৰ হ'ব নালাগে। উল্টা পুল্টা হৈ গলেটো কাজিয়া হৈ যাব। গতিকে সেই কাৰণে মাননীয় সদস্যই যিটো প্ৰশ্ন কৰিছে, মাননীয় মন্ত্ৰী, তেওঁ জানিব বিচাৰিছে সেইটোৰ ওপৰত যদি আপুনি আগতে দিছে সেইটো কৈ দিলে হ'ল।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙীয়া, মোৰ অইন একো আপত্তি নাই। তেখেত উত্তৰটো দিছোৰে যে এই বিষয়ে চেষ্টা কৰি আছো। মই এইটোৱে জানিব বিচাৰিছো যে সদায় সদায় এটা প্ৰশ্ন অৱতাৰণা কৰি কি লাভ? ঠিক আছে মই কলো যে মই চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া প্ৰশ্ন নং ১৪৪, শ্ৰীতেৰছ গোৱালা।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰীতেৰছ গোৱালা, (ডুলীয়াজান) ঃ** অধ্যক্ষ মহোদয়, মই উত্তৰ পাইছো, উত্তৰ যথেষ্ট ভাল। কেৱল এটা মোৰ confusion হৈ গ'ল, যে প্ৰশ্নৰ 'গ' ত দিছিলো যে কৃষকৰ কৃষি বীমা আঁচনি আছে নেকি? যদি আছে সবিশেষ জনাব। লক্ষ্যখিনি জনালে কিন্তু মই এইটো জানিব বিচাৰিছিলো যে কোনটো agency য়ে এইটো বীমাটো কৰে আৰু ইয়াৰ EMI কিমান? পোনপতীয়া ভাৱে

বেংকত কৰিব বা কোনোবা আমাৰ বিভাগে কৰিব এই বিষয়ে উল্লেখ নকৰিলে মই এই বস্তুটো জানিব বিচাৰিম। 'খ' ত হিচাপনিকাছ মই চাইছো যোৱা বাজেটত কিমান এলোকেচন আছিল কিমান খৰচ হ'ল, বাকী অলপ পইচা বাচি আছে মাৰ্চৰ আগতে সম্পূৰ্ণ হ'ব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীঅতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য তেৰছ গোৱালা ডাঙৰীয়াই যিকেইটা প্ৰশ্ন উত্থাপন কৰিছিল সদনৰ মজিয়াত ৰাখিছো। **তেখেতে চাপ্লিমেন্টৰী আৰু বিশেষভাবে জানিব বিচাৰিছে প্ৰধান মন্ত্ৰী ফচল বীমা যোজনা। কৃষি ক্ষেত্ৰখনত যাতে উৎপাদনত সহায় হয় তাৰ কাৰণে ২০১৬ চনত প্ৰধান মন্ত্ৰীৰ ফচল বীমা যোজনা আৰম্ভ কৰা হৈছিল।যাৰ উদ্দেশ্য হৈছে বীজ সিচাঁৰ পূৰ্ব্বৰ পৰা চপোৱাৰ পৰ্য্যায়লৈ, সকলো অপ্ৰতিৰোধ্য যিবিলাক প্ৰাকৃতিক দুৰ্য্যোগ আছে, সেই বিদপৰ পৰা কৃষক অৰ্থনৈতিক ভাবে সুৰক্ষা দিব পৰা যায় নিশ্চিতভাবে কৰিব পৰা যায়। আমি ইতিমধ্যে অসমত ৭ লাখ, ৭০ হাজাৰ ৬ শ ৭০ জন কৃষক ৬০৯.৮০৪ টকাৰ ক্ষতিপূৰণ পাব পৰা বুলি বিবেচিত কৰিছো। বৰ্তমান প্ৰধান মন্ত্ৰীৰ ফচল বীমা যোজনাৰ অধীনত ৪৫,৫১,৩৭৫ জন ইতিমধ্যে পঞ্জীয়ন হৈছে। মাননীয় অধ্যক্ষ মহোদয় ইয়াৰ উপৰিও আমাৰ ইতিমধ্যে যিমান পাৰো প্ৰধান মন্ত্ৰী ফচল বীমা যোজনা পপুলাৰ কৰিবৰ কাৰণে আমি প্ৰচেষ্টা চলাই আছো, আৰু মই সন্মানীয় সদস্য সকলকো অনুৰোধ জনাম যিহেতু বহু কৃষক আছে, কৃষকৰ মাজত এৱাৰনেচ নাই। গতিকে আমাৰ যিবিলাক কোম্পানীয়ে এই কামখিনি কৰিব লৈছে, তেওঁলোকে কোৱাৰ উপৰিও সদনৰ যিসকল সন্মানীয় সদস্য আছে, যি হেতু আমাৰ প্ৰত্যেক বছৰতে উৎসৱৰ দৰে বান পানী আহে। শুৰপোক বা তেনে ধৰণৰ পোকে আক্ৰমণ কৰে। ক্লাইমেট চেঞ্জ বৰ্তমান প্ৰত্যাহ্বান হৈছে। মই আশা কৰিছো আমাৰ সন্মানীয় সদস্য সকলে যাতে এই ক্ষেত্ৰত চাপ'ৰ্ট দিয়ে।**

মাননীয় অধ্যক্ষ ঃ 2nd Suplementary.

**শ্ৰী তেৰছ গোৱালা, (লাহোৱাল) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৃষক সকলৰ কোনটো এজেঞ্চিয়ে এই বীমাটো কৰে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰটো জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** কোনটো এজেঞ্চিয়ে কৰে প্ৰধান মন্ত্ৰী ফচল বীমা যোজনাটো ?

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো মই সন্মানীয় সদস্যগৰাকীক পিছত জনাম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া প্ৰশান্ত ফুকন।

**শ্ৰী প্ৰশান্ত ফুকন, (ডিব্ৰুগড়) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আমাৰ যিবিলাক বাম খেতি হয়, বহুত অঞ্চলত বাম খেতি আছে। সেই অঞ্চল বিলাকত চলাৰ চেল'টিৱেল, চেল' টিউৱেল বা দ্বিপটিউৱেল দিয়াৰ ব্যৱস্থা চৰকাৰৰ কিবা তেনে আঁচনি আছে নেকি ? আৰু প্ৰত্যেক সমষ্টি ভিত্তিত কিবা চেল' টিউৱেল দিয়াৰ ব্যৱস্থা কৰিছে নেকি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিভাগে STW দিয়া ব্যৱস্থা কৰিছে। Electrical pump, Diesel Pump and Solar pump আমি বৰ্তমান সময়ত দেখিছে যে Solar pump বৰ্তমান সময়ত যথেষ্ট popular হৈছে। Electrical pump কৃষকসকলে ইমান prefer নকৰে। য'ত এনেধৰণৰ Scheme ত 75% ছাবচিডি আছে, কিছুমান Scheme ত ৮৫ শতাংশৰ ছাবচিডি আছে। যিবিলাক জিলাত এলটমেন্ট দিছো, requirment ৰ ওপৰত ভিত্তি কৰি দিছো আমি। আমাৰ যি Agricultural Engineering বিভাগ আছে, কৃষি বিভাগৰ

লগত আলোচনা কৰি য'ত প্ৰয়োজন আছে বুলি ডিমাণ্ড আহিছে যিবিলাক জিলাৰ পৰা, তাত দিয়াৰ ব্যৱস্থা কৰিছো আৰু এই ক্ষেত্ৰত কোনো অসুবিধা নাই। কাৰণ আমাৰ যিমান টাৰ্গেট আছে, সেই টাৰ্গেট আমি এতিয়াওঁ এচিভ কৰিব পৰা নাই।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, এতিয়া নন্দিতা দাস।

**শ্ৰীমতী নন্দিতা দাস,(বকো)ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৃষিৰ ক্ষেত্ৰত চৰকাৰে কৈ আছে, যে আমি কৃষকসকলৰ আয় দুগুণ কৰিব বিচাৰো। ইয়াৰ কাৰণে বিভিন্ন ধৰণৰ আঁচনিও গ্ৰহণ কৰা হৈছে। এই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কৃষক সকলে যিখিনি কৃষি উৎপাদন কৰে, যথেষ্ট পৰিমানে উৎপাদন হয়। বিশেষকৈ মোৰ সমষ্টিত ক'ব গলে সোনতলি জিলা পৰিষদত আৰু টোপামাৰি বুলি এটা অঞ্চল আছে, য'ত বিভিন্ন ধৰণৰ শাক-পাচলি, মাকৈ, ধেমচি, মৰাপাট উৎপাদন হয। এই ক্ষেত্ৰত কৃষক সকলে উৎপাদন কৰা বস্তুখিনি তেওঁলোকে যাতে প্ৰিজাৰ্ভ কৰিব পাৰে, ৰাখিব পাৰে এই ক্ষেত্ৰত তেওঁলোকৰ কোনো ব্যৱস্থা নাই। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কৃষক সকলে উৎপাদন কৰা সামগ্ৰী সমূহ প্ৰিজাৰ্ভ কৰাৰ কাৰণে চৰকাৰে বিভিন্ন সমষ্টিত আৰু এনেকুৰা কৃষিপ্ৰধান অঞ্চলত কিবা cold storage ৰ আঁচনি বিশেষভাবে গ্ৰহণ কৰিছে নেকি আৰু মই দৰ্খাস্তিও দি থৈছো এটা cold storage ৰ কাৰণে। এইটো চৰকাৰে এইবাৰে গ্ৰহণ কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্যা গৰাকীয়ে মোক এটা cold storage তাত যে প্ৰয়োজন আছে, সেই কথাটো কেইবা বাৰো কৈ আহিছে। মাননীয় অধ্যক্ষ মহোদয়, আমি ইতিমধ্যে চৰকাৰে ছয়গাঁৱত তেখেতৰ সমষ্টিৰ কাষতে লাগি আছে, তাত আমি ডাঙৰ cold storage ইতিমধ্যে নিৰ্মাণ কৰি উলিয়ালো আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এইটো আনুষ্ঠানিক ভাবে মুকলি কৰিলে। তাত যথেষ্টখিনি আমাৰ উৎপাদিত ফচল ৰাখিব পৰা ব্যৱস্থাটো আছে। ইয়াৰ উপৰিও HMNEH ত Horticulture বিভাগৰ, এই আঁচনিৰ অধীনত আমি cold storage বিভিন্ন ঠাইত নিৰ্মাণ কৰিছো। তাত ৫০ শতাংশ চাবচিডি আছে, ৫ কোটি টকাৰ। আঢ়েকোটি টকা Entrepreneur গৰাকীয়ে লগাব লাগিব। আঢ়েকোটি টকাৰ চাবচিডি পাব। গতিকে সন্মানীয় সদস্যাগৰাকীয়ে যদি তেনে কোনো উদ্যোগী পাই, তেতিয়া আমি সেই ক্ষেত্ৰত নিঃসন্দেহে চাপৰ্ট দিব পাৰিম। হয় তেখেতে কথাটো ঠিকেই কৈছে। তেখেতৰ যিটো সমষ্টি, তাত যথেষ্ট agricultural product আছে, ভাল খেতিয়কো আছে, আৰু আমি cold storage ৰ বাহিৰেও কিছুমান storage নিৰ্মাণ কৰিবৰ কাৰণে চৰকাৰৰ তৰফৰ পৰা ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰিছো। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত তেনেকুৰা storage নিৰ্মাণৰত অৱস্থাত আছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ১৪৫ শ্ৰী ৰেকিবুদ্দিন আহমেদ

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মেজত ৰখা আছে।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ (ছয়গাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ক তেখেত সকলে প্ৰায়ে কয় আমি ভাল কাম কৰিলে ধন্যবাদ দিব নোৱাৰো। আমাৰো opposition bench ৰ ধন্যবাদ দিয়াৰো সাহস আছে। অধ্যক্ষ মহোদয়, তিতা, মিঠা দুয়োটাই স্বাদ ল'ব লগা হয়। প্ৰথমে মন্ত্ৰী মহোদয়ে অলপ আগত যিটো ছয়গাঁৱত প্ৰায় ৭০ কোটি টকাৰে নিৰ্মিত cold storage তৈয়াৰ হৈছে, মুখ্যমন্ত্ৰী মহোদয়ে উদ্বোধন কৰিছিল, তাৰ কাৰণে প্ৰথমে ধন্যবাদ জনাইছো। দ্বিতীয়তে অসমত যি দৰে cold storageৰ সহজলভ্যভাবে হ'ব লাগে তাৰ কাৰণে মই ভাবো পৰিকল্পনা

হোৱা নাই। সেইটো পৰিকল্পনা ল'ব লাগে। অধ্যক্ষ মহোদয়, লগতে যিটো কৃষকৰ খেতি কেনেকৈ দুগুণ হ'ব পাৰে তাৰ ক্ষেত্ৰত অধ্যক্ষ মহোদয়, এইক্ষেত্ৰত মোক বহুখিনি উত্তৰ দিছে, কিন্তু ইয়াতে মোৰ এটা suggestion আছে, আৰু এটা suplementary আছে। অধ্যক্ষ মহোদয়, জলসিঞ্চন বিভাগ আৰু কৃষি বিভাগ, দুয়োটা বিভাগৰ মাজত সমন্বয়ৰ অভাৱ আছে। এইটো আমি ওচৰ চপাই আনিব লাগিব। তেতিয়া মই ভাবো দুগুণ তিনিগুণ হোৱাত সহায় হ'ব। নহলে যিটো আপুনি ডাটা দিছে, আৰু যিটো irrigation ৰ ডাটা, দুয়োটা নিমিলে অধ্যক্ষ মহোদয়, তাৰ পিছত গৰৈমাৰি কৃষিপ্ৰধান অঞ্চল বুলি মুখ্যমন্ত্ৰী মহোদয়ে সদনত কৈছিল। সেয়েহে কণ্যকাৰ আৰ্হিত গৰৈমাৰি, বাতাহিদিয়া, সোনতলি, টোপামাৰি বিভিন্ন যিমান চৰ আছে, ইয়াক লৈ এক বৃহৎ কণ্যকাৰ আৰ্হিত যিটো দক্ষিণ কামৰূপত এক কৃষি প্ৰকল্প আঁচনি ল'ব লাগে। অধ্যক্ষ মহোদয়, লগতে, পি এম কৃষকৰ ক্ষেত্ৰত ২০২১ চনৰ জুলাই মাহত সংসদত কেন্দ্ৰীয় মন্ত্ৰী নৰেন্দ্ৰ কুমাৰে কৈছিল, সমগ্ৰ দেশত এই আঁচনিত অন্তৰ্ভুক্ত অযোগ্য হিতাধিকাৰীৰ সংখ্যা যথেষ্ট। বহুকোটি টকা ঘূৰাই আনিব লগা হৈছে। ইয়াৰ ভিতৰত অসমত বহুত বেছি অযোগ্য হিতাধিকাৰী আছিল বুলি উল্লেখ কৰিছে। অধ্যক্ষ মহোদয় মোৰ প্ৰশ্নৰ উত্তৰত কৈছে, যে অসমত পি এম কিষানত অযোগ্য হিতাধিকাৰী অন্তৰ্ভুক্ত হৈছিল। মুকলি প্ৰশ্ন হ'ল অধ্যক্ষ মহোদয়, এই আঁচনিত অযোগ্য হিতাধিকাৰী অন্তৰ্ভুক্ত হ'ল কেনেকৈ? যাৰ বাবে এনে হ'ল। তেওঁলোকৰ বিৰুদ্ধে কি শাস্তিমূলক ব্যৱস্থা লোৱা হৈছে তদানিন্তন মুখ্য সচিব জিষ্ণু বৰুৱাৰ দ্বাৰা যি তদন্ত কৰা হৈছিল, তাত প্ৰকৃততে কিমান অযোগ্য হিতাধিকাৰী ওলাইছিল সেই সকলৰ পৰা কিমান টকা ঘূৰাই অনা হ'ল? মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী অতুল বৰা (কৃষি মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সন্মানীয় সদস্য ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াক ধন্যবাদ জনাইছো যে তেখেতে আমি যিখিনি আঁচনি লৈছো যেনে - ছয়গাওঁত এটা Cold storage নিৰ্মাণ কৰি মুকলি কৰিছো তাৰ বাবে appreciate কৰিছে। লগতে তেখেতে এটা কথা উল্লেখ কৰিছে যে প্ৰধান মন্ত্ৰী ফচল বীমা যোজনাত বহুত অযোগ্য হিতাধিকাৰী অন্তৰ্ভুক্ত হৈছিল। অযোগ্য হিতাধিকাৰী অন্তৰ্ভুক্ত হোৱা কথাটো প্ৰথমে আমাৰেই দৃষ্টিগোচৰ হৈছিল আৰু তাৰপিছত আমি এই বিষয়ে অনুসন্ধান কৰিছিলো। মৰিগাওঁ আৰু মঙ্গলদৈত অনুসন্ধান কৰি পোৱা গ'ল যে Data Entry Operator তাত জড়িত আছে। সেই সকলৰ বিৰূদ্ধে আইনগত ব্যৱস্থাও লোৱা হৈছিল আৰু ৰঙা ঘৰলৈও গৈছিল। ইয়াৰ পিছেতেই সেই সময়ৰ Additional Chief Secretary জিষ্ণু বৰুৱা ডাঙৰীয়াক লৈ এখন এজনীয়া তদন্ত কমিটি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে গঠন কৰি দিছিল। তদন্ত কৰা হৈছিল। এইটো আমাৰেই দৃষ্টিগোচৰ হোৱাত আমি খুব ক্ষীপ্ৰতাৰে এই কামখিনি কৰিছিলো। ইয়াৰ উপৰিও আমাৰ এটা ডাঙৰ সমস্যা হৈছে PMKSY দিয়াৰ যিটো বেনিফিট,সেইটো দিয়াৰ বাবে। আমাৰ প্ৰায়বিলাক খেতিয়কেই মাৰ্জিনেল খেতিয়ক আৰু বহুতৰে নিজৰ নামত মাটিৰ পট্টা নাছিল। তেওঁলোক খেতিয়ক যদিও তেওঁলোকৰ নামত মাটিৰ পট্টা নোহোৱাৰ কাৰণে তেওঁলোক সেই আঁচনিৰ পৰা বঞ্চিত হৈ আছিল। সেই তালিকাত তেনেধৰণৰ খেতিয়কৰ নাম ও আছিল। গতিকে সেই দিশটো আমি বিবেচনা কৰিছো আৰু সন্মানীয় সদস্য সকলে জানে যে আমাৰ চৰকাৰখনে মাটি পট্টা দিয়াৰ ক্ষেত্ৰত ইতিমধ্যে খুব ক্ষীপ্ৰতাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। মিশ্যন বসুন্ধৰা লৈছে। কম দিনৰ ভিতৰতে ৰাজ্যখনৰ বহু পট্টা নোহোৱা মানুহে যুগ যুগ ধৰি মাটি নিজৰ দখলত ৰাখিছিল আৰু খেতি কৰি আছিল, তেওঁলোকে মাটিৰ পট্টা পাব আৰু ইতিমধ্যে প্ৰায় ১৫ লাখতকৈও অধিক লোক eligible হৈছে। আজি KYC,আধাৰ

কাৰ্ড, বেংক লিংকেজ লাগে। এই কামবোৰ খুব ক্ষীপ্রতাৰে কৰিবলৈ মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ guidence ত আমি ব্যৱস্থা গ্ৰহণ কৰিছিলো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে পোনপটীয়া ভাৱে জিলা আয়ুক্ত সকলক আৰু বিভাগক নিৰ্দেশ দিছিল। বিভিন্ন বিভাগৰ বিষয়া সকল বিশেষকৈ PNRD ৰ সহযোগত PRI বিলাককো জড়িত কৰি পাবলগীয়া কৃষক যাতে এই আঁচনিৰ পৰা বঞ্চিত নহয়, তাৰ বাবে আমি চেষ্টা কৰিছিলো। ইতিমধ্যে এইক্ষেত্ৰত আমি যথেষ্ট achieve কৰিবলৈ সক্ষম হৈছো।

**শ্রী ৰেকিবুদ্দিন আহমেদ, (ছয়গাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ৰ উত্তৰটোত মোৰ অলপ খোকোজা লাগি আছে। তেখেতে কথাখিনি স্বীকাৰ কৰিছে আৰু এইক্ষেত্ৰত action taken লোৱা বুলিও কৈছে। কিন্তু এই পৰ্য্যন্ত ১.৫০ কোটি টকাহে ঘূৰি আহিল। মই ভাবো কৃষি এটা অতি প্ৰয়োজনীয় বিভাগ। এইক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে কিছু কঠোৰ ব্যৱস্থা ল'লে ভৱিষ্যতে এনেকুৱা দুঃসাহস কোনেও কৰিব নোৱাৰে। লগতে মন্ত্ৰী মহোদয়ে দক্ষিণ কামৰূপ, ছয়গাওঁ, চমৰীয়া এই বৃহত্তৰ দক্ষিণ কামৰূপ লৈ কৃষিৰ এটা বৃহৎ প্ৰকল্পৰ প্ৰস্তুতি চলাব পাৰে নেকি? মই ভাবো ইয়াৰ দ্বাৰা গোটেই অসমৰ এটা ডাঙৰ অভাৱ দূৰ হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্রী অতুল বৰা (কৃষি মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিভাগে কিছু কিছু ঠাইত তেনেধৰণৰ Community Development programme লৈছে। বেলেগ বেলেগ জিলাত হৈ আছে। গতিকে এই দিশটো অলপ চালি-জাৰি চাই যদি সম্ভৱ হয় আমি ব্যৱস্থা গ্ৰহণ কৰিবলৈ চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয়া সদস্যা শ্ৰীমতী শিৱামণি বৰা।

**শ্রীমতী শিৱামণি বৰা, (বটদ্রৱা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে বটদ্ৰৱা সমষ্টিটো যে কৃষি প্ৰধান আৰু প্ৰায় মধ্য অসমৰ সকলোখিনি শাক-পাচলি আমাৰ বটদ্ৰৱা সমষ্টিৰ পৰাই হয়, তেখেত এই বিষয়টোত অৱগত নে? আৰু দ্বিতীয়তে, মই আজি বহু দিনৰ পৰা কৈ আহিছো যে আমাৰ এটা cold storage ৰ প্ৰয়োজন আছে। সদায় প্ৰশ্ন কৰো। প্ৰশ্নটো unstarred ত আহে। গতিকে মই ক'বলৈ সুযোগ নাপাওঁ। এই cold storage টো আমাক কেতিয়া দিব? তেখেতে কৈছে যে Horticulture ৰ পৰা Mini cold storage ৰ ব্যৱস্থা কৰিছে। এইটো ব্যৱস্থা যদি কৰিছে কেনেকৈ filled officer সকলে আমাৰ মানুহ বিলাকক এই বিষয়ে জনাবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে? এইবিষয়ত filled officer সকলে ফিল্ডলৈ গৈ কিবা চাৰ্ভে কৰিছে নেকি? এই বিষয়ে মোক জনালে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্রী অতুল বৰা (কৃষি মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনে জানি সুখী হ'ব যে অসমৰ কৃষকে পূৰ্ব্বতে কেতিয়াও অসমৰ প্ৰডাক্ট export হ'ব বা export কৰিব পৰা যাব, এই বিষয়ে কল্পনাও কৰিব পৰা নাছিল। কিন্তু ২০২২-২৩ বৰ্ষত প্ৰায় ৪ হাজাৰ কোটি টকাৰ অসমৰ কৃষি উৎপাদনৰ বস্তু export কৰিব পৰা হৈছে আৰু তাৰ ভিতৰত চাহ উৎপাদনৰ কথাটো সোমাই আছে। আমি আশা কৰিছো যে যিটো ৰিপোৰ্ট APEDA য়ে আৰু বিভিন্ন এজেঞ্চী সমূহে দিছে যে ২০২৬-২৭ বৰ্ষত ইয়াৰ পৰিমাণ ১০ হাজাৰ কোটি টকা হ'বগৈ। আমাৰ ৰাজ্য খনত পূৰ্ব্বতকৈ খেতি পথাৰ ভাল হৈছে আৰু পূৰ্ব্বতকৈ অধিক বীজ, link component, fertiles, agriculture আৰু mechanizer ৰ কাৰণে আমি বোৰ্ড বোৰ গঠন কৰিছো। বটদ্ৰৱাত ভাল খেতি হয় এই বিষয়টো আমি অৱগত। এতিয়া আমাৰ ৰাজ্যখনত ৫২ টা cold storage আছে। চৰকাৰৰ

ফালৰ পৰা cold storage কৰা হৈছে আৰু ব্যক্তিগত খণ্ডত বিভিন্ন গৰকী উদ্যোগীয়ে cold storage গঢ়ি তুলিছে। সৰু সৰু cold storage বোৰ বনাবৰ কাৰণে আমি আবেদনবোৰ পাইছো। ইয়াৰ ভিতৰত Solar cold room কিছুমানো আছে। এনেধৰণৰ কথাবোৰ আমি চিন্তা-চৰ্চা কৰি আছো। Horticulture বিভাগৰ Haminias ত যিবোৰ কথা আছিল সেই বিষয়ত ইতিমধ্যে মই সদনত কৈ গৈছো। এই ক্ষেত্ৰত যিসকল উদ্যোগীয়ে এই কামটো কৰিবলৈ ল'ব তেওঁ সোনকালে চাবচিডি হিচাপে ২.৫ কোটি টকা পাব। এইবিষয়ে কৃষি বিভাগৰ লগত যোগাযোগ কৰক আৰু মই ইতিমধ্যে বিভাগৰ বিষয়া-কৰ্মচাৰী সকলক কৈছো যে আপোনালোক কাৰ্য্যালয়ত নবহি ফিল্ডলৈ যাওঁক। এই ক্ষেত্ৰত মাননীয় বিধায়ক শ্ৰী প্ৰদীপ হাজৰিকা ডাঙৰীয়াই সদনত কৈছিল যে পূৰ্ব্বতে আমি কেতিয়াও কৃষি বিভাগৰ কৰ্মচাৰী সকলক ফিল্ডত দেখা পোৱা নাছিলো কিন্তু এতিয়া দেখা পাইছো। গতিকে কৃষি খণ্ডলৈ এক যুগান্তকাৰী পৰিবৰ্তন আহিছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় বিধায়ক শ্ৰী জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়া, আপুনি to the point কথাখিনি ক'ব।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চলিত প্ৰশ্ন নং ১৪৫ ৰ (ছ) ত কৈছিল যে বানপানীত কিমান কৃষি ভূমি নষ্ট হ'ল আৰু কিমান কৃষক আক্ৰান্ত হৈছিল, এই বিষয়ে বিভাগীয় ভাৱে উত্তৰ দিছে। কিন্তু মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, যোৱা বানপানীত আমাৰ অন্নদাতা কৃষক সকলক বিভাগে বানপানীত ক্ষতিগ্ৰস্ত হোৱা কৃষক সকলক কি কি ধৰণে সহায় কৰিছে ?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী অতুল বৰা (কৃষি মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বানপানী হোৱাৰ পিছতেই কৃষি ভিভাগ আৰু ৰাজহ বিভাগে যৌথ ভাৱে চাৰ্ভে কৰে আৰু যিটো ৰিপোৰ্ট পাই সেইটো জিলা উপায়ুক্তই এটা proper format ত ক্ষতিগ্ৰস্ত লোক সকলৰ পৰা আবেদন লাভ কৰে। তেতিয়া আমি সেইখিনি বিবেচনা কৰি ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰো। ইয়াৰ উপৰিও ৰবি শস্যৰ কাৰণে কৃষক সকলক যেনেধৰণে সহায় কৰিব পাৰো তাৰ বাবে আমি কিছুমান পৰিকল্পনা কৰিছিলো। বিভিন্ন জিলা, য'ত য'ত ক্ষতি হৈছিল তাত আমি সুকীয়া ভাৱে ৰবি শস্যৰ খেতি কৰা কৃষক সকলক সহায়ৰ কাৰণে চেষ্টা কৰিছো। গতিকে মাননীয় বিধায়ক জনে যদি নিৰ্দিষ্ট প্ৰশ্ন বেলেগ মোশ্যনত আনে তেতিয়া আমি তাৰবাবে নিশ্চয় উত্তৰ দিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় বিধায়ক শ্ৰী আমিনুল ইছলাম।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা বছৰ বানপানীত ক্ষতিগ্ৰস্ত কৃষক সকলে কোনোধৰণৰ সহায় পোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** তেখেতে চাম বুলি ক'লে, আপুনি দি দিব।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বানপানী হৈ গ'ল। আকৌ বানপানী আহিব। তেওঁলোকে কোনোধৰণৰ সহায় পোৱা নাই। এই কথাটো মাননীয় মন্ত্ৰী মহোদয়ৰ অৱগত হ'ব লাগিছিল।

**শ্ৰী অতুল বৰা (কৃষি মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কথাটোৰ সত্যতা নাই। এইটো সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। ১০০ শতাংশ সহায় কৰা হৈছে।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তথ্য দিবলৈ দিয়ক।

**শ্ৰী অতুল বৰা (কৃষি মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে যদি নাই পোৱা

বুলি আমাৰ দৃষ্টিগোচৰ কৰে, আমি চাম।

**মাননীয় অধ্যক্ষ ঃ** তেখেতে বিবেচনা কৰিব বুলি কৈছে।

**শ্ৰী অতুল বৰা (কৃষি মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো এনেই সদনৰ মজিয়াত কলেই নহয়। বানপানীৰ সময়ত যি ক্ষয়-ক্ষতি হয়, এইখন চৰকাৰে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দূৰদৰ্শী নেতৃত্বত খুব ক্ষীপ্ৰতাৰে ব্যৱস্থা লৈছে।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এজন কৃষকেও সহায় পোৱা নাই।

................................সদনত হুলস্থুল........................

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ১৪৬, সন্মানীয় সদস্য শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)।

**শ্ৰী অতুল বৰা, (কৃষি মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰত চৰকাৰে যিটো দিছে, তাত দেখা গৈছে যে গৰুখুটি প্ৰকল্পৰ নামত জিলা আয়ুক্তৰ ফালৰ পৰা ৯,৫২,৯৩,৩৪৮ টকা আৰু গৰুখুটি প্ৰকল্প সমিতিক চৰকাৰে দিছে ৮.১৫ কোটি টকা। ২০২২-২৩ আৰু ২০২৩-২৪ বৰ্ষত সৰ্বমুঠ ১৭,৬৭,৯৩,৩৪৮ টকা চৰকাৰে দিলে আৰু ২০২২-২৩ বৰ্ষত মুঠ ইনকাম হ'ল ৯৭,৩৭,৫৬৩ টকা আৰু ২০২৩-২৪ বৰ্ষত ১,৮২,১৬,০৬১ টকা। দেখা গ'ল, দুই বছৰত ২,৭৯,৭৬,৬২৪ টকা আয় হ'ল। এই দুই বছৰত ১৭,৬৭,৯৩,৩৪৮ টকা খৰছ কৰি যদি ২,৭৯,৭৬,৬২৪ টকা আয় হয়। অৰ্থাৎ ৰাজকোষৰ পৰা ১৪,৮৭,১৬,৭২৪ টকা ঘাটি হ'ল। গতিকে গৰুখুটি প্ৰকল্পৰ নামত বছৰে ৮, ১০ কোটি টকাকৈ ৰাজকোষৰ পৰা অপচয় হৈ আছে। আমাৰ কথা হ'ল যে চৰকাৰে এই ঘাটি প্ৰকল্পটো বন্ধ কৰি যিসকল মানুহক তাৰ পৰা উচ্ছেদ কৰিছিল, তেওঁলোকক বহাই পুনৰ খেতিবাতি কৰাৰ কাৰণে সুবিধা দিবনে, এইটো মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা, (কৃষি মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গৰুখুটি প্ৰকল্প মাননীয় মুখ্যমন্ত্ৰীৰ এক সপোনৰ প্ৰকল্প। এটা প্ৰকল্প কৰিবলৈ যাওঁতে ইয়াত establishment cost টো আহে। প্ৰথম পৰ্য্যায়ত যিখিনি invest কৰা হৈছে, সেইখিনি নিশ্চিতভাৱে লাহে লাহে ওলাব আৰু প্ৰথম পৰ্য্যায়ত যিমান টকা invest কৰা হৈছে তাত, আজি তাৰ পৰা যথেষ্টখিনি income ও আহিছে। অৰ্থাৎ যিমান invest হৈছে উপাৰ্জন বাঢ়িছে।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৃষিৰ ক্ষেত্ৰত যিখিনি invest কৰা হয়, সেইটো বছৰতে income হয়, সেইটো permanent investment নহয়। অৰ্থাৎ one time investment ত দেখা গ'ল যে ২.৭৯ কোটি টকা income হ'ল আৰু ১৪.৮৮ কোটি টকা লোকচান হ'ল।

মই কৈছো যে আগত যিসকল মানুহে তাত খেতি কৰি আছিল, তেওঁলোকে বছৰি তাত কেইবা শ কোটি টকা উপাৰ্জন কৰিছিল চৰকাৰৰ পৰা কোনো ধৰণৰ সহায় নোলোৱাকৈ। গতিকে গৰুখুটি প্ৰকল্পটো বন্ধ কৰি আগত যিসকলে তাত খেতি বাতি কৰি আছিল, তেওঁলোকক পুনৰ দিব লাগে, এইটো আমাৰ দাবী।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা, (কৃষি মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, গৰুখুটি প্ৰকল্প যি investment আছিল ৩ কোটি টকা, ইয়াৰ বিপৰীতে ৪.৩০ কোটি টকা পোৱা হৈছে। গতিকে তাত লোকচান হোৱাৰ কথা নাহে।

মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীৰ এইটো মুল কথা নহয় যে তাত খেতি কিমান হৈছে, কাৰণ one time investment মানে তাত গৰু- ছাগলী পোহ-পালনৰ ব্যৱস্থাও আছে। তাত এখন composit কৃষি পাম গঢ়ি তোলা হৈছে। আচল কথা হ'ল যে কিছুমান লোক তাত আছিল, সেই মানুহখিনি পুনৰ তাত বহুৱাটোৱে তেখেতৰ মুল উদ্দেশ্য।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া supplimentary, সন্মানীয় সদস্য শ্ৰী আব্দুৰ ৰহিম আহমেদ।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, (বৰপেটা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই যোৱা অধিবেশনটো একে প্ৰশ্ন আনিছিলো, তাত এটা প্ৰকল্প, চৰকাৰে ইমান টকা ধাৰ্য্য কৰে, যাতে বিভাগটোক সজিৱ কৰি ৰাখিবলৈ বা তাত থকা মানুহখিনিৰ সংস্থাপন হ'বলৈ। কিন্তু ইয়াতে দেখিছো যে যিমানখিনি চৰকাৰী ধন ব্যয় কৰিছে, সেই অনুপাতে আয় হোৱা নাই।

গতিকে মই প্ৰশ্নটো কৰিব খুজিছো যে তাৰ পৰা যিখিনি মানুহক উচ্ছেদ কৰা হ'ল, যদি তেওঁলোক বিদেশী, বাংলাদেশী তেতিয়া হলে আমাৰ ক'ব লগীয়া নাই, ভাল কাম কৰিছে, আৰু যদি ভাৰতীয় নাগৰিক, আমি নিশ্চিত ভাৱে ক'ব পাৰো যে ১০০ শতাংশ বৰ্তমান চৰকাৰৰ দ্বাৰা পৰিচালিত প্ৰকল্পতকৈ বেছি উৎপাদন তেওঁলোকে চৰকাৰৰ কোনো অনুদান নোহোৱাকৈ তেওঁলোকে কৰিবলৈ সক্ষম হৈছিল। মই ভাৱো চৰকাৰে এই প্ৰকল্পটোত সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে । গতিকে আমাৰ সেই স্থানীয় মানুহখিনিক আকৌ সেই প্ৰকল্পৰ কামটো সমজাই দিব লাগে, আৰু ইয়াৰ পৰা কৃষি খণ্ডৰ উন্নয়ৰ কাৰণে তেওঁলোকে যথেষ্ঠ ভূমিকা গ্ৰহণ কৰিব, সেইটো আমাৰ দৃঢ় বিশ্বাস।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া প্ৰশ্ন নং ১৪৭, সন্মানীয় সদস্য শ্ৰী শ্বেৰমান আলি আহমেদ।

(সদনত হুলুস্থুল)

(বিৰোধী দলে সদন ত্যাগ কৰে)

**শ্ৰী পিযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত আছে।

**শ্ৰীশ্বেৰমান আলী আহমেদ, বাঘবৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ বাঘবৰ সমষ্টিৰ মইনবড়ী অঞ্চলৰ এই দেৰলাখ মানুহ আক্ৰান্ত হোৱা এই বেকীনদীৰ সমস্যাটো মাননীয় মন্ত্ৰী মহোদয়ৰ প্ৰত্যক্ষ হস্তক্ষেপত যোৱা কিছুদিন আগতে সমাধান হৈছে মই আজি এই সদনৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ৰ মইনবড়ী অঞ্চলৰ দেৰলাখ মানুহৰ হৈ আন্তৰিক ধন্যবাদ জনাইছো। ইয়াতে আৰু এটা কথা মই নক'লে শুদ্ধ নহ'ব। চাৰ, স্বাধীনতাৰ পঞ্চাশ বছৰ পিছত হাজাৰ হাজাৰ মানুহ গৃহহীন হোৱা এই সমস্যাটো কংগ্ৰেছ দলৰ চৰকাৰৰ দিনত কেবিনেট মন্ত্ৰী পৰ্য্যন্ত আছিল, কিন্তু তেওঁলোকে সমাধান নকৰিলে। আজি বিজেপি চৰকাৰ হোৱাৰ পিছতো সেই অঞ্চলৰ মানুহে মোক জিকোৱাৰ পিছতো আজি যে তেখেতে এই সমস্যাটো বিশেষ তৎপৰতাৰে সমাধান কৰিলে তাৰ কাৰণে মই গোটেই বাঘবৰ সমষ্টিৰ ৩ লাখ মানুহৰ হৈ আপোনাক ধন্যবাদ জনাইছো। চাৰ, Supplementary এটা আছে। ৩ টা sub-estimate আছে, মন্ত্ৰী মহোদয়ে কৈছে যে দিব Fund available এইবছৰ নহ'ব। কেৱল আপোনাক অনুৰোধ কৰিছো অহা বছৰ যাতে পইচাখিনি দিয়ে। দ্বিতীয়তে important যিটো issue বেকীনদীৰ সমস্যাটোৰ সমাধান হ'ল। এতিয়া ব্ৰহ্মপুত্ৰ

নদীৰ বহৰি সত্ৰৰ পৰা বৈঠাপতা সত্ৰলৈ আছে মাজতে আছে মনৰা সত্ৰ। Multicenter Flood shelter. মন্ত্ৰী মহোদয়ে আগৰবাৰ উত্তৰ দিছে যে কেছ থকাৰ আমাৰ ADB টো drop পৰি গ'ল। যিহেতু সমস্যাটো ভয়াবহ। আপুনি এইবাৰো বহৰিত ভালেখিনি টকা দিলে। মোৰ তাতো দিছে কিন্তু এইটোৱে সমাধান নহ'ব। মিলিজুলিত এতিয়া Flood Shelter যাওঁ যাওঁ হৈছে। মই মন্ত্ৰী মহোদয়ক এটা প্ৰস্তাৱ দিব খোজো যদি এই কেছটো withdraw কৰিলে Assian Development ৰ কামটো যদি তৎক্ষণাত আৰম্ভ কৰিব পৰা যায়, তেতিয়াহ'লে মই নিজে চিঙাৰ বিধায়ক আৰু সৰভোগৰ মাননীয় বিধায়ক শ্ৰীমনোৰঞ্জন তালুকদাৰে ইতিমধ্যে মোৰ লগত কথা পাতিছে। আমি তিনিজনে মিলি কেছটো withdraw কৰাই দিম within next one week. কেৱল আপুনি এটা আশ্বাস দিব লাগে যে কেছটো withdraw হোৱাৰ লগে লগে ADB কামটো আৰম্ভ হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মাননীয় মন্ত্ৰী।

**শ্ৰীপীয়ুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাবছৰ বানপানীৰ সময়ত মই এটা টি.ভিত Video দেখিছিলো। এজন মানুহে ৰিক্সা চলাই কষ্ট কৰি পকাৰ ঘৰ বনাইছিল আৰু বেকী নদীৰ খহনীয়াত পকা ঘৰটো ধ্বংস হৈছিল। মানুহজনে টি.ভিৰ আগত কান্দি কান্দি bite দিছিল যে মোৰ সকলো শেষ হৈ গ'ল আৰু সেইখিনি সময়তে সন্মানীয় বিধায়ক শ্বেৰমান আলী ডাঙৰীয়া আৰু জনীয়াৰ বিধায়ক ডাঙৰীয়াইও মোক যোগাযোগ কৰিছিল আৰু এই অঞ্চলত গড়াখহনীয়াৰ প্ৰতিৰোধৰ কাৰণে ব্যৱস্থা লবলৈ আহ্বান জনাইছিল। মই সদনক পুনৰবাৰ কৈছো সেই video টোৱে মোৰ মজগত এনেকৈ ক্ৰিয়া কৰিছিল অত্যন্ত দুখিতঃ হৈছিলো আৰু অত্যন্ত দুখ লগা এটা পৰিৱেশ হৈছিল। ঘৰ এটা বনোৱাটো বহুত কষ্ট তাতে এজন ৰিক্সা চালকে কিমান কষ্ট কৰি এটা ঘৰ বনাইছে, সেইটো মই অনুধাৱন কৰিছিলো। যিহেতু এই কামখিনি ADB (Assian Development Bank) ত চলি আছিল। যিগৰাকী ADB ৰ অফিচাৰ অসমত সেইখিনি সময়ত আছিল, তেখেতক মই নিজে গৈ আমাৰ মেম্বাৰ অফিচলৈ মাতি আনি তেখেতক এই কামখিনি কৰিবলৈকে তৎপৰ হ'বলৈ অনুৰোধ কৰিছিলো। আমাৰ অনুৰোধত তেখেতে প্ৰায় ৬ কোটি টকা Land aquisition ৰ কাৰণে আৰু চাৰে ৩৯ কোটি টকা গড়াখহনীয়াৰ কাৰণে তেখেতে অনুমোদন দিছিল আৰু আমি কৰিবলৈকে সক্ষম হৈছো আৰু কামখিনি সম্পূৰ্ণ গতিত চলি আছে। তেখেতে যিটো court case ৰ কথা মই আগৰ বিধান সভাতো উত্তৰ দিছিলো যে আমি ADB ত কিয় কৰিব পৰা নাই কেইগৰাকীমান ব্যক্তি গৈ high court ত গ'ল। যিহেতু subjudice হৈ আছে, আমি matter টো takeup কৰিব পৰা নাই। কিন্তু তেখেতে এটা ভাল কথা কৈছে। তেখেতলোকে যদি সেই যিকেইগৰাকী ব্যক্তি court ত গৈ কেছ কৰিছে, তেওঁলোকৰ লগত যদি আলোচনা কৰি কেছটো যদি উঠাই দিয়ে তাৰপাছত আমি ADB ক approach কৰিম। তৎক্ষণাত মই ক'ব নোৱাৰিম। কাৰণ আমি ADB ক approach কৰিব লাগিব। যেনেকৈ এই চাৰে ৩৯ আৰু ৬ কোটি টকাৰ কামটোৰ কাৰণে গৈ তেখেতলোকক অনুৰোধ কৰিছিলো, approach কৰিছিলো তেনেকৈ আমি approach কৰিব লাগিব কাৰণ এইটো মাননীয় অধ্যক্ষ মহোদয়, ADB য়ে আমাক কোনো ধৰণৰ অনুদান নিদিয়ে। এইটো ADB ৰ অনুদান নহয়। এইটো ভাৰত চৰকাৰে ৯০ শতাংশ দিয়ে আৰু অসম চৰকাৰে ১০ শতাংশ দিওঁ। আমাৰ চৰকাৰৰ টকা, কিন্তু ADB ৰ কিছুমান নিয়ম থাকে বা World Bank ৰ কিছু নীতি নিয়ম থাকে। হঠাতে গ'লো আৰু loan দি দিলে, তেনেকুৱা কথা নহয়। তেওঁলোকৰ কিছুমান system থাকে, sys-

tematic way ত আমি apporach কৰিব লাগে, তেতিয়াহে তেওঁলোকে আমাক লোন দিয়ে। মই তেখেতৰ কথাটো মানিছো। যিকেইগৰাকী ব্যক্তিয়ে কেছ দিছিল, তেখেতসকলৰ লগত বিধায়ক কেইগৰাকীয়ে আলোচনা কৰক আৰু পৰৱৰ্তী সময়ত দৰকাৰ হ'লে মোৰ ওচৰলৈ লৈ আহক। আমি court ৰ বাহিৰত কিবা settlement কৰিব পাৰো নেকি ? তাৰপৰা গৈ তেওঁলোকে কেছটো যদি কোৰ্টত উঠাই দিয়ে তাৰপাছত যদি আমি ADB ক approach কৰো বা কেৱল ADB য়ে নহয়, অন্য শিতানতো definitely পুঁজি থাকে আৰু SOPD তো থাকে আমাৰ RIDF তো থাকে। পৰৱৰ্ত্তী সময়ত এই কামখিনি কৰিবলৈকে মই চেষ্টা কৰিম বুলি আপোনাক প্ৰতিশ্ৰুতি দিছো।

**মাননীয় অধ্যক্ষঃ**ধন্যবাদ।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোয়ক এই ক্ষেত্ৰত যথেষ্ট ভাল পাইছো. কেৱল মন্ত্ৰী মহোদয়ক মই এটা কথা জনাব খুজো ADB ৰ কাৰণে আমাৰ বহৰীৰ পৰা বাঘবৰ এইটো আছিল first priority sector. একমাত্ৰ কেচৰ কাৰণে drop হৈ আছে। এতিয়া আপোনাৰ আশ্বাসমতে আমি withdraw কৰিম case টো উঠাই লম। কিন্তু আপোনালৈ এটা অনুৰোধ থাকিব যাতে আপুনি বেকীটো যেনেকৈ কৰিলে special initiative লৈ যাতে এইটো যিমান সোনকালে পাৰে নহ'লে কেচটো withdraw হ'ল ইফালে sanction নহ'ল আমাৰ ৩ জন বিধায়কৰ ইতি পৰিব আৰু। গতিকে এইটোৱে অনুৰোধ ৰাখিছো আপোনাক।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই serious approach লৈ তেখেতলোকক অনৰোধ কৰিম। মই আকৌ কৈছে য়ে কেৱল ADB নহয় বেলেগ শিতানতো আমাৰ পুঁজি আছে। এইবাৰো বহৰী, বৰপেটা আমি কেইবাটাও কাম RIDF ক দিছো। কিন্তু specific এই মূহুৰ্তত মোৰ মনত নাই। কিন্তু কেইবাটাও কাম দিয়া মোৰ মনত আছে। গতিকে অন্য পুঁজিৰো হয়তো এইখিনি কাম কৰিবলৈ চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ next question শ্ৰী বিদ্যা সিং ইংলেং। আপোনালোক দুজন বহিব।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, just এটা কথা, main solution ৰ কাৰণে ADB টো লাগে।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী। শ্ৰীপৰিমল শুক্লবৈদ্য।

**শ্ৰীপৰিমল শুক্ল বৈদ্য, (আৰকাৰী মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীবিদ্যা সিং ইংলেং** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যি উত্তৰ দিছে, 'ক',খ', 'ঘ' সেইকেইটা ঠিকেই। যিহেতু আৰকাৰী বিভাগৰ পৰা ৰাজ্যৰ highest second revenue collection হয়। তাৰে যোৱা বছৰ কিমান collection হৈছিল। এই revenue collection ৰ পৰা কাৰ্বি-আংলং Autonomous Council, NC Autonomous council ত কিমান টকা দিয়া হৈছিল? এই কথাটো জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**শ্ৰীপৰিমল শুক্ল বৈদ্য, (আৰকাৰী মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো আছিল আমি কিমান দোকান দিছো। বিলাতী সুৰাৰ বিপনীৰ অনুজ্ঞা পত্ৰ দিয়া হৈছে। এইক্ষেত্ৰত প্ৰশ্নটো দিয়া হৈছে ।

আমি এইক্ষেত্ৰত একেবাৰে ধুনীয়াকৈ উত্তৰ প্ৰদান কৰিলো। এতিয়া কথাটো হৈছে। Revenue ৰ কথা যেতিয়া আহিব, নিশ্চিতভাৱে revenue ৰ কথাটো আমি খুব ভালকৈ দিব পাৰিম। ইয়াত এখনো ঠাইত revenue ৰ কথা লিখা নাছিল। সেই কাৰণে revenue ৰ ক্ষেত্ৰত সঠিক তথ্য দিবলৈ অসুবিধা হৈছে। কিন্তু আপুনি যি নতুন দোকানৰ কথা সুধিছে যে কিমান আমি নতুন দোকান retail wineshop আমি দিলো। ইয়াত আমি কৈছো যে ১৬ খন shop দিছিলো। ২০ খনৰ বিজ্ঞাপন দিছিলো তাৰ ভিতৰত ১৬ খন দোকানৰ অনুজ্ঞা পত্ৰ দিছিলো, এখ- কৰিমগঞ্জ জিলাত, দুখন বিলাতী মদৰ দোকানীৰ নিৰ্দিষ্ট সময়ৰ ভিতৰত কোনো আবেদন নোপোৱাৰ বাবে ওডালগুৰিত এখন আৰু দুখন কৰিমগঞ্জত আৰু এখনৰ কাৰণে highcourt চলি আছে. ২০ খনৰ ভিতৰত আমি ১৬ খন দিলো আৰু বাকী এতিয়া কিছুমান বিজ্ঞাপন আছে। এই বিজ্ঞাপনত যিসকলে ২০৩ খনৰ কাৰণে যিসকলে apply কৰিছে, তেওঁলোকে তেওঁলোকৰ যিসমূহ দিব লাগে এইখিনি যদি সম্পূৰ্ণ কৰিছে আমি তেওঁলোক দিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** তেখেতক ৰেভিনিউ শ্বেয়াৰিঙটো অলপ চাই দিব ।

**শ্ৰীপৰিমল শুক্লবৈদ্য, মন্ত্ৰী, আবকাৰী ইত্যাদি ঃ** অধ্যক্ষ মহোদয়, লিষ্টখন মই পিচত দিম। যিহেতু চাৰ শ্ৰদ্ধাৰ বিধায়ক বিদ্যাসিং ইংলেঙ ডাঙৰীয়াই ৰেভিনিউৰ ক্ষেত্ৰত সুধিলে গতিকে মই ক'ব পাৰো যে এই বছৰ আমাৰ এক্সাইছ ৰেভিনিউ ভেট যদিও এক্সাইজৰ লগত ৰিলেটেড নহয় কিন্তু আমাৰ জৰিয়তে ভেটটো কালেকশ্যন হয় । মই যদিও একুৰেট তথ্য দিব নোৱাৰো কিন্তু মই ভাবো এইবাৰ ২০২৩-২৪ চনত এক্সাইজ ৰেভিনিউ ভেট লৈ প্ৰায় চাৰি হাজাৰ কোটিৰ অধিক হ'ব নহ'লে তাৰ আশে পাশে হ'ব লাগে ।

**শ্ৰীবিদ্যাসিং ইংলেঙ, ডিফু ঃ** চাৰ এটা চাপ্লিমেন্টৰী আছে - মই যিহেতু মন্ত্ৰী মহোদয়ে একুৰেট তথ্য দিয়া নাই গতিকে মই তেখেতৰ চেম্বাৰলৈ যাম তেখেতে মোক লিখিত তথ্য দিলে ভাল হয়। অধ্যক্ষ মহোদয় মই তেখেতৰ পৰা এটা কথা জানিব বিচাৰিছো যে , যোৱা বছৰ চুলাই মদ খাই কেইবাজনো মানুহ মৃত্যেুমুখত পৰিছে । গতিকে চৰকাৰে ইয়াৰ ওপৰত কিবা ব্যৱস্থা লৈছেনেকি ?

**শ্ৰীপৰিমল শুক্লবৈদ্য, মন্ত্ৰী, আবকাৰী ইত্যাদি ঃ** অধ্যক্ষ মহোদয়, কথাটো এনেকুৱা যে, চুলাই মদটো ইল্লিচিট লিকাৰ আৰু এই চুলাইটো বন্ধ কৰাৰ বাবে আমি অশেষ চেষ্টা কৰি আছো । বৰ্ত্তমান চৰকাৰৰ হাতত চুলাই খাই মানুহ মৰাৰ তথ্য নাই । কিন্তু এইটো বন্ধ কৰাৰ বাবে বিভিন্ন জিলাত বিভিন্নধৰণে চেষ্টা কৰি আছো । এইক্ষেত্ৰত ১৮ জানুৱাৰীত এখন আইনো প্ৰস্তুত কৰিছো । কিন্তু এতিয়াও আমি চুলাইটো বন্ধ কৰাৰ বাবে চেষ্টা কৰি আছো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া শ্বেৰমান আলি আহমেদ ।

**শ্ৰীশ্বেৰমান আলি আহমেদ, বাঘবৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে বৰপেটা জিলা দুবাৰকৈ ভ্ৰমণ কৰিছিল। তেখেতৰ ভ্ৰমণত বাঘবৰ সমষ্টিত ইল্লিচিট লিকাৰৰ কথা কওঁতে তেখেতে এই সম্পৰ্কে এটা অৰ্ডাৰো দিছিলে আৰু এই ক্ষেত্ৰত যথেষ্ট কামো হৈছিল। এতিয়লৈকে ৬৪ টা ৰেইড হৈছে আৰু ৪১ টা কেচ ৰেজিষ্টাৰ হৈছে । তাৰ কাৰণে মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো কিন্তু মই মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে, এই ইল্লিচিট লিকাৰটো কিন্তু এতিয়াও চলি আছে, বন্ধ হোৱা নাই । ইমানখিনি কৰাৰ পিচতো কিন্তু এজনো মানুহ এৰেষ্ট হোৱা নাই । যিতিয়ালৈকে দুই-চাৰিজন মানুহক এৰেষ্ট কৰি শাস্তি দিয়া নাযাব তেতিয়ালৈ কিন্তু বন্ধ কৰিব পৰা নাযাব। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে অন্তত ৪১ টা কেচৰ বিপৰীতে ৪১ জন মানুহক এৰেষ্ট কৰি শাস্তি দিব লাগে । অন্তত সমাজত এইটো এটা ভাল মেচেছ যাব।

**শ্ৰীপৰিমল শুক্লবৈদ্য, মন্ত্ৰী, আবকাৰী ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো সঁচা- যেতিয়া মই বৰপেটা জিলাত ভ্ৰমণলৈ গৈছিলো তেতিয়া শ্বেৰমান আলি আহমেদ ডাঙৰীয়াই এই কথাটো মোক কৈছিলে । তাৰ পিছত বহু ৰেইড কৰা হ'ল, কেচ ৰেজিষ্টাৰ কৰা হ'ল। এই সকলোবিলাক তথ্য মই দিছো । মাননীয় অধ্যক্ষ মহোদয়, আপুনিও জ্ঞাত যে, এটা সময়ত ইয়াতো মহলৰ মদ বিক্ৰি হৈছিল আৰু এই মহলৰ মদ খাই মানুহ মৰাৰ সংখ্যাও বৰ ক'ম নাছিল । আমাৰ চৰকাৰ অহাৰ পিচতে এই মহল প্ৰথা আমি বন্ধ কৰিলো কাৰণ এই মহলৰ মদবিলাক পেষ্টিচাইড আৰু ফাৰ্টিলাইজাৰ জাৰিকেনত ৰাখে, **এমোনিয়া , নানা ফাৰ্টিলাইজাৰ ইত্যাদি মিক্স কৰে** আৰু তাৰ পৰাই মদ খাই প্ৰতিমাহতে বহু সংখ্যক মানুহ মৰিছিল। এতিয়া আমি এই **মদটো** কান্ট্ৰি স্পিৰিটলৈকে কনভাৰ্ট কৰি আমি চেষ্টা কৰি আছো যাতে এইবিলাক খাই অন্তত মানুহ মৃত্যেমূখত নপৰে । আপোনালোকে দেখিছে যে আমাৰ ইয়াত এক্সাইজ ৰিলেটেড বহু প্ৰশ্ন আহে, এইটো কোনো বেয়া কথা নহয়, ভাল কথা । এতিয়া প্ৰশ্নটো হৈছে যে আমি যেতিয়া কোনো এটা অঞ্চলত দোকান দিয়াৰ ব্যৱস্থা কৰিবলৈ যাওঁ তেতিয়া কিছুমান ৰাইজে কয় দোকান কিয় দিব লাগে **? দোকান দিব নালাগে।** ইতিমধ্যে দুগৰাকী বিধায়কে চুলাই মদৰ কথা উত্থাপন কৰিছে, এই চুলাই মদটো কিন্তু আগৰে পৰাই আছে। বিধান সভাৰ বাহিৰত কোনোবাই মোক প্ৰশ্ন কৰিলে হয়তো মই ক'ম যে মইতো মদ আবিস্কাৰ কৰা নাই , মন্ত্ৰী মই হ'ব পাৰো । অধ্যক্ষ মহোদয়, আজিৰ দিনত **যিটো কান্ট্ৰি স্পিৰিট এইটো** লেব'টৰিত টেষ্ট কৰি কান্ট্ৰি ইস্পিৰিট বনোৱা হৈছে। মূল্যও একুইভালেন্ট চুলাই **মদৰ** লগত, প্ৰায় সমান । মনে মনে চুলাই খোৱাতকৈ অন্তত যদি কান্ট্ৰি স্পিৰিটটো লয় **বা কনজিউম কৰে** মানুহ নমৰে কাৰণ এইটো লেব'ৰেটৰিত টেষ্ট কৰিহে অনা হৈছে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, কৰিমগঞ্জ নৰ্থ ঃ অধ্যক্ষ মহোদয়, কোৰেশ্যনাৰে এৰেষ্ট হ'বনে নাই এইটোহে জানিব বিচাৰিছিল ।**

**শ্ৰীশ্বেৰমান আলি আহমেদ, বাঘবৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, **মই কৈছো যে** এতিয়লৈকে ৬৪ টা ৰেইড হৈছে আৰু ৪১ টা কেচ ৰেজিষ্টাৰ হৈছে **কিন্তু** তাৰ **পিছতো বন্ধ হোৱা নাই । এৰেষ্ট এজনো হোৱা নাই । গতিকে এই মানুহখিনিক এৰেষ্ট কৰাৰ ব্যৱস্থা কৰিব নেকি ?**

শ্ৰীপৰিমল শুক্লবৈদ্য, মন্ত্ৰী, আবকাৰী ইত্যাদি ঃ মাননীয় অধ্যক্ষ মহোদয়, **ইয়াত এটা কথা হ'ল আমি যেতিয়াই এই মানুবিলাকক ধৰিবলৈ যাওঁ তেওঁলোক স্পটত নাথাকে । ডিপাৰ্টমেন্টক মানুহ দেখিলে তেওঁলোক পলাই যায়। এইক্ষেত্ৰত আমি বহুখিনি আইন সংশোধন কৰিলো, তিনি বছৰ কাৰাদণ্ড যাতে দিব পাৰো তাৰ ব্যৱস্থা কৰিলো আমাৰ চৰকাৰৰ দিনত । কিন্তু ডিপাৰ্টমেন্টৰ মানুহ, পুলিছ দেখিলে তেওঁলোক পলাই যায় সমস্যাটো তাতেই । কিন্তু এৰেষ্ট আমি কৰিছো অধ্যক্ষ মহোদয়।**

**মাননীয় অধ্যক্ষ ঃ এতিয়া শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ।**

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, কৰিমগঞ্জ নৰ্থ ঃ মাননীয় অধ্যক্ষ মহোদয়, ৱাটাৰ ৰিচোৰ্চ ডিপাৰ্টমেন্টে বহু কাম কৰিলে। ৰোড কাম বান্ধ ইত্যাদিকে ধৰি বহুখিনি কাম কৰিলে । মোৰ সমষ্টিৰ দুটা কাম আছিল - মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যাতে অতি সোনকালে কৰাই দিয়ে ।**

**শ্ৰীপিয়ুষ হাজৰিকা, মন্ত্ৰী , জলসম্পদ বিভাগ ইত্যাদি ঃ আপুনি যিহেতু চৰকাৰৰ সমৰ্থন আহিলে সেয়ে আপোনাৰ সমষ্টিৰ সকলো কাম কৰি দিম । চিন্তা নকৰিব।**

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ –অধ্যক্ষ মহোদয়- এইবিলাক নহ'ব। পলিটিকেলাইজ নহ'ব......।**

**কোনোবাই বিজেপিত জইন কৰিব আৰু কাম কৰি দিব এই বিলাক নহ'ব। তেনেহ'লে গোটেই কংগ্ৰেছকে লৈ লওঁক ।**

**.......সদনত হুলস্থূল....**

**মাননীয় অধ্যক্ষ ঃ** Question Hour is over. এতিয়া আইটেম নং-২। বিভাগীয়ভাৱে সম্পৰ্কিত স্থায়ী সমিতিসমূহৰ প্ৰতিবেদনসমূহ দাখিল কৰিব। প্ৰথমতে ড° পৰমানন্দ ৰাজবংশী ডাঙৰীয়া, শিক্ষা সম্পৰ্কীয়।

**ড° পৰমানন্দ ৰাজবংশী, (ছিপাঝাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ বিভাগীয় ভাৱে সমন্ধ থকা স্থায়ী সমিতি শিক্ষাৰ বিত্তীয় বৰ্ষ ২০২৪-২৫ ৰ মঞ্জুৰী নং- ২৬, উচ্চ শিক্ষা, মঞ্জুৰী নং- ২৭, ক'লা আৰু সংস্কৃতি, মঞ্জুৰী নং- ২৮, চিকিৎসা, শিক্ষা আৰু গৱেষণা। মঞ্জুৰী নং- ৬৫, পৰ্য্যটন। মঞ্জুৰী নং- ৬৯, বিজ্ঞান , কাৰিকৰী আৰু বতৰ পৰিৱৰ্তন। মঞ্জুৰী নং- ৭১, বিজ্ঞান শিক্ষা, মঞ্জুৰী নং- ৮০, খিলঞ্জীয়া, জনজাতীয় বিশ্বাস আৰু সংস্কৃতি প্ৰতি ব্যৱধানসমূহ এই পৱিত্ৰ সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Next, শ্ৰী মানব ডেকা ডাঙৰীয়াই কওঁক।

**শ্ৰী মানব ডেকা,(লক্ষীমপুৰ) ঃ** Hon'ble Speaker Sir, I on behalf of Shri Bhuban Pegu, Hon'ble Chairman Departmantelly Related Standing Committee on Works Department beg to present on the Reports Departmantelly Related Standing Committee on Work & Department, Assam Legislative Assembly for Financial Year, 2024-25 as follows- No.-1, 25th Report Under Grant No-17, 33, 44 and 64 relating to Public Works Departments. No.-2, 26th Report Under Grant No.-30, 44, Relating to Public Health Engineering Department. No.-3, 26th Report Under Grant No.-63, 44 , Relating to Water Resource Department. No.-4, 25th Report Under Grant No.-49 and 44 Relating to Irrigation Department. No.-5, 21st Report Under Grant No.-6, 7 and 41, 72, Relating to Revenue And Disaster Management Department. No.-6, 25th Report Under Grant No.-31,32,34,44 and 73 Relating to Housing and Urban Affairs Department. No.-7, 21st Report Under Grant No.-16, Relating to Information, Public releation, Printing and Stationary Department. No.-8, 1st Report Under Grant No.-11, Relating to Act East Policy Affairs Department. No.-9, 1st Report Under Grant No.-75, Relating to Information Technology Department. **মাননীয় অধ্যক্ষ ঃ** Next, শ্ৰী গোবিন্দ বসুমতাৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী গোবিন্দ বসুমতাৰী, (পানেৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ইংৰাজী ২০২৪-২৫ বৰ্ষৰ ৮, ৯, ১২, আৰু ২১, ৩৭, আৰু ৪৬, ৩৮, ৩৯, ৪০, ৫৫, ৫৮ আৰু ৬০, ৬১, ৬২,৭৪, ৩৮, ৭৯, ৭০ আৰু ৪২ নং মঞ্জুৰী সম্পৰ্কত অসম বিধান সভাৰ উন্নয়ণ (ক) বিভাগসমূহৰ বিভাগীয়ভাৱে সম্পৰ্কিত স্থায়ী সমিতিৰ প্ৰতিবেদনসমূহ সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Next, শ্ৰী ভৰেন্দ্ৰ নাথ ভড়ালী ডাঙৰীয়াই কওঁক।

**শ্ৰী ভৰেন্দ্ৰ নাথ ভড়ালী, (দেৰগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ ইংৰাজী ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বিভাগীয়ভাৱে সম্পৰ্কিত স্থায়ী সমিতিৰ উন্নয়ণ (খ) বিভাগৰ তলত উল্লেখিত প্ৰতিবেদনসমূহ সদনত দাখিল কৰিলো। প্ৰথম মঞ্জুৰী নং-৪৮ আৰু ৬৭। কৃষি আৰু উদ্যান শস্য বিভাগৰ ২৬ তম প্ৰতিবেদন। মঞ্জুৰী নং-৫৬ আৰু ৫৭, পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ২৬ তম প্ৰতিবেদন। মঞ্জুৰী নং-৫৪, মীন বিভাগৰ ২৬ তম প্ৰতিবেদন। মঞ্জুৰী নং-৫২ আৰু ৫৩, পশু চিকিৎসা আৰু পশুপালন বিভাগৰ ২৬ তম প্ৰতিবেদন। মঞ্জুৰী নং-২৯ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ২৬ তম্ প্ৰতিবেদন। মঞ্জুৰী নং-৪৩ সমবায় বিভাগৰ ২৬ তম প্ৰতিবেদন। মঞ্জুৰী নং-৩৬ শ্ৰম আৰু নিয়োগ বিভাগৰ ২১ তম প্ৰতিবেদন। মঞ্জুৰী নং-৩৫ দক্ষতা,নিয়োগ আৰু উদ্যমিতা বিভাগৰ প্ৰথম প্ৰতিবেদন। মঞ্জুৰী নং-৫১ ভূমি সংৰক্ষণ বিভাগৰ ২১ তম প্ৰতিবেদন। মঞ্জুৰী নং-১৪, ১৫, ১৮, ২০ আৰু ৫০, গৃহ বিভাগৰ ২১ তম প্ৰতিবেদন। মুঠ ১১ খন প্ৰতিবেদন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আইটেম নং-৩। শ্ৰী নুৰুল হুদা ডাঙৰীয়া, অসম বিধান সভাৰ ৰাজহুৱা হিচাব সমূহৰ সমিতিৰ সভাপতি ।

**শ্ৰী নুৰুল হুদা,(ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ ৰাজহুৱা হিচাব সমূহৰ সমিতিৰ ১৮৪, ১৮৫ আৰু ১৮৬ তম প্ৰতিবেদন তিনিখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী সুশান্ত বৰগোঁহাই ডাঙৰীয়া, অসম বিধান সভাৰ চৰকাৰী আশ্বাস সমূহৰ সমিতিৰ সভাপতি।

**শ্ৰী সুশান্ত বৰগোঁহাই, থাওৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ চৰকাৰী আশ্বাস সমূহৰ সমিতিৰ ৫৭ তম প্ৰতিবেদন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী পোনাকন বৰুৱা ডাঙৰীয়া, অসম বিধান সভাৰ অধীনস্থ বিধায়ন সমিতিৰ সভাপতি ।

**শ্ৰী পোনাকন বৰুৱা, (চাবুৱা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ অধীনস্থ বিধায়ন সমিতিৰ ২৭ সংখ্যক প্ৰতিবেদন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আইটেম নং-৬। Bill introduction. মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী,সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ হৈ আপোনাৰ অনুমতি সাপেক্ষে " দ্যা আসাম হিলিং (প্ৰিভেনশ্যন অফ ইভিল) প্ৰেক্টিচেছ বিল, ২০২৪" খন সদনত উত্থাপন কৰিবলৈ প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল- বিধেয়ক খন উত্থাপন কৰিবলৈ সদনৰ সন্মতি আছেনে ?

যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
(সদনে সন্মতি প্ৰদান কৰে)।
মই ভাৰো 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে
অনুমতি দিয়া হ'ল।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী,সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ হৈ আপোনাৰ অনুমতি সাপেক্ষে “ দ্যা আসাম হিলিং (প্ৰিভেনশ্যন অফ ইভিল) প্ৰেক্টিচেছ বিল, ২০২৪” খন সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী,সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ হৈ আপোনাৰ অনুমতি সাপেক্ষে “ দ্যা আসাম ভিলেজ ডিফেঞ্চ অৰ্গেনাইজেশ্যন (এমেণ্ডমেণ্ট) বিল, ২০২৪” খন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ’ল- বিধেয়ক খন উত্থাপন কৰিবলৈ সদনৰ সন্মতি আছেনে ?

যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক ‘হয়’
যিসকল বিপক্ষে আছে কওঁক ‘নহয়’
(সদনে সন্মতি প্ৰদান কৰে)।
মই ভাৱো ‘হয়’ৰ সপক্ষে ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে
অনুমতি দিয়া হ’ল।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী,সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ হৈ আপোনাৰ অনুমতি সাপেক্ষে “ দ্যা আসাম ভিলেজ ডিফেঞ্চ অৰ্গেনাইজেশ্যন (এমেণ্ডমেণ্ট) বিল, ২০২৪” খন সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আইটেম নং-৮। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী, অশোক সিংহল ডাঙৰীয়াই কওঁক।

**শ্ৰী অশোক সিংহল,(মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে “ দ্যা আসাম মিউনিচিপাল (এমেণ্ডমেণ্ট) বিল-২০২৪” খন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ’ল- বিধেয়ক খন উত্থাপন কৰিবলৈ সদনৰ সন্মতি আছেনে ?

যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক ‘হয়’
যিসকল বিপক্ষে আছে কওঁক ‘নহয়’
(সদনে সন্মতি প্ৰদান কৰে)।
মই ভাৱো ‘হয়’ৰ সপক্ষে ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে
অনুমতি দিয়া হ’ল।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে “ দ্যা আসাম মিউনিচিপাল (এমেণ্ডমেণ্ট) বিল-২০২৪” খন সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আইটেম নং-৯। কাৰ্য্য উপদেষ্টা সমিতিয়ে আমাৰ যি ফাইনেঞ্চিয়েল গ্ৰ্যাণ্ট আছিল, তাৰে কৃষিৰ ওপৰত আজি আলোচনা কৰিবলৈ কাৰ্য্য উপদেষ্টা সমিতিয়ে সিদিনাখন সিদ্ধান্ত লৈছিল। তাৰ কাৰণে মাননীয় মন্ত্ৰী ডাঙৰীয়াক প্ৰস্তাৱ দাঙি ধৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, কৃষি ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মহামান্য

ৰাজ্যপাল মহোদয়ৰ অনুমোদন মৰ্ম্মে প্ৰস্তাৱ কৰিব খুজিলো যে ২০২৫ চনৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত ভাৰপ্ৰাপ্ত মন্ত্ৰী, কৃষি শিতানৰ মুঠ ২,৩২,৮৪৩.৪৭ লাখ টকাৰ কৰ্তন প্ৰস্তাৱ মঞ্জুৰ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মঞ্জুৰীৰ ওপৰত কৰ্তন প্ৰস্তাৱ আছে। শ্ৰী দেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগীসকলৰ কৰ্তন প্ৰস্তাৱ আছে। তেখেতক উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৃষি বিভাগৰ মঞ্জুৰী নং ৪৮ ৰ বিৰুদ্ধে কৰ্তন প্ৰস্তাৱ উত্থাপন কৰি মই কওঁ যে '২০২৪-২৫ চনৰ বাজেটৰ ২য় খণ্ডৰ ১৩ অংশৰ ২০-৭২ পৃষ্ঠাত থকা কৃষি শিতানৰ ৪৮ নং মঞ্জুৰীৰ বাবে কৰা দাবীৰ মুঠ ২৩২৮৪৩.৪৭ লাখ টকা ১ টকালৈ হ্ৰাস কৰা হওঁক, অৰ্থাৎ মঞ্জুৰীৰ মুঠ ২৩২৮৪৩.৪৭ লাখ টকা, ১ টকালৈ হ্ৰাস কৰা হওক।'

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া ২ নংত আছে হাফিজ বছিৰ আহমেদ আৰু তেওঁৰ সহযোগীসকলৰ।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** Hon'ble Speaker Sir, the total provision of Rs. 232843.47 lakh under Grant No. 48 in respect of Agriculture at Page No. 20-72 Volume II, Part 13 of the Budget for 2024-25 be reduced to Rs. 1, that means the amount of the whole grant of Rs. 232843.47 lakh do stand reduced to Rs. 1. Thank you.

**মাননীয় অধ্যক্ষঃ** পৰৱৰ্তী শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ)ঃ** '২০২৪-২৫ চনৰ বাজেটৰ ২য় খণ্ডৰ ১৩ অংশৰ ২০-৭২ পৃষ্ঠাত থকা "কৃষি" শিতানৰ ৪৮ নং মঞ্জুৰীৰ বাবে কৰা দাবীৰ মুঠ ২৩২৮৪৩.৪৭ লাখ টকা ১ টকালৈ হ্ৰাস কৰা হওঁক, অৰ্থাৎ মঞ্জুৰীৰ মুঠ ২৩২৮৪৩.৪৭ লাখ টকা, ১ টকালৈ হ্ৰাস কৰা হওক।'

**মাননীয় অধ্যক্ষঃ** এতিয়া শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** ২০২৪-২৫ চনৰ বাজেটৰ ২য় খণ্ডৰ ১৩ অংশৰ ২০ -৭২ পৃষ্ঠাত থকা "কৃষি" শিতানৰ ৪৮ নং মঞ্জুৰীৰ বাবে কৰা দাবীৰ মুঠ ২৩২৮৪৩.৪৭ লাখ টকা ১ টকালৈ হ্ৰাস কৰা হওঁক, অৰ্থাৎ মঞ্জুৰীৰ মুঠ ২৩২৮৪৩.৪৭ লাখ টকা, ১ টকালৈ হ্ৰাস কৰা হওঁক।'

**মাননীয় অধ্যক্ষঃ** শ্ৰী শ্বেৰমান আলী আহমেদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** Hon'ble Speaker Sir, I move that - the total provision under Grant No. 48 in respect of Agriculture may please be reduced to Rs. 1 only.

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া আলোচনা।

সন্মানীয় সদন, আমি যি দুটা বিষয় লৈছিলো, তাৰে কৃষি বিষয়টো যদি আজি আমি শেষ কৰি পাছ কৰি লওঁ তেন্তে অহাকালি আনটো বিষয় হৈ যাব। সেই হিচাপে আপোনালোকে সময়বোৰ মিলাই ল'লে ভাল হয়। এতিয়া প্ৰথমতে ভৰত নৰহ ডাঙৰীয়াই ক'ব।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্তন প্ৰস্তাৱৰ সমৰ্থন কৰি কৃষি বিভাগে যোৱা তিনি বছৰ ধৰি খেতিয়কৰ পৰা ধান কিনাৰ যিটো নীতি লৈ আছে সেই বিষয়ে ক'ব বিচাৰিছো।

চাৰ, চৰকাৰে ২০২১-২২ আৰু ২০২২-২৩ বৰ্ষত ৬ টা agency ৰ পৰা ধান কিনিছিল। সেইকেইটা হ'ল- Food Corporation of India, Assam Food & Civil Supply Corporation Limited, Assam State Agriculture Marketing Board, National Federation of Farmers' Procurement Processing and Retailing Cooperative of India Limited, National Agriculture Cooperative Marketing Federation of India Limited and National Cooperative Consumer Federation of India Limited. কিন্তু, এইবাৰ ২০২৩-২৪ বৰ্ষত চৰকাৰে হঠাতে এই ৬ টা agency ৰ মাত্ৰ ৪ টা agency ৰাখি ২ টা drop দিছে। বিশেষকৈ, National Federation of Farmers Procurement Processing and Retailing Cooperative of India Limited আৰু National Cooperative Consumer Federation of India Limited এই agency দুটা drop দিছে। চাৰ, ৬ টা agency থাকোতে যিমান মেট্ৰিক টন ধান কিনাৰ বাবে fix কৰিছিল চৰকাৰে সেই টাৰ্গেটটো fulfill কৰিব পৰা নাই। এতিয়া আকৌ তাৰ পৰা দুটা minus কৰি মাত্ৰ ৪ টা ৰাখিছে। চাৰ, ২০২১-২২ আৰু ২০২২-২৩ বৰ্ষত আমাৰ অসমত ২৭২ টা Paddy Procurement Centre (PPC) আছিল। কিন্তু হঠাৎ ২০২৩-২৪ বৰ্ষত এই PPCটো ২৭২ ৰ পৰা কমাই ১৫৮ কৰিছে। চাৰ, PPCটোও কমাই দিছে। আনহাতে, ২০২২-২৩ বৰ্ষত MSP টো ২০৪০ টকা আছিল। সেইটো ২০২৩-২৪ বৰ্ষত ১৪০ টকা মান বঢ়াইছে। কিন্তু, অন্য ৰাজ্যত MSP টো ইয়াতকৈ বহুত বেছি হয়। অসমৰ MSPটো নগন্য। চাৰ, মই এতিয়া চৰকাৰে অসমত ধান ক্ৰয়ৰ বাবে fix কৰা টাৰ্গেটখিনি অলপ ক'ব বিচাৰিছো। ২০২২-২৩ ত চৰকাৰে ১০,৮৯,৭৫০ মেট্ৰিক টন ধান কিনাৰ বাবে টাৰ্গেট কৰিছিল কিন্তু, সেই টাৰ্গেটটো fulfill কৰিব নোৱাৰিলে। তাৰ বিপৰীতে মাত্ৰ ৫,৯৮,১২৬.৯৯ মেট্ৰিক টন ধানহে চৰকাৰে কিনিব পাৰিলে। ক'বলৈ গ'লে প্ৰায় ৪৫% ধান চৰকাৰে কিনিব নোৱাৰিলে। এই ক্ষেত্ৰত Food Corporation of India (FCI) ক ৪,২৬,০০০ মেট্ৰিক টন ধান কিনাৰ বাবে চৰকাৰে টাৰ্গেট দিছিল। কিন্তু, FCI য়ে মাত্ৰ ১,৯৪,২৬৫.৮ মেট্ৰিক টন ধানহে কিনিব পাৰিলে। ঠিক তেনেদৰে, Assam Food & Civil Supply Corporation Limited (AFCSCL) ক ২০২২-২৩ বৰ্ষত চৰকাৰে ৫,১০,৫০০ মেট্ৰিক টন ধান কিনাৰ বাবে টাৰ্গেট দিছিল। কিন্তু, AFCSCLয়ে মাত্ৰ ৩,৪৮,৮৮৩.১৯ মেট্ৰিক টন ধানহে কিনিব পাৰিলে। তেওঁলোকেও টাৰ্গেটটো fulfill কৰিব পৰা নাই। অৰ্থাৎ কোনো এটা agency য়েই চৰকাৰে দিয়া টাৰ্গেটটো fulfill কৰিব পৰা নাই। ইয়াৰোপৰি, Assam State Agriculture Marketing Board (ASAMB) ক চৰকাৰে মাত্ৰ ৬০০০ মেট্ৰিক টন ধান কিনিবলৈ টাৰ্গেট দিছিল। কিন্তু, তেওঁলোকে মাত্ৰ ৪৪৬১.২৮ মেট্ৰিক টন ধানহে ক্ৰয় কৰিব পাৰিলে। আন এটা agency, National Federation of Farmers' Procurement Processing and Retailing Cooperative of India Limited , যাক চমুকৈ NACOF বুলি কয়, তেওঁলোকক চৰকাৰে ৮,২৫০ মেট্ৰিক টন ধান কিনাৰ টাৰ্গেট দিছিল। সেই টাৰ্গেটটো fulfill কৰিব নোৱাৰি তেওঁলোকে মাত্ৰ ৫,৬১৪.০৩ মেট্ৰিক টন ধানহে কিনিব পাৰিলে। এনেকৈয়ে, National Agriculture Cooperative Marketing Federation of India Limited চমুকৈ NAFED, তেওঁলোকক অলপ বেছিকৈ ধান কিনিবলৈ টাৰ্গেট দিয়া হৈছিল- ১,৩১,৫০০ মেট্ৰিক টন। কিন্তু মাত্ৰ ৩৮,৯৯৩.৮৭ মেট্ৰিক টন ধানহে কিনিব পাৰিলে।

আকৌ, National Cooperative Consumer Federation of India Limited ক ৭,৫০০ মেট্ৰিক টন ধান কিনাৰ টাৰ্গেট দিয়া হৈছিল। কিন্তু তেওঁলোকেও মাত্ৰ ৫৯০৮.৪৫ মেট্ৰিক টনহে ধান কিনিব পাৰিলে। মই এইয়া ২০২২-২৩ বৰ্ষৰ তথ্য ক'লো।

এইবাৰ ২০২৩-২৪ বৰ্ষত অসম চৰকাৰৰ ৭,০১,২০০ মেট্ৰিক টন ধান কিনাৰ টাৰ্গেট আছিল। এতিয়ালৈ চৰকাৰে মাত্ৰ ৮১,৮৪১ মেট্ৰিক টন ধান কিনিব পাৰিছে। ছাৰ, এতিয়া ফ্ৰেব্ৰুৱাৰী মাহ হয়। ফ্ৰেব্ৰুৱাৰী মাহত টাৰ্গেট আছিল ৭,০১,২০০ মেট্ৰিকটন। কিন্তু তেওঁলোকে এতিয়ালৈকে মাত্ৰ ৮১,৮৪১ মেট্ৰিকটন ধানহে সংগ্ৰহ কৰিব পাৰিছে।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় বিধায়ক ডাঙৰীয়া, আপোনাৰ সময়টো শেষ হৈছে।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈছা) ঃ** ছাৰ, মোৰ মাত্ৰ ১ মিনিট সময় লাগিব।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় বিধায়ক, সেইকাৰণে কৈছো সময়টো minus হৈ গৈ থাকিব।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈছা) ঃ** ছাৰ, মই কৃষি মন্ত্ৰী ডাঙৰীয়াক ক'ব বিচাৰিছো, আজি গৰুখুটি প্ৰকল্পৰ ওপৰত যিটো প্ৰশ্ন আহিছিল, তাৰ উত্তৰটোত আমি সন্তুষ্ট নোহোৱাৰ কাৰণে সদন ত্যাগ কৰিছিলো। সেইকাৰণে মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক অনুৰোধ কৰিব বিচাৰিছো, গৰুখুটিত বসবাস কৰা মানুহখিনিক বেদখল কৰি তাত প্ৰকল্প বনাইছে আৰু চৰকাৰে কোটি কোটি টকা তাত বিনিয়োগ কৰিছে। সেইকাৰণে এই গৰুখুটি প্ৰকল্পত পইচা যিমান ব্যয় কৰা হৈছে সেইমতে কাম হৈছে নে নাই সেইটো চাবৰ কাৰণে সদনৰ এটা All Party House Committee এখন গঠন কৰিব লাগে। আমি সেইটো inquiry কৰিবলৈ যাম। এইটোৱে অনুৰোধ, মই মোৰ বক্তব্য ইমানতে সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়ণী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিৰোধীয়ে যি কৰ্তন প্ৰস্তাৱ আনিছে, এই কৰ্তন প্ৰস্তাৱৰ সম্পূৰ্ণ বিৰোধিতা কৰি মই মোৰ বক্তব্য দাঙি ধৰিব বিচাৰিছো। ছাৰ, মোৰ অলপ হাঁহি উঠিছে এই কাৰণেই যে যি কংগ্ৰেছ দলে ভাৰত স্বাধীন হোৱাৰ পাছত প্ৰায় ৭০ বছৰ শাসনত আছিল এই কংগ্ৰেছ দলৰ কোনোবা এসময়ত মন্ত্ৰী আছিল।

(Hon'ble Deputy Speaker on the chair)

সেই মন্ত্ৰীৰ দৰেই লোক আজি বিধায়ক আৰু সেই বিধায়কে আজি ----হুলস্থুল----

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, তেওঁ পলিচিৰ ওপৰত কওক, এনেদৰে দলক সমালোচনা নকৰে। The advice the member to discuss about policies.

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়ণী) ঃ** তেখেতৰ বক্তব্যই কৃষকসকলক হতাশ কৰিব বিচাৰিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, এই পবিত্ৰ বিধানসভাত তেওঁ জনাটো উচিত, ইয়াৰ পৰা এটা বাৰ্তা যাব লাগে কৃষকসকলক inspiration দিবৰ কাৰণে, কৃষকসকলক আশীৰ্বাদ দিবৰ কাৰণে, কৃষকসকলক সাহস দিবৰ কাৰণে এটা বাৰ্তা যাব লাগে। তেখেতৰ বক্তব্যৰ পৰা এনেকুৱা এটা বাৰ্তা যাবলৈ ওলাইছে যে কৃষকসকলে আচল মূল্য পোৱা নাই, চৰকাৰে গুৰুত্ব দিয়া নাই। এইটো নহয়। ইয়াত কি কৈছে Economics Survey Assam 2023-24. আমি এইটো দিনে ৰাতিয়ে পঢ়ি মেলি আহিছো। আপুনি পঢ়ি মেলি অহা নাই। ইয়াত কৈছে-Agriculture plays a vital role in the economy of the State.The rice production in the State for the year 2022-23 is 60,44,899 trans with an average yeild of 2652 k.g. hector as against the production of 4382698 trans with an average yeild of 1886 k.g. hector in the year 2021-22. ইয়াত কি কৈ আছে যে significantly rice production increased by 37.93% while average yeild of autumn rice increased by 2.72%, winter rice increased by 44.38%, কেলেই কাৰণ কৃষক সকলে সাহস পাইছে। কৃষকসকলৰ মন গৈছে যে আমি আৰু খেতি কৰিব লাগে। এতিয়া যিটো minimum selling price কংগ্ৰেছ চৰকাৰৰ দিনত আছিল, আপোনাৰ লাজ লাগিব পাৰে উপাধ্যক্ষ মহোদয়, আছিল ১০৩০ টকাৰ পৰা ১০৮০ টকা। তাকো কৃষকসকলে বিক্ৰী কৰিবলগীয়া হৈছিল ৭০০-৮০০ টকাত এক কুইন্টল ধান। যিটো সঁচা এইটো ক'বই লাগিব।

মাননীয় উপাধ্যক্ষ মহোদয়, Economic Survey of Assam ৰ প্ৰতিবেদনত কি কৈ আছে, ইয়াতকৈছে যে The share of agriculture and its allied activities in GSDP at a current rate had merginally come up from 19.89% in 2011-12 to 24.11% in 2020-21 at current price.There is a marginal increase.ইয়াত increased বুলি কৈছে কেলেই, the contribution of agriculture sector to the GSDP has been increased due to proper measure taken by the Agriculture Department in the last few years.

মাননীয় উপাধ্যক্ষ মহোদয়, আজি কৃষকসকলে কেলেই খেতি কৰিব লৈছে, আমি বিধায়ক হিচাপে ground level ত থাকো। প্ৰত্যেক কৃষকৰ লগত কথা পাতো। কৃষকসকল উৎসাহিত হৈছে যে অসমত শান্তি আহিছে। অসমত শান্তি অহা কাৰণে আজি যেতিয়া অসম বন্ধ হয়, প্ৰতিবাদ হয়, ধৰ্ণা হয়, তেওঁলোকে কষ্ট কৰি খেতি কৰি ৰাতিপুৱা ৬ বজাত আপুনিও হয়তো কেতিয়াৱা পথাৰলৈ গৈ পাইছে। কোনোবা পথাৰলৈ নোযোৱা মানুহে গম পোৱা নাই। পথাৰলৈ মইও গৈ পাইছো ৰাতিপুৱা ৬ বজাত, মহ জোকৰ কামোৰ পাইছো। বগা মানুহো মই কলা হৈ যাওঁ। Sunscreen লগাইয়ো কাম নিদিয়ে। সেই ৰদত থাকিবলগীয়া হয়। সেইসময়ত যে কৃষকসকলে কষ্ট কৰি খেতি কৰে তেওঁলোকৰ অনুভূতি বুজিব লাগিব। আজি অসমত শান্তি আহিছে। আগৰ চৰকাৰৰ সময়ত বোম,গুলি ফুটিছিল। কিন্তু আজি শান্তি অহাৰ কাৰণে কৃষকসকলে খেতি কৰিবলৈ আগবাঢ়ি আহিছে। এইটো আমি শলাগ ল'বই লাগিব। Minimum selling price ধাৰ্য্য কৰা হৈছিল ১০৩০ টকা আৰু তেওঁলোকে পাইছিল ৭০০-৮০০ টকা। এতিয়া হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ চৰকাৰে দি আছে ২১৮৩ অৰ্থ্যাৎ ২২০০ টকা। চৰকাৰে যিটো পদ্ধতিৰে কাম কৰি আছে, আমি তাৰ শলাগ ল'বই লাগিব। কিষান সন্মান নিধিয়ে আজি কৃষক সকলক দুগুণ উৎসাহিত কৰিছে। ফচল বীমা যোজনাই যথেষ্ঠ উৎসাহিত কৰিছে। মুখ্যমন্ত্ৰী গ্ৰাম যোজনাৰ আঁচনিৰ অধীনত হওক। আদৰ্শ গাৱঁৰ যোগেদি হওক,আগতে যিসকল electrict pump লগাব বিচাৰে,

solar pump ৰ আশা কৰে কিন্তু solar pump পোৱা নাছিল। আজি আমাৰ electrict subsidy দিয়াৰ ব্যৱস্থা গ্ৰহন কৰিছে। চোলাৰাৰ ব্যৱস্থা কৰি দি irrigation ৰ ব্যৱস্থা কৰিছে। আজি বিশেষকৈ কৃষকসকলে বিচাৰে কি তেওঁলোকে কষ্ট কৰি পেলাই পৰিয়ালটো পোহপালন দিব বিচাৰে। তেওঁলোকৰো মন যায় লৰা-ছোৱালীবোৰক ভাল স্কুলত পঢ়াবলৈ। তেওঁলোকৰ মন যায় ভাল বিশ্ববিদ্যালয়ত পঢ়াবৰ কাৰণে। কিন্তু দুখৰ বিষয় যে আগৰ চৰকাৰে এই যি মূল অৰিহণা যোগোৱা কৃষকসকলক আৰু অলপ সুবিধা দিয়াৰ কথা চিন্তা নকৰিলে। চৰকাৰে বিনামূল্যত কিতাপ, নামভৰ্ত্তি, কলেজত নামভৰ্ত্তিৰো ব্যৱস্থাৰ লগতে বিশ্ববিদ্যালয়তো নামভৰ্ত্তি কৰি দিয়াৰ ব্যৱস্থা গ্ৰহন কৰিছে। বেমাৰ হ'লে আগতে কোনো চৰকাৰী আঁচনি নাছিল। আজি আয়ুষ্মান কাৰ্ড তেওঁলোকক দিয়াৰ ব্যৱস্থা গ্ৰহন কৰা, আজি কৃষক সকলকৰ যদি কোনো গৰু, গাহৰি আদিৰ বেমাৰ হ'লে বা দুৰ্ঘটনা সংঘটিত হ'লে আগতে কোনো ব্যৱস্থা নাছিল। আগতে জীৱ জন্তু সমূহক ডাক্তৰে এম্বুলেঞ্চত উঠাই নিয়াৰ কোনো ব্যৱস্থা নাছিল। কিন্তু আজি এই যিসকল কথা ক'ব নোৱাৰা জীৱ-জন্তু আছে, তাৰ কাৰণে Animal Ambulance আজি সাঁৰথি নামেৰে চৰকাৰে দিয়াৰ ব্যৱস্থা কৰিছে।

আজি আমি এইটো সলাগ ল'বই লাগিব, আগতে বিভিন্ন দোকান বজাৰ আৰু কৃষকৰ মাজত দালাল আছিল। আমাৰ চৰকাৰে যিসকল দালাল বা যিসকলে মাজত সোমাই কৃষকসকলৰ পৰা টকা লৈছিল তেওঁলোকক আঁতৰোৱাৰ সম্পূৰ্ণ ব্যৱস্থা কৰিছে। আমি সকলোৱে দেখা পাইছো যে অসম গৌৰৱ, অসম ভৈৰৱ পুৰস্কাৰ অসম চৰকাৰে আজি ঘোষণা কৰিছে। আজি কোনোবা মাছৰুম খেতিয়ক, কোনোবা বিলাহী খেতিয়ক, কোনোবা ভোট জলকীয়াৰ খেতিয়কক চৰকাৰে শংকৰদেৱ কলাক্ষেত্ৰত এই পুৰস্কাৰৰ বাবে সম্বৰ্ধনা জনাইছে। এই কথা দুৰদৰ্শনত আন আন খেতিয়কসকলে প্ৰত্যক্ষ কৰিছে যে মোৰ স্বতীৰ্থ এজন কৃষকে আজি অসম গৌৰৱ পুৰস্কাৰ পাইছে।কোনোবাই আনাৰস খেতি কৰি পুৰস্কাৰ পাইছে, এনেদৰে তেওঁলোক উৎসাহিত হৈছে। চৰকাৰে কৃষকক উপযুক্ত সন্মান জনাইছে। আমাৰো মন যায় এনেদৰে খেতি কৰিবলৈ, এনেদৰে মন যায় পুৰস্কাৰ পাবলৈ। এই যিটো পৰিৱেশ সূচনা কৰিছে আমি তাৰ শলাগ ল'বই লাগিব। আজি দুগ্ধ উৎপাদনৰ ক্ষেত্ৰত North East Dairy Food Production ltd. ৰ যোগেদি। এই কৃষকসকলক উদ্দীপনা যোগাবৰ কাৰণে আজি বিভিন্ন ধৰণৰ ব্যৱস্থা গ্ৰহন কৰিছে। আমি আগৰ সংখ্যা নকওঁৱেই, এই বাজেটত ২০০ টা thresher ২০০ টা reapers ১০ টা paddy transparent আৰু লগতে fund from Custom Hiring Center আকৌ নতুনকৈ আকৌ আমাৰ millet আৰু সৰিয়হ যি সকল কৃষক তেখেত সকলে কোনো দিনে ভৰা নাছিল যে মিলেট আৰু সৰিয়হৰ খেতি কৰে তেওঁলোকেও MSP পাব minimum selling price পাব। কিমান পাব আজি সৰিয়হৰ ক্ষেত্ৰত আগতে আছিল ২০০০ খুব বেছি ২২০০ টকা কৃষক সকলে পাইছিল, আজি নদীপাৰত কিমান কৃষক মাজুলী হওঁক বা ধেমাজী হওঁক আজি কিমান কৃষক এই কৃষক সকলে উচিত মূল্য পোৱা নাছিল। আজি আমাৰ চৰকাৰে ৫৪০০ টকা নূন্যতম মূল্য আজি তেওঁলোকক প্ৰদান কৰিবলৈ গৈছে। এই যে উৎসাহিত হৈছে আজি বিচাৰে কি কৃষক সকলে কিছুমান নজনা কথা তেওলোকক আহি কোনোবাই শিকাই। কেনেকৈ বেংকৰ একাউন্ট খুলিব লাগে কেনেকৈ insurance কৰিব লাগে, আজি আমাৰ চৰকাৰে জীৱিকা সখি, কৃষি সখি, পশু সখি, বেংক সখিৰ যোগেদি আজি কৃষক সকলক আজি বিভিন্ন ধৰণৰ পৰামৰ্শ দিছে, তেওলোকক পৰামৰ্শ দিছে, তেওঁলোকক উৎসাহিত কৰিছে, পথ দেখুৱাইছে। আজি

তেওঁলোকে দুগুণ উৎসাহেৰে আজি খেতি কৰিবৰ কাৰণে আগবাঢ়ি আহিছে। আজি কৃষক সকলে বিচাৰে কি যে আমাৰ ল'ৰা-ছোৱালীয়ে চৰকাৰী চাকৰি কৰক। ভবা নাছিল কংগ্ৰেছ চৰকাৰৰ দিনত এটা সময়ত ভাৰি আছিল অসমত তেনেকৈৱে চলি থাকিব, যে টকা দিলেহে চাকৰি পোৱা যায়। আজি টি ভি ৰ সাংবাদিক মাধ্যমৰ বন্ধু সকলক ধন্যবাদ জনাম এই পবিত্ৰ বিধান সভাৰ পৰা তেওঁলোকে আজি দৃশ্য দেখুৱাইছে, গোটেই অসমৰ, সত্য ছবি এখন আজি দাঙি ধৰিছে। আজি কোনোবা এজন কৃষকৰ পৰিয়ালৰ আজি কোনোৱা এজন বনুৱাৰ পৰিয়ালৰ ল'ৰা-ছোৱালীয়ে এটকাও নিদি আবেদন কৰি চাকৰি লাভ কৰিবলৈ সক্ষম হৈছে এই চৰকাৰৰ দিনত। আজি কৃষক সকলৰ মনোবল বাঢ়িছে। তেওঁলোকৰ মন গৈছে যে আৰু আমি খেতি কৰো। তেওঁলোকৰ মন গৈছে যে আৰু আমি ভাল ঘৰ বনাও, আমাৰ ল'ৰা-ছোৱালী আৰু ভাল বিশ্ববিদ্যালয়ত পঢ়ক, আমাৰ ল'ৰা-ছোৱালীয়ে ভাল চাকৰি পাওঁক। এই যিটো পৰিৱেশ সূচনা কৰিছে আমি শলাগ লবই লাগিব। আজি কৃষকসকলৰ বহুত কৃষক আছে তেওঁলোকে আজি double cropping নকৰে বা triple cropping নকৰে আজি আমাৰ চৰকাৰে তেওলোকক কেনেকৈ double cropping কৰিব লাগে triple cropping কেনেকৈ কৰিব লাগে আমাৰ কে ভি কে ৰ যোগেদি আজি বিভিন্ন সজগতা সভা আয়োজন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ ফলত কি হৈছে ইয়াৰ ফলত আমি কৃষক সকলক দেখা পাইছো আজি বিভিন্ন সময়ত তেওঁলোকে খেতি কৰিবলৈ সক্ষম হৈছে কিন্তু তেওঁলোকে একে মাটিত আলু খেতি কৰাৰ পিছত বা ধান খেতি কৰাৰ পিছত আৰু কি খেতি কৰিব সেইটো জনা নাছিল। আজি কৃষক সকলক যিটো জ্ঞান দিয়া হৈছে এই মাটিত আপোনাৰ কেলচিয়াম বেছি আছে বা প্ৰটেচিয়াম বেছি আছে ইয়াত পানী অলপ বেছি দিব লাগিব বালিয়া মাটি হয় এই কথাটো কোৱাৰ লগে লগে তেওঁলোকে আৰু খেতি কৰিবলৈ সক্ষম হৈছে। আজি কৃষক সকলে প্ৰধান মন্ত্ৰী আৱাস যোজনা, দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ পৰা পাই আছে। কেইদিনমান পিছত অসমৰ ৰাইজে দেখা পাব, যে ৫.৫৫ লাখতকৈ অধিক ঘৰ গোটেই ৰাজ্য খনত উদ্বোধন কৰিবলৈ আহি আছে দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়া। কিন্তু বহু কৃষক আজিও বিভিন্ন কাৰণত পোৱা নাছিল, আজি নাপাব নেকি, কিন্তু মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই মুখ্যমন্ত্ৰী আৱাস যোজনা ঘৰৰ যোগেদি তেওঁলোকক আজি প্ৰেৰণা দিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। আজি জল জীৱন মিছনৰ আধীনত ইতিমধ্যে ৯০ শতাংশ কাম সম্পূৰ্ণ হৈছে। পোন প্ৰথমবাৰৰ বাবে আজি ভাৰতৰ লগত অসমৰ ৰাইজে দেখা পাব যে এখন চৰকাৰে কথা দিছিল যে ঘৰে ঘৰে নল, ঘৰে ঘৰে পানী আৰু পানী দিয়াৰ ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰিছে। আজি কৃষক সকলৰ বিভিন্ন জনৰ বেমাৰ আজাৰ হৈছিল বিভিন্ন জনৰ পানীৰ অসুবিধাৰ কাৰণে তেওঁলোকে হয়তো নদীৰ ওচৰত বা ভিতৰুৱা অঞ্চলত থাকে। বিশুদ্ধ খোৱাপানী পোৱাৰ কাৰণে এই বেমাৰ আজৰৰ পৰা আতৰিবলৈ এতিয়া সক্ষম হ'ব। অৰুণোদয় আঁচনিৰ যোগেদি আমি সকলোৱে দেখা পালো যে কৃষক সকলৰ পৰিয়ালক এটা নতুন উপাৰ্জনৰ দিশ দিলে। আজি এই অৰুণোদয়ৰ লগতে নতুনকৈ চাউল কাৰ্ড যি সকলে পোৱা নাছিল তেওঁলোকক আজি ব্যৱস্থা গ্ৰহণ কৰিলে। আগতে কোনোবা কৃষকৰ এটা টমটম আছিল এটা কৃষকৰ হয়তো পাৱাৰ টিলাৰ আছিল হয়তো এটা কৃষকৰ অটো আছিল বা বাহন আছিল কিন্তু তেওঁ এক লাখ টকাৰ ওপৰত বোলে আয় কৰে আগৰ চৰকাৰে কেতিয়াও চিন্তা নকৰিলে, যে এক লাখ টকা হয় দুখীয়া লোক সকলৰ বাবে আগৰ আঁচনি আছিল কিন্তু এক লাখ টকাৰ তলত। কিন্তু এক, দুই, তিনি বা চাৰি লাখ টকা আয় থকা কৃষক সকলে আগতে কেতিয়াও তেনেকুৱা চাউল কাৰ্ড পাম বুলি ভৱা নাছিল। কিন্তু আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড°

হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই এতিয়া চাৰি লাখ টকা বছৰি যাৰ আয় সেই পৰ্য্যান্তলৈকে আজি যেতিয়া চাউল কাৰ্ড মুকলি কৰি দিলে আজি হাজাৰ হাজাৰ লক্ষ্য লক্ষ্য কৃষক সকলেও ইয়াৰ পৰা উপকৃত হ'ল। এই চাউল কাৰ্ড তেওঁলোকে পাইছে কেৱল এইটো নহয় এই চাউল কাৰ্ডৰ লগতে তেওঁলোকে পাই আছে উজ্জলা আঁচনি কাৰ্ড, এই চাউল কাৰ্ডৰ আঁচনিৰ লগতে তেওঁলোকে পাই আছে আয়ুষ্মান কাৰ্ড, এই আয়ুষ্মান কাৰ্ডে নহয় তেওঁলোকে পাই আছে প্ৰধান মন্ত্ৰী মাননীয় নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ বিশেষ আঁচনি জীৱন জ্যোতি যোজনা। তেওঁলোকৰ পৰিয়ালৰ কাৰোবাৰ যদি দুৰ্ঘটনা হয় তেওঁলোকে লগে লগে সাহাৰ্য লাভ কৰিব। ভগৱানে নকৰক মৃত্যু হলে লগে লগে সাহাৰ্য্য লাভ কৰিব। এনে যি সমূহ হীতৰ কাৰণে চিন্তা কৰা এই কৃষক সকলৰ লগতে সৰ্বসাধৰণ ৰাইজৰ ভালৰ কথা চিন্তা কৰি আগৰ চৰকাৰে কেতিয়াও এনেধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰিলে। আজি আমাৰ চৰকাৰে কি বিচাৰিছে, আজি ইনজেনেৰেল যি সকল সৰ্বসাধাৰণ লোক ইয়াৰ মাজতে কৃষক সকলক, এই কৃষক সকলৰ মাজতে আজি লাখপতি বাইদেউ হ'ল। এই লাখপতি বাইদেউ সকলৰ স্বামীয়ে যি উপাৰ্জন কৰে তেওঁলোকৰ লগতে বাইদেউ সকলেও লাখ পতি বাইদেউ হ'ল। লাখপতি বাইদেউৰ কাৰণে আজি বিভিন্ন ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। আজি যি সকল কৃষক পৰিয়াল, তেওঁলোকৰ মাজৰ পৰা বহু আছিল অংগানবাড়ী বাইদেউ, তেওঁলোকৰ সহধৰ্মীনি কোনোবা আছিল আশা বাইদেউ, তেওঁলোকে ভবা নাছিল যে কেইদিন মান আগলৈকে থকা চৰকাৰৰ সময়ত পোৱা নাছিল আয়ুষ্মান কাৰ্ড, তেওঁলোকে কিবা এটা বোলে আয় কৰে বা দৰমহা পাই বুলি তেওঁলোকক দিয়া নাছিল। কিন্তু আমাৰ চৰকাৰে আশা বাইদেউ, অংগনবাড়ী বাইদেউ সকলকো আজি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিলে। আজি ৰেচন কাৰ্ড, অৰুণোদয় আঁচনি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে, আজি বিভিন্ন ধৰণৰ পূণ্যধাম যাত্ৰা যোগেদি আমাৰ কৃষক সকলক উপকৃত কৰিছে। ইয়াৰ লগতে মাটিৰ যি দীৰ্ঘদিনিয়া সমস্যা ককাকৰ নামত মাটি আছিল আজি খুৰেক বা বাপেকৰ নামত বা ভাগ হোৱা নাছিল পুতেক সকলৰ নাম হোৱা নাছিল নাতি সকলৰ নামত নামজাৰী হোৱা নাছিল আজি এই বসুন্ধৰা আঁচনিৰ যোগেদি ড০ হিমন্ত বিশ্ব শৰ্ম ডাঙৰীয়াৰ নেতৃত্বধীন ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰ খনে আমি সকলোৱে দেখা পালো যে বসুন্ধৰা আঁচনিৰ যোগেদি আজি আমাৰ মাটিৰ সমস্যা দূৰ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। আজি কৃষক সকলৰ মাজৰ পৰা বহু এনেকুৱা আছিল বোৱনী, স্বনিৰ্ভলশীল নাৰী, আত্মনিৰ্ভৰশীল অসমৰ যোগেদি আজি বিভিন্ন ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিলে। বৌৱে ঋণ লৈছিল, কিন্তু এই ঋণ মুক্ত কৰিবৰ কাৰণে ঋণ আৰু সকাহ আঁচনিৰ যোগেদি মাইক্ৰফানেন্সৰ যোগেদি এবাৰ নহয় দুবাৰ এতিয়া তৃতীয় বাৰৰ কাৰণে আই মাতৃ সকলক সন্মান জনাবলৈ আমাৰ চৰকাৰ খনে ব্যৱস্থা গ্ৰহণ কৰিলে। খেল মহাৰণ, সাংস্কৃতিক মহাৰণত আজি ৯০ শতাংশ কৃষকৰ পৰিয়ালে আজি যোগদান কৰিলে। আজি কৃষকৰ পৰিয়ালৰ পৰাই আজি যেতিয়া ৰাজ্যিক ভিত্তিত তেওঁলোকে পুৰস্কাৰ লাভ কৰিছে জিলা ভিত্তিত পুৰস্কাৰ লাভ কৰিছে, সমষ্টিভিত্তিত পুৰস্কাৰ লাভ কৰিছে। খেল মহাৰণ, সাংস্কৃতিক মহাৰণ।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ)** ঃ ছাৰ, বিষয়টো কৃষিৰহে আছিল।

**শ্ৰীৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)** ঃ মিছন ভূমি পুত্ৰৰ যোগেদি আজি জাতিৰ প্ৰমাণপত্ৰ প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰাকে হওঁক।

**মাননীয় উপাধ্যক্ষ** ঃ আপোনাৰ সময় শেষ হৈছে।

**শ্ৰীৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)** ঃমুখ্যমন্ত্ৰী আত্ম নিৰ্ভৰ অসমৰ যোগেদি আজি আমাৰ কৃষকৰ সন্তান সকলক আজি দুই লাখ ৫ লাখ টকালৈ প্ৰদান কৰাকে হওঁক, এটা পৰিয়ালত চৰকাৰী চাকৰি

হ'বই লাগিব মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ প্ৰতিশ্ৰুতি প্ৰদান। আজি এই ৫ শতাংশ কোনো পৰিয়ালৰ যদি চাকৰি নাছিল তেওঁলোকক দিয়াৰ ব্যৱস্থা যিটো গ্ৰহণ কৰিছে আমি শলাগ লবই লাগিব। মই বাজেটৰ বিষয়ে কৈ দিও নেকি?

**মাননীয় উপাধ্যক্ষ ঃ** নালাগে, আপোনাৰ পিছৰ বিধায়ক সকলে নাপাব।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ,ধিং) ঃ** ছাৰ, স্বাস্থ্য আৰু উদ্যোগৰ কথা বিলাক।

**শ্ৰীৰূপজ্যোতি কুৰ্মী, (মৰিয়নী) ঃ** মই ৩০ চেকেণ্ডত সামৰি দিম। মোৰ অকমান হাহি উঠিছে তেখেতৰ বক্তব্যত, তেখেতে কৃষকক লৈ, কৃষকৰ মানসিক যিটো প্ৰভাৱ এইটোক যিটো হানি কৰিব বিচাৰিলে এইটো খুব দুখ লগা, কৃষক সকলক অকমান হলেও সন্মান জনাই তেখেতৰ বক্তব্য হ'ব লাগিছিল। কংগ্ৰেছ চৰকাৰৰ দিনত minimum selling price ১০৩০ টকাৰ পৰা ১০৮০ টকা আছিল, তেওঁলোকে সেইতোকো নিদিলে। এতিয়া আমাৰ চৰকাৰে দিবলৈ লৈছে এইটোক কিন্তু অকমান হলেও ধন্যবাদ জনাব লাগিছিল। যি কি নহওঁক বিৰোধীয়ে যিটো কৰ্তন প্ৰস্তাৱ আনিছে সেইটোৰ  সম্পূৰ্ণ বিৰোধীতা কৰি মোৰ বক্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** ছাৰ, ছাৰ, মন্ত্ৰী মহোদয় নাই নেকি?

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মজিবুৰ ৰহমান। আপোনাক দলে ৬ মিনিট সময় দিছে।

**শ্ৰীমজিবুৰ ৰহমান ঃ** ছাৰ, ১০ মিনিট দিছে।

**মাননীয় উপাধ্যক্ষ ঃ** ইয়াত আপোনাক দলে ৬ মিনিট সময় দিছে।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ, ধিং) ঃ** ছাৰ, আমাৰ এজন অনুপস্থিত আছে, মিলাই ল'ব।

**শ্ৰীমজিবুৰ ৰহমান ঃ** হয়, ছাৰ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** ছাৰ, ছাৰ, মন্ত্ৰী মহোদয় নাই ।

(হুলস্থূল)

**মাননীয় উপাধ্যক্ষ ঃ** Please, মাননীয় সদস্যৰ সময় নষ্ট নকৰিব, তেখেতক কব দিয়ক। আপোনালোকৰ সময়ত আপোনালোকে কব।

**শ্ৰীমজিবুৰ ৰহমান ঃ** Hon'ble Deputy Speaker Sir, thank you for giving an opportunity to speak up on Cut Motion. অসম এখন Agriculture best ৰাজ্য বুলি কব লাগিব। ইয়াৰ শতকৰা ৭০ ৰ পৰা ৮০ শতাংশ মানুহে কৃষিৰ ওপৰত depend কৰে।

বিশেষকৈ অসমৰ কেইবাটাও জিলা নামনি অসমৰ গোৱালপাৰা, ধুবুৰী, বৰপেটা মধ্য অসমৰ দৰং, নগাওঁ এই অঞ্চলত বেছিভাগ ৰাইজ, শতকৰা ৮০ ভাগ মানুহ চাষ, কৃষিৰ ওপৰত নিৰ্ভৰ কৰে।  কিন্তু কৃষি বিভাগৰ পৰা যিখিনি সা-সুবিধা কৃষক ৰাইজে পাব লাগে, সেইখিনি সুবিধা ৰাইজে নাপায়।  আজি বিশেষকৈ মোৰ সমষ্টিৰ কথা মই উত্থাপন কৰিব খুজিছো। মোৰ সমষ্টি দলগাওঁ এতিয়া ভোটাৰ প্ৰায় ৩ লাখ মান হৈছে। তাৰে প্ৰায় ২ লাখ মানুহে খেতিৰ ওপৰত নিৰ্ভৰ কৰে। মোৰ সমষ্টিৰ পৰা শাক- পাচলি অসমৰ ইমুৰৰ পৰা সিমুৰলৈকে আৰু বিদেশ ৰাষ্ট্ৰলৈকে আমাৰ শাক-পাচলিৰ নাম আছে। খাৰুপেটীয়া বজাৰ আৰু বেছিমাৰী বজাৰ এই দুখন বজাৰ যদি develop কৰা যায় তেতিয়া হলে মই ভাবো যে অসমৰ যিমান শাক-পাচলি লাগে, অসমৰ ৰাজ্যত যিমান শাক-পাচলি লাগে খাৰুপেটীয়াৰ পৰা প্ৰডাকশ্যন কৰি চাপ্লাই কৰিব পাৰিম। মাননীয় অধ্যক্ষ মহোদয়, সকলো ৰাইজৰ কাৰণে ভাল হ'ব বুলি মই ভাবো, যেতিয়া বেছি প্ৰডাকশ্যন হ'ব তেতিয়া দামটো অলপ কমিব। মই এটা কথা ক'ব বিচাৰছো যে আমাৰ মাননীয় ৰাজ্যপাল মহোদয়ে

মোৰ সমষ্টিত গৈছিল দুই তিনিখন প্ৰগ্ৰেম মই লগত থাকি কৰি দিছিলো। ৰাইজৰ ডিমাণ্ড আছিল সেই মতে মই এটা অনুৰোধ কৰিছিলো মাননীয় ৰাজ্যপাল মহোদয়ক যে মোৰ সমষ্টিৰ দুখন বজাৰ খাৰুপেটীয়া আৰু বেছিমাৰী বজাৰ, এই বজাৰ দুখনত mini cold storage স্থাপন কৰিব লাগে বুলি এটা প্ৰস্তাৱ দিছিলো। তেখেতে সেই ৰাজহুৱা মিটিংত কথা এটা কৈ আহিছিল, অহা বাজেটত এই দুখন বজাৰত mini cold storage দিয়াৰ কাৰণে বাজেটত reflect হ'ব। কিন্তু বাজেটখনত খুব তন্ন তন্ন কৈ বিচাৰিলো, খুব আশাৰে বাট চাই আছিলো আৰু বিচাৰিলো, ৰাজ্যপাল মহোদয় যিহেতু তেখেত সাংবিধানিক ভাবে হেড। তেখেতে কথা দি আহিছিল সেই কথাটো মিচ হ'ব বুলি মই ভবা নাই। এই বাজেটত দিয়া নাই অহা বাজেটত দিলে, আমাৰ কৃষক ৰাইজৰ উপকাৰ হ'ব। মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ দেশৰ GDP দেশৰ আয় যদি তিনিগুণ আগুৱাই লৈ যোৱা হয় দেশৰ GDP অটমেটিকেলি বৃদ্ধি হ'ব। ইয়াতে শিক্ষিত ল'ৰা সকলে যি সকলে বি এ পাছ কৰিছে, এম এ পাছ কৰিছে, চাকৰিও পোৱা নাই , তেওঁলোকে লাহে লাহে ব্যৱসায়মুখী হৈ গৈ আছে, কৃষিমুখি হৈ আছে। কৃষিক্ষেত্ৰখন আমাৰ উন্নত কৰিলে ভাল হ'ব। বিশেষকৈ সেই শিক্ষিত যুৱক সকলক উৎসাহ দিয়া হয়, বা জড়িত কৰা হয় তেতিয়াহ'লে ভাল হ'ব। কৃষিৰ ওপৰত মোৰ এটা পৰামৰ্শ থাকিল চাৰ, চাকৰি যিমান ওলাই আছে, এতিয়ালৈকে যিমান পদ খালী হৈ আছে, বহু অফিচত যেনে ধৰক কৃষি বিভাগত কেৰাণী নাই, অফিচাৰ নাই, তেনেকৈ বিভাগত বহু খালী পদ আছে, সেই পদখিনি মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিম যাতে এই পদখিনি অতি সোনকালে পুৰন কৰি দিয়ে। সেই কৃষি প্ৰধান অঞ্চল সমূহত শিক্ষিত যুৱক যুৱতী সকলক আপুনি যিহেতুকে এই চৰকাৰখনে বেনিফিচিয়েৰী লাইনটোত বেছি কাম কৰি আছে। মই ভাবো যে যিহেতু শিক্ষিত ল'ৰা আছে, কৃষি বিভাগত কাম কৰিব খুজিছে, তাতে ৫ লাখ, ১০ লাখ কৈ টকা দিয়া যায়, যে আপোনালোকে চাকৰি নাপায় আৰু পোৱাটোও টান। এই চৰকাৰে এটা ভাল কাম কৰিছে, যে চাকৰিৰ ক্ষেত্ৰত স্বচ্ছতা মানিছে, মেৰিট থকা মানুহখিনিয়ে পাই আছে। মেৰিট যিখিনি মানুহৰ কম আছে সেইখিনি মানুহ কৃষিৰ ক্ষেত্ৰত গুছি যাওঁক। সেই মানুহখিনিক আমি যদি আৰ্থিকভাবে সহায় কৰিব পাৰো, তেতিয়া কৃষি ক্ষেত্ৰত কাম কৰিবৰ কাৰণে তেওঁলোকে উৎসাহ পাব। কৃষিৰ ক্ষেত্ৰত যদি উৎপাদন বৃদ্ধি হ'ব তেতিয়া অটোমেটিকেলি জি ডি পি বৃদ্ধি হ'ব। অধ্যক্ষ মহোদয় আমাৰ গৰুখুটি প্ৰকল্পৰ কথা কলেই হয়তু আমাৰ ৰুলিং পাৰ্টীৰ বিধায়ক সকল জাঙুৰ খাব। গতিকে মই অনুৰোধ কৰিম কথাটো, সঁচা কথাটো ক'ব লাগিব আৰু সঁচা কথাটো মানিলে ভাল হয়। দেশৰ কাৰণে, ৰাজ্যৰ কাৰণে ভাল হয় আৰু আমাৰ সকলোৰে কাৰণে ভাল হ'ব। মাননীয় অধ্যক্ষ মহোদয়,গৰখুটি প্ৰকল্প, এটা ভাল প্ৰকল্প যিহেতু কৃষি ক্ষেত্ৰটো আগুৱাই লৈ যাবৰ কাৰণে আমাৰ চৰকাৰখনে আশা কৰিছে বা চেষ্টা কৰিছে। ইয়াৰ কাৰণে আমাৰ চৰকাৰখনে আশা কৰিছে, বা চেষ্টা কৰিছে। ইয়াৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, গৰুখুটি প্ৰকল্পত বসবাস কৰা যিমান মানুহ, সেই মানুহখিনি তাৰ পৰা উচ্ছেদ কৰা হ'ল, আৰু উচ্ছেদ কৰাৰ পাছত এটা কথাত আমাকো ধন্যবাদ দিব লাগিব অধ্যক্ষ মহোদয়, যে মোৰ সমষ্টিত, অলপ হ'লেও ঠাই অলপ দি মিলাই মানুহখিনিক settle কৰা হৈছে। সেই settle কৰা মানুখিনিৰ ৰাস্তাঘাট অলপ হৈছে, বাকী বহুত অভাৱ এতিয়াও আছে। তাত উপযুক্ত খোৱা পানী নাই ৰাস্তা ভালকৈ হৈ উঠা নাই, ঘৰ দিয়া হোৱা নাই। গতিকে তেখেত সকল কৃষিমুখী মানুহ। মই যিহেতু কৃষিৰ ওপৰত কথাটো কৈ আছো, তেখেতসকলকো যদি তেখেত সকলৰ যিখিনি basic need সেইখিনি দিব লাগে। যিখিনিক re-settle কৰা হৈছে। মাননীয় অধ্যক্ষ

মহোদয় এই গৰুখুটীৰ প্ৰকল্পৰ নামত চৰকাৰী ৰাজহ মানে সকলোৰে ৰাজহ হয়। এই পইচাটো সকলো মানুহৰ। দুখীয়াৰ পৰা আৰম্ভ কৰি ধনীলৈকে। মই কব খুজিছো ৱাৰ্ড নম্বৰৰ পৰা আৰম্ভ কৰি মাননীয় মুখ্যমন্ত্ৰীলৈকে, সকলোৰে পইচা। কিন্তু ইয়াত ৰাজহৰ পইচা সোমাই আছে। একেবাৰে ঠেলাৱালাৰ পৰা আৰম্ভ কৰি আৰু ওপৰলৈকে। গতিকে এই ৰাজহ আমি দেখা পাইছো ২০২২-২৩ আৰু ২০২৩-২৪ ত অসম চৰকাৰে ১৭,৬৭৯৩৩৪৮ টকা এই প্ৰকল্পৰ বিভিন্ন শিতানত খৰচ কৰিছে। বিশেষকৈ গীৰগাই কিনিছে, সৰিয়হৰ বীজ এইবোৰৰ কাৰণে খৰচ কৰিছে। ঠিক আছে, কৰিছে কোনো কথা নাই। যিহেতু আমাৰ ৰাজ্যখন শ্ৰেষ্ঠ ৫ খন ৰাজ্যৰ ভিতৰত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ল'ব খুজিছে আৰু আমি এইটো সমৰ্থনো কৰিছো। যেতিয়া উচ্ছেদ কৰা হ'ল, তেতিয়া আমি বিৰোধ কৰা নাই। আমি বিৰোধ কৰি পাত্তাও পোৱা নাই। কিন্তু উপায় নাই আৰু যিহেতু চৰকাৰে কলে যে আপোনাৰ সমষ্টিত ঠাই অলপ দিয়ক। দিলো ঠিকে আছে, যিহেতু কৃষিখণ্ডক আগুৱাই লৈ যাব ভাল পাইছো। কিন্তু দেখা পালো যে এই চৰকাৰী ৰাজহ ১৭৬৭৯৩৩৪৮ টকা খৰচ কৰা হ'ল। তাৰ পৰা ইনকম আহিল যে খুব আচৰিত কথা ২০২২-২৩ চনত ইনকম হ'ল, ৯৭৬০৫৬৩ টকা হৈচে আৰু ২০২৩-২৪ চনত ১৮২১৬০৬১টকা ইনকম কৰিছে। এতিয়া মুঠতে লোকচান হৈছে, ১৪,৮৮১৬৭২৪ টকা। এই যে ১৫ কোটি টকা ৰাজহ যে লোকচান হ'ল এইটো কাৰ টকা চাৰ? মাননীয় অধ্যক্ষ মহোদয় এইটো টকা গৰীৰ দুখীয়াৰ টকা। গতিকে আমাৰ কৃষি মন্ত্ৰী মহোদয়ক মই এটা অনুৰোধ কৰিম যে আপোনালোকৰ প্ৰকল্পটো ফেইল হৈছে। এই কথাটো কওঁতে হয়তু আপোনালোক জাঙুৰ খাই উঠিছে গতিকে বিৰোধীয়ে সদন ত্যাগ কৰিবলৈ বাধ্য হ'ল। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিম যে আপোনালোকৰ এই চৰকাৰী প্ৰকল্পটো ফেইল হৈছে। যদি revive কৰিব খুজিছে, তেতিয়া হলে য'ত আপোনাৰ যিয়ে যি বিভাগত কাম কৰি ভাল পায়, যাৰ Expert আছে, বিশেষকৈ আমাৰ মৈমনশিঙিয়া মিঞা মানুহখিনিয়ে কৃষি খণ্ডত কাম কৰি ভাল পায়। গতিকে সেই মাটিখিনি আপোনালোকে লৈ ২-৪ জন চেয়াৰমেন পাতি দিলে, কাৰোবাক কাৰোবাক ঠিকাদাৰ বনাই দিলে, তেখেত সকলে পেট ভৰাই পইচা খাই গুছি গ'ল, আৰু আমাৰ ৰাজহ চৰকাৰী ভাবে লোকচান হ'ল। মাননীয় অধ্যক্ষ মহোদয় সেই ঠাইখিনি আকৌ আপুনি সেই মিঞা মানুহখিনিক দিয়াৰ কাৰণে যদি বিধি ব্যৱস্থা কৰে, আপুনি তাতে settle কৰি দিব নালাগে। সেই মানুহখিনিক আপুনি লৈ আহক, settlement ৰ কথা কোৱা নাই, খেতি কৰিবৰ কাৰণে এটা সুযোগ দিয়ক. মাননীয় অধ্যক্ষ মহোদয় মাননীয় কৃষি মন্ত্ৰী ডাঙৰীয়া ইয়াত উপস্থিত আছে, তেখেতে হাউচত যদি এটা assure কৰি দিয়ে যে সেই মানুহখিনি আনি, খেতি কৰিবৰ কাৰণে, অসম আৰু অসমীয়া ৰাইজৰ উন্নতিৰ কাৰমে , জি ডি পি বৃদ্ধিৰ কাৰণে আপোনালোকে সেই মানুহখিনিক এটা সুযোগ দিয়ক আৰু সেই মানুহখিনিক কাম কৰি খোৱাৰ বাবে সুযোগ দিয়ক। তেতিয়া জি ডি পি বৃদ্ধি হ'ব। যিমান এতিয়া লোকচান হৈছে এইটো সামান্য কথা নহয়। ১৫ কোটি টকা চাৰ। আমি ১ বছৰত ৫০ কোটি টকা ইনকম কৰি দিম । আমাক এটা সুযোগ দিয়ক । মাননীয় অধ্যক্ষ মহোদয়, কৃষিবিভাগত জ্ঞান থকা মানুহ, নালাগে আমাৰ বিধায়ক মন্ত্ৰী সকলক যে চেয়াৰমেন দিব লাগিব তেনেকুৱা কথা নহয়। আপোনালোকে যিকোনো এজন অসমীয়া খিলঞ্জীয়া মানুহ, যাৰ কৃষিৰ ওপৰত জ্ঞান আছে, উৎপাদন বৃদ্ধি কৰিব পাৰিব সেই মানুহ জনক আপুনি চেয়াৰমেন পাতি সেই প্ৰকল্পটো সফল কৰক। মাননীয় উপাধ্যক্ষ মহোদয়, এই যে আমাৰ Agriculture Marketing Board আগতে ইলেকশ্যন হৈছিল। বহু কাম ইয়াৰ জৰিয়তে হৈ আছিল। আজি বহু দিন হৈ গ'ল এই Agriculture Marketing Board বন্ধ

হৈ আছে। গতিকে কেতিয়া ইলেকশ্যন হ'ব, কেতিয়া এই বোৰ্ডখন চলিব, কেতিয়া ৰাইজৰ উপকাৰ হ'ব? মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কেতিয়া এই বোৰ্ডখন পুনৰ কাৰ্য্যক্ষম কৰিব। এই কথাখিনি নক'লে মোৰ অন্তৰত শান্তি নাপাম। যিহেতু মই কৃষি প্ৰধান অঞ্চলৰ পৰা আহিছো, মই এগৰাকী খেতিয়কৰ ল'ৰা। মোৰ সমষ্টিত প্ৰায় ২ লাখ মানুহ খেতিৰ ওপৰত নিৰ্ভৰশীল। কিন্তু আপুনি শুনি আচৰিত হ'ব এই ২ লাখ খেতিয়কৰ মাজত মাত্ৰ তিনিখন ট্ৰেক্টৰ দিয়া হৈছে, পাৱাৰ টিলাৰ ১১ খন দিছে। এনেধৰণে প্ৰায় ৪০-৫০ টা মান যন্ত্ৰ-পাতি দিছে। মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিম যে GDP যদি বঢ়াব খুজিছে, কৃষি খণ্ডটো যদি ভাল কৰিব খুজিছে তেতিয়াহ'লে আপুনি Agriculture base সমষ্টি, বিশেষকৈ মোৰ দলগাওঁ সমষ্টিত ট্ৰেক্টৰ, পাৱাৰ টিলাৰ, সাৰ আদি যিখিনি বস্তু যোগান ধৰিব লাগে, সেইখিনি অলপ বৃদ্ধি কৰক। তেতিয়া কৃষি বিভাগটো আগুৱাই যাব।

**মাননীয় উপাধ্যক্ষ ঃ** please conclude. আপোনাৰ দলে যি সময় দিছিল সেই সময় শেষ হ'ল।

**শ্ৰী মজিবুৰ ৰহমান, (দলগাওঁ)ঃ** মই আৰু এক মিনিটত শেষ কৰিম চাৰ। মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা আজি এই পবিত্ৰ সদনত এটা কথাৰ উত্তৰ বিচাৰিছো যে মঙ্গলদৈ সমষ্টিৰ খাৰুপেটীয়াত ২৫ কোটি টকা খৰছ কৰি এখন cold storage নিৰ্মাণ কৰিছে। এইটো এতিয়ালৈকে কাৰ্য্যক্ষম হৈ উঠা নাই। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে আপুনি কেতিয়া এই cold storage টো উদ্বোধন কৰিব, কেতিয়া মোৰ সমষ্টিলৈ আহিব? মই আপোনাক আদৰণি জনাবলৈ ৰৈ আছো। আপুনি আহি এই cold storage টো কাৰ্য্যক্ষম কৰি দিয়ক। ৰাইজৰ কাৰণে উপকাৰ হওঁক। এইটো বন্ধ কৰি থলে ৰাইজৰ কোনো উপকাৰ নহ'ব আৰু চৰকাৰৰো কোনো ৰাজহ বৃদ্ধি নহ'ব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী দিগন্ত কলিতা।

**শ্ৰী দিগন্ত কলিতা, (কমলপুৰ)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি এই কৰ্তন প্ৰস্তাৱৰ সম্পৰ্কত বিৰোধিতা কৰি দাবী মঞ্জুৰী সম্পৰ্কে কিছু কথা এই পবিত্ৰ সদনত ৰাখিব বিচাৰিছো। ২০২৪-২৫ বৰ্ষত ২ হাজাৰ ৪৪৫.৭১ কোটি টকা আবন্টন কৰা হৈছে। অসমৰ কৃষি খণ্ডৰ সামগ্ৰিক উন্নয়ণৰ বাবে অসম চৰকাৰৰ অধীনত ফলপ্ৰসূ আঁচনি গ্ৰহণ কৰা হৈছে। এই উদ্দেশ্যে বিশেষ কৈ প্ৰধান মন্ত্ৰী কিশান সন্মান নীধি আঁচনিত ১২ লাখ ২৬ লাখৰো অধিক কৃষক প্ৰত্যক্ষ ভাৱে লাভবান হৈছে। ইয়াৰ বাবে ৪৫৮.৩৮ কেটি টকা ব্যয় কৰা হৈছে। বিৰোধীয়ে বহুত আপত্তি কৰিছে। ইফালে কাট মোশন কৰে আৰু ইফালে তেওঁলোকক যথেষ্ট সুবিধা লাগে। কৃষি বিভাগৰ ২০২১-২২ বৰ্ষত ধান ক্ৰয় অভিযানৰ কাৰণে ৪৩ হাজাৰ ৯৭৮ গৰাকী কৃষক উপকৃত হৈছে আৰু তেওঁলোকে প্ৰায় ১ লাখ ৯৬ কোটি টকা উপাৰ্জন কৰাৰ ব্যৱস্থা কৰা হৈছে। যোৱা বৰ্ষত ৫.৮ মেট্ৰিকটন ধান ক্ৰয় কৰা হৈছে আৰু এইবাৰো সেই ব্যৱস্থাই ৰখা হৈছে। আমি চেষ্টা অব্যাহত ৰাখিছো যে কৃষকে যাতে নিম্নতম মূল্য লাভ কৰিব পাৰে। তাৰ বাবে চৰকাৰে দিনে-নিশাই কষ্ট কৰিছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী আৰু কৃষি মন্ত্ৰী ডাঙৰীয়াই আমাক প্ৰত্যক্ষ ভাৱে ফোন কৰি হ'লেও ধান ক্ৰয় কৰাৰ বাবে যোগাযোগ কৰিব দিছে। একেদিনাই সমগ্ৰ অসমতে এই অভিযান আমি আৰম্ভ কৰি দিছো। যাৰ ফলত কৃষক সকলৰ বেংক একাউণ্টলৈ পোনপটীয়া ভাৱে টকাটো গৈছে। ইয়াৰ উপৰিও উত্তৰ-পূৰ্ব্বাঞ্চলত জৈৱ মূলৰ শৃংখল উন্নয়নৰ অভিযানৰ অধীনত প্ৰায় ২০০০ হেক্টৰ ভূমি সামৰি ল'বলৈ সক্ষম হৈছে। APART ৰ যোগেদি ১২৬ টা জড়িত কৰাই ১,৭৩৮ হেক্টৰ ভূমিত আলু খেতি

কৰাৰ ব্যৱস্থা কৰা হৈছে আৰু ঠায়ে ঠায়ে ৫০ শতাংশ ৰেহাইত cold storage বনোৱাৰ ব্যৱস্থা কৰা হৈছে। বিৰোধিয়ে এফালে cold storage ৰ কথা কয় আৰু আনফালে কাট মোশ্যনৰ বিপক্ষে কয়। অসমত আমাৰ চৰকাৰৰ দিনতেই ২০১৬-১৭ বৰ্ষত ৰাজ্যিক ঘৰুৱা উৎপাদনৰ জনমূৰি আয় আছিল ৬৬,৩৩০ কোটি টকা। আজি ২০২২-২৩ বৰ্ষত সেই জনমূৰি আয় গৈ ১ লাখ ২০ হাজাৰ ৩৩৪ কোটি টকালৈ বৃদ্ধি হ'ল আৰু ২০২৩-২৪ বৰ্ষত এই আয় ১ লাখ ৩৫ হাজাৰ ৭৫৮ কোটি টকা হ'লগৈ। এইবাৰ আমি সংকল্প লৈছো যে ২০২৫-২৬ বৰ্ষত প্ৰায় ১৫০ শতাংশ লৈ বৃদ্ধি হোৱাৰ সম্ভাৱনা থাকিব। এইবোৰ উন্নয়ণৰ ধাৰা নহয় নেকি? কৃষক সকলক আপোনালোকে এনেকৈ demolished কৰিব বিচাৰিছে যে অসম চৰকাৰে কৃষি খণ্ডত একো ভূমিকাই লোৱা নাই। অসম চৰকাৰ কৃষি খণ্ডৰ উন্নয়ণৰ বাবে দায়বদ্ধ। অসম চৰকাৰে পোনপটীয়া ভাৱে কৃষক সকলক বেংকৰ জৰিয়তে টকা পোৱাৰ ব্যৱস্থা কৰি দিছে। আপোনালোকৰ দিনত ৰাজীৱ গান্ধী ডাঙৰীয়াই নিজে কৈছিল যে ১ টকা যদি আহে মাত্ৰ ২৫ পইচা ৰাইজৰ হাতলৈ গৈছে। এইবোৰ কথা আমি কোৱা নাই। এই কথাবোৰ সেই সময়ৰ প্ৰধান মন্ত্ৰীয়ে পবিত্ৰ লোক সভাত প্ৰকাশ কৰিছিল। আজিৰ এই চৰকাৰখন দুখীয়াৰ কাৰণে দায়বদ্ধ। এটা সময়ত প্ৰধান মন্ত্ৰী ফচল বীমা যোজনাৰ বিষয়ে একো নাজানিছিল। মাত্ৰ ১ টকাত চাৰে সাত বিঘা মাটিৰ প্ৰিমিয়াম দিব লাগিছিল। মোৰ মনত আছে যে প্ৰথম বছৰতেই মাননীয় মুখ্যমন্ত্ৰী আৰু মাননীয় কৃষি মন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত ২৫০ কোটি টকাৰ প্ৰিমিয়াম অসম চৰকাৰে ব্যয় কৰিছিল। কিন্তু এইবোৰৰ তুলনাত আন ৰাজ্যবোৰে কোনো ধৰণৰ চৰকাৰী প্ৰিমিয়াম দিয়া নাছিল। যেতিয়া কৃষি ক্ষেত্ৰত ক্ষয়ক্ষতি হয় তেতিয়া আমাৰ বিৰোধী আৰু মাননীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়ায়ো কৈছিল যে কৃষকে কোনো ধৰণৰ ক্ষয় ক্ষতিৰ সময়ত টকা নাপায়। যেতিয়া প্ৰথম আমাৰ চৰকাৰখন আহিল তেতিয়া এই প্ৰধান মন্ত্ৰী ফচল বীমা যোজনা চাৰ্কোল ৰাইজ আছিল। পিছত আমি সকলোৰে আলোচনা কৰিলো, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই চেষ্টা কৰিলে কেনেকৈ এইটো কৰিব পাৰি। আৰু আজি আপোনালোকে শুনি ভাল পাব যে এইটো এতিয়া reduce কৰি GP wise লৈ যোৱাৰ ব্যৱস্থা কৰা হৈছে। আগতে আছিল যে মোৰ তাত যদি ৫০ শতাংশ ডেমেজ হয়, বা আমাৰ সমষ্টিত বা আপোনালোকৰ সমষ্টিত তেতিয়া সেইটো নাপাইছিল। এতিয়া আমি GP লৈকে পোৱাৰ ব্যৱস্থা কৰিছো। এটা দিন আহিব সেইবিলাক ব্যক্তিলৈ পৰিবৰ্তন হ'ব। নিশ্চয় চৰকাৰে এইবিষয়ে চিন্তা কৰিব। এইবিলাক কি কৃষকৰ কাৰণে আমি চিন্তা কৰা নাই নেকি? আপোনালোকে ক'ব লাগে কাৰণে কথা কৈছে। আজি AIUDF ৰ বিধায়কে মজিবুৰ ৰহমান ডাঙৰীয়াই কৈছে যে তেখেতৰ সমষ্টিত খেতি ভাল হয়। সেইটো ভাল কথা, কিন্তু অকল মিঞাৰে কথা কিয় কব লাগে। এইখন অসম অসমীয়াৰ দেশ নহয় নেকি। অকল এটা জনগোষ্ঠীক আপোনালোকে প্ৰতিনিধিত্ব কৰিছে নেকি।

আজি অসমখনক আপোনালোকে ভাগ কৰে। আমি অসমীয়া বুলি সকলো জনগোষ্ঠীৰ লগত চলো। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে খিলঞ্জীয়া মানুহক সুবিধা দিছে, আজি মুছলমানক খিলঞ্জীয়া হিচাপে স্বীকৃতি দিছে। এই বিলাক কথা অসমৰ ৰাইজে দেখি থকা নাই নেকি। আমি সকলোৰে সমাগ্ৰিক উন্নয়নৰ কথা কব লাগে। মই মাননীয় কৃষি বিভাগৰ মন্ত্ৰী অতুল বৰা ডাঙৰীয়াক কম যে কৃষিৰ ক্ষেত্ৰত হাজাৰ হাজাৰ মেচিন subsidy আহি আছে, আপোনালোকক কেইটামান বেছিকৈ দিলে, আমাৰ কোনো বেয়া নহয়, আমি আশীৰ্বাদ পাম।

আজি গৰুখুটিখন এটা মডে'ল প্ৰজেক্ট হিচাপে লৈছে। গৰুখুটিৰ কথা কওঁক, কিন্তু তাত

গৈ আপোনালোকে আকৌ সেই মানুহখিনিক আনি খেতি কৰাৰ কথা কৈছে। এই চৰকাৰৰ দিনত ২০১৬ চনৰ পৰা ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰ আছে, তাত কোনোবাই কব পাৰিব নেকি যে এজন মিএগ্ৰাক আমি মাহী আইৰ চকুৰে চাইছো। এই কামটো মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৰা নাই। আপোনালোকে cut motion কৰিব লাগে, কৰক। কিন্তু তাৰ পিছত উদ্দেশ্য থাকিব নালাগে। সমাগ্ৰিক উন্নয়নৰ কথা কওঁক আৰু আমাৰ চৰকাৰখনে অসমত ৮৫ বা ৭৫ শতাংশ যি দুখীয়া খেতিয়ক আছে, সকলোৰে উন্নয়নৰ কাৰণে চিন্তা কৰিছে, আমাৰ মন্ত্ৰী ডাঙৰীয়াই সকলোকে সুবিধা দিয়াৰ কাৰণে চিন্তা কৰিছে।

আমি চেষ্টা কৰিছো যে অসমখন কেনেকৈ আগুৱাই লৈ যাব লাগে। আজি আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে পাঁচ খন ৰাজ্যৰ ভিতৰত গঢ়াৰ সংকল্প লৈছে। আপোনালোকে এই সদনতে অহাবাৰলৈ দেখিবলৈ পাব যে অসমখন ভাৰতবৰ্ষৰ ভিতৰত ৩ নং ৰাজ্যলৈ আগুৱাই যাব, সেইটো আমাৰ সংকল্প। সেই সংকল্পলৈ আমি আগবাঢ়িছো আৰু আমাৰ বিশ্বাস আছে যে আমাৰ গাঁৱত থকা খেতিয়কসকলক আমি যিমান সুবিধা দিব পাৰো, সকলো সুবিধা দিবলৈ আমি চেষ্টা কৰো। যেতিয়া আমাৰ সভাত আলোচনা হয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অকল খেতিয়কৰ কাৰণে আমাক কাম কৰিবলৈ কয়, গাঁৱত থকা খেতিয়কসকলক সুবিধা দিয়াৰ কাৰণে।

কোনোবাই অলপ আগতে কৈছে যে লাখপতি আঁচনিৰ কথা কৈছে, এই আঁচনিটো কৃষকৰ কাৰণে হ'ব। আজি অৰুণোদয় আঁচনিৰ এটা অংশ কৃষকে পাব। আজি কিমান ডাঙৰ আঁচনি হাতত লৈছে, প্ৰধানমন্ত্ৰী আৱাস যোজনা, আমি ২০১১ চনৰ census ৰ মতে দিব নোৱাৰো, কিন্তু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সিদ্ধান্ত লৈছে যে মুখ্যমন্ত্ৰী আৱাস যোজনাত ঘৰ দিব। এই কি কৃষকৰ কাৰণে নহয় নেকি। এই আঁচনিটো আপোনালোকেও পাব। অকল যে বিজেপি বা মিত্ৰজোঁটৰ বিধায়কে পাব, সেইটো নহয়। আজি স্কুল নিৰ্মাণ হৈছে, তাতো কৃষকসকলৰ লৰা-ছোৱালীয়ে পঢ়িবলৈ যাব। ১২৬ খন হায়াৰ চেকেণ্ডাৰী স্কুল উন্নীতকৰণৰ কৰাৰ চেষ্টা কৰিছে PM SHRI school scheme, NESIDS ৰ জৰিয়তে হওঁক, এই আঁচনি আপোনালোকে নাপাব। কিয় আপোনালোকে এনেকৈ বিভাজন কৰিব বিচাৰে। মই পবিত্ৰ সদনত এটা কথা কৈছো যে আপোনালোকে সমাগ্ৰিক কথা চিন্তা কৰক। অকল নিগেটিভ কথা কৈ থকাৰ কাৰণে আপোনালোকৰ পৰা ৰাইজ আতঁৰি গৈছে আৰু আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই পজিটিভ চিন্তা ধাৰাত আগবাঢ়িছে, আজি অসমখন আগুৱাই গৈছে।

আজি আমি দেখিছো বিজেপি চৰকাৰে কেনেকৈ শাসন কৰে, সকলোকে সমভাৱে লৈছে। কংগ্ৰেছৰ দিনত দেখিছিলো বিধায়কসকলে আৱৰ্ত ভৱনত বহে আৰু গুছি আহে, আজি সেই দিন গ'ল। আজি গাঁৱে গাঁৱে বিধায়ক গৈছে দূৰৰ কথা, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াও গৈ গাঁৱত থাকি গাঁৱৰ মানুহ অন্তৰৰ বুজ লৈছে। এই বিলাক কি পৰিবৰ্তন নহয়। সেই বিলাক কৰিলে আপোনালোকে ৰাজনীতি কৰা বুলি ভাৱে। কিন্তু নহয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সকলো মন্ত্ৰী আৰু বিধায়কক গাঁৱলৈ যাব দিছে, কিয় যাব লাগে, এই কাৰণে যাব লাগে যে গাঁৱলৈ গলে প্ৰত্যেক্ষ ভাৱে দুখীয়া পৰিয়ালটোক আমি বুজি পাম আৰু সেই ধৰণে ব্যৱস্থা হৈছে। সেই কাৰণে আমি কৈছো যে শেষৰ জন ব্যক্তিক সহায় কৰাটো আমাৰ মূল লক্ষ্য আৰু সেই লক্ষ্যত উপনীত গৈ অসমক আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত চিন্তা চৰ্চা কৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, আপোনালোকে বাজেটখন চাব, এই বাজেটখন দুখীয়া মানুহৰ কাৰণে। সন্মানীয় সদস্য শ্ৰী ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই কিবা বীজৰ কথা কৈছে। বীজ supply ৰ

কথা ইয়াত নাহে। ইয়াত কৃষকৰ কথা আহে। আজি অলপ আগতে সন্মানীয়া সদস্যা নন্দিতা দাস বাইদেউ কৈছে যে আমাক সুবিধা লাগে, ৫০ শতাংশত coal storage দিছে আৰু কিবা কিবি বিচাৰিছে। নিশ্চয় পাব, আপোনালোকে মনৰ পৰা support কৰক। আপোনালোক বিৰোধিতা কৰিব লাগে কাৰণে বিৰোধী কৰিব নাপায়। কাৰণ এই পবিত্ৰ সদনৰ পৰা অসমৰ দুখীয়া খেতিয়কে অতি হেপাহেৰে বাট চাই আছে যে কি কি আঁচনি আহিব, কি বাজেট আহিব। ডেৰ লাখ কোটি টকাৰ এখন বাজেট হৈছে, ইয়াৰ ৯০ শতাংশ দুখীয়া মানুহৰ কাৰণে। অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰীক ইয়াৰ কাৰণে বিশেষভাৱে ধন্যবাদ জনাইছো লগতে কৃষি বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিছো। আপুনি আগবঢ়াওক, আপোনাৰ লগত আমি সদায় থাকিম। কৃষকৰ হৈ কাম কৰাৰ আমাৰ সংকল্প লৈ মোৰ বক্তব্য ইয়াত সামৰণি মাৰিছোঁ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী ভাস্কৰজ্যোতি বৰুৱা।

**শ্ৰী ভাস্কৰজ্যোতি বৰুৱা, (তিতাবৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই কৃষি বিভাগৰ কৰ্তন প্ৰস্তাৱৰ সমৰ্থন জনাই ক'ব খোজো যে কৃষি বিভাগৰ বাবে যি ধন আৱন্টন দিয়ে, সেয়া সম্পূৰ্ণৰূপে খৰছ কৰা আমাৰ পৰিলক্ষিত হোৱা নাই। আজিৰ প্ৰতিদিন কাকতটো দেখিবলৈ পালো যে বাজেট ধাৰ্য্য পুঁজিৰ মাত্ৰ ৫২.২১ শতাংশ ব্যয় হৈছে। মই মোৰ কৰ্তন প্ৰস্তাৱৰ যিখিনি কথা তাৰ কোৱাৰ আগত আজি যিটো MSP ৰ কথা প্ৰথম বিধান সভাত উপস্থাপন হৈছিল পৰৱৰ্তী সময়ত MSP হ'ল কৃষকে যথেষ্ট ধান পালে তাৰবাবে চৰকাৰক মই ধন্যবাদ দিছো। এটা কথা ঠিক যে আমি ground reality টো কি এতিয়া কেইদিনমান আগতে পেপাৰত পঢ়িবলৈ পাইছো যে ধানৰ উৎপাদন আমাৰ হ্ৰাস হৈছে। সেইটো আমাৰ বাবে অতি উদ্বেকজনক কথা। মই issue কেইটা কৈ লৈছো। দ্বিতীয়তে এটা সময়ত আমাৰ GDP কৃষি খণ্ডৰ পৰা 7% আহিছিল আমাৰ চৰকাৰৰ দিনত। ২০০১ চনৰ পৰা ২০১৬ চনলৈকে মই তথ্য এটা পাইছিলো planning commission ৰ পৰা চাৰিবাৰকৈ বিভাগে খুব successful হোৱাৰ কাৰণে prize পাইছিল ইত্যাদি কথা। ইয়াৰ উপৰিও আমাৰ বৰ্তমান প্ৰধান issue টো হৈছে যে আমাৰ যিটো ground, কৃষকৰ পথাৰ। যিহেতু পথাৰৰ মাজত মোৰ ঘৰ, সদায় মই শুই উঠি পথাৰখন দেখো। মই তেতিয়া বহু চিন্তা কৰো যে, এটা season ত আমাৰ পথাৰখন সেউজীয়া হৈ থাকে আৰু এটা season ত পথাৰখন dry হৈ থাকে। আমি একো কৰিব নোৱাৰো আৰু ময়ো চেষ্টা কৰো ঘেহু খেতি কৰিছো, আগতীয়া খেতি কৰিছো, সৰিয়হ খেতি কৰিব যাওঁ। কিন্তু আমাৰ পথাৰবোৰত কি হয়, কিছুমান দ আওতীয়া মাটিৰ কাৰণে ধানৰ কাৰণে ভাল হয়। অন্য খেতি তাত কৰিব নোৱাৰি। মোৰ মনত এটা প্ৰশ্ন উদয় হৈছে যে Municipal Department ত এটা Muster plan বনাইছে গোটেই টাউনবিলাক সুন্দৰকৈ সজাবৰ কাৰণে। কিন্তু পথাৰবিলাক কিয় আমি সুন্দৰকৈ সজাই পৰাই ল'ব নোৱাৰো। পথাৰসমূহ সুন্দৰকৈ সজাবলৈ হ'লে তাত আমাৰ বিজ্ঞান প্ৰযুক্তিৰ কথা আহে। আমাৰ Agiculture University আছে, খুব সুন্দৰ সুন্দৰ কাম তাত হৈ আছে, ভাল ভাল scientist আহিছে, তিতাবৰত rice research institute চৰকাৰে কৰিলে সেইটোৰ কাৰণে মই কৃষি মন্ত্ৰীৰ শলাগ ল'ম। কোৱাৰ লগে লগে কৰি দিছিল আৰু বহু scientist য়ে তাতে কাম কৰি আছে। এতিয়া আমাৰ যদি paddy field বিলাক যদি scientific study এটা কৰো, Scientist সকল তাত যাওক। প্ৰত্যেখন পথাৰৰ দাতা লওঁক, rain fall ৰ দাতা লওক, মাটিৰ গুণাগুণ লওক আৰু সেই পথাৰখনত কি কি খেতিৰ বাবে উপযোগী, এই কথাখিনি আমি চাওঁ। এইখিনি চাই আমি বৈজ্ঞানিক পদ্ধতিৰে আৰু তাৰ লগে লগে কৃষি বিভাগৰ যিসকল extension

officer আছে, সেই extension বিভাগটোক আমি সম্পূৰ্ণৰূপে কামত লগাই তাৰ কৃষকসকলক যদি উপকৃত কৰি তেনেকুৱা ধৰণৰ পদ্ধতিৰে খেতি কৰিব পাৰো তেতিয়া মই ভাৱো আমাৰ এই উৎপাদনৰ ক্ষেত্ৰত যিখিনি কথা ইয়াত অৱতাৰণা হৈছে সেইখিনি বহু পৰিমাণে আমাৰ যিখন অসমৰ আমি কল্পনা কৰিছিলো যে সুজলা সুফলা অসম ভূমি তেতিয়াহ'লে গোটেই বাৰমাহে আমাৰ এই কৃষি প্ৰধান পথাৰসমূহ সেউজীয়া হৈ থাকিব লাগে। আমাৰ উন্নতশীল কৃষি প্ৰধান South-East Assia ত আমাৰ ৰাজ্যবিলাক আছে, সেই ৰাজ্যবিলাকলৈ আমাৰ কৃষকসকলক নিব লাগে। তাত উন্নত প্ৰণালীৰে কেনেকৈ খেতি কৰিছে আমাৰ কৃষকৰ সংখ্যাটো বেছি হ'ব লাগে আৰু আমাৰ অন্যান্য বিষয়া সকল, মন্ত্ৰী বা বিধায়ক সকল অলপ কম হোৱাটো ভাল। সৰহসংখ্যক কৃষক আমি লৈ যাব লাগে। কৃষকক লৈ যদি আমি দেখুৱাও মই ভাৱো যে তাৰ পৰা আমি বহুখিনি উপকৃত হ'ম। আমাৰ গড়াখহনীয়া হৈছে, আমি যদি উদ্যান শস্যলৈ চাওঁ যিসমূহ high value খেতি, যিবিলাক product এতিয়া high value product বুলি ক'লে আজিকালি খুৱ ভাল লাগে। Dragon fruit হৈছে, কোকৰাঝাৰৰ পৰা উজনিলৈকে ল'ৰাবিলাকে কৰিছে, তাৰ লগে লগে আমি যিটো বিলাতী বগৰীৰ কথা কওঁ, সেই বিলাতী বগৰীৰ খেতি কৰিছে, ষ্ট্ৰবেৰীৰ খেতি খুব ভাল হৈছে। কালি মই দাদাৰ ঘৰত লোকেল ষ্ট্ৰবেৰী খাইছিলো অলপ টেঙা, কিন্তু খাই খুব ভাল লাগিল। সেই ষ্ট্ৰবেৰীৰ খেতি হৈছে। গতিকে যিবিলাক high value product এইখিনিৰ কাৰণে market link লাগে। আমাৰ আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত কৃষি মন্ত্ৰী ডাঙৰীয়াই কৈছে আমাৰ ৪ হাজাৰ কোটি টকা export হৈছে। কিন্তু আজিৰ পেপাৰখনত খুব উদ্বেগজনক কথা সময় কম নহ'লে মই কথাখিনি আপোনালোকক ভালকৈ ক'ব পাৰিলোহেঁতেন। মই চাহ খেতিৰ লগত জড়িত। ২০২৩ চনৰ জানুৱাৰী, নৱেম্বৰ মাহৰ সময়চোৱাত Tea Board ৰ যিটো Report আহিছে 207.14 million k.g. আমাৰ export কম হৈছে। এইটো এটা খুৱ উদ্বেগজনক বিষয়। এইটো কিয় হৈছে ইৰাণত যিটো আমাৰ ভাৰতে তেলৰ আগতে exchange কৰিছিল। Exchange কৰি চাহপাতসমূহ দিছিল। কিন্তু আমেৰিকাই যুদ্ধৰ কাৰণে বন্ধ কৰি থোৱাৰ ফলত ইৰাণলৈ আমাৰ export টো একেবাৰে কমি গ'ল। ইয়াৰ কাৰণে অসম চৰকাৰে কিবা এটা ব্যৱস্থা নলয়, মই আজি কৈছো যে মই চাহ উদ্যোগৰ লগত জড়িত। কিমান কষ্টৰে নিজ হাতেৰে গঢ়া এই উদ্যোগটো মই ধৰি ৰাখিছো এইটো মই জানো আৰু একমাত্ৰ ঈশ্বৰে জানে। কিন্তু অহা হয়তো জুলাই আগষ্ট মাহৰ পৰা চাহ বাগানবিলাক লাহে লাহে বন্ধ হোৱাৰ উপক্ৰম হ'ব আৰু মই আটাইতকৈ বেছি concern চাহ শ্ৰমিক সকলৰ কাৰণে। কাৰণ চাহ শ্ৰমিক সকল তেওঁলোকৰ অন্য কোনো উপাৰ্জনৰ ৰাস্তা নাই। ৰাতিপুৱা শুই উঠি বাগানখনে দেখে। সেইটো উপাৰ্জনৰ স্থলী। গোটেই পৃথিৱীখনক তেওঁলোকে চাহ খুৱাইছে। গতিকে এই চাহ শ্ৰমিকৰ যিখিনি সমস্যা আহি আছে চাহ উদ্যোগটোত যেনেকৈ দুৰাৰোগ্য ৰোগ আজি হৈছে এইটোৰ পৰা চৰকাৰে আমাক উদ্ধাৰ কৰিব লাগিব। ইয়াৰ লগতে মই এটা কথা কওঁ, আজি purple rice টো কি হৈছে যে মেৰাপানীৰ হৰেণ বৰা নামৰ এজন কৃষকে খেতি কৰি এবিঘা মাটিত ১ লাখ ২৮ হাজাৰ টকা পাইছে। Purple rice টো ইমানেই popular হৈছে তাত oxydent আছে আৰু Iron content টো বহুত বেছি। এই চাউলখিনি যদি আমি middaymeal ত দিব পাৰো চৰকাৰৰ ফালৰ পৰা। Midday meal ত দিয়াৰ লগে লগে তেতিয়া চাহৰ সেই marketing টো খুৱ ভাল হৈ থাকিব। এনেকুৱা বিভিন্ন ধৰণৰ কথা আছিল সময়টো যিহেতু কম কিন্তু এটা কথাত strass দিম যে চৰকাৰে পথাৰসমূহ পৰিচালনা কৰি এটা muster plan বনাই কোন পথাৰত

কি লাগে, কেনেকৈ লাগে এই গোটেই কথাখিনিৰ এটা scientific তথ্য লৈ এখন White Paper তেওঁলোকে উলিয়াই দিয়ক। মই ভাবো যিটো আমাৰ সেউজ বিপ্লৱ প্ৰকৃতাৰ্থত তেতিয়াহে এইটো সম্ভৱ হ'ব।

**মাননীয় উপাধ্যক্ষ ঃ** Soil Testing কৰি Health Card দিছে সেইটো নহয় নেকি আপুনি কোৱা মতে।

**শ্ৰীভাস্কৰ জ্যোতি বৰুৱা, (তিতাবৰ) ঃ** Health Card দিছে। কিন্তু Health Crad টো আচলতে কি হয় সামূহিক ভাৱে যদি কামটো হয় আমাৰ চৰকাৰৰ ফালৰ পৰা বৈজ্ঞানিক সকল যাব লাগিব, গাঁৱত গৈ তেখেতসকল থাকিব লাগিব। আমাৰ মন্ত্ৰী সকল আমি যাম, কিন্তু আমি যোৱাতো ঠিকেই আছে. আমাৰ ৰাজনীতিটো হৈ থাকিব। কিন্তু বৈজ্ঞানিক সকল যোৱাতো বহুত দৰকাৰ। এইখিনি কথা কৈ মই কৰ্তন প্ৰস্তাৱৰ সপক্ষে বক্তব্য ৰাখিলো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰীভৱেন্দ্ৰ নাথ ভৰালী। আপোনাক দলে ১৮ মিনিট দিছে।

**শ্ৰী ভৱেন্দ্ৰ নাথ ভৰালী, (দেৰগাঁও) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধী দলৰ কৃষি বিভাগত উত্থাপন কৰা কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি আমি ক'ব খুজিছো। কৃষি বিভাগটো আচলতে অসমৰ প্ৰায় ৭৫ শতাংশ কৃষক আৰু এই কৃষক সকলক লৈ অসমে বৰ্তমান আগবাঢ়ি গৈছে। কিন্তু প্ৰাথমিক পৰ্য্যায়ত কৃষক সকলৰ যিটো অৱস্থা এটা খেতি কৰাৰ পাছত দ্বিতীয় এটা খেতি কোনোদিনেই কৰা হোৱা নাছিল। কিন্তু বৰ্তমান পৰ্য্যায়ত নতুন চৰকাৰ অহাৰ পাছত দ্বিতীয় এটা খেতি কৰিবৰ কাৰণে কৃষক সকল মানসিকভাৱে প্ৰস্তুত হৈছে আৰু কামবোৰ কৰিছে। এইক্ষেত্ৰত আমি আমাৰ আৰ্থিক উপাৰ্জন বৃদ্ধি কৰিবলৈ হ'লে আমি minimum ৩ টা খেতি কৰিব পৰাটো কৃষক সকলৰ বাবে ভাল, দেশ বা ৰাজ্যৰ বাবেও ভাল। সেই অনুসৰি আমাৰ অসম চৰকাৰে মাননীয় মুখ্যমন্ত্ৰী ড$^0$ হিমন্ত বিশ্ব শৰ্মাদেৱৰ নেতৃত্বত আমাৰ কৃষি মন্ত্ৰী শ্ৰীঅতুল বৰাদেৱে কৃষক সকলক আগবঢ়াই নিব পৰাকৈ উদগনি জনাব পৰাকৈ বহুকেইটা আঁচনি ইতিমধ্যে লৈছে যাৰ জৰিয়তে কৃষক সকলে দুটা খেতি কৰিব পৰাকৈ নিজক প্ৰস্তুত কৰি তুলিছে। এইক্ষেত্ৰত এটা কথা স্পষ্টভাৱে ক'ব লাগিব ইয়াৰ আগৰ কালছোৱাত আমি দেখিবলৈ পাইছিলো। **খেতিয়ক বুলি ক'লে ছোৱালী নিদিয়ে । কিন্তু এতিয়া কৃষক বুলিলে ছোৱালী নিদিয়াকৈ নাথাকে । কৃষকক মানুহে এতিয়া সন্মান জনায় । অসম চৰকাৰেও এই ক্ষেত্ৰত আজি্লপ দিন আগতে কেইবাজনো ভাল খেতিয়কক অসম গৌৰৱ সন্মানেৰে সন্মানিত কৰিছে । কৃষকসকলেও আন লোকসকলৰ সমানে সন্মান পোৱা উচিত । কিন্তু আগৰ পৰ্য্যায়ত এইটো নাছিল । বৰ্ত্তমান নতুন পদ্ধতিত যেতিয়া উপাৰ্জন দুগুন হ'ব তেতিয়া নিশ্চিতভাৱে সমাজত তেওঁলোকৰো এটা স্থান থাকিব । কৃষি বিভাগে আমাৰ মাননীয় মন্ত্ৰী শ্ৰীঅতুল বৰা দেবৰ নেতৃত্বত কৃষি সম্পৰ্কত মেকানাইজড অৰ্থ্যাৎ খেতিৰ বাবে যিমানখিনি যন্ত্ৰ পাতি লাগে এই ক্ষেত্ৰত যথেষ্ঠ আঁচনি গ্ৰহণ কৰিছে । আগতে আমি পাৱাৰ টিলাৰ বাবে ট্ৰেক্টৰৰ কথা ভাবিবই পৰা নাছিলো । মই স্কুলত পঢ়ি থকা সময়ত আগতে আমাৰ গাওঁত এযাৰ কথা শুনিছিলো । ককাঁহঁতে সোঁধে ও চিত পখিলি তিনি মূৰ দহ ঠেং ক'ত দেখিলি অৰ্থ্যাৎ পথাৰত হাল বাই থকা সেই দৃশ্যটো য'ত তিনিটা মূৰ দহখন ঠেং । কিন্তু বৰ্তমান পৰ্য্যায়ত এই দৃশ্যটো ক্ৰমান্বয়ে নোহোৱা হৈ গৈ আছে । আমি এতিয়া জন্তুৰ সলনি যন্ত্ৰ ব্যৱহাৰ কৰিছো । সেই যন্ত্ৰৰ জৰিয়তে আমি বহু পৰিমানে ফছল বৃদ্ধি হোৱা দেখা পাইছো যাৰ ফলত আমি কৃষিৰ পৰা যথেষ্ঠ আয় কৰিব পৰা হৈছো । বৰ্তমানে একেডৰা মাটিতে তিনিবাৰকৈ খেতি কৰিব পাৰো । আগতে শালি খেতি কৰাৰ পিছত কৃষকসকল বহি থাকে । আকৌ চ'ত বহাগ মাহত পথাৰলৈ গ'লে দেখে যে মাটিডৰা ছন পৰি আছে । ভূপেন**

হাজৰিকা দেৱে তেওঁৰ গীতত কৈছিলে যে- “ মোৰ গাওঁৰ ছন পৰা মাটিডৰা, চাহ কৰি সেউজ কৰিম আনন্দে নধৰে ।” সেই অৱস্থাৰ পৰা আজিলৈকে বহু উত্তৰণ হৈছে । এতিয়া আমি পাৱাৰ টিলাৰ , ট্ৰেক্টৰ, ক্ৰীপাৰ এই আটাইবিলাক যন্ত্ৰ পাতি আৰু ব্যৱস্থাৰে চৰকাৰে আমাৰ কৃষকসকলক আগবঢ়াই লৈ যাবলৈ সমৰ্থ হৈছে । তাৰ বাবে মই চৰকাৰক ধন্যবাদ জনাইছো । আগতে আমি কোনোদিনে ভাবিব পৰা নাছিলো যে, খেতিয়কে উৎপাদন কৰা শাক পাঁছলি আমি অসমৰ পৰা বাহিৰলৈ পঠিয়াব পাৰিম । এই চৰকাৰ আৰু মাননীয় মন্ত্ৰী অতুল বৰা দেৱৰ নেতৃত্বত যোৱা জানুৱাৰী মাহৰ পৰা আগষ্ট মাহলৈকে ৪৯ হাজাৰ ৯০ মেট্ৰিকটন কৃষি সামগ্ৰী আমি ৰপ্তানি কৰিছো। প্ৰায় ১১৮৫ কোটি টকা আমাৰ ৰাজ্যখনে কৃষিৰ ক্ষেত্ৰত উপাৰ্জন কৰিছে। ঠিক সেই একেদৰে আমি কৃষকসকলৰ উৎপাদিত সামগ্ৰীৰ উচিত মূল্য দিবলৈও চৰকাৰে ব্যৱস্থা লৈছে । কাৰণ আগতে ধান খেতি কৰাৰ পিচত খেতিয়কসকলে কুইন্টলত আঠশৰ পৰা এক হাজাৰ টকালৈহে পাইছিল । ইতিমধ্যে কুৰ্মী ডাঙৰীয়াও এই বিষয়ে কৈছে । কিন্তু বৰ্ত্তমানে চৰকাৰীভাৱে মিনিমাম মূল্য এটা নিৰ্দ্ধাৰিণ কৰি দিছে আৰু বিভিন্ন চৰকাৰী এজেন্সীৰ দ্বাৰা ধান ক্ৰয় কৰিছে আৰু ইয়াৰ চাপোৰ্ট মূল্যটো হ'ল মিনিমাম ২১৮৩ টকা। বহু ক্ষেত্ৰত কৃষকক চৰকাৰে উদ্‌গণি জনোৱাত সফল হৈছে । এই ক্ষেত্ৰত এটা কথা আমি ক'ব লাগিব -কৃষি যন্ত্ৰ উন্নয়ণত আমি যথেষ্ট আগবাঢ়ি যাব পৰা হৈছো । ভিলেইজ লেভেল ফাৰ্ম মেচিনাৰী বেংকৰ দ্বাৰা কৃষি যন্ত্ৰ পাতি উনয়ণ কৰি আৰু যি পথাৰ সমিতি গঠন কৰা হৈছে তেওঁলোকক আগবঢ়াই লৈ যাবৰ বাবে চৰকাৰে সুবিধা কৰি দিছে । আজি প্ৰশ্নোত্তৰ কালত কেইবাগৰাকী সদস্যই কেইটামান প্ৰশ্ন উত্থাপন কৰিছে । কৃষি উৎপাদন সামগ্ৰী নষ্ট নোহোৱাকৈ ৰাখিবলৈ ক'ল্ড ষ্ট'ৰেজ বা ভড়াল লাগে । ইতিমধ্যে আমাৰ চৰকাৰে বহুকেইটা ক'ল্ড ষ্ট'ৰেজ নিৰ্মাণ কৰিছে । এটা কথা ঠিক পথাৰসমূহৰ নিচেই কাষত এই কৃষি ভৰাঁল বা ক'ল্ড ষ্ট'ৰেজ তৈয়াৰ কৰাৰ পৰিকল্পনা যিটো ল'ব বুলি মন্ত্ৰী মহোদয়ে উল্লেখ কৰিছে আৰু এই ক'ল্ড ষ্ট'ৰেজৰ দৰে খেতি পথাৰৰ ওচৰত মিনি ষ্ট'ৰেজ যদি তৈয়াৰ কৰে ঠায়ে ঠায়ে তেতিয়া হ'লে খুব ভাল হয় । মোৰ সমষ্টিৰ এটা অঞ্চল মোৰ সমষ্টিৰ আধাতকৈও বেছি এৰিয়াৰ ফালৰ পৰা , ইয়াত জনজাতি আৰু সাধাৰণ জাতিৰ লোক আছে ,তেওঁলোক কৃষক । তেওঁলোকে ধান খেতিৰ ওপৰিও, বিভিন্ন শাক পাঁচলি ইত্যাদি খেতি কৰে, বন্ধা কবি, ফুল কবি ওল কবি, আলু , বেঙেনা, পটল, জিকা , লাওঁ ইত্যাদি ইয়াত উৎপাদন কৰি শিৱসাগৰ, যোৰহাট আৰু গোলাঘাট ইত্যাদি তিনিওখন জিলাত পঠিয়াই আছে । কিন্তু খেতিৰ উৎপাদনখিনি নষ্ট নোহোৱকৈ ৰাখিবলৈ তেওঁলোকৰ যথেষ্ট অসুবিধা হৈছে । ইয়াত যদি এটা ক'ল্ড ষ্টৰেজ কৰি দিয়ে ভাল হ'ব। ইতিমধ্যে - ৩-৪ জন উদ্যোগী যুৱকে মিলি এটা ক'ল্ড ষ্ট'ৰেজ কৰিছে। গতিকে চৰকাৰে যদি কৃষি উৎপাদন এৰিয়াবিলাকৰ খেতিপথাৰত হাইব্ৰীড ক'ল্ড ষ্ট'ৰেজ বুলি যাক কোৱা হয লগতে মিনি ষ্ট'ৰেজ ঠায়ে ঠায়ে যদি নিৰ্মাণ কৰি দিয়ে তেন্তে খেতিয়ক ৰাইজ যথেষ্ট উপকৃত হ'ব। চৰকাৰ সফল হোৱা বুলি এই কাৰণে কৈছো যে মোৰ অঞ্চলত ডেকা লৰাবিলাক গ্ৰেজুৱেট হোৱাৰ পিচত আগতে চাকৰি বিচাৰে কিন্তু এতিয়া চাকৰী মেৰিটতহে পাব বুলি জনা হোৱাৰ পিচত বহু শিক্ষিত ল'ৰাই আজি নিজৰ পৰিয়ালৰ কৃষি মাটিখিনিত আজি কৃষি কৰ্মত ব্যস্ত হৈ পৰিছে। মোৰ সমষ্টিৰ এটা জনজাতীয় এলেকাত কেইবাজনো ডেকা ল'ৰাই একেলগে ধান খেতি কৰিছে। ৰবি শস্য কৰিবলৈ তেওঁলোকে প্ৰায় পঞ্চাশ বিঘা মাটি ছয় মাহৰ কাৰণে মাটিৰ মালিকৰ পৰা লীজত লৈছে । যোৱাবাৰ তেওঁলোক যথেষ্ঠ লাভ পাইছে আৰু এইবাৰো ঠিক একেদৰে তেওঁলোকে খেতি কৰিছে । আৰ্থিকভাবে তেওঁলোক যথেষ্ট উপকৃত হৈছে । আমি দেখিছো যে এই যুৱকসকলে

**আজি কৃষি কৰ্মত জড়িত হৈছে কাৰণ আজি চৰকাৰে তেওঁলোকক উদ্‌গণি যোগাইছে । আজি তেওঁলোকক হাল বাবলৈ ট্ৰেক্টৰ, পাৱাৰ টিলাৰ, বীজ, জৈৱিক সাৰ এইবিলাক তেওঁলোকে সময়মতে পাইছে। যাৰ বাবে তেওঁলোকে খেতিবোৰ খুৱ ভালকৈ কৰিবলৈ সক্ষম হৈছে।**

মাননীয় উ পাধ্যক্ষ মহোদয়,আমি আশা ৰাখিছো যে এই ধৰণে আমাৰ নিবনুৱা ল'ৰাখিনি যদি আগবাঢ়ি আহে, নিশ্চিতভাৱে আমি এই ক্ষেত্ৰত আগবাঢ়ি যাবলৈ সক্ষম হ'ম। নৈৰ কাষত নৈৰ পাৰত কৃষি ভাল হয়। সেই অঞ্চলত কেতিয়াবা বানপানীয়ে কিছু অশান্তিৰ সৃষ্টি কৰে। তেতিয়া এই চৰকাৰীভাৱে কিছু ব্যৱস্থা যেনে-প্ৰধান মন্ত্ৰী ফচল বীমা যোজনাৰ জৰিয়তে খেতিয়ক সকলৰ বহু সুবিধা হয়। এই ফচল বীমা যোজনাটো অধিক শক্তিশালী কৰি আগবঢ়োৱাৰ বাবে চৰকাৰ সফল হৈছে। খাৰিফ শস্যৰ ক্ষেত্ৰত ২০২৩ চনত ৪,৩১,০৬৮ জন লোকে ইয়াৰ পৰা সুবিধা ল'বলৈ সক্ষম হৈছে। আমি আশা কৰিছো এনেধৰণৰ ব্যৱস্থাৰ ফলত খেতি- পথাৰ কিবা কাৰণত নষ্ট হ'লেও তেওঁলোকে নিজৰ উপাৰ্জনটো সক্ষম ৰাখিবলৈ এই আঁচনিবিলাক যেনে-ফচল বীমা যোজনা, পি এম কিষাণ আদি আঁচনিবিলাক আছে। মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই নিজে ২০২৩ চনৰ নৱেম্বৰ মাহত কৃষক সকলক এটা উচিত সন্মান দিবৰ বাবে পি এম কিষাণৰ ধন বিলাইছে। আমাৰ ১২,১৬,০০০ কৃষক এই আঁচনিৰ জৰিয়তে লাভান্বিত হৈছে। ইয়াত চাৰিশ সাতাশী কোটি সাতত্ৰিশ লাখ টকা ইয়াত ব্যৱহাৰ হৈছে। ইয়াত বিৰোধী পক্ষৰ কিছু কিছু সন্মানীয় সদস্যই কৈছে যে পি এম কিষাণত কিছুমান অযোগ্য ব্যক্তিক অন্তৰ্ভূক্ত কৰা হৈছে। যাৰ ফলত এই আঁচনিসমূহ সফল হোৱা নাই। মাননীয় মন্ত্ৰী মহোদয়ে ইতিমধ্যে উত্তৰ দিছে যে এটা বিৰাট ডাঙৰ অংকৰ কাম কৰিবলগীয়া হৈছে আৰু তেনে ক্ষেত্ৰত দুই-এটা ভুল হোৱাটো স্বাভাৱিক। এটা ডাঙৰ পুখুৰী খান্দিবলৈ গ'লেও শিঙি মাছে এজনক হ'লেও বিন্ধে। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে সেই যিবিলাক ভুল হৈছিল, সেইক্ষেত্ৰত ব্যৱস্থা লৈছে। ভুল হোৱাটো স্বাভাৱিক। কিন্তু সেই ভুলৰ সংশোধন কৰাটোহে আচল মানৱীয়তা বা দক্ষতা। সেইখিনি সম্পৰ্কত আমি আগবাঢ়ি যাব পাৰিছো। আমি আশা কৰিছো যে এনেধৰণৰ ব্যৱস্থাবোৰে কৃষি বিভাগক যথেষ্ট আগবঢ়াই লৈ গৈছে। আগতে আমি দেখিছিলো যে কৃষি বিভাগত জৈৱিক সাৰ বা বীজ সময়তকৈ পিছত পায়। কিন্তু এতিয়া মাননীয় মন্ত্ৰী মহোদয়ৰ নেতৃত্বত জৈৱিক সাৰেই হওঁক বা বীজেই হওঁক সময়মতে দিয়াৰ ব্যৱস্থা লৈছে। সেই প্ৰচেষ্টাত আমি সফল হৈছো। আটাইতকৈ এটা ভাল কাম এই মূহুৰ্ত্তত চৰকাৰখনে কৰিছে। সেইটো হ'ল- Digital Agriculture in Assam. কোন ডৰা মাটিত কি খেতি হৈছে, কিমান খেতি হৈছে আৰু কিমান সাৰ ব্যৱহাৰ কৰি কিমান উৎপাদন হৈছে, এই গোটেই কথাখিনি সঠিকভাৱে আমাৰ ডাটা খিনি ৰাখিবৰ বাবে এই Digital Agriculture ৰ ব্যৱস্থা অসমত কৰা হৈছে। এই Digital চাৰ্ভেৰ জৰিয়তে ইতিমধ্যে সাতখন ঠাই পাইলট প্ৰজেক্ট হিচাপে লৈছে আৰু ১১ টা ৰেভিনিউ চাৰ্কোল লৈছে। মই ভাৱো সমগ্ৰ অসমতে যদি এই ব্যৱস্থাটো কৰে, তেতিয়াহ'লে আমি নিশ্চিতভাৱেই কৃষি সম্পৰ্কত আগবাঢ়ি যাবলৈ সক্ষম হ'ম। এই ক্ষেত্ৰত মই এটা পৰামৰ্শ দিব বিচাৰিছো যে আমাৰ পথাৰ ভিত্তিত যি আফ এম ডি আছে, সেইটো থকা স্বত্বেও এটা কথা ক'ব বিচাৰিছো- আমাৰ প্ৰত্যেক অঞ্চল বা প্ৰত্যেক ঠাইতে একো একোখন ডাঙৰ পথাৰ আছে। আমাৰ যোৰহাটত যেনেকৈ মালৌ পথাৰ, গোলাঘাটত ৰহঢলা পথাৰ, তিতাবৰত আহোম পথাৰ এনেধৰণে বিভিন্ন পথাৰ আছে। এই পথাৰ বিলাকৰ মাটিৰ মালিকসলক একেলগ কৰি তাত কি খেতি হ'ব, কেনেধৰণে কৰিব তাৰ এটা পৰিকল্পনা কৰি খেতিবিলাক যাতে আগবঢ়াই

নিয়ে। তিতাবৰত ধান খেতি খুব সুন্দৰ হয় আৰু তাৰ চাউল ও খাবলৈ ভাল। গতিকে সেই পথাৰখিনিক লৈ যদি এটা পৰিকল্পিত ব্যৱস্থ্যা লয়, তেতিয়াহ'লে আমি আশা কৰিছো যে খাৰিফ শস্যৰ ক্ষেত্ৰত বা হৰ্টিকালচাৰৰ ক্ষেত্ৰত, বিভিন্ন ক্ষেত্ৰত আমি বহুত আগবাঢ়ি যাব পাৰিম। এইক্ষেত্ৰত মোৰ আৰু এটা সৰু পৰামৰ্শ আছে যে বিভিন্ন মানুহৰ ঘৰত অকল কৃষকৰ ঘৰতেই নহয়, সাধাৰণ মানুহৰ ঘৰতো হৰ্টিকালচাৰ যেনে-জলফাই, বগৰী বা কৰ্দৈ আদি এনেকুৱাধৰণৰ গছ থাকে। কিন্তু আমি দেখিবলৈ পাইছো যে এই ফলবিলাক দুই এটাহে হয়তো গৃহস্থই খাইছে। বাকীখিনি মাটিত পৰি গেলি গৈছে। সেই ফলবিলাক সংৰক্ষণ কৰি আমি যাতে সৰু সৰু মেচিনৰ জৰিয়তে আচাৰ বা চচ্ আদি নিৰ্মাণ কৰিব পৰাকৈ কো-অপাৰেটিভ চেক্টৰ বা একো একোটা সৰু গোটক যদি আমি দায়িত্ব দিওঁ, তেয়িাহ'লে আমি নিশ্চিতভাৱে এখন গাওঁ বা এটা অঞ্চলক কৃষি ভিত্তিক ক্ষুদ্ৰ উদ্যোগ গঢ়ি তুলিবলৈ সক্ষম হ'ম আৰু যাৰ জৰিয়তে নেকি আমি কৃষি সামগ্ৰীসমূহ বজাৰলৈ উলিয়াই দিবলৈ সক্ষম হ'ব পাৰিম। এই দুটা পৰামৰ্শ মাননীয় মন্ত্ৰী মহোদয়ক এই বিষয়ে চিন্তা কৰিবলৈ মোৰ ফালৰ পৰা আগবঢ়ালো। গতিকে এইখিনি কথাৰেই বিৰোধী দলৰ কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মাননীয় মন্ত্ৰী মহোদয়ক ধন ৰাশি ৩১ মাৰ্চ পৰ্য্যন্ত খৰচ কৰিব পৰাকৈ তেখেতক দায়িত্ব অৰ্পণ কৰিব লাগে বুলি কৈ মই সামৰণি মাৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য ড° পৰমানন্দ ৰাজবংশী।

**ড° পৰমানন্দ ৰাজবংশী,(চিপাঝাৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি বিৰোধী পক্ষই যি কৰ্তন প্ৰস্তাৱ ইয়াত উল্লেখ কৰিছে, সেই কৰ্তন প্ৰস্তাৱৰ তীব্ৰ বিৰোধীতা কৰি মই কেইটামান বিষয় উত্থাপন কৰিব খুজিছো। উপাধ্যক্ষ মহোদয়, আজি প্ৰশ্নোত্তৰ শিতানত কৃষি সম্পৰ্কীয় যি আলোচনা, খুব আগ্ৰহেৰে শুনি আছিলো আৰু সেই আলোচনাৰ মাজেদিয়েই অন্তঃত আমাৰ কৃষি মন্ত্ৰী ডাঙৰীয়াই কৃষি ক্ষেত্ৰত কি কি উদ্ভাৱনী শক্তি বা অন্যান্য কি কি কাম কৰিছিল, সেই বিষয়ে কিছু কথা উল্লেখ কৰিছিল। কিন্তু আজি মই এই বিষয়টোহে ক'ব খুজিছো যে এটা অনাকাংক্ষিত ঘটনা ইয়াত সংঘটিত হ'ল আৰু যিটো প্ৰশ্ন গৰু খুঁটিক লৈ হৈছিল। সেই প্ৰশ্নটোৰ এটা পৰিপূৰক প্ৰশ্ন মই কৰিবৰ বাবে মই বাৰে বাৰে হাত দাঙি আছো। কিয়? যে যিটো বিষয় ইয়াত উত্থাপন হৈছে, এই গৰু খুঁটি মোৰ সমষ্টিৰ ভিতৰত পৰে। এটা ভুল বাৰ্তা এই পৱিত্ৰ সদনৰ মজিয়াৰ পৰা গুচি যাব, সেইয়া আমি কেতিয়াওঁ নিবিচাৰো। এই বিধান সভাত মই নিজে উপস্থিত আছো আৰু কোনো দিন মই কেতিয়াওঁ কাৰো কথাত বিৰোধীতা কৰা নাই বা কোনোবাই প্ৰশ্ন কৰিছে মই কেতিয়াওঁ বাধা দিয়া নাই। মই নিয়ম-শৃঙ্খলা মানি কাম কৰি আছো। কিন্তু আজি মই এটা কথাটো ক'ব বিচাৰিছো। যিহেতু বিৰোধী পক্ষই কৃষি বিষয়ৰ এটা গুৰুত্বপূৰ্ণ দিশ উত্থাপন কৰিছে । সেই দিশত মই এটা কথাই ক'ব খুজিছো যে আজি আমাৰ ভাৰতৰ যশস্বী মাননীয় প্ৰধানমন্ত্ৰী মোদী ডাঙৰীয়াৰ মাৰ্গ দৰ্শনত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই আত্ম নিৰ্ভৰশীল এখন অসম গঢ়িবৰ কাৰণে কৃষিই যে উপযুক্ত এক বুনীয়াদ, সেইয়া তেখেতেও বুজি পাইছে আৰু আমিও বুজি পাইছো আৰু কৃষি ক্ষেত্ৰত আত্মনিৰ্ভৰ হ'বৰ বাবে আমি প্ৰত্যেকে এটা কথা জানো যে গৰুখুঁটিত এখন আদৰ্শ কৃষি সমবায় স্থাপন কৰি কৃষি উৎপাদন কামত আৰু কৃষি কৰ্মৰ ক্ষেত্ৰত সকলো কৃষকক সহায় কৰাৰ বাবে তেওঁ যিধৰণে প্ৰত্যক্ষভাৱে সহযোগিতা কৰিছে ইয়াৰ লক্ষ্যই হৈছে প্ৰত্যেকগৰাকী বিধায়কৰ সমষ্টিক কৃষি নিৰ্ভৰশীল কৰা। ইয়াৰ দ্বাৰাই ভাৰতবৰ্ষৰ অত্যন্ত গুৰুত্বপূৰ্ণ তথা স্পৰ্শকাতৰ ৰাজ্য উত্তৰ-পূৰ্বাঞ্চলৰ অসমক কৃষি খণ্ডত আত্মনিৰ্ভৰ কৰি তুলিব পাৰিম। মই সদনত আমাৰ বিৰোধী পক্ষৰ মাননীয় বিধায়কসকলক এটা কথা ক'ব বিচাৰিছো যে ১৯৮৩ চনৰ যি মৰ্মান্তিক

ঘটনা, যিটো এই সদনত মই ইমান দিনে উত্থাপন কৰা নাই, সেইখিনি মোক আজি উত্থাপন কৰিব নিদিব। চৰাঞ্চলৰ কৃষক শ্ৰমিকৰ ক্ষেত্ৰত আজি এটা ইতিবাচক পৰিৱেশৰ সৃষ্টি হৈছে, বিশেষকৈ ছিপাঝাৰত। মই জানো ই অকল ছিপাঝাৰতে নহয়, দৰং জিলাতো হৈছে। সন্মানীয় সদস্য মজিবুৰ ৰহমান ডাঙৰীয়াই নিজেই স্বীকাৰ কৰিব লাগিব যে দৰং জিলাত বা তেখেতৰ সমষ্টিতো কৃষকসকলৰ সৈতে খিলঞ্জীয়া মানুহৰ এটা সুন্দৰ সম্পৰ্ক গঢ় লৈ উঠিছে। এই সম্পৰ্কটো আপোনালোকে বিধান সভাত উত্থাপন কৰি যি ধৰণে বাৰ্তা দিব বিচাৰিছে, সেই বাৰ্তা দি আপোনালোকে পৰিৱেশটো নষ্ট নকৰিব। মাননীয় সভাপতি মহোদয়, বিধান সভাৰ বিৰোধী পক্ষৰ প্ৰত্যেক গৰাকী সন্মানীয় সদস্যকে গৰুখুঁটিলৈ মই নিমন্ত্ৰণ কৰিছো। আপোনালোক আহক, আপোনালোকক মই তাৰ খাদ্যই খুৱাম। গৰুখুঁটি প্ৰকল্পৰ কোনো সামগ্ৰী, গাখীৰেই হওঁক বা অন্যান্য আমি যি ব্যৱহাৰ কৰোঁ, সেইয়া ব্যক্তিগত কামতেই হওঁক বা অন্যান্যই হওঁক, তাত আমি নিজৰ পকেটৰ ধন খৰচ কৰিহে কৰোঁ। এয়া কেৱল মইয়েই নহয়, অধ্যক্ষ ডাঙৰীয়াইও সেই কামকে কৰে। মই সকলোকে আন্তৰিকতাৰে মাতিছো। তাত আপোনালোকে সবিশেষ নিজ চক্ষুৰে চাব পাৰিব। ইতিমধ্যে আমাৰ অধ্যক্ষ ডাঙৰীয়াই হিচাপ-নিকাচ দিছে। আমি পুংখানুপুংখভাৱে আৰু হিচাপ-নিকাচ দিম....interruptions... এই সমস্যাবোৰ কৃষকৰ সমস্যা। কৃষকসকলৰ ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰীয়ে কৈছে যে মাতব্বৰৰ পৰা মাটি মুকলি কৰক। সেই ঠাইৰ কিছু আশে-পাশে আমি আন এটা কৃষি সমবায়, দৰং বহুমুখী কৃষি সমবায় সমিতি এখন গঠন কৰিছো আৰু তাৰ অধ্যক্ষ মইয়েই। তাত non-cadastrial মাটিবোৰ মিঞা ভাই সকলে অধিকাৰ কৰিছে আৰু সেই মাটিবোৰত অধিকাৰ কৰা মিঞা ভাই সকলৰ লগত বুজা-বুজিৰ পৰিৱেশ এটা আমি সৃষ্টি কৰি আছো যাতে তেওঁলোক অবৈধ বেদখলকাৰী হিচাপে প্ৰতিপন্ন হ'ব নালাগে। তেওঁলোক যদি ভাৰতীয় নাগৰিক আৰু সঁচাকৈয়ে যদি তেওঁলোক ছিপাঝাৰ সমষ্টিৰ ভোটাৰ হয় তেন্তে আমি তেওঁলোকক সহায় কৰিম। কিন্তু, আমি দেখিছো যে তাৰে আধা অংশই ছিপাঝাৰ সমষ্টিৰ ভোটাৰ নহয়। সেই কৃষক শ্ৰমিকসকলক আমি ভালকৈ কৈছো যে তেওঁলোকে যাতে নিজৰ নিজৰ সমষ্টিলৈ যায়। সেই সমষ্টিৰ বিধায়কসকলৰ লগত আমি আলোচনা কৰিম আৰু যদি তেওঁলোকক সমষ্টিলৈ লৈ যায় তেন্তে মই ভাৱো যে তেওঁলোকে যি সমস্যাৰ কথা কৈ আহিছে, সেই সমস্যাবোৰ আপোনা-আপুনি নাইকিয়া হ'ব। মই সদনৰ বিৰোধী পক্ষৰ সন্মানীয় সদস্যসকলক ক'ব বিচাৰিছো যে নগৈ গৰগঞা বাৰ্তা আপোনালোকে দিব চেষ্টা নকৰিব। আজিৰ তাৰিখত আমি বাৰে বাৰে কৈছো যে আমি ভোটৰ বাবে মই আপোনালোকৰ লগত বহা নাই, আপোনালোকৰ ওচৰত নৃত্য-নাটিকা কৰা নাই। কিন্তু তেওঁলোকে কয় আমি এইবাৰ ভোট আপোনালোককে দিম। গতিকে, এতিয়া ভোটৰ ৰাজনীতিৰ কথা নাই। মানুহৰ ৰাজনীতিৰ কথা আছে আৰু তেখেতসকল কৃষক। চৰাঞ্চলত যিসকল কৃষক আছে, তেওঁলোকে বছৰেকত যিদৰে ৩ টা খেতি কৰে, তেওঁলোকৰ দৰে আমাৰ সৰহ সংখ্যক খিলঞ্জীয়া মানুহেও বছৰেকত ৩-৪ টা খেতি কৰিবলৈ আগবাঢ়িছে আৰু ইয়াৰ একমাত্ৰ কাৰণ হ'ল আমাৰ কৃষি বিভাগৰ সহযোগিতা। কৃষি বিভাগৰ আটাইয়ে যিদৰে সহযোগিতা কৰিছে, সেইকাৰণেই তেওঁলোকে কামবোৰ কৰিবলৈ আগবাঢ়ি আহিছে ...interruptions...

**মাননীয় সভাপতিঃ** আপোনাৰ সময় শেষ হৈছে।

**ড° পৰমানন্দ ৰাজবংশী (ছিপাঝাৰ)ঃ** মই এই কথাখিনি কওঁতে সময় গ'লেই। মোৰ আৰু যথেষ্টখিনি ক'বলগীয়া আছিল। মাত্ৰ এটা কথা ক'ব খুজিছো যে- মই এজন কৃষকৰ সন্তান। পথৰুঘাটৰ যি কৃষক শ্বহীদ হৈছিল, তেওঁলোকৰ যিজন গাওঁবুঢ়া-আঠিয়া কোঁচ, মই তেওঁৰ এজন নাতি।

মোৰ দেউতা খেতিয়ক আছিল। তেখেতৰ মৃত্যুৰ সময়ত চিকিৎসা কৰিবলৈ মোৰ হাতত ৩ হাজাৰ টকা নাছিল। মোৰ বৌজনীৰ দুটা কিড্‌নী ফেইল হৈ ২০ বছৰ আগত তেওঁ ইহ সংসাৰ ত্যাগ কৰিছিল। তেওঁ এগৰাকী ভাল ৰুৱনী আছিল। তেওঁক আমি বচাব নোৱাৰিলো। মোৰ বাৰে বাৰে মনত পৰিছে যদি মোডী ডাঙৰীয়াৰ কৃষক সন্মান নিধি বা শস্য বীমা আঁচনি বা আয়ুষ্মান ভাৰত পালেহেঁতেন, তেতিয়াহ'লে মোৰ সেই কৃষক দেউতা আৰু বৌ গৰাকীক মই হেৰুৱাবলগীয়া নহ'লহেঁতেন। কাৰণ মই নিজে কৈছিলো যে আমি অতি দৰিদ্ৰ পৰিয়ালৰ পৰা আহিছো, তোমালোকক ইমান পইচা দিব পৰা অৱস্থা মোৰ নাই। তোমালোক ওপৰলৈ যোৱা, আমি ওপৰত লগ হ'ম। এই ধৰণে বিদায় দিবলগীয়া হৈছিল মোৰ কৃষক দেউতাক আৰু বৌক। মই এইখিনি কথা এই কাৰণেই কৈছো যে আজিৰ দিনত আমি সেইধৰণৰ ঘটনা হ'বলৈ দিয়া নাই। সকলো কৃষকৰ কাৰণে আমি দিনে নিশাই খাটিছো। ৰাতি ১০-১১ বজালৈকে আমি কৃষকৰ লগতে থাকি কাম কৰি আছো। গোটেই ছিপাঝাৰ সমষ্টিটো কৃষকৰে। সেই কাৰণে ভুল বাৰ্তা নিদি আমাৰ মাননীয় সভাপতি ডাঙৰীয়াক এটা কথাই ক'ব খুজিছো যে মই ছিপাঝাৰ সমষ্টিৰ বিধায়ক হিচাপে বিৰোধী পক্ষক নিমন্ত্ৰণ দিছো। তেখেতসকল আহক। তেখেতসকলেই কওঁক কোন দিনা যাব আৰু মই তেওঁলোকক ভালকৈ সতীৰ্থ হিচাপে আতিথ্য দিম। আমাৰ গৰুখুঁটিৰ বহুমুখী কৃষি প্ৰকল্প সম্পৰ্কত তেওঁলোকৰ যি ভুল ধাৰণা, সেই ভুল ধাৰণা সমূহ নাইকিয়া কৰাৰ ক্ষেত্ৰত তেওঁলোকক সহযোগ কৰিম। ধন্যবাদ।

**মাননীয় সভাপতিঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য আব্দুল বাতিন খন্দকাৰ। আপোনাক দলে ৭ মিনিট সময় দিছে।

**শ্ৰী আব্দুল বতিন খন্দকাৰ (উত্তৰ অভয়াপুৰী)ঃ** সন্মানীয় সভাপতি ডাঙৰীয়া, মই আপুনি সভাপতি হোৱাৰ কাৰণে ভাল পাইছো কাৰণ আপুনি নিজেই DRSC on Development (B) Departments ৰ সভাপতি য'ত কৃষি বিষয়ত আলাপ-আলোচনা হয়। ইয়াত আমাৰ সন্মানীয় সদস্যসকলে কৃষি বিভাগৰ ওপৰত হোৱা আলোচনাত অংশগ্ৰহণ কৰি শিক্ষা, JJM, অৰুণোদয়, মিএগ্ৰা, অসমীয়া আদি কথাবিলাকৰ অৱতাৰণা কৰিলে। মই সেইবিলাক কথাত নাযাওঁ। মই বিশুদ্ধ কৃষকৰ কথাহে ক'ব বিচাৰিম। আমাৰ অসমৰ মাটিকালি ৭৮,৪৩৮ বৰ্গ কিঃমিঃ। ইয়াৰে ৯৮.৪% গাওঁ অঞ্চল আৰু গাঁৱৰ শতকৰা ৭০ জন মানুহ কৃষিৰ ওপৰত নিৰ্ভৰশীল। আমাৰ কৃষি কৰ্মত ২৯.৭৭ লাখ হেক্টৰ মাটি ব্যৱহৃত হয়। কিন্তু, দুৰ্ভাগ্যজনক কথা এটাই যে আমাৰ GSDP ত মাত্ৰ ২৩.০২%হে কৃষি ক্ষেত্ৰৰ পৰা আহে। তাৰ মানে শতকৰা ৭০ গৰাকী ব্যক্তিয়ে ২৩% হে GSDP লৈ অৰিহণা আগবঢ়াবলৈ সমৰ্থ হৈছে। ইয়াৰ পৰাই প্ৰতীয়মান হয় যে আমাৰ বহুত কৰণীয় আছে। কিন্তু কৰণীয় থকা সত্বেও আমি কিয় কৰ্তন প্ৰস্তাৱ আনিছো? আমি কৰ্তন প্ৰস্তাৱ এই কাৰণেই আনিছো যে বিগত সময়ত যিমানখিনি টকা দিয়া হৈছে তাৰ সৎ ব্যৱহাৰ হোৱা নাই। কিয় হোৱা নাই সেইটোৰে মই কৈ আছো। কৃষি বিভাগত যিকোনো আঁচনি ৰূপায়ণ কৰিবলৈ হ'লে cutting a score, মানে সৰ্বনিম্ন স্তৰত কৃষক আৰু আঁচনি ৰূপায়ণ কৰি বিভাগৰ মাজত কোনে সম্পৰ্ক স্থাপন কৰে- সেইটো হৈছে Village Level Extension Worker(VLEW). আগতে আমি তেওঁলোকক গ্ৰাম সেৱক বুলি কৈছিলো। মাননীয় সভাপতি মহোদয়, সেইদিনাখন আপুনি নিজে তাত উপস্থিত আছিল, আমি সুধিছিলো যে কিমানজন VLEW পদ বৰ্তমান আছে আৰু কিমানটা খালী পদ আছে? সকলো বৰমূৰীয়া আছিল, কিন্তু এজনেও কিমানটা পদ আছে এই কথাটো ক'ব নোৱাৰিলে। মাত্ৰ এটাই লামচাম উত্তৰ দিলে যে ৯০ শতাংশ

খালী। যি Village Level Extension Worker আঁচনি ৰূপায়ণ কৰাৰ কাৰণে ধ্বজাবাহক তাৰে ৯০ শতাংশই খালী। তেনেহ'লে কেনেকৈ এই বিভাগৰ আঁচনি ৰূপায়ণ হৈ আছে আপোনালোকে চিন্তা কৰিব পাৰে। ঠিক তেনেকৈ তেওঁলোকৰ ওপৰত Agriculture Development Officer(ADO) থাকে তাৰো ৬০০-৭০০ পদ খালী থকা বুলি আপোনাৰ সন্মুখত বিষয়াসকলে সাক্ষ্য দিলে। গতিকে এই বিভাগত যে আঁচনি ৰূপায়ণ হৈ থকা নাই, অকল মাত্র কাগজে কলমে চলি আছে, এই কথাটো সেইদিনাখন DRSC বৈঠকতে প্ৰতীয়মান হৈ গৈছে। গতিকে এই পদসমূহ যদি পূৰণ কৰা নহয়, তেনেহ'লে অকল আঁচনি লৈ আমাৰ কোনো লাভ নাই। একেবাৰে তৃণমূল পৰ্য্যায়ত এই আঁচনিৰ সুফল লাভ কৰিবলৈ গাৱঁৰ ৰাইজ সক্ষম নহয়। এইটো মই DRSC বৈঠকৰ তথ্য দিছো, আপুনি যিহেতু আমাৰ DRSC বৈঠকৰ অধ্যক্ষ আপোনাৰ সন্মুখতে মই কথাখিনি কৈ আছো।

এইবাৰ কোৱা হৈছে যে মিলেট আঁচনিৰ কথা। আলু উৎপাদন বৃদ্ধি কৰাৰ কথা কোৱা হৈছে, মাকৈ খেতি সম্প্ৰসাৰণৰ কথা কোৱা হৈছে। এতিয়া শুনক আলু উৎপাদনৰ যিখিনি সময়, আলু উৎপাদনৰ সময়ত আলুৰ মূল্য একেবাৰে নোহোৱা হৈ যায় আৰু এটা সময়ত একেবাৰে ৪০-৬০ টকা হৈ যায়। আমাৰ অসমত যিটো cold storage যিটো concept আছে, সেইটোৱে সফলতা লাভ কৰা নাই। তাৰমানে এই cold storage টো বৃহৎ আকাৰৰ হয়, বিজুলীৰ যথেষ্ট অসুবিধা থাকে বা খেতিয়কসকলৰ পৰা যথেষ্ট দূৰৈত থাকে। যাৰবাবে খেতিয়কসকলে cold storage লৈকে afford কৰিব নোৱাৰে বা বিজুলী সঠিকভাৱে যোগান নহয়। গতিকে উৰিষ্যা আৰু ছত্তিশগড়ত যেনেকৈ cold room ৰ যিটো system অনা হৈছে, তাক বৈপ্লৱিকভাৱে সমাজত বহুল প্ৰচাৰ কৰিলে আলু বা বিলাহীৰ যিটো কথা তাত আমি কৃষকসকলক উৎসাহ দিব পাৰিম। কিন্তু এই বিষয়ে এইবাৰ বাজেটত কোনো স্পষ্ট ইংগিত নাই।

মাকৈ খেতি বৃদ্ধ কৰাৰ বিষয়ে আমাৰ বাজেটত কোৱা হৈছে। নামনি অসমত কৃষকসকলে মাকৈ খেতিৰ ক্ষেত্ৰত ইতিমধ্যে বৈপ্লৱিক ৰূপ ধাৰণ কৰিছে। যথেষ্ট পৰিমাণে মাকৈ উৎপাদন হৈ আছে। মাকৈ Minimum Support Price(MSP) ৰ list ত সোমাইছে। কিন্তু এতিয়ালৈকে ক্ৰয় কৰাৰ কাৰণে কোনো ধৰণৰ ব্যৱস্থা কৰা হোৱা নাই। যদি আমি এই মাকৈ MSP ত ক্ৰয় কৰাৰ ব্যৱস্থা কৰিব পাৰো, মই দাঠি ক'ব পাৰো যে ভাৰতবৰ্ষৰ ভিতৰতে অসমখন এটা মাকৈ উৎপাদনৰ ক্ষেত্ৰত প্ৰথম ১০ খন ৰাজ্যৰ ভিতৰত স্থান পাবলৈ সক্ষম হ'ব। গতিকে এই ক্ষেত্ৰত চৰকাৰে বিবেচনা কৰা দৰকাৰ। MSP ৰ যিবিলাক সামগ্ৰী ক্ৰয় কৰাৰ কথা কোৱা হৈছে ধানৰ ক্ষেত্ৰত মাত্ৰ আমি ৫৯ শতাংশ সফল হৈছো। ২০২৩-২৪ ত ১০ লাখৰ মাজত ৫.৬৬ লাখ হৈছে ২০২২-২৩ ত ৫.৯৮ লাখ হৈছে। তাৰমানে আমি এতিয়াও টাৰ্গেটতকৈ কমেও ৪০ ৰ পৰা ৪৫ শতাংশ পিছুৱাই আছো। কি কাৰণত পিছুৱাই আছো তাৰ কাৰণসমূহ ফহিয়াই চাই বিভাগে ব্যৱস্থা ল'ব লাগে আৰু ইমানদিনে ব্যৱস্থা ল'বলৈ সমৰ্থ হোৱা নাই।

আন দুটা বস্তু হৈছে কলা দালি আৰু সৰিয়হ। এইখিনিও MSDP ত কিনাৰ এটা ব্যৱস্থা কৰা হৈছে। কিন্তু কিমানখিনি কিনিলে? মাত্ৰ ৩৩০০ মেট্ৰিকটনহে কিনা হৈছে। গতিকে নাম মাত্ৰ কিবা এটা কাম কৰা হোৱা বুলি কৈ আঁচনি এটা ৰূপায়ণ হোৱা বুলি কোৱাৰ যিটো credit সেইটো ঠিক নহয়।

**শ্ৰী ভবেন্দ্ৰ নাথ ভৰালী, (সভাপতি) ঃ** আপোনাৰ সময় শেষ হ'ল।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, (অভয়াপুৰী, উত্তৰ) ঃ** মাননীয় সভাপতি মহোদয়, মোক মোৰ পৰৱৰ্তী বক্তাজনে অলপ সময় দিছে। আকৌ আমাৰ ধান ক্ৰয়ৰ ক্ষেত্ৰত এটা কথা খুব স্পষ্টভাৱে আহি যায় যে আমাৰ moisture content খুব বেছি। ধানত ১৭ শতাংশলৈকে allow আৰু চাউলত ১৪ শতাংশলৈকে allow. কিন্তু আমি DRSC meeting ত recommendation দিওঁ যে dryer ৰ ব্যৱস্থা কৰিব লাগে, কিন্তু সেই recommendation, recommendation হৈয়ে থাকে, ৰূপায়ণ নহয়। গতিকে বাজেটত ধন দি কি লাভ? যদি কৃষকৰ লাভজনক পৰামৰ্শ আমি দি য়াৰ পাছতো সেই পৰামৰ্শ ৰূপায়ণ নহয়, তেনেহ'লে সেই বিভাগত টকা দি কি লাভ? Dryer ৰ ব্যৱস্থা এতিয়ালৈকে কৰা হোৱা নাই।

আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হৈছে Research and Development.২০২২-২৩ বৰ্ষত Agricultural University ত ২০ কোটি টকা বাজেটত দিয়া হৈছিল। তাৰে এটকাও ৰিলিজ কৰা হোৱা নাই Research and Development ৰ কাৰণে। গতিকে, আমি যদি Research and Development নকৰো তেনেহ'লে আমি কেনেদৰে কৃষি ক্ষেত্ৰখন আগুৱাই লৈ যাব পাৰিম? সময়োপযোগীভাৱে আগবাঢ়ি যাব খুজিলে Research and Development জৰুৰী। গতিকে Research and Development যদি পইচা release নহয়, এইটো আচৰিত কথা। গতিকে আমি কওঁতে এটা কওঁ আৰু কৰোতে আন এটা কৰো।

আন এটা কথা সঘনে দেখা যায়, ধানৰ ক্ষেত্ৰত শুৰ পোকে ধান খেতি নষ্ট কৰে।
--------interruption--

**শ্ৰী ভবেন্দ্ৰ নাথ ভৰালী, (সভাপতি) ঃ** আপোনাৰ ২ মিনিটতকৈ বেছি সময় হৈছে।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, (অভয়াপুৰী, উত্তৰ) ঃ** কিন্তু শুৰ পোকৰ পেষ্টি চাই এতিয়ালৈকে আমি ব্যৱহাৰ কৰা দেখা নাই। গতিকে মই এই কৰ্তন প্ৰস্তাৱৰ সমৰ্থন কৰিছো যাতে এই কৰ্তন প্ৰস্তাৱত অলপ হ'লেও টকা কমাই দি বিভাগক যাতে সতৰ্ক কৰি দিয়া হয়, যে ভালকৈ কাম নকৰিলে টকা কৰ্তন হ'ব। এইখিনি কৈয়ে মই মোৰ বক্তব্য সামৰিছো।

**শ্ৰী ভবেন্দ্ৰ নাথ ভৰালী, (সভাপতি) ঃ** Thank you. এতিয়া মাননীয় সদস্য শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী।

**শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী,(ওদালগুৰি) ঃ** মাননীয় সভাপতি মহোদয়, আজি কৃষি সম্পৰ্কীয় ২০২৪-২৫ ৰ যি দাবী মঞ্জুৰী সেয়া কৰ্তন কৰিবৰ কাৰণে আমাৰ বিৰোধী দলৰ পৰা যি প্ৰস্তাৱ আনিছে, তাৰ বিৰুদ্ধে মই কেইবাশাৰী কথা ক'ব বিচাৰিছো যে কৃষি আমাৰ অসমৰ এটা গুৰুত্বপূৰ্ণ বিষয়। কাৰণ অসমৰ প্ৰায় ৭০-৮০ শতাংশ মানুহ কৃষিৰ ওপৰতে নিৰ্ভৰ কৰি জীয়াই আছে। কৃষি খণ্ডই আটাইতকৈ বেছি সংখ্যক মানুহক বিনিয়োগ কৰে। যিহেতু আমি অসমৰ ৭০-৮০ শতাংশ মানুহে খেতিৰ লগত জড়িত থকা কাৰণে আমি আটাইবিলাকে কৃষিৰ ওপৰত নিৰ্ভৰ কৰি জীয়াই

আছো। সেইকাৰণে নিয়োজন অধিক সংখ্যক মানুহক দিয়ে আৰু এই খেতিৰ গুৰুত্ব সহকাৰে যদি ব্যৱস্থা নকৰো, ইয়াৰ যদি যত্ন নলওঁ, ইয়াৰ যদি উন্নতিৰ কাৰণে কাম নকৰো, ইয়াক কেনেকৈ আধুনিকীকৰণ কৰি ইয়াৰ ওপৰত নিৰ্ভৰ কৰি আমাৰ আৰ্থিক ভাবে সৰল কৰিবৰ কাৰণে চেষ্টা নকৰো, তেতিয়াহ'লে অসমৰ আৰ্থিক অৱস্থা যথেষ্ট বেয়াৰ পিনে ঢাল খাব। তাৰকাৰণে বৰ্তমান চৰকাৰে কৃষিখণ্ডক কেনেকৈ আগুৱাই নিব পাৰে তাৰকাৰণে বহুত ব্যৱস্থা লৈছে আৰু বিশেষকৈ বৰ্তমানৰ প্ৰধানমন্ত্ৰী মাননীয় নৰেন্দ্ৰ মোদী ডাঙৰীয়া আৰু অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক ধন্যবাদ দিছো, তেখেতক লৈ আমাৰ কৃষি খণ্ড কেনেকৈ আধুনিকীকৰণ আনিব পাৰি তাৰ কাৰণে যিখিনি ব্যৱস্থা লৈছে তাৰ কাৰণে। অসমৰ আমি বাকী সবে সুখী আৰু নিজকে ভাগ্যবান বুলি ভাৰিব লাগিব যে অসমৰ মাটিত প্ৰাকৃতিক ভাৱে খুব সাৰুৱা ভাৰতৰ অন্যান্য প্ৰদেশৰ নিচিনা কৃষি কৰিবলৈ যথেষ্ট কষ্ট কৰিব লগীয়া নহয়। ইয়াৰ প্ৰকৃতি খেতিৰ কাৰণে যথেষ্ট সুচল যিহেতু আমাৰ বৰষুণ যথেষ্ট হয়, ইয়াৰ জলবায়ু খেতিৰ কাৰণে যথেষ্ট উপযোগী আৰু লগতে ইয়াৰ অসমৰ মাটি যথেষ্ট উৰ্বৰা হয়, লগতে এই কথাখিনি আমি খেতিয়কৰ সন্তান হিচাপে কব লাগিব, যে অসমত যিকোনো খেতি অনায়াসে কৰিব পাৰো। আমি দেখিছো যে ভাৰতৰ অন্যান্য প্ৰদেশত কোনোবা এখন প্ৰদেশত মাত্ৰ বিশেষ এটা খেতিহে হয়। কিন্তু আমাৰ ইয়াত যিকোনো খেতি আমি কৰিব পাৰো, অসমৰ প্ৰধান খেতি হিচাপে চাহ আমি পাওঁ, তাৰ পিছত ধান খেতি, ঘেহু কিছু হয়, যিহেতুকে অসমৰ মানুহে সিমান আগ্ৰহ নকৰে কিন্তু আমি যদি আগ্ৰহেৰে কৰো তেতিয়া হলে নোহোৱা নহয় হোৱাৰ যথেষ্ট স্থল আছে। আমাৰ শাক-পাচলিৰ খেতি যথেষ্ট হয়, বিভিন্ন ফলমূলৰ খেতি হয় আৰু আটাইবোৰ খেতি ভালকৈ যত্নৰে যদি কৰো তেতিয়াহলে কোনো এটা খেতি নোহোৱাকৈ নাথাকে। তেনেকুৱা প্ৰাকৃতিক ভাৱে থকা এনেকুৱা প্ৰদেশৰ সন্তান হিচাপে নিজকে গৌৰৱ অনুভৱ কৰো। যিহেতু কৃষিৰ ওপৰত গাঁৱলীয়া সমাজ নিৰ্ভৰ কৰে, গাঁৱত বসবাস কৰা বহুতে কৃষিৰ ওপৰত নিৰ্ভৰ কৰি আৰ্থিক ভাৱে নিজকে পৰিচালনা কৰে নিজৰ পৰিয়াল চলাই আৰু খেতিত আধুনিকীকৰণ আনিবৰ বাবে এই চৰকাৰে যথেষ্ট কষ্ট কৰিছে। আজি কেইবা বছৰ আগতে আমাৰ খেতিয়ক সকলৰ অৱস্থা খুব বেয়া আছিল। খেতিৰ পৰা যি খিনি উৎপাদিত শস্য পাই যিখিনি আয় হয় তাৰ তুলনাত খেতি কৰোতে যিখিনি খৰচ সেইখিনি বেছি আছিল সেই কাৰণে বহুতে খেতি কৰিবলৈ এৰি দিছিল। আজিৰ পৰা ১০/১৫ বছৰ আগতে ধানৰ দাম খুব বেছি ৩০০/৪০০ টকা আছিল। কিন্তু বৰ্তমান চৰকাৰে চৰকাৰী ভাৱে ধান ক্ৰয় কৰাৰ যিটো ব্যৱস্থা ললে তাৰ ফলত অন্তত আমি খেতিয়ক সকলে এক মোন ধানৰ দাম ১০০০ টকা পাইছো আৰু সেয়ে আমাক আৰ্থিক ভাৱে যথেষ্ট সফল কৰিছে। এই কাৰণে ধন্যবাদ দিছো যে চৰকাৰে চৰকাৰী ভাৱে ধান ক্ৰয়ৰ যি ব্যৱস্থা ললে তাৰ কাৰণে আমি খেতিয়ক সকলক যথেষ্ট সকাহ দিব পাৰিছো। আমাৰ যোৱা বছৰ অৰ্থাৎ ২০২১-২২ বৰ্ষত ধান ক্ৰয় যিখিনি আমি পাইছিলো এইবাৰ অলপ কমিছে। কিন্তু হলেও আমি সুখী যে ধান procurement আমাৰ কম যদিও আমি খেতিয়ক সকলক উপযুক্ত দাম দিবলৈ পাৰিছো। নহ'লে এইখিনি ক্ৰয়ৰ ব্যৱস্থা চৰকাৰে নকৰা হলে মধ্যভোগী সকলে খেতিয়কক ক্ষতি আগতে কৰিছিল আৰু আচল খেতিয়কে ধানৰ উপযুক্ত মুল্য পোৱা নাছিল। অকল ধানে নহয়, কৃষিজাত বস্তুৰ তেওঁলোকে উপযুক্ত মূল্য পোৱা নাছিল। কিন্তু বৰ্তমান যিহেতু কষ্টকৰ খেতিয়কৰ যিখিনি উৎপাদন হয় সেই খিনি উপযুক্ত মূল্য পোৱাৰ কাৰণে আমাৰ অকল কৃষিৰ লগত জড়িত ব্যক্তি সকলেই নহয়, কিন্তু যি সকল শিক্ষিত যুৱক যুৱতী তেখেত সকলেও কৃষিৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰিছে আৰু তেওঁলোকে খেতিৰ যোগেদি নিজৰ জীৱিকা

চলাবলৈ আগবাঢ়ি আহিছে। সেয়েহে অসমৰ আৰ্থিক উন্নয়নৰ ক্ষেত্ৰত যথেষ্ট এটা ভাল বতৰা কঢ়িয়াই আনিছে। বৰ্তমান চৰকাৰে খেতিয়ক সকলৰ কাৰণে যথেষ্ট ব্যৱস্থা কৰিছে। যেনেকৈ আমাৰ বিভিন্ন আঁচনি আছে, প্ৰধান মন্ত্ৰী ফচল বীমা আঁচনি আছে। যাৰ ফলত খেতি বাতি নষ্ট হলে অন্তত আমি ইয়াত বীমাৰ জৰিয়তে ক্ষতিপূৰণ পাঁও, আমাৰ প্ৰধানমন্ত্ৰী কৃষি সন্মান নিধি আছে, খেতিয়ক সকলে উপযুক্ত খেতিয়ক ভালতকৈ ভাল খেতি কৰা সকলক পুৰস্কাৰ বা বটা দিয়াৰ যি ব্যৱস্থা কৰিছে সেইখিনিয়ে আমাৰ কৃষকক যথেষ্ট আগ্ৰহী কৰি তুলিছে। তেওঁলোকক অনুপ্ৰেৰণা যোগাইছে খেতিৰ প্ৰতি আগবাঢ়ি আহিবৰ কাৰণে। আমি গৌৰৱ অনুভৱ কৰিছো অসমৰ কেইবাজনো সন্তানে ভালকৈ খেতি কৰাৰ কাৰণে অসম গৌৰৱ সন্মান লাভ কৰিবলৈ সক্ষম হৈছে। তেওঁলোকে অন্তত আমাৰ নৱপ্ৰজন্মক কৃষি কাৰ্যৰ প্ৰতি আগ্ৰহী কৰিবলৈ বহুখিনি অনুপ্ৰেৰণা যোগাইছে। অসমত আমি প্ৰধানকৈ চাহ আৰু ধান খেতিকে প্ৰধান বুলি ভাৱিছিলো আৰু বহু বছৰলৈকে আমি এই দুটা খেতিকে প্ৰাধান্য দি কৰিছিলো। কিন্তু বৰ্তমান চৰকাৰী ভাৱে বিভিন্ন সা-সুবিধা দিয়াৰ কাৰণে আমাৰ নৱপ্ৰজন্মই বিভিন্ন ধৰণৰ খেতি কৰিবলৈ আগবাঢ়িছে। আমাৰ মাকৈ খেতি যোৱা প্ৰায় ১০/১৫ বছৰ ধৰি বিভিন্ন খেতিয়ক সকলে মাকৈ খেতি কৰিবলৈ আগ্ৰহী হৈছে আৰু বিশেষকৈ মধ্য অসম আৰু নামনি অসমত ইয়াৰ প্ৰচুৰ উৎপাদন হোৱা দেখা পাইছো। যিহেতু ইয়াৰ ওপৰত নিৰ্ভৰ কৰি বিভিন্ন উদ্যোগ স্থাপন হোৱা দেখা পাইছো। বিশেষকৈ আমাৰ মাকৈৰযিখিনি গছ গছনি তাৰ পৰা ফদ্দাৰ উৎপাদন কৰা হয় গৰুৰ দানা ইত্যাদি উৎপাদন কৰা হয় তাৰ কাৰণে উদ্যোগ গঢ়ি উঠিছে। তাৰ পিছত সেই কাৰণে কোনো এটা বস্তু পেলনি নাযায় ইয়াৰ ওপৰত ভিত্তি কৰি এই খেতিৰ যথেষ্ট আগবাঢ়ি আহিছে আৰু আমাৰ খেতিয়ক সকলে ইয়াৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰিছে। আমি মাত্ৰ ইয়াতে অনুৰোধ কৰিব বিচাৰো চৰকাৰক যে বৰ্তমান যিখিনি ব্যৱস্থাৰে আমাৰ খেতিয়ক সকলক সহায় কৰিছে তাতকৈ অধিক সহায়ৰ আমাৰ প্ৰয়োজন আছিল। আমি কৈছো যে গাওঁ প্ৰৰ্য্যায়ত যি Farm National Bank আৰন্টন কৰিছে এই বেংক গোটেই অসমত বিয়পাই পৰক এইটো যাতে হয় কাৰণ ইয়াৰ ওপৰত নিৰ্ভৰ কৰি আমাৰ খেতিয়ক সকলে যথেষ্ট খেতিত আগবাঢ়ি আহিব পাৰিব। কিয়নো বৰ্তমান কোনেও গৰুৰে হাল ববলৈ ইচ্ছা নকৰে। যন্ত্ৰপাতি ব্যৱহাৰ কৰি খুৱ কম সময়ৰ ভিতৰত কৃষি কাৰ্য ৰ কাম সমধান কৰিব পৰাকৈ ব্যৱস্থা বিচাৰে। তাৰ কাৰণে আমি আমাৰ নতুন প্ৰজন্মক কৃষিৰ প্ৰতি আগ্ৰহী কৰিব লাগিলে মেচিনৰ সহায়ত খেতি কৰাৰ ব্যৱস্থা খিনি দিব লাগিব। তাৰ কাৰণে বৰ্তমানৰ চৰকাৰক ধন্যবাদ দিছো যে এই কথা চিন্তা কৰি আমাৰ নৱপ্ৰজন্মক কৃষিৰ প্ৰতি আগ্ৰহী কৰিবৰ কাৰণে যি Farm National Bank গঠন কৰি কৃষক সকলক সহায় কৰিব লৈছে। ইয়াৰ সংখ্যা অধিক কৰিব লাগে। প্ৰতিখন গাঁৱতে এই Farm National Bank স্থাপন কৰিব লাগে। আমি বি টি আৰ অঞ্চলত আজি তিনি বছৰ মান আগৰ পৰাই Farm National Bank আৰম্ভ কৰিছিলো। বিশেষকৈ প্ৰতিটো সমষ্টিত আমি Farm National Bank আৰম্ভ কৰিছো। যোৱা তিনিটা বছৰে ইয়াৰ সহায়ত খেতিয়ক সকলক সহায় কৰি আহিছো। আমাৰ এটা প্ৰচেষ্টা আছে যে প্ৰতিটো পঞ্চায়ত এলেকাত একো একোটা Farm National Bank হ'ব। যাতে খেতিয়ক সকলক আমি এই ব্যৱস্থাৰ জৰিয়তে সহায় কৰিব পাৰো আৰু আগবঢ়াব পাৰো। আমি আশা কৰিছো অন্ততঃ আৰু কেইবা বছৰৰ ভিতৰত আমি কাম গোটেই এলেকাত আৰম্ভ কৰিব পাৰিম। বৰ্তমান আমাৰ খেতিয়ক সকলক যিখিনি টেক্টৰ আদি দিয়াৰ ব্যৱস্থা আছিল যোৱা দুটা বছৰ অলপ কমি যোৱা অনুভৱ কৰিছো। কিন্তু আমাৰ অধিক প্ৰয়োজন আছে, সেইকাৰণে আপোনাৰ জৰিয়তে বিভাগক অনুৰোধ কৰিব বিচাৰিছো খেতিয়ক সকলক যি ট্ৰেক্টৰ ,

পাৰাৰটিলা বিতৰনৰ ব্যৱস্থা আছিল সেই ব্যৱস্থাটো ৰাখিব লাগে আৰু অধিক সংখ্যক দিয়াৰ ব্যৱস্থা কৰিব লাগে এইখিনি মই তেখেতক সভাপতি মহোদয়ৰ জৰিয়তে বিভাগক অনুৰোধ কৰিব বিচাৰিছো। আমি যিমান পাৰো এটা বা দুটা খেতিৰ ওপৰত নিৰ্ভৰ কৰিব নালাগে। যিহেতু অসম সাৰুৱা, ইয়াতে যিকোনো খেতি উৎপাদন হয়, আৰু বৰ্তমান চৰকাৰে বিশেষকৈ one district one product যি ব্যৱস্থাৰে কৃষি কাৰ্য্যত নতুনত্ব আনিব খুজিছে, সেই ব্যৱস্থাখিনি বাহাল ৰাখিব লাগে। অধিক গুৰুত্ব সহকাৰে আমাৰ খেতিয়ক সকলক one product one district আঁচনিৰে আমাৰ খেতিয়ক সকলক উৎসাহ যোগাব লাগে, যাতে আমি প্ৰত্যেক জিলাতে নিজৰ যি বস্তু বেছিকৈ উৎপাদন হয়, ইয়াৰ ওপৰত লক্ষ্য কৰি আমাৰ খেতিয়ক সকল যাতে উপকৃত হ'ব পাৰে তাৰ ওপৰত গুৰুত্ব দিয়ে। আমি ২-৩ টা বছৰে উপলব্ধি কৰি আহিছো, অসমত বিশেষকৈ চাহৰ যি খেতি , তাৰ যিটো উদ্যোগ বিশ্বৰ বজাৰত কিছু কমি আহিছে, ইয়াৰ হয়তো কেইবাটাও কাৰণ থাকিব পাৰে। কিন্তু তাৰে এটা কাৰণ হিচাবে আমি বহু সময়ত চৰ্চ্চিত হোৱা শুনিবলৈ পাঁও। যে ৰাসায়নিক দ্ৰব্য অধিক ব্যৱহাৰ কৰাৰ কাৰণে ভাৰতৰ চাহ বাহিৰত চাহিদা কমিছে। এই ক্ষেত্ৰত আমাৰ বিভাগে বিশেষকৈ এই ক্ষেত্ৰত কেনেকৈ ৰাসায়নিক সাৰ আৰু ৰাসায়নিক দ্ৰব্য ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত কেনেকৈ নিয়ন্ত্ৰনত আনিব পাৰি এই কথাখিনি চিন্তা চৰ্চ্চা কৰি কাম কৰে তেতিয়া হ'লে অসমৰ চাহ উদ্যোগৰ আকৌ ইয়াৰ চাহিদা বিশ্বত বাঢ়িব। আজি বিৰোধী দলে অনা যি কৰ্তন প্ৰস্তাৱক বিৰোধিতা কৰি মই এইখিনি বক্তব্য ৰাখিছো, ধন্যবাদ।

**মাননীয় সভাপতি ঃ** ধন্যবাদ এতিয়া মাননীয় সদস্য চিৰাজ উদ্দিন আজমল। দলে ৬ মিনিট সময় দিছে।

**শ্ৰী আমিনুল ইছলাম,(কনিষ্ঠ, মানকাছৰ) ঃ** মাননীয় সভাপতি মহোদয়, আজি যে আমাৰ ৪৮ নং গ্ৰাউণ্ডত যিটো কাটমোশ্যন আনিছে। এই কাটমোশ্যনৰ সপক্ষে দুআষাৰ ক'বৰ কাৰণে সুযোগ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। আমি আজি দেখিছো যে কৃষি ক্ষেত্ৰত গোটেই ভাৰতবৰ্ষ তোলপাৰ, গোটেই ভাৰতবৰ্ষত আন্দোলন চলি আছে। এই আন্দেলন কৃষকৰ বিৰুদ্ধে কেন্দ্ৰীয় চৰকাৰে লোৱা কিছুমান তিনিটা আইন, বিশেষকৈ Farmers Produce Trade and Commerce(Promotion and Facilitation) Act, 2020, The Farmers (Empowerment and Protection) Agreement on Price Assurance and Farm Sevices Act, 2020 and the Essential Commodities Act, 2020 এই তিনিটা এক্টৰ বিৰুদ্ধে গোটেই ভাৰতবৰ্ষত বিশেষকৈ পাঞ্জাৱ, হাৰিয়ানা, উত্তৰ প্ৰদেশ এই ৰাজ্যবিলাকত ব্যাপক হাৰত দিল্লী চলো যাত্ৰা চলি আছে। এই দিল্লী চলো যাত্ৰা আৰু কৃষকৰ অধিকাৰৰ কাৰণে কৃষকৰ সুৰক্ষাৰ কাৰণে দেশৰ চৰকাৰৰ কৃষক বিৰোধী নীতিৰ বিৰুদ্ধে এই আন্দোলন চলি আছে। আমি যদি চাওঁ যে basic কথাবিলাক তাত কি কি আছে,? MSP ৰ কথাটো আজি যিটো MSPৰ system কৰিব বিচাৰিছে, এই system ৰ বিৰুদ্ধে তেখেত সকলৰ যি আপত্তি, বা গোটেই ভাৰতবৰ্ষৰ আনকি আমাৰ অসমটো কেৱল ধানৰ ওপৰত দিছে, আৰু সৰিয়হৰ ওপৰত দিয়াৰ কথা চলি আছে MSPৰ ব্যৱস্থাটো। কিন্তু গোটেই কৃষিখিনি প্ৰডাক্ট, এইখিনিৰ ওপৰত কিয় MSP টো লগাব নোৱাৰি, তাৰ এটা স্পষ্ট কাৰণ ইয়াত আছে। আমি এই ক্ষেত্ৰত দেখিছো যে কৃষক সকলৰ যিটো ধান, ডাঙৰ ডাঙৰ কোম্পানী বিলাকৰ, ডাঙৰ ডাঙৰ শিল্পপতি বিলাকৰ ঋণ বিলাক মাফ হৈ আছে। কৃষক বিলাকৰ ঋণৰ ক্ষেত্ৰত কোনো ধৰণৰ তেনেকুৱা ব্যৱস্থা আমি দেখা পোৱা নাই। ডাঙৰ ডাঙৰ শিল্পপতি বিলাকৰ ঋণবিলাক মাফ হৈ আছে। কৃষক বিলাকৰ

ঋণৰ ক্ষেত্ৰত তেনেকুৱা ধৰণৰ কোনো ঋণৰ ব্যৱস্থা আমি দেখা পোৱা নাই যে ডাঙৰ ডাঙৰ কৃষকৰ ঋণৰ মাফ কৰি থকা হৈছে বুলি আমি দেখা পোৱা নাই। এইটো এটা গুৰুত্বপূৰ্ণ বিষয়, এই ক্ষেত্ৰতটো আমি দেখিছো যে আজিকালি কৃষক আন্দোলন সেইটোৰ ওপৰত চলি আছে। আমি আৰু লক্ষ্য কৰিছো যে যি কেইটা বিষয় কৃষক সকলৰ পেঞ্চন আৰু Farm House বিলাকৰ শ্ৰমিক সকলৰ পেঞ্চন সেইটো গুৰুত্বপুৰ্ণ বিষয় তেওঁলোকৰ পেঞ্চনৰ ব্যৱস্থা কৰিব লাগে। কৃষক সকলৰ আৰু corporate Sector বা Trader বিলাকৰ মাজত যদি Dispute হয়, সেই Dispute টো কোনে solve কৰিব? SDM য়ে solve কৰিব, আজিকালি নতুনকৈ SDMক দিয়া হৈছে, Judiciary ৰ পৰা আঁতৰাই লোৱা হৈছে। তাত যদি কিবা criminal activities হয়, তেতিয়া Judiciary য়ে এইটো handle কৰিব নোৱাৰে, Judiciary ৰ পৰা আতৰাই SDM লৈ কৰিছে। মুঠৰ ওপৰত বহুজাতিক যিবিলাক গোষ্ঠী যিবিলাক Industrialist বা যি সকল শিল্পপতি, তেখেতসকলৰ favour ত যাব পৰাকৈ এটা ব্যৱস্থা কৰি দিয়া হৈছে। এই গোটেই ক্ষেত্ৰখনত আমি দেখিছো যে ড° এম এচ স্বামীনাথন কমিশ্যনে যিটো report দিছিল ১২ টা পইন্ট যুক্ত, সেই পইন্টখিনি মানি নোলোৱাৰ কাৰণে সমগ্ৰ দেশত আজি কৃষি আন্দোলন চলি আছে। এই বিষয়ে কেৰল অসমতে নহয়, গোটেই ভাৰতবৰ্ষৰ কৃষক সকলক এইটোৱে প্ৰভাবান্বিত কৰিব এই কথাটো স্পষ্ট। অসমত আমি ইতিমধ্যে বহু কথা আলোচনা হৈছে, তথাপিও কিছু কথা আমি ইয়াত সংযোজন কৰিব বিচাৰিছো। আমি লক্ষ্য কৰিছো প্ৰায় ৭০ শতাংশ ৭৫ শতাংশ, ৬৯ শতাংশ মানুহ আমাৰ কৃষিৰ লগত জড়িত। যিখিনি আমাৰ State GDP ৰ share তাত আমাৰ 25% to 35% আমাৰ এইটো কৃষিৰ share. এতিয়া আমাৰ কথাটো হৈছে, 70% মানুহে 25% share দি আছে আমাৰ State GDPৰ ক্ষেত্ৰত। কথাটো হ'ল ইয়াত সমস্যাটো ক'ত কিহৰ কাৰণে এইটো হৈ আছে? হয়, আমি কিছু কথা আলোচনা কৰিম। কিন্তু ইয়াৰ কাৰণটো কি? কাৰণ বিলাক আমি যদি চাব যাঁও, ইয়াত যিটো proper planing ৰ প্ৰয়োজন কৃষিৰ ক্ষেত্ৰত। আমাৰ যিহেতু কৃষিপ্ৰধান ৰাজ্য, আমি প্ৰায় 90% মানুহ যিহেতু কৃষিৰ লগত জড়িত, ইয়াত আমি proper plan কৰিব পৰা নাই নেকি? যিটো পদ্ধতিত হ'ব লাগিছিল, সেই পদ্ধতিত আমি কৰিব পৰা নাই নেকি? ইয়াত কি কি challenges আছে? সেই challenges যদি আমি চাব যাওঁ যথেষ্টখিনি challenges আছে। আমি লক্ষ্য কৰিলে দেখা পাঁও যে আমাৰ ব্ৰহ্মপুত্ৰ, বৰাক দুখন নদী উপত্যকা আৰু আমাৰ পাহাৰীয়া অঞ্চল ডিমাহাচাও আৰু পাৰ্বত্যঅঞ্চল আমাৰ যিটো আছে, তাত প্ৰতি বছৰে ব্ৰহ্মপুত্ৰ বৰাকে যথেষ্টখিনি মাটি সাৰুৱা কৰি থৈ যায়। অৰ্থাৎ বানপানীয়ে সাৰুৱা কৰি থৈ যায়। কিন্তু এই ক্ষেত্ৰত যদি লক্ষ্য কৰা যায়, ৭২ শতাংশ মুঠ মাটিকালি ব্ৰহ্মপুত্ৰই দখল কৰি আছে, আৰু ৮৫ শতাংশ জনসংখ্যাই ইয়াৰ ওপৰত based কৰি আছে। গোটেই ৰাজ্যৰ ৯শতাংশ মাটি বৰাকত আছে, আৰু ১২ শতাংশ মানুহ ইয়াৰ ওপৰত নিৰ্ভৰ কৰি আছে। এতিয়া এইখিনিতে আমি দেখা পাঁও যে আমাৰ কাৰ্বিআংলঙৰ বা ডিমাহাচাও জিলাত ১৯ শতাংশ মাটিৰ মুঠ জনসংখ্যা ৩.৯৭ শতাংশ মাটি আমাৰ River eroted area ব্ৰহ্মপুত্ৰ আৰু বৰাকৰ গড়াখহনীয়া অঞ্চল। এই গড়াখহনীয়াত কেৰল মানুহৰ শস্যই নাযায়. মানুহৰ জীৱন যায়, মানুহৰ আশা বিলাক যায়, মানুহৰ আশা-ভৰসা সকলো ইয়াত উটি যায়। আমাৰ যি প্ৰকৃতিৰ ওপৰত ভৰসা কৰা, যি আমি সাৰৰ ক্ষেত্ৰত প্ৰকৃতিৰ ওপৰত ভৰসা কৰো, কৃত্ৰিম ভাবে যথেষ্টখিনি কৰো, কিন্তু প্ৰকৃতিৰ ওপৰত বহুখিনি ভৰসা কৰিবলগীয়া হয়। এই গোটেই বিলাকৰ কাৰণে যিটো Agriculture based হ'ব লাগিছিল, আমি যদি লক্ষ্য কৰো, বিভিন্ন

ৰিচাৰ্চৰ কথা বিলাকত আহে যে অসমৰ ৯৮ শতাংশ মানুহেই কৃষি কৰিব নিবিচাৰে। তাৰ কিছু কাৰণ আছে। সেইকাৰণ বিলাক ফঁহিয়াই চাই তাৰ পৰা উদ্ধাৰ পোৱাৰ কি ৰাস্তা আছে চাব লাগিব। আজি কিছুমান অঞ্চলত বছৰত তিনিটাকৈ খেতি কৰি থকা হৈছে, কিছুমান অঞ্চলত বছৰত এবিধ খেতি কৰি গোটেই বছৰটো মাটি বিলাক পেলাই থোৱা হৈছে। তাৰ কাৰণে উপযুক্ত ভাৱে plan কৰা হৈছে নে? একেই অঞ্চলৰ কিছু অঞ্চলত বছৰত তিনিটা খেতি কৰে। য'ত বছৰত এটা খেতি কৰে, সেই এবিধ খেতি কৰা মানুহ বিলাকক আমি কৃষিক যাতে কেৰিয়াৰ বা প্ৰফেচন হিচাপত লয় আৰু তাৰ কাৰণে যিবিলাক ঠাইৰ মানুহ বিলাকে তিনিটা বছৰত তিনি বাৰ খেতি কৰে সেই মানুহ বিলাকক দি তাত আমি খেতি কৰাব পাৰো নে? তাৰ বাবে আজিলৈকে কিবা প্লেনিং কৰা হৈছে নে? কৃষিয়ে যদি ২৫ শতাংশ state GDP ৰ চেয়াৰ দিয়ে আৰু remaining part যিখিনি খেতি নহয় বা খেতি কৰা নহয়, প্ৰফেচনেলী লোৱা নহয়, সেইখিনি মানুহ যদি আনি দিয়া হয় তেতিয়াহ'লে মোৰ বোধেৰে যথেষ্টখিনি লাভবান হ'ব আৰু অসমত ৬০ শতাংশ state GDP ৰ চেয়াৰ বাঢ়িব বা ইনকাম বাঢ়িব আৰু economically sustainable হৈ যাব। ইউ পি, ৰাজস্থান বা পঞ্জাৱৰ নিচিনাকৈ আমাৰ ডাঙৰ চেক্টৰ খুব কম। Accept tea garden area. চাহ বাগান এলেকাৰ বাহিৰে আমাৰ ৮০ শতাংশ খেতিয়কৰ ২ বা ১ হেক্টৰতকৈ মাটি কম। সেই খেতিয়ক বিলাকে large scale ত খেতি কৰিব নোৱাৰে। বিলাসীপাৰা, গৌৰীপুৰৰ ফালে আমি যদি চাওঁ পথাৰ সৰিয়হৰ খেতিয়েদি হালধীয়া হৈ আছে। কিছুমান ইমান সৰু সৰু পথাৰ য'ত ট্ৰেক্টৰ, পাৱাৰ টিলাৰ ঘূৰাব নোৱাৰি, সেইখিনিৰ কাৰণে গোটেই পথাৰখনৰ মালিক বিলাকৰ লগত আলোচনা কৰি এটা সিদ্ধান্ত লৈ,সৰু সৰু পথাৰ আমি চিলেকশ্যন কৰি, একেলগে আনি খেতিৰ ব্যৱস্থা কৰিব লাগে। আমি ইতিমধ্যে গম পালো যে ৯০ শতাংশ গ্ৰাম সেৱকৰ পদ খালী হৈ আছে। ADO post বিলাক খালী, ৰিচৰ্চ পাৰশ্যনৰ অভাৱ। আজি যি কৃষি বিশ্ব বিদ্যালয় বিলাক আছে, বিভিন্ন কৃষি বিজ্ঞান কেন্দ্ৰ বিলাক আছে, য'ৰ পৰা মাটি test কৰি কোনখিনি মাটিত কোন বিধ খেতি হ'ব তাৰ প্ৰপাৰ ষ্টাডী আজিলৈকে অসমত নহ'ল। এইটো এটা মাৰত্মক ভয়ানক কথা। Quality seeds আৰু সময়ত seeds বিলাক দিয়াৰ ব্যৱস্থা কৰিব লাগে। এইক্ষেত্ৰতো যথেষ্ট সমস্যা আছে, আগতে আমি কৈছো। আমাৰ প্ৰাকৃতিক দূৰ্যোগ সমূহ আছেই। আমি মাত্ৰ ৫.৫ শতাংশ মাটিতহে জলসিঞ্চণৰ ব্যৱস্থা কৰা হয়। Nationally এইটো ২২ শতাংশ। বাকী আমি বৰষুণৰ ওপৰত নিৰ্ভৰশীল। জলসিঞ্চণৰ ক্ষেত্ৰত আমি অতি মাৰাত্মক ভাৱে পিছপৰি আছো। ইয়াৰ ব্যৱস্থা নিশ্চয় হ'ব লাগে। মেকানিজমৰ ক্ষেত্ৰত যথেষ্ট ভাৱে আমি দূৰ্বল হৈ আছো। আজি আমি দেখিছো ২০০ খন পাৱাৰ টিলাৰ, ৭০ খন ট্ৰেক্টৰ, ২০০০ ট্ৰেচাৰ, ২০০ reaper, ১০ paddy thresher এইখনি গোটেই অসমৰ কাৰণে অহা বাজেটত প্ৰস্তাৱ ৰখা হৈছে। গোটেই অসমৰ কৃষকৰ কাৰণে, ৭০ শতাংশ মানুহৰ কাৰণে মাত্ৰ ৭০ খন ট্ৰেক্টৰ ধাৰ্য্য কৰা হৈছে। ২০০০ খন পাৱাৰ টিলাৰ দিয়া হৈছে। কিমানখিনি ক'ভাৰ কৰিব আৰু ইয়াৰ বাবে ১০.৯৩ কোটি আৰু ৮.৪ কোটি টকা ধৰা হৈছে।

**মাননীয় সভাপতি ঃ** আপোনাৰ সময় শেষ হৈছে। গতিকে চমু কৰক।

**শ্ৰী আমিনুল ইছলাম (কণিষ্ঠ) ঃ** আজি শাক-পাচলি যেনে- ফুলকবি, বন্ধাকবি আদি আমাৰ মানকাছাৰ, দলগাওঁ, খাৰুপেটীয়া বা বৰপেটা ৰোডত যদি যায় তাত ৪-৫ টকা কিলো। আমি গুৱাহাটীত ৪০ টকাত খাব লগীয়া হৈছে। আমাৰ বজাৰৰ ওপৰত কোনো ধৰণৰ নিয়ন্ত্ৰণ নাই। মধ্যভোগী ইমান হৈছে। য'ত গাড়ী আহে তাতে পুলিচে ধৰিব আৰু টকা দিব লাগিব। কৃষকৰ

প্ৰডাক্ট গুৱাহাটীত আহিবৰ কাৰণে বা বেলেগ ৰাজ্যত যাবৰ কাৰণে যিটো ব্যৱস্থা তাত মধ্যভোগীয়ে ৩০ টকা খাইছে কিন্তু খেতিয়কে গোটেই বছৰ কষ্ট কৰি ৫ টকা পাইছে। আজি সকলো শাক-পাচলিৰ ক্ষেত্ৰতেই এইটো হৈ আছে। আমাৰ ক'বলৈ লাজ লাগে যে ছয়মাইলৰ ব্ৰীজৰ শাক-পাচলিৰ বজাৰ আঁতৰাই দিয়া হ'ল। শাক-পাচলিৰ নামত বৰবিহ খুৱাই থকা হৈছে। এইক্ষেত্ৰত বিভাগে কি ভূমিকা গ্ৰহণ কৰি আছে। বিভাগে এইক্ষেত্ৰত কিয় কাণষাৰ নিদিয়ে। খেতি সমূহত পৰ্য্যাপ্ত পৰিমাণৰ কি সাৰ দিলে,প্ৰেচটিচাইড দিলে নে ফাৰটিলাইজাৰ কিমান পৰিমাণৰ দিলে এইবোৰ চোৱাৰ দায়িত্ব সাধাৰণ জনসাধাৰণৰ নেকি? নে টি ভি ত কৈ থৈ গ'লেই সকলো দায়িত্ব শেষ হয়, নে টি ভিত বিষয়টো আলোচনা কৰিলেই হয় নেকি? এইটো চৰকাৰৰ এটা ভুল নীতি আৰু এই নীতিটো প্ৰত্যাহাৰ কৰিব লাগে। আজি মিলেটক কথা কোৱা হৈছে আৰু মিলেটক এটা মিশ্যন হিচাপে লোৱা হৈছে। মোৰ সমষ্টিত হাজাৰ হাজাৰ মিলেট হয়। কাৰণ সেইবোৰ চৰ অঞ্চল। আজি চৰৰ মানুহে গম পাইছেনে যে মিলেটক যে মিশ্যন হিচাপে লোৱা হৈছে? অলপ আগতে কৈছে যে মাকৈ উৎপাদনৰ ক্ষেত্ৰত ভাৰতৰ ৫ খন ৰাজ্যৰ ভিতৰত অসম এখন। চৰ অঞ্চলৰ মাটিত মাকৈ হয় আৰু এতিয়া বুঢ়া চাপৰিত ফৰেষ্ট বনাই দিয়া হৈছে। চৰ অঞ্চলৰ মানুহক উচ্ছেদ কৰি থকা হৈছে। চৰ অঞ্চলৰ মানুহক উৎসাহিত কৰাৰ কাৰণে কি কৰি থকা হৈছে? এতিয়া কৃষি খণ্ডত ৩৬ টা আঁচনি চলি আছে। কৃষিৰ বিষয়া সকলেও নাজানে যে আঁচনি বোৰৰ নাম কি? মই বুকুত হাত দি ক'ব পাৰিম যে কৃষি বিভাগৰ বৰমূৰীয়া সকলেও নাজানিব যে এতিয়া কোনটো কোনটো আঁচনি চলি আছে আৰু কোনটো আঁচনিত কিমান টকা ধাৰ্য্য কৰা হৈছে। PM Kisan, PM Fasal, Fasal Bima ইত্যাদি আঁচনিবোৰ চলি আছে। কিন্তু এই আঁচনিবোৰ কৃষক সকলে ভালদৰে পোৱা নাই। এই আঁচনিবোৰত যেনেদৰে টকাবোৰ ধৰা হৈছে সেইবোৰ ভালদৰে কাৰ্য্যকৰী হোৱা নাই। চৰ অঞ্চলত অৰ্কিড গছৰ পুলি দিয়া থকা হৈছে। য'ত যিটো আঁচনি প্ৰয়োজ্য হয় তাত সেই আঁচনি সমূহ দিব লাগে। আমাৰ পাহাৰ অঞ্চলত বাদাম দিয়া হয়। কিন্তু পাহাৰত বাদাম হয় নেকি? বাদাম চৰ অঞ্চলতহে হয়। গতিকে কৃষি খণ্ডত এটা প্ৰপাৰ প্লেনিঙৰ প্ৰয়োজন। কিয়নো কৃষক সকল আমাৰ অৰ্থনীতিৰ মেৰুদণ্ড আৰু অসমৰ ৭০ শতাংশ মানুহ কৃষি খণ্ডৰ লগত জড়িত। আমি উঠি অহা যুৱক-যুৱতী সকলক কৃষি খণ্ডৰ প্ৰতি আকৰ্ষিত কৰি তুলিব পৰা নাই। বৰ্তমানৰ যুৱক-যুৱতী সকলে যাতে এই কৃষি ব্যৱস্থাটো ব্যৱসায় হিচাপে লয় তাৰ বাবে কি ব্যৱস্থা লোৱা হৈছে। তেখেত সকলৰ বেকিং চাপোৰ্টৰ কাৰণে কি ব্যৱস্থা লোৱা হৈছে আৰু তেখেত সকলক লোন দি তাৰ চাবচিডি দিয়াৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছে। আমাৰ এই কৃষি খণ্ডত কৃষক সকল উপকৃত হ'ব পৰা বিভিন্ন আঁচনি আছে যদিও তেওঁলোক উপকৃত হ'ব পৰা নাই। সেইকাৰণে আমি যি কৰ্তন প্ৰস্তাৱ আনিছো ইয়াৰ পৰা কৰ্তন কৰি যিখিনি টকা থাকিব সেইখিনি টকাৰে যাতে ভালদৰে ৰূপায়ণ কৰক আৰু ভাল প্লেনিং কৰক আৰু কৃষক সকলক যাতে জগাই তুলিব পাৰি আৰু দেশখনকো বচাব পাৰি। ধন্যবাদ।

**সভাপতি ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী দুৰ্গা দাস বড়ো। আপোনাৰ সময় ১০ মিনিট।

**শ্ৰী দুৰ্গা দাস বড়ো, (কলাইগাওঁ) ঃ** মাননীয় সভাপতি মহোদয়, মই কৰ্তনৰ বিপৰীতে বক্তব্য ৰখাৰ সময়ত খুৱ উদ্বিগ্নতা প্ৰকাশ কৰিছো এটা বিষয়ত, সেইটো হৈছে পৰ্য্যাপ্ত পৰিমানে অসমত কৃষি ভূমি কমি আহিছে। আজি দিনক দিনে Industrial area বা অন্যান্য কামত কৃষি ভূমি ব্যৱহাৰ কৰা হৈছে। তাৰ ফলত নিজে নিজে কৃষি ভূমি কমি আহিলে খেতিৰ উৎপাদন কম হ'বই। কৃষি ভূমি অন্যলৈ বদলি কৰাৰ আগতে এশ বাৰ এই কথাটো কৃষি বিভাগৰ মন্ত্ৰী ডাঙৰীয়া যিহেতু তেখেতে এজন কেবিনেট মন্ত্ৰী, কেবিনেটত এই বিষয়টো গভীৰভাৱে আলোচনা কৰা উচিত যে

কৃষি ভূমি কিমানলৈ কমাব।

দ্বিতীয় কথাটো হৈছে, আমাৰ খেতিৰ যিকেইটা ভাগ, ধান খেতি, মাকৈ, চাহ খেতি, ৰবি শস্য আৰু অন্যান্য যিখিনি ফলমূলৰ খেতি Horticulture বুলি আছে, বিভিন্ন খেতি আছে। বিশেষকৈ Horticulture ত খেতিয়কসকলক উৎসাহিত কৰিব লাগিলে কোনখন কোনখন জিলাত Horticulture খেতি কৰাৰ কাৰণে উপযুক্ত ঠাই। অসমৰ ভিতৰতে এক নম্বৰ Horticulture ত এতিয়ালৈকে স্থান দখল কৰি থকা অঞ্চলটো হৈছে বিটিচি অঞ্চল। বিটিচি অঞ্চলত কল, বিলাটি বগৰী, dragon fruit এই বিলাক Horticulture sector ত বিটিচি অঞ্চলত, Horticulture বিভাগৰ এক নম্বৰ মেপখনতে কৃষি বিভাগৰ আছে। কিন্তু কৃষি বিভাগৰ বিষয়া সকলে বিটিচি অঞ্চলৰ Horticulture বিভাগৰ কৃষক সকলক উৎসাহিত কৰিবৰ কাৰণে পিকনিক খোৱাৰ নিচিনাকৈ বছৰত এদিনৰ কাৰণে যায় আৰু তেওঁলোকে এটা দিনতে যি দুই এঠাইত ভ্ৰমণ কৰে Horticulture বিভাগৰ কৃষক সকলৰ লগত।

তৃতীয়তে, অলপ আগতে আমাৰ সহকৰ্মী এগৰাকী তিতাবৰ সমষ্টিৰ বিধায়কে চাহ খেতিৰ ওপৰত কৈছে। আমি সৰু থাকোতে সদায় শুনিছিলো ৭৫০ খন চাহ বাগিছা আছে, আজি হাজাৰ হাজাৰ চাহ বাগিছা হ'ল। Small Tea Grower ৰ সংখ্যা দিনক দিনে বাঢ়িছে। বোধ হয় হিচাপ কৰা যায়, দৈনিক ১০ জনকৈ small tea grower বাঢ়িছে। যাৰ কাৰণে এতিয়া ৪৮, ৪৯ হাজাৰ small tea grower হৈছে, বহু register হোৱা নাই। এই sector টো সেই খেতিয়ক সকলৰ, তেওঁলোকৰ যি quality, সেই quality maintain নকৰাকৈ সৰু সৰু যিবিলাক চাহ বাগিচা আছে, সেই চাহ বাগিচা সকলৰ পৰা যি green leaf tea নিছে, সেই বিলাক কি দৰত কিনিব, গোটেই অসমখনত তাৰ কোনো নিয়মনীতি নাই। যিকেইটা ডাঙৰ ডাঙৰ উদ্যোগ আছে, তেওঁলোকে নিজৰ খুচি মতে কৃষকৰ পৰা green leaf কনিছে। আজি সেই দিশটো কৃষি বিভাগে যদি ভাগ ভাগকৈ নাচাই, এটা sector ও কিন্তু আগবাঢ়ি যাব নোৱাৰিব।

আমি ধান খেতি পৰাম্পৰাগত ভাৱে আজি ইয়াৰে ১২৬ জন বিধায়কৰ ভিতৰত বোধহয় ৯৯ শতাংশই খেতিয়কৰ লৰা হ'ব। আমি সকলোৰে জানো যে ধান খেতিটো কি। কিন্তু আপোনালোকে বুকুত হাত দি কব পাৰিবনে যিসকল খেতিয়ক আমি আছো, আজি খেতি কৰাৰ প্ৰতি আগ্ৰহীনে। এখন বৃহৎ অঞ্চলত নতুন এশ টা লৰাই খেতি কৰিবলৈ আগবাঢ়ি অহাটোকে, খেতিপথাৰত নতুন চামে আগবাঢ়িছে, সেইটোত যদি আনন্দিত হোৱা যায়, সেইটো কিন্তু শুদ্ধ কথা নহ'ব। আজি দিনটোত ৭২ শতাংশ, ৭৫ শতাংশ, ৭০ শতাংশ যি খেতিয়ক আছে, সেই খেতিয়কসকলৰ খেতি পথাৰ চালে কব পৰা যায় যে ইয়াত কি জনসংখ্যা আছে। হাজাৰ হাজাৰ বিঘা মাটি এতিয়া পৰি আছে, তাত কোনো ধৰণৰ খেতি নাই। গতিকে এতিয়া organized নহয় আমাৰ এই sector বিলাক। এই sector বিলাক organized নহয় কাৰণে মই ভাৱো কৃষি বিভাগৰ কৰনীয় যথেষ্ট আছে।

আমাৰ যি চৰকাৰী agency য়ে ধান ক্ৰয় কৰে, এই ক্ষেত্ৰত ৰাজ্য চৰকাৰক ধন্যবাদ দিব লাগিব যে MSP ৰ জৰিয়তে ধান ক্ৰয় কৰাৰ লগে লগে যি মহাজনী ব্যৱস্থা আছিল গাঁৱত, খুজি মতে তেওঁলোকে ধান ক্ৰয় কৰিছিল, নিজে দাম ঠিক কৰিছিল, আজি সেই মহাজন সকল বিপদত পৰিছে। সেই মহাজন সকলে চৰকাৰে ধৰি দিয়া দৰ ২১৮৫ টকাৰ সলনি ২৫০০ টকালৈকে পাৰ কুইন্টল ধানত বঢ়াই দি ক্ৰয় কৰিব লগীয়া হৈছে। কাৰণ MSP ৰ ভিতৰতে competition কৰিব লগীয়া হৈছে মহাজন বিলাকে। খেতিয়কসকলে দুগুণ দাম পাইছে হয়, কিন্তু আমাৰ যিখিনি

খিলঞ্জীয়া খেতিয়কৰ ৯৯ শতাংশই ব্যৱসায় ভিত্তিত নকৰে। মোৰ ১০ বিঘা মাটি আছে, যিখিনি ধান পাম, খাই উঠি যিখিনি থাকিব সেইখিনি বিক্ৰী কৰিম বা অন্য খৰছৰ বাবে ব্যৱহাৰ কৰিম। এইটো culture ৰে আমাৰ চলি আছে। যাৰ কাৰণে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে হাজাৰ পইচা দিলেও খেতিয়কসকলে ২, ৩ টা খেতি কৰিবলৈ আগ্ৰহী নহয়। যিসকলে চাহ বাগিচা খুলিছে, যিসকলে উন্নত পদ্ধতিৰে খেতি কৰিবলৈ বিচাৰিছে, তেওঁলোকক আপুনি সুধিব বা মালিক সকলক সুবিধ তেওঁলোকে কাম কৰাৰ কাৰণে শ্ৰমিক নাপায়। নিজেও নিজে পথাৰত শ্ৰম নকৰে শ্ৰমিক সকলে, খেতিয়ক সকলেও খেতি নকৰে আৰু খিলঞ্জীয়া খেতিয়ক আনৰ মাটিত গৈ খেতি কৰিবলৈ আগ্ৰহী নহয়।

যদি কৃষি বিভাগ অলপ organized নহয়, চৰকাৰৰ খেতিয়কৰ শস্যৰ গুটি কোন সময়ত আহি পায়, এইটো আমি সকলোৱে জানো। আজি এই কৰ্তন প্ৰস্তাৱৰ সুবিধাতে চৰকাৰে এই পৰামৰ্শ বিলাক পাইছে। গতিকে মই কৃষি বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক কম যে শস্যৰ বীজ আৰু সাৰ সময়মতে পালে হে আমাৰ খেতি ভাল হ'ব, শস্য বৃদ্ধি হ'ব আৰু খেতিয়ক সকল লাভৱান হ'ব।

শেষত মই ক'ব বিচাৰিছো যে যিবিলাক পানী যোগান আঁচনি, আপোনালোকে irrigated ভূমি ৫ শতাংশ বুলি কৈছে, কিন্তু ৫ শতাংশও প্ৰচলিত হৈ থকা নাই। গতিকে ভগৱানৰ ওপৰত নিৰ্ভৰ কৰি খেতিয়কে যিহেতু খেতি কৰে, আমাৰ যিসকল সৰু সৰু খেতিয়ক আছে, মই organized কৰিবলৈ এই কাৰণে কৈছো, আজি আমি পাঞ্জাৱ, ৰাজস্থান বা হাৰিয়ানাত খেতিয়ক সকলক অনুসৰণ কৰিবলৈ কওঁ আৰু পাঞ্জাৱ হাৰিয়ানৰ খেতিয়ক সকলে কানাডাৰ খেতিয়কক অনুসৰ কৰে। আপোনালোকে জানে টেক্টৰ দিয়াৰ ক্ষেত্ৰত মাত্ৰ ১০ কোটি টকা ধৰিছে, এতিয়া এজন মানুহ বা ২০ জনীয়া গ্ৰুপক ট্ৰেক্টৰ এখন দি যি উৎসাহ দিয়া হৈছে, তাতো organized কৰিব লগীয়া হৈছে। মই নিজে পাঞ্জাৱত গৈ চাইছো, তেওঁলোকৰ চাৰি পাঁচখন গাওঁ একলগ হৈ গৈছে আৰু instrument যিবিলাক আছে, সেইবিলাক চাৰি পাঁচখন গাঁৱৰ মানুহে একেলগে কিনিছে। এজন মানুহে যদি ট্ৰেক্টৰ কিনিলে ১২ লাখ টকা লাগে, ধান মৰা মেচিনত যদি ৫ লাখ টকা লাগে, ধান কটা মেচিনত যদি অতিৰিক্ত পইচা লাগে, এজন খেতিয়কে সেইবিলাক কিনলে, তেওঁ খেতিৰ পৰা যি ধন পাই, তাতকৈ বেছি খৰছ হ'ব। যাৰ কাৰণে চাৰি পাঁচখন গাওঁ একত্ৰিত হৈ একেলগে বৃহৎ পথাৰত কানাডাৰ আৰ্হিত তেওঁলোকে কৰিবলৈ লৈছে। মই একেৰাহে তিনিদিন কানাডাৰ খেতি পথাৰ চাইছিলো, তেওঁলোকৰ খেতি পথাৰ চাই উঠি নিজে লাজ পোৱাৰ বাহিৰে একো নাই। গতিকে মই ভাৱো কৃষি মন্ত্ৰী ডাঙৰীয়াক, অলপ আগতে আমাৰ সদস্য এগৰাকীয়ে কৈছে আমি বিধায়ক সকলে কৃষি পদ্ধতি চাবলৈ যোৱাৰ আগতে আমি যদি গ্ৰুপ গ্ৰুপ কৰি আজিৰ দিনটোত যিসকল শিক্ষিত লৰা-ছোৱালীয়ে খেতি কৰিবলৈ আগবাঢ়িছে, তেওঁলোকৰ গ্ৰুপ বিলাক লৈ গৈ তেওঁলোকক দেখুৱাই অনা হয়, মই চোৱাতকৈ তেওঁলোকে চালে বেছি কামত আহিব, ঘুৰি আহি তেওঁলোকক সেই পদ্ধতিৰে খেতি কৰিবলৈ উৎসাহিত কৰিব লাগে। একেবাৰে শেষত সভাপতি মহোদয়, এটা কথা কৈ সামৰিব বিচাৰিছো। যেতিয়া আমাৰ ইয়াত ক'ৰণা বেমাৰ হৈছিল, ক'ৰণা বেমাৰত all sector ত GDP বহুতৰে শূণ্য হৈ গৈছিল। সেইসময়ত একমাত্ৰ খেতিয়ক সকলে কৃষি বিভাগে নিজৰ GDP আছিল, সেইটো স্থিত অৱস্থাত ৰাখিবলৈ সক্ষম হৈছিল। খেতিয়ক সকলে কোনোদিনে বেমাৰ হৈছে বুলি কৈ তেওঁলোকে খেতি পথাৰৰ পৰা absent থকা নাছিল আৰু তেওঁলোকে খেতি কৰি সেই বিপদৰ সময়তো আমাক খুৱাইছিল অথচ সেই খেতিয়ক সকল আজিও ৰাজপথত আছে। সেই খেতিয়ক সকলৰ কথা কৃষি বিভাগ, অসম চৰকাৰ,

ভাৰত চৰকাৰে আৰু তেখেতসকলৰ পক্ষত চিন্তা কৰা উচিত। এই cut motion ৰ যদিও মই বিৰোধিতা কৰিছো খেতিয়কৰ সপক্ষত আমাৰ বহুতো কৰিবলগীয়া আছে, সেইখিনি মানি লৈ মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**শ্রী ভৱেন্দ্র নাথ ভৰালী, (সভাপতি)** ঃ ধন্যবাদ। মাননীয় সদস্য শ্রী খলিলউদ্দিন মজুমদাৰ। আপোনাৰ ৫ মিনিট সময়।

**শ্রীখলিল উদ্দিন মজুমদার ( কাটিগড়া) ঃ** মাননীয় সভাপতি মহাশয়, কৃষি একটি খুব গুরুত্বপূর্ণ বিষয়, সেই কৃষির বিষয়ে আমাকে বলার সুযোগ দেওয়ার জন্য আমি আপনাকে ধন্যবাদ জানাচ্ছি। আমাদের বরাক উপত্যকায় বা আমার সমষ্টিতে কৃষিকাজ করে এরকম অনেক লোক আছে। বিশেষ করে যারা কৃষি কাজ করে ওনারা গরীব মানুষ। কিন্তু ওনারা পাওয়ার টেইলার, ধানের মেশিন এসব পায় না, অর্থাৎ যাদের এসব মেশিন পাওয়ার কথা ওনারা সেটা পায় না। মিটিং গুলো জিলা ভিত্তিক হওয়ার কারণে কৃষকরা সবসময় মিটিং এ যাওয়ার সুযোগ পায়না, তার ফলে এসব সুযোগ থেকে ওনারা বঞ্চিত হয়। সরকারের কাছে আমার অনুরোধ থাকলো তাদের জন্য বিশেষ ব্যবস্থা যাতে করা হয়। আমরা জানি প্রত্যেক এলাকায় P.M কিষান বিভিন্ন beneficiary কে দেওয়া হয়। কিন্তু প্রকৃতপক্ষে যারা beneficiary আছে তারা বঞ্চিত হয়। আলু বীজ দেওয়া হয় সরকারের তরফ থেকে কিন্তু এইবার যে আলু বীজ দেওয়া হয়েছে তার প্রায় ৭০ শতাংশ খারাপ হয়ে যাওয়ার পর আমার সমষ্টিতে পৌঁচেছে। যারা কৃষি কাজ করে তারা বিভিন্ন সামাজিক মাধ্যমে বা ফোন করে আমাদের জানিয়েছে। কারণ আলু বীজ গুয়াহাটী থেকে আমাদের বরাকের সমষ্টিগুলোতে যেতে যেতে অনেক সময় খারাপ হয়ে যায়। যারা কৃষি কাজ করে তাদের কৃষি কাজ করার জন্য জলের প্রয়োজন হয়, আমরা দেখেছি যে আমাদের বরাক উপত্যকায় বা আমার সমষ্টিতেও জলের সমস্যা আছে। মন্ত্রী মহাশয়ের কাছে আমি অনুরোধ রাখছি যে তিনি যেন জলের এই সমস্যা সমাধানের জন্য বিশেষ ব্যবস্থা করেন। বিভিন্ন জায়গায় আমরা দেখতে পাই যে কৃষকদের অনেক ফসল নষ্ট হয়। আমার বিশেষ অনুরোধ কৃষি দপ্তরের কাছে, ওনারা যেনো জায়গাগুলো পরিদর্শন করেন। আমাদের বরাক উপত্যকার সবথেকে গুরুত্বপূর্ণ হল স্থানীয় সুপারী। এই স্থানীয় সুপারী বিক্রী করে বিক্রয়ের টাকাটা বিভিন্ন শিক্ষার ক্ষেত্রে, স্বাস্থ্যর ক্ষেত্রে, বিয়া বা অনেক সমস্যায় ব্যবহার করা হয়। সুপারী আগে বিক্রী হত ১০০০ থেকে ১৫০০ টাকা পর্যন্ত। কিন্তু আজ ৫০০ থেকে ৬০০ টাকায় বিক্রী করা হয়। কারণ অসম বর্ডারে দুটা গেইট আছে। একটা ধলাই এলাকার মধ্যে আছে আর এই এলাকায় বার্মার সুপারী প্রবেশ করার ফলে কৃষিক্ষেত্রে অনেক ক্ষতির সম্মুখীন হতে হয়। সরকার এই বার্মার সুপারী প্রবেশ রোধ করার জন্য অনেক চিন্তা-চর্চা করছেন কিন্তু বিভিন্ন গেইট থাকার জন্য বার্মার সুপারী আমাদের অসমে প্রবেশ করছে। কিন্তু বার্মার সুপারী যাতে আমাদের অসমে প্রবেশ করতে না পারে, চিরতরে এই সমস্যার সমাধানের জন্য আমি সরকারের কাছে অনুরোধ রাখছি। আমাদের কৃষকরা যারা ক্ষেতি করে তাদের ক্ষেতির পাশে অনেক রাস্তা আছে কিন্তু রাস্তাগুলো ঠিকঠাক না থাকার জন্য কৃষকরা তাদের ক্ষেতের ফসল বিভিন্ন জায়গায় সময় মত পৌঁছোতে পারেনা। এই রাস্তার সমস্যার জন্য আমাদের এলাকার মানুষরা ক্ষতিগ্রস্থ হচ্ছে। রাস্তার সমস্যা সমাধানের জন্য আমি মন্ত্রী মহাশয়ের কাছে অনুরোধ রাখলাম। কৃষি মন্ত্রীকে আমি খুব সন্মান করি । আমরা দেখেছি যে মিটিং গুলো জিলা ভিত্তিক হয়। আমি মাননীয় মন্ত্রী মহাশকে অনুরোধ করছি যে মিটিং গুলো সমষ্টি ভিত্তিক বা জি.পি ভিত্তিক হলে ভালো হয়। সমষ্টি ভিত্তিক মিটিং হলে আমরা আমাদের সমস্যাগুলো তুলে ধরতে পারব। বেশী

বৃষ্টির ফলে আমাদের এলাকায় বন্যা হয় তার ফলে ধান অনেক নষ্ট হয়ে যায় । এই ধানকে বাঁচানোর জন্য সরকারের বা কৃষি দপ্তরের নজর দেওয়া প্রয়োজন। আমি মন্ত্রী মহাশয়কে অনুরোধ করব যে তিনি যেন সহযোগিতা করেন। ধন্যবাদ।

**(সদনত উপবিষ্ট মাননীয় উপাধ্যক্ষ ডাঃ নোমল মমিন)**

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ । মাননীয় সদস্য শ্ৰীগণেশ কুমাৰ লিম্বু। আপুনি ৫ মিনিটত শেষ কৰিব। ২ টা বজাত আমি Minister ৰ পৰা reply ল'ম। গতিকে ২ টা বজাৰ আগতে শেষ কৰিব লাগিব। সকলোৱে যদি মূল কথাটো কৈ সোনকালে শেষ কৰিব পাৰে আমি সময়ত শেষ কৰিব পাৰিম।

**শ্ৰীগণেশ কুমাৰ লিম্বু, (বৰচলা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজি আমাৰ সন্মানীয় বিৰোধী পক্ষই Agiculture ত যি cut motion সদনত উপস্থাপন কৰিছে ইয়াত মই বিৰোধিতা জনাই মোৰ বক্তব্য আগবঢ়াব বিচাৰিছো। আমি সকলোৱে জানো যে Agiculture অৰ্থাৎ কৃষি বুলি ক'লে অসমৰ গ্ৰামীণ গাওঁ অঞ্চলক বুজো। য'ত নেকি প্ৰায় ৭০ শতাংশ মানুহে বসবাস কৰে আৰু এওঁলোকৰ উত্থানৰ কাৰণে এওঁলোকৰ অৰ্থনৈতিক সৱলীকৰণৰ কাৰণে গ্ৰাম্য অৰ্থনীতি যাতে শক্তিশালী হওঁক আৰু খেতিয়ক সকলৰ যাতে ক্ৰয় কৰা ক্ষমতা বাঢ়ে ইয়াৰ কাৰণে আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰ হওঁক বা ৰাজ্য চৰকাৰে বিভিন্ন ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে। আপোনালোক নিশ্চয় সকলোৱে অৱগত মই এটা কথা অনুভৱ কৰিছো যে আমাৰ আৰম্ভণিত সন্মানীয় সদস্যই কৈছে যে যিহেতু আমাৰ চৰকাৰে minimum support price যিটোৰ জৰিয়তে ইতিমধ্যে আমি ৪০ শতাংশ মাত্ৰ ক্ৰয় কৰিববলৈ সফল নহলো বুলি মই কোৱা শুনিছো। ইয়াত এটা কথা আপোনালোকে মন কৰিব যে এইখন চৰকাৰ বিশেষকৈ আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা দেৱৰ যি বিচক্ষণতা, তেখেতৰ যি দূৰদৰ্শিতা তেখেতে নিজেই যেতিয়া ধান ক্ৰয় কৰাৰ কাৰণে initiative লোৱাৰ

লগে লগে আমি যেতিয়া ধান ক্ৰয় কৰিববলৈ আৰম্ভ কৰিলো, তেতিয়া এনেকুৱা এটা পৰ্য্যায় পালে যে আমি গৈ ধান ক্ৰয় কৰিব নোৱাৰা হ'লো। কাৰণ আমাৰ ইয়াত আৰু এটা বিষয় আছে যিহেতু আমাৰ Agro based industry বহুখিনি ইতিমধ্যে স্থাপন হৈছে। যাৰ জৰিয়তে আমাৰ খেতিয়ক সকলে ধান আমি কিনাতকৈ এই যি ব্যৱসায় সকল আছে তেওঁলোকে আমাতকৈ অধিক price দি কিনাৰ বাবে আমাৰ যিটো target আছিল, ১০ লক্ষ মেট্ৰিকটন ধান ক্ৰয় কৰাৰ তাৰ ঠাইত আমি ৬ লক্ষহে উপনীত হৈছো। সেই কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে এইটো হ'ল MSP plus. অৰ্থাৎ আমাৰ যিটো লক্ষ আছিল যে খেতিয়ক সকলে ধান উচিত মুল্যত পাব লাগে সেই বিষয়টোত achieve কৰিছো। আপুনি চাব, যদি আমি Agiculture ৰ কথা কওঁ, ইয়াত যিহেতু চৰকাৰে যিমান আঁচনি লৈছে আজিৰ তাৰিখত সকলো আঁচনি পৰোক্ষ প্ৰত্যক্ষ হিচাপে agriculture বা খেতিয়ক সকলক সহায় কৰে আৰু শেহতীয়া আমি যিটো দাতা পাইছিলো সেই দাতাত এটা কথা কোৱা হৈছিল যে আমাৰ যিটো poverty ratio **সেইটো ৮০.৩৬ লাখ ক'মি আহিছে বুলি নিটি আয়োগে কৈছে । মই ডাঠি ক'ব পাৰো যে, এই ৮০.৩৬ লাখ প্ৰভাৰ্টি ৰেচিঅটো ক'ম হোৱাটো আমাৰ কৃষকসকলৰ আয় দুগুন হোৱাৰ বাবে হৈছে । আগৰ যিটো কৃষি পদ্ধতি সেইটো বৰ্তমান গ্ৰাম্য অঞ্চলত নাই । আজি যথেষ্টখিনি পৰিৱৰ্ত্তন হৈছে । আজি মানুহে খেতি কৰো বুলি চিনাকী দিব পৰা হৈছে । আজি উদ্যমী যুৱকসকলেওঁ খেতি কৰি উপাৰ্জন কৰি আহিছে । গাওঁ অঞ্চলত বৰ্তমানে আধুনিক প্ৰক্ৰিয়াৰে খেতি কৰাৰ ব্যৱস্থা আৰম্ভ হৈ গৈছে ।**

আমাৰ চৰকাৰে প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি প্ৰৱৰ্ত্তন কৰিছিলে । এই আঁচনিৰ জৰিয়তে প্ৰায় ১২.১৬ লাখ খেতিয়ক উপকৃত হৈছে আৰু ইয়াৰ পৰা ৪৭৮.৩৮ কোটি টকা কৃষকসকলে পাবলৈ সক্ষম হৈছে । আমি দেখিছো যে বীমা ফচল যোজনাৰ ক্ষেত্ৰত আমাৰ কৃষকসকলে অতি ক'ম প্ৰিমিয়ামৰ জিৰয়তে কেন্দ্ৰীয় চৰকাৰৰ পৰা এই সুবিধা পাইছে যাৰ ফলত ২৩৪.৯৮ কোটি আমি বীমা ফচল ক্লেইম কৰিছো। যাৰ ফলত ২.৮২ জন কৃষক লাভান্বিত হৈছে । আজি কৃষি বিপ্লৱৰ কথা কোৱা হৈছে । এই বিপ্লৱ বহু গাওঁ অঞ্চলত নিৰবে চলি আছে । মোৰ সমষ্টিত হোৱা এটা বিপ্লৱৰ কথা ক'বলৈ পাই মই অতি আনন্দ প্ৰকাশ কৰিছো । এই বিপ্লৱৰ নাম হ'ল জয়মতী আৰু প্ৰায় ৪৩৫ গৰাকী মহিলা সদস্যৰে গঠিত । বৰ্তমান তেওঁলোকৰ ট্ৰেনজেকশ্যন এক কোটি টকা । অহাবছৰ ডেৰ কোটি টকালৈ বৃদ্ধি হ'ব বুলি আশা কৰা হৈছে ।ইয়াৰ জিৰয়তে বৰ্তমান গাওঁখনৰ অৰ্থনৈতিক অৱস্থা টনকিয়াল হৈ আছে ।ইয়াকে কৈ মই মোৰ ক'বলগীয়াখিনি সামৰণি মাৰিছো। ধন্যবাদ ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ... এতিয়া মনোৰঞ্জন তালুকদাৰ ।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ইতিমধ্যে মই কৃষি বিভাগৰ কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছো । কাৰণ এইটো বিভাগত যথেষ্ঠ খেলি মেলি আছে । কৃষকৰ কৃষি উৎপাদন বৃদ্ধি কৰাৰ কাৰণে কোনো বিশেষ ফলপ্ৰসু আঁচনি এইটো বিভাগে বিগত দিনত গ্ৰহণ কৰা নাই । আপুনি শুনিলে আচৰিত হ'ব যে , আজি কৃষি বিভাগে প্ৰকাশ কৰা তথ্যমতে The SNMB didnot construct any cold storage, cold room during the year-2023-24 যোৱা বিত্তীয় বৰ্ষত যদি এটাও ক'ল্ড ষ্ট'ৰেজ বা ক'ল্ড ৰুম নকৰিলে তেনেহ'লে অসমত কৃষি ক্ষেত্ৰ কেনেকৈ সুৰক্ষিত হ'ব ? গতিকে এই সম্পৰ্কে আমি কিমান সাফল্য পাম সেইটো মোৰ কাৰণে বুজা টান হৈছে। আনহাতে Directorate of Horticulture and food processing Assam has yet upto ten matricton capacity - hybrid cold room - Indo- Israel centre of accelence for vegitables – এটা মাত্ৰ কৰিছে । যদি প্ৰতিখন গাওঁৰ প্ৰতিখন বজাৰৰ আশে পাশে যদি একোটাকৈ ক'ল্ড ৰুম কৰিলেহেতেন যিটোৰ মূল্য মাথো ২৫ লাখ টকা তেনেহ'লে অন্তত বহু পৰিমানে কৃষক উপকৃত হ'লহেতেন । ইয়াত এম এচ পিক লৈ বহু কথা কোৱা হৈছে । এম এচ পি ২১৮৩ টকা দিছে -যেন সাংঘাতিক কিবা এটা কৰিছে । মই আগতো কৈছো যে এম এচ পি এটা নিৰ্দ্দেশিকাৰ জড়িয়তে দি থাকিলেই এইটো যথেষ্ঠ নহয় বুলি কৃষকসকলে ভাৱে। তাক যদি এখন আইনৰ দ্বাৰা চাপোৰ্ট কৰা নাযায় আৰু আপোনালোকে জানে যে; এই এম এচ পিৰ ওপৰত কেন্দ্ৰীয় আইন কৰাৰ কাৰণে দিল্লীত কৃষিকে এতিয়া ঘেৰাও কৰি আছে । এই এম এচ পি আইন তেওঁলোকক লাগে আৰু অন্য বিষয়বিলাকো আছে । য'ত কৃষি উন্নত অৱস্থাত গৈছে- পাঞ্জাৱৰ কৃষক, হাৰিয়ানাৰ কৃষক এওলোকে দিল্লী ঘেৰাও কৰি আছে এম এচ পি আইন অনাৰ কাৰণে । মই আজি এই সদনৰ পৰাই এই কৃষকসকলৰ প্ৰতি সংহতি প্ৰকাশ কৰিছো । যোৱা বছৰ তিনিখন এনেকুৱা আইন আনিলে - ডেক'ৰিয়ান আইন এই আইনকেইখন বাতিল কৰিবলৈ এক বছৰ ধৰি দিল্লী ঘেৰাও কৰি সাতশ কৃষক মৃত্যেমুখত পৰিল এই চৰকাৰৰ দিনত, আপোনালোকে ডাবল ইঞ্জিনৰ চৰকাৰ বুলি কয় । দিল্লীৰ বিজেপি চৰকাৰে সেই আইন উইড্ৰ' কৰিবলৈ বাধ্য হৈছে । এতিয়া এনেকুৱা এটা আৱস্থাত আমাৰ ইয়াতে চৰকাৰে কৈছে কৃষকৰ আয় দুগুন বৃদ্ধি কৰিব । কিন্তু দুগুন বৃদ্ধি কৰাৰ লক্ষনটো ক'ত । কৃষকে যি ধান উৎপাদন কৰিছে, ধান উৎপাদন ক'মাৰ কথা কৈছে, সেইটো তথ্যগতভাৱে

ক'মিছে নে বাঢ়িছে আমাৰ সন্মুখলৈ অহা নাই । কিন্তু যোৱা বছৰ ৮৩ লক্ষ মেট্ৰিকটন ধান উৎপাদন হৈছিল , ১০ লক্ষ ধান কিনাৰ সিদ্ধান্ত লৈছিল। নোৱাৰিলে, তেওঁলোকে ৭ লক্ষ মেট্ৰিকটন ধানেই কিনিব নোৱাৰিলে । এই বছৰত আকৌ ১০ লক্ষ মেট্ৰিক টন ধান কিনাৰ কথা কৈছিল । সেই ধানো এতিয়ালৈকে তেওঁলোকে ক্ৰয় কৰিব পৰা নাই । আমি জনামতে জানুৱাৰী মাহলৈকে মাত্ৰ ৩ লক্ষ মেট্ৰিকটন ধান কিনিছে। এইটো কিনিবতো নোৱাৰে, তেওঁলোকে নিজে ব্যৱস্থাটো কৰিছে তেওঁলোকে PPC- paddy procuipment centre তেওঁলোকৰ ক'মিছে-২৭২ ৰ পৰা আমি ১৫০ কৰিছে। এতিয়া পেডি প্ৰকুইপমেন্ট চেন্টাৰ ক'মে আমাৰ কৃষকে কেনেকৈ ধান বিক্ৰী কৰিব পাৰিব। ধান বিক্ৰী কৰিব নোৱাৰাৰ ফলত আজি কৃষক ক্ষতিগ্ৰস্থ হৈছে । আজি ৯৩ লক্ষ মেট্ৰিটন ধান উৎপাদন কৰাৰ পিচত সকলোখিনি বজাৰলৈ নাহে । মানুহে কনজিউম কৰাৰ পিচত ওপৰঞ্চি ধানখিনি বজাৰলৈ আহিব। কিন্তু ধানখিনি বজাৰত বিক্ৰী কৰিবলৈ সুবিধা দিয়া দায়িত্বটো আছিল চৰকাৰ কৃষি বিভাগৰ । এইখিনি কাম কৰিবলৈ তেওলোকে কৰিব নোৱাৰিলে । আন এটা বিষয় মই নোটিচত আনিব বিচাৰিছো যে, পূৰ্ব্বতো সাৰৰ বিষয়টো বিধান সভাত আলোচনা হৈছিল যে, ইউৰিয়াৰ ক্ষেত্ৰত বৰপেটা জিলাৰ বৰপেটা ৰোড এনে এটা চেন্টাৰ য'ত ইউৰিয়া সাৰ ভেজাল কৰা হয় । ঘৰত একেবাৰে ভেজালকৰণ ইণ্ডাষ্ট্ৰি পাতি লৈছে । ইয়াৰ ভেজাল ইউৰিয়া মনিপুৰত যায় , থাইলেণ্ডত যায় । এই ইউৰিয়া লৈ তাত এটা ডাঙৰ নেক্সাচ চলি আছে । এতিয়া তেওঁলোকে সমবায়ৰ যোগেদি দিয়া আৰম্ভ কৰিছে তথাপি কিন্তু এই দূৰ্নীতিটো বন্ধ হোৱা নাই । এই ইউৰিয়াৰ দুৰ্নীতি এই চৰকাৰে কঠোৰ হাতেৰে দমন কৰাৰ কোনো ব্যৱস্থা কৰা নাই । তাৰোপৰি ইৰিগেশ্যনৰ কথাটো আছেই- ইৰিগেশ্যনৰ যদি ব্যৱস্থা নকৰে, আমাৰ খেতি পতাৰত তিনিটা খেতি কৰিব পৰাকৈ যদি জল সিঞ্চনৰ ব্যৱস্থা নহয় আমাৰ অসমত কৃষিৰ উন্নয়ণ কৰা , কৃষকৰ উন্নতি কৰা, কৃষিৰ উৎপাদন বৃদ্ধি কৰাটো সম্ভৱ নহয় । সম্ভৱ হোৱাৰ আশা মই দেখাও নাই কাৰণ যিধৰণৰ আঁচনি লৈছে তাত কেইখন ট্ৰেক্টৰ দিব, কিমানখিনি ইনফ্ৰাচষ্ট্ৰাকচাৰ গঢ়ি তুলিব সেই বিষয়টোৰ কোনো স্পটতা নাই বাবে মই কৰ্ত্তণ প্ৰস্তাৱটো সমৰ্থন কৰি ইয়াৰ অন্তত এক টকা হ্ৰাস কৰাৰ বাবে মই দাবী উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ- এতিয়া মাননীয় সদস্য অমিঅ' কুমাৰ ভূঁঞা ।

**শ্ৰীঅমিঅ' কুমাৰ ভূঁঞা, বিহপুৰীয়া ঃ**মাননীয় উপাধ্যক্ষ মহোদয় , সন্মানীয় সদন , কৃষি খণ্ডত এটা আমূল পৰিৱৰ্ত্তনৰ বাটেৰে যাত্ৰা কৰাৰ সময়ত আমাৰ দেশৰ যশস্বী প্ৰধান মন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ যি সবল নেতৃত্ব ইয়ে কৃষি খণ্ডলৈ আশাৰ ৰেঙনি কঢ়িয়াই অনাৰ লগে লগে আমাৰ ৰাজ্যৰ কাৰ্য্যদক্ষ মুখ্যমন্ত্ৰী মহোদয়ৰ তৎপৰতাত অসমৰ কৃষকৰ মুখলৈ আশাৰ ৰেঙনি আহিছে । কৃষকৰ দুগুন আয়ৰ লক্ষ্যত উপনীত হ'বৰ বাবে আমাৰ কৃষি বিভাগে বিগত দিনত যিধৰণে সক্ৰিয়তাৰে কাম কাজ কৰিছে যাৰ ফলত আমি চাৰি হাজাৰ কোটিতকৈও অধিক টকাৰ কৃষি সামগ্ৰী আমি বিদেশী ৰাষ্ট্ৰলৈ ৰপ্তানি কৰিব পাৰিছো । ইয়াৰ আগতে সদনত এনেকুৱা আলোচনা হোৱা শুনা নাচিলো। এইটো কেৱল সম্ভৱ হৈছে ভাৰতীয় জনতা পাৰ্টি নেতৃত্বাধীন কৃষকৰ প্ৰতি সমৰ্পিত চৰকাৰখনৰ বাবে এই টো আজি সম্ভৱ হৈছে । ২০১৬ চনত যিখন পৰিৱৰ্ত্তনৰ চৰকাৰ অসমৰ জনসাধাৰণে পাতিলে , তেতিয়াৰ পৰাই অসমৰ কৃষকে যদি সন্মান পাইছে ,অধিকাৰ পাইছে, সুবিধা পাইছে তেতিয়াৰ পৰাই পাইছে । অসমৰ পথাৰ বজাৰ যদি সুৰক্ষিত হৈছে তেতিয়াৰ পৰাই হৈছে । অসমৰ কৃষক , ৰাইজৰ গঢ়াখহনীয়াৰ পৰা পৰিত্ৰাণ পোৱাৰ বাট যদি মুকলি হৈছে সেই তেতিয়াৰ পৰাই হৈছে । ৫৫ বছৰ শাসন কৰা সেই দলটোৰ চৰকাৰৰ দিনত অসমৰ

**গঢ়াখহনীয়াৰ দৰে জ্বলন্ত সমস্যাটো সুৰক্ষা বা নিৰাপত্তা দিবৰ বাবে ৰাজ্যিক বাজেটত এক অনাও টকা আবন্টণ কৰাৰ নজিৰ নাই ।**

মাননীয় উ পাধ্যক্ষ মহোদয়, আজি মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ চৰকাৰখনে বসুন্ধৰা-১ আৰু ২ ৰ জৰিয়তে ৰাইজক মাটিৰ অধিকাৰ দিয়াৰ কাম তৰান্বিত কৰিছে। আমি বসুন্ধৰা-৪ লৈকে যাম বুলি মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাদেৱে ঘোষণা কৰিছে। যাতে এজনো তলুৱা মানুহে মাটিৰ অধিকাৰৰ পৰা বঞ্চিত নহয়। চৰ অঞ্চলতো বসবাস কৰি থকা থলুৱা, খিলঞ্জীয়া, সংখ্যালঘু ৰাইজ যাতে বঞ্চিত নহয়, তাত মাতব্বৰৰ ব্যৱস্থা অৱসান ঘটাব পাৰো, তাৰ বাবে লক্ষ্য নিৰ্দ্ধাৰণ কৰি কাম কৰা হৈছে। প্ৰথম কাৰ্য্য কালৰ একেটা বছৰতে পৰিৱৰ্তনশীল এই চৰকাৰখনে ২৮,০০০ কৃষক গোটক ৫.৫০ লাখ ৰাজ সাহাৰ্য্যত যুক্ত ট্ৰেক্টৰ দিয়াৰ দৰে ঐতিহাসিক পদক্ষেপ এই ভাৰতীয় জনতা দলৰ মিত্ৰতাধীন চৰকাৰখনত হৈছে। এই চৰকাৰ খনে কৃষিৰ খণ্ডলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে। যাৰ ফলত ৰোৱণী-বোৱণী আজি ওলাই আহিছে আৰু কোনোবাই কাঠফুলা খেতি, মীন পালন, উন্নত জাতৰ কৃষি পাম আদি কৰাৰ বাবে ওলাই আহিছে। কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যচৰকাৰৰ Farmer's Producer's Company দিছে। তেওঁলোকে নিজকে ডাইৰেক্টৰ বুলি ক'বলৈ পাৰিছে, নিজে মাননি পাইছে, বীজ পাইছে আৰু সকলো ক্ষেত্ৰতে উৎসাহিত হৈছে। এই পৰিৱেশটো অধিক তৰান্বিত কৰিবৰ বাবে আৰু সমাজত থকা বৈষম্য দূৰ কৰিবৰ বাবে আমাৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই যি বিকাশৰ নীতি দিছে-'সৰকা সাথ, সৰকা বিকাশ, সৰকা বিশ্বাস, সৰকা প্ৰয়াস' এই নীতিৰে সকলো শ্ৰেণীৰ মানুহক আজি উদ্বোদ্ধ কৰিছে। যাৰ বাবে আমাৰ ঘৰুৱা উৎপাদনৰ হাৰ বৃদ্ধি হৈছে। যাৰ জৰিয়তে আমি আজি লক্ষ্য নিৰ্দ্ধাৰণ কৰিব পাৰিছো। ২০৪৭ চনত ভাৰতৰ স্বাধীনতাৰ যেতিয়া ১০০ বছৰ পূৰ্ণ হ'ব, আমি যাতে এখন নতুন আত্মনিৰ্ভৰশীল ভাৰত পাওঁ, তাৰ বাবে লক্ষ্য নিৰ্দ্ধাৰণ হৈছে। আমাৰ ৰাজ্যখনক আত্মনিৰ্ভৰশীল কৰিবৰ বাবে আমি সেই বাটেৰে আগুৱাই কৃষি খণ্ডত সৰ্বাধিক গুৰুত্ব দিছো। আমি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ প্ৰেৰণাত সমবায় সমিতি গঠন কৰি পথাৰত কৃষি উৎপাদন কৰিব পাৰিছো। আজি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নিৰ্দেশন হিচাপে গৰু খুঁটিৰ ওপৰত যি ধৰণে পৰ্য্যালোচনা কৰা হৈছে, আমি উদ্বেগ প্ৰকাশ কৰিছো। এইটোৱেই আশা আৰু প্ৰেৰণাৰ বতৰা দিছে। আমি আশা আৰু বিশ্বাস কৰো যে স্বাধীনতাৰ ৭৫ বছৰৰ পিছতো ভাৰতীয় জনতা পাৰ্টীৰ দলৰ চৰকাৰৰ দিনত কৃষক সকল সুৰক্ষিত হৈ আছে। কৃষকে এই চৰকাৰৰ দিনত ফচলৰ মূল্য পাইছে। এতিয়া ৰাজ আলীত বিলাহী, কেঁচা চাহপাত পেলাই দিয়াৰ দৃশ্য নাই। এতিয়া সোণ বুটলাৰ দিন আৰম্ভ হৈছে। এই পৰিৱেশ নিৰ্মাণ কৰাৰ চৰকাৰখনৰ প্ৰতি ৰাইজৰ বিশ্বাস এতিয়া দিনে দিনে বৃদ্ধি হৈছে। গতিকে আমি আশা আৰু প্ৰত্যাশা কৰো যে কৃষি খণ্ডতো যাতে কৃষি ভিত্তিক উদ্বোগ পাতিবৰ বাবে আমাৰ নিবনুৱা সকল আৰু উদ্বোগীসকলৰ বাবে ৰাজ্য চৰকাৰৰ বাজেটত ২,৩৪৭ কোটি টকাৰ পুঁজিৰ আৱণ্টন দিয়া হৈছে। তাত আৰু অধিক পুঁজি আৰু লগতে জলসম্পদ আৰু জলসিঞ্চন বিভাগত অধিক পুঁজি আৱণ্টন দিয়ে। ৰাজহ বিভাগেও যাতে কৃষি কৰ্ম কৰিবলৈ অহাসকলক ভূমি দিয়ে। এইখিনি কৰিব বুলি মই আশা ৰাখি এই কৰ্তম প্ৰস্তাৱৰ বিৰোধীতা কৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া আব্দুল ৰছিদ মণ্ডল ডাঙৰীয়াই কওঁক।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ধন্যবাদ। সুন্দৰ ভাষণ, সুন্দৰ সংলাপেৰে মানুহৰ মন জয় কৰিব পাৰি। কিন্তু দেশৰ উন্নয়ণ সম্ভৱ নহয়। আপুনি মোক ক'বলৈ দিয়াৰ বাবে ধন্যবাদ জনাই মই কৰ্তন প্ৰস্তাৱৰ সমৰ্থন জনাই দুটামান কথা ক'ব

বিচাৰিছো। কাৰণ মোৰ ভাষণ দিয়াৰ কোনো সংলাপৰ ভাণ্ডাৰো নাই আৰু শৈলীও নাই। বিভাগৰ উন্নয়ণৰ নমুনা বা বিফলতা এটা কথাতে উনুকিয়াব পাৰি যে সঠিকভাৱে পৰিকল্পনা কৰিছে নে নাই বা বাজেটত নিৰ্ধাৰিত পুঁজিসমূহ আমি ব্যৱহাৰ কৰিব পাৰিছো নে নাই? এই ক্ষেত্ৰত কিছুমান কথা উল্লেখ কৰিব বিচাৰো, কিন্তু এইখিনি মোৰ তথ্য নহয়, চৰকাৰে দিয়া তথ্যৰ পৰাই ক'ব বিচাৰিছো যে ২০২৩-২৪ চনত SOPD ত, বাজেটত ধাৰ্য্য আছিল ৫৪.৬৭ কোটি টকা। তাত আৱণ্টন দিছিল মাত্ৰ ৯.২১৩ কোটি টকা। RIDF ত বাজেটত ধাৰ্য্য আছিল ১৬৫.৩১ কোটি টকা কিন্তু তাত আৱণ্টন দিছিল মাত্ৰ ৯৬.৪০ কোটি টকা। অসম কৃষি বিশ্ববিদ্যালয়ৰ বাজেটত ধাৰ্য্য আছিল ৬০.৩১ কোটি টকা, কিন্তু আৱণ্টন হৈছে ২১.৪৯ কোটি টকা। অৰ্থাৎ বাজেটত ধাৰ্য্য ধন, চিলিং পোৱা আৰু ড্ৰ কৰা এমাউণ্টৰ পাৰ্থক্যই কয় বিভাগে কিমানখিনি কাম কৰিছে বা ন াই কৰা। আজি বহুখিনি আঁচনি এই বিভাগত আছে। সেই সমূহৰ পৰ্য্যালোচনা হ'ব লাগিছিল। আমি যদি মন কৰো প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা, খাৰিফ বজাৰ ঋতু, ধান ক্ৰয় আঁচনি, ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা অভিযান, ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা, উত্তৰ-পূৱ আৰু হিমালয় পাদদেশীয় ৰাজ্যসমূহৰ উদ্যান শস্য অভিযান, ৰাষ্ট্ৰীয় তৈল বীজ আৰু তৈল খেজুৰ, ৰাষ্ট্ৰীয় প্ৰকল্প মাটিৰ স্বাস্থ্য আৰু মাটিৰ উৰ্বৰতা পৰীক্ষা, পৰম্পৰাগত কৃষি বিকাশ যোজনা, ৰাষ্ট্ৰীয় মৌমাখি পালন অভিযান, অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপায়ন্তিতকৰণ প্ৰকল্প, কৃষি প্ৰযুক্তি ব্যৱস্থাপনৰ গ্ৰাম্য আন্তঃগাঁথনি পুঁজি এই গোটেইকেইটা আঁচনিত আমি বাজেটত কিমানখিনি পুঁজি ধাৰ্য্য কৰিছিলো আৰু প্ৰত্যেকটো আঁচনিত কিমান টকা চিলিং পাইছো আৰু কিমান টকা ড্ৰ কৰিছো এইখিনি ক'বলৈ নিশ্চয় সময় নহ'ব। কিন্তু ইয়াৰ পৰাই ধৰিব পাৰিম বিভাগ কিমানখিনি সফল বা বিফল হৈছে। এইখিনি তথ্য মোৰ হাতত আছে। কিন্তু সময়ৰ অভাৱৰ বাবে মই এই খিনিয়েই ক'ব পাৰিম যে এই প্ৰত্যেকটো শিতানত বাজেটত ধাৰ্য্য কৰা ধন এনেই কম। যিমান ধনৰ প্ৰয়োজন আছিল তাতকৈ কম আৱণ্টন দিছে। কিন্তু এই কমকৈ আৱণ্টিত ধনখিনি আমি ব্যৱহাৰ নকৰিলো আৰু চিলিঙো নাপালো। এই ক্ষেত্ৰত আমি বিভাগৰ উন্নয়ণ কেনেকৈ ক'ব পাৰো? সৰুকৈ মই কেইটামান কথা ক'ব বিচাৰিছো যে উৎপাদন বৃদ্ধিৰ বাবে যিবিলাক সাৰ ব্যৱহাৰ কৰা হৈছে, Assam Agriculture Marketing Board, Wholesealer, হিচাপে আছে, কোম্পানীক চাপ্লাই অৰ্ডাৰ Subsidy ৰেটত দিয়া হৈছে। কোম্পানীয়ে Assam Marketing Board ক দিয়ে, বোৰ্ডে ৰিটেইলাৰক দিয়ে। কোম্পানীয়ে আকৌ নিজাকৈ কিছুমান ৰিটেইলাৰ, ডিলাৰ স্থাপন কৰিছে যাতে ৰিটেইল ডিলাৰৰ জৰিয়তে কৃষকে নিবিচৰা কিছুমান উপাদান জোৰকৈ ৰাইজৰ মাজত বিক্ৰী কৰিব পাৰি। কিন্তু ৰিটেইলাৰ আৰু ৰিটেল ডিলাৰ একেই আৰু চাবচিডি বস্তুৰ ক্ষেত্ৰত কোম্পানীয়ে নিজেই ৰিটেইল ডিলাৰ নিযুক্তি দিব পাৰে। বিভাগৰ ভুল পলিচিৰ বিষয়ে আমি যদি কওঁ, তেওঁলোকে বিভিন্ন খেতি-পথাৰত STW ত সংস্থাপন কৰি আছে। এই STW ৰ সংস্থাপনৰ কাৰণে কোম্পানীক দায়িত্ব দিয়া হৈছে, কোম্পানীয়ে ইয়াৰ মেটেৰিয়েল যোগান ধৰিব। কিন্তু কোম্পানীৰ কোনো কৰ্মচাৰী গৈ এই বিধান সভাৰ বিধায়কৰ সমষ্টিত গৈ সংযোজনৰ কাম কৰা নাই। সেই সমষ্টিৰ কোনো ল'ৰাক চাব ঠিকাৰ কাম দিছে, চাব ঠিকা পোৱা সেই ল'ৰাই কাম কৰি কোম্পানীৰ পিছে পিছে ঘূৰি আছে। ৰাজসাহাৰ্য্য যুক্ত এনেকুৱা আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত বিভাগে কোম্পানীৰ পৰা মেটেৰিয়েল যোগান লোৱাৰ ক্ষেত্ৰত আমাৰ আপত্তি নাই। কিন্তু এই সৰু সৰু কামবিলাকত আমাৰ ল'ৰা-ছোৱালী সকলক নিয়োগ কৰাৰ সুযোগ থকাৰ পিছতো সেই ঠিকাৰ কাম কোম্পানীক

দিয়াৰ ফলত কৃষি বিভাগৰ কেতিয়াওঁ উন্নয়ণ হ'ব নোৱাৰে। FPO বা FPC গঠনৰ যি নিয়মাৱলী আছিল, যি স্বচ্ছতাৰ কথা কোৱা হৈছিল, এইক্ষেত্ৰত তাত এতিয়া কেৱল CEO জনে চৰকাৰী সা-সুবিধা লাভ কৰি আছে। কিন্তু তেওঁলোকে কৃষকসকলক মোবিলাইজ কৰা নাই, কৃষক সকলৰ পৰা একো কিনা নাই আৰু একো উৎপাদনো কৰা নাই। CEO জনে মাহিলি পঁচিশ হাজাৰ টকাৰ যি দৰমহা পায় বা FPO বা FPC এ চৰকাৰৰ পৰা এক দুই বছৰলৈ সুবিধা পোৱাৰ যি ব্যৱস্থা তেতিয়ালৈকে থাকিব, তাৰ পিছত FPO বা FPC ৰ অৱস্থা কি হ'ব? তাৰোপৰি, এই FPC বোৰৰ CEO বিলাক preferably স্থানীয় ল'ৰা হ'ব লাগে। মোৰ সমষ্টিত দেখা গৈছে যে কোকৰাঝাৰৰ ল'ৰা গোৱালপাৰা পশ্চিম সমষ্টিত CEO হৈ আছে। অৰ্থাৎ সেই ২৫০০০ টকা দৰমহা লোৱাৰ বাবে। গতিকে, এনেকুৱা ধৰণৰ আঁসোৱাহপূৰ্ণ ৰূপায়ণৰ ব্যৱস্থা কৰি গ'লে বিভাগৰ কেনেকৈ উন্নতি হ'ব পাৰে। এইখিনিকে কৈ কৰ্তন প্ৰস্তাৱৰ মই সম্পূৰ্ণ সমৰ্থন জনাই মোৰ ক'বলগীয়াখিনি কৈ শেষ কৰিছো।

**মাননীয় অধ্যক্ষঃ** শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)**: সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, মই বক্তব্য প্ৰদান কৰাৰ আগতে ভাৰতত সংযুক্ত কিষাণ মৰ্চাৰ নেতৃত্বত যি আন্দোলন চলি আছে, অসম বিধান সভাৰ এজন সদস্য হিচাপে, ভাৰতৰ কৃষকসকলৰ সেই আন্দোলনৰ প্ৰতি মই সমৰ্থন ব্যক্ত কৰিছো। তেখেতসকলৰ মূল দাবীসমূহ ক্ৰমে MSP, Pension, loan relief আৰু ২০২১ চনৰ শ্বহীদ কৃষকসকলৰ ক্ষতিপূৰণ, ন্যায় -এই আটাইকেইটা দাবীৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাইছো।

এতিয়া মূল বিষয়টোলৈ আহিছো। অসমৰ কৃষি বিভাগৰ আটাইতকৈ ডাঙৰ কামটো হ'ল বছৰৰ সকলো সময়তে খেতি পথাৰত খেতি কৰিব পৰা এখন অসমলৈ পৰিণত কৰা। আমি সকলোৱে জানো যে অসমত বেছিভাগ ঠাইতে বছৰত এবাৰ মাত্ৰ খেতি কৰা হয় আৰু এবাৰ খেতি কৰি পৃথিৱীৰ কোনো দেশ এতিয়ালৈকে ধনী হ'ব পৰা নাই। গতিকে, বছৰৰ সকলো সময়তে খেতি কৰিব পৰা ৰাজ্য হিচাপে পৰিণত কৰিবলৈ কৃষি বিভাগে বিশেষ একো কাম কৰিব পৰা নাই। মই মাত্ৰ এটা উদাহৰণ দেখুৱাই দিছো। Gross sown area মানে গোটেই বছৰটোত যিমান মাটিত চাহ কৰে, সেই Gross sown area ত ২০১৬-১৭ চনত আছিল ৪০ লাখ ৮৭ হাজাৰ হেক্টৰ। সেইটো ২০২০-২১ চনত কমি ৩৮ লাখ ৪৪ হাজাৰ হেক্টৰ হ'ল। তাৰ মানে অসমত Gross sown area ৰ পৰিমাণ কমিলে। অসমত জলসিঞ্চনৰ ক্ষেত্ৰত, Gross irrigated area এতিয়াও ১৭% বুলি কেইদিনমান আগত বিধান সভাত আমাক তথ্য দিয়া হৈছিল। শস্যৰ উৎপাদনৰ ক্ষেত্ৰত যদি চাওঁ, ২০১৭-১৮ চনত দাইল উৎপাদন ১,১৫, ৮০০ টন হৈছিল আৰু সেইটো ২০২২-২৩ চনত ৮১,৯০০ টনলৈ হ্ৰাস পালে। যেতিয়া বিজেপি চৰকাৰ আহিছিল, ২০১৭-১৮ চনত মুঠ খাদ্য শস্যৰ উৎপাদন ৫৫,২৫, ৯০০ টন আছিল। সেইটো কমি গৈ ২০২২-২৩ চনত ৫২,৩৫,১০০ টন হ'ল। তাৰ মানে ৩ লাখ টন কমিলে, বঢ়া নাই। ইয়াৰ পিছত, ২০১৭-১৮ চনত তৈল শস্যৰ উৎপাদন ২,০০,৬০০ টন হৈছিল আৰু এতিয়া ১,৯৮,২০০ টনহে তৈল শস্য উৎপাদন হয়। অৰ্থাৎ উৎপাদন সকলো ক্ষেত্ৰতে এটা এটাকৈ কমিছে। ২০১৭-১৮ চনত ৮,৬৩,৫০০ টন মৰাপাট উৎপাদন হৈছিল আৰু এতিয়া ৭,৯০,০০০ টনহে উৎপাদন হৈছে। ঠিক তেনেদৰে যদি চাঁও, আগতে ধান উৎপাদনৰ এলেকা ২৪,৩৩,৭০০হেক্টৰ আছিল, সেইটো ২০২২-২৩ চনত ২৬,১১,০০০ হেক্টৰ হ'ল। ইয়াতো ১ লাখ হেক্টৰতকৈ বেছি মাটি কমিহে গ'ল। এই সকলো ক্ষেত্ৰতে উৎপাদন কমি যোৱা দেখিছো। আনকি ধানৰ যি উৎপাদনশীলতা, যাক yield

বুলি কয়, সেই উৎপাদনশীলতা কমি গৈছে। ২০২০-২১ বৰ্ষত ১ হেক্টৰ মাটিত ২,২০৯ কিঃগ্ৰাঃ ধান উৎপাদন হোৱা দেখা গৈছিল, কিন্তু ২০২২-২৩ বৰ্ষত ২,১৫৫ কিঃগ্ৰাঃ ধান উৎপাদন হোৱা দেখা গৈছে। অৰ্থাৎ অসমত ধান উৎপাদন বৃদ্ধি পোৱা নাই। আমি দেখিছো সকলো খাদ্য শস্যৰে উৎপাদনশীলতা কমিছে। এই আটাইবোৰ ক্ষেত্ৰতে দেখিবলৈ পাইছো যে এই বিজেপি চৰকাৰখন অহাৰ পিছত এটা এটাকৈ উৎপাদন হ্ৰাস পাইছে। এই সময়খিনিত আৰু দুটা ঘটনা ঘটিছে। ২০১৮-১৯ বৰ্ষত আমাৰ এজন খেতিয়কৰ avearge income আছিল ১০,৬৭৫ টকা। কিন্তু সেই সময়ত আমাৰ ওচৰৰ মেঘালয়ৰ এজন খেতিয়কৰ avearge income ২৯,৩৪৮ টকা। তাৰ মানে আমাৰ ইয়াত খেতিয়কৰ টকা income একেবাৰে কম। আটাইতকৈ ডাঙৰ ঘটনা যিটো অসমৰ প্ৰত্যেক গৰাকী বিধান সভাৰ সদস্যই note কৰা উচিত বুলি মই ভাৱো যে কৃষকৰ আত্মহত্যাৰ ক্ষেত্ৰত, ২০১৯ চনত বিজেপি চৰকাৰ অহাৰ পিছত ২৬ জন কৃষকে এবছৰত আত্মহত্যা কৰিছিল, ২০২০ চনত ১২ জন আৰু ২০২১ চনত ১৫৩ জনলৈ বৃদ্ধি পাইছিল ......interruptions.....

**মাননীয় অধ্যক্ষঃ** Please conclude.

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** শেষত মই মাত্ৰ এটা তথ্য দি শেষ কৰিম। আমি সদায় শুনি আহিছো যে চৰকাৰে আমাৰ ৰাজ্যখনক ভাৰতবৰ্ষৰ ভিতৰত এক নম্বৰ ৰাজ্য হিচাপে গঢ়ি তুলিব। কিন্তু, এক নম্বৰ ৰাজ্য কৰিবলৈ যাওঁতে দেখিব যে ভাৰতবৰ্ষৰ ৩৪ খন ৰাজ্যৰ ভিতৰত cropping intensity ৰ ক্ষেত্ৰত অসমৰ স্থান ১৮ নম্বৰ, ধান উৎপাদনৰ ক্ষেত্ৰত ১২ নম্বৰ, ঘেঁহু উৎপাদনৰ ক্ষেত্ৰত ১৭ নম্বৰ, coarse cereal উৎপাদনৰ ক্ষেত্ৰত ২০ নম্বৰ, দাইল উৎপাদনৰ ক্ষেত্ৰত ১৫ নম্বৰ, total food grain উৎপাদনৰ ক্ষেত্ৰত ১৬ নম্বৰ, তৈলজাত বীজ উৎপাদনৰ ক্ষেত্ৰত ১৩ নম্বৰ, কুঁহিয়াৰ উৎপাদনৰ ক্ষেত্ৰত ১৫ নম্বৰ, মাংস উৎপাদনৰ ক্ষেত্ৰত ১৭ নম্বৰ, মাছ উৎপাদনৰ ক্ষেত্ৰত ১১ নম্বৰ, কণী উৎপাদনৰ ক্ষেত্ৰত ১৮ নম্বৰ, গাখীৰ উৎপাদনৰ ক্ষেত্ৰত ২১ নম্বৰ, মুঠ ফল-মূল উৎপাদনৰ ক্ষেত্ৰত ১৭ নম্বৰ, মুঠ শাক-পাচলি উৎপাদনৰ ক্ষেত্ৰত ১২ নম্বৰ আৰু মুঠ খাদ্য শস্য উৎপাদনৰ ক্ষেত্ৰত ১৫ নম্বৰ......interruptions.....

**মাননীয় অধ্যক্ষঃ** Please conclude. Next, Jadab Swargiary.

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** মই এটা কথা ক'ব বিচাৰিছো যে মই যিমানখিনি তথ্য দিছো আটাইখিনি Handbook of Statistics of Indian States, 2022-23 .... Not recorded as per direction of the Hon'ble Speaker....

**মাননীয় অধ্যক্ষঃ** Shri Jadab Swargiary.

**শ্ৰী যাদৱ স্বৰ্গীয়াৰী (দুধনৈ)ঃ** অধ্যক্ষ মহোদয়, ২০২৪-২৫ চনৰ কৃষিৰ কৰ্তন প্ৰস্তাৱৰ সপক্ষে মই দু-আষাৰ ক'ব বিচাৰিছো। কৃষি কাৰ্য্যৰ লগত জড়িত অসমৰ অৰ্থনৈতিক ব্যৱস্থা পোন প্ৰথমে আমি উল্লেখ কৰিব লাগিব। বিশেষকৈ আমাৰ ৰাজ্য তথা দেশৰ লগতে গোটেই এছিয়া বিখ্যাত কলৰ খেতি হয় দৰংগিৰি বজাৰত। এই বজাৰৰ আমাৰ কৃষকসকলৰ যিটো দুৰৱস্থা, সেই বিষয়ে মই কিছু কথা উল্লেখ কৰিব বিচাৰিছো। আপোনালোকে জানি সুখী হ'ব যে দৰংগিৰিত কলৰ যি বজাৰ আছে, তাত অহা খেতিয়কসকলৰ সৰহ সংখ্যক দুধনৈ সমষ্টিৰ অন্তৰ্গত। এই খেতিয়কসকলৰ প্ৰায় ৯০% জনগোষ্ঠীয় মানুহ। ব্যৱসায়িক ভিত্তিত দৰংগিৰিৰ আশে-পাশে, গোৱালপাৰা জিলাৰ প্ৰায় ৪ হাজাৰ খেতিয়ক এই খেতিৰ লগত প্ৰত্যক্ষ আৰু পৰোক্ষ ভাৱে জড়িত আছে। দৰংগিৰি বজাৰত থলুৱা ভাৱে যি কলৰ খেতি হয়, বিশেষভাৱে মালভোগ, চেনিচম্পা, জাহাজী, চাহেব, ভীম কল আদি, গড়ে প্ৰায় ২০০ মেট্ৰিক টনৰ পৰা ২৫০ মেট্ৰিক টন আৰু বছৰেকত ৮০ হাজাৰ

মেট্রিক টনৰ পৰা প্ৰায় ১ লাখ মেট্রিক টন কল উৎপাদন হয়। এই উৎপাদিত সামগ্ৰী আমাৰ নামনি অসমৰ গুৱাহাটীৰ লগতে বিহাৰ, পশ্চিমবঙ্গ, উত্তৰ প্ৰদেশৰ লগতে সময়ে সময়ে ভাৰতবৰ্ষৰ বাহিৰত ডুবাই আৰু নেপালতো দৰংগিৰি কল ৰপ্তানি কৰা হয়। অধ্যক্ষ মহোদয়, পৰিতাপৰ বিষয় এইটোৱে যে এই দুখীয়া খেতিয়কসকলৰ যিসকল অতি উচ্চ শিক্ষিত আৰু নিৰনুৱা খেতিয়কসকলে এই খেতিৰ লগত জড়িত হৈ আছে, এই খেতিত যদি আমি আৰু অধিক মনোনিৱেশ কৰিব পাৰো, বিশেষকৈ দৰংগিৰি কলৰ বজাৰ আছে, এই বজাৰখনত processing unit আৰু rapling unit যদি প্ৰৱৰ্তণ কৰিব পৰা যায়, তেতিয়াহ'লে অসমৰ কল খেতিয়ক সকলৰ লগতে আমাৰ অসমৰ অৰ্থনৈতিক উন্নয়ণ হ'ব। ইয়াৰ উপৰিও সেই অঞ্চলৰ খেতিয়কসকলে দীৰ্ঘদিনীয়া আবেদন নিবেদন কৰাৰ পাছতো আজিলৈকে তাত শীতৰ ভঁৰাল নিৰ্মাণ কৰা নহ'ল। গতিকে মাননীয় মন্ত্ৰী ডাঙৰীয়াই যোৱা ক'ভিডৰ সময়ত নিজে দৰংগিৰিৰ স্থানীয় কৃষকৰ লগত মত বিনিময় কৰিছিল। ইয়াৰ উপৰিও ২০২৩ চনৰ জুলাই মাহত অসমৰ ৰাজ্যপাল গোলাপ চান্দ কাটাৰীয়াও দুধনৈৰ দৰংগিৰিত কলৰ খেতিয়কসকলৰ লগত মত বিনিময় কৰিছিল। কিন্তু এই খেতিয়কসকলৰ বিশেষকৈ হাঁতীয়ে যিসকলৰ কলৰ খেতি ধ্বংস কৰে বা খায়, এইবিলাকৰ কাৰণে প্ৰধানমন্ত্ৰী ফচল বীমা বা শস্য বীমা আছে, কিন্তু তাৰ পৰা তেওঁলোক উপকৃত নহয়। মই এই কথাটো ক'ব বিচাৰিছো যে বিশেষকৈ ফৰেষ্ট এৰিয়াৰ আশে পাশে থকা যিখিনি ম্যাদী বা খাচ ভূমি আছে সেইসকলৰ হাঁতীৰ আক্ৰমনৰ বাবে যথেষ্ঠ অসুবিধা হৈছে। গতিকে কৰ্তন প্ৰস্তাৱৰ সমৰ্থনৰে মই মোৰ দুআষাৰ ইমানতে সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (কৰিমগঞ্জ উত্তৰ) ঃ** ছাৰ, মই দুই মিনিট ক'ব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** নালাগে। সময় নাই।

**শ্ৰী শ্বেৰমান আলী আহমেদ,(বাঘবৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ দুই মিনিট ক'ব লগা আছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। আপোনাক দুই মিনিট সময় দিয়া হৈছে।

**শ্ৰী শ্বেৰমান আলী আহমেদ,(বাঘবৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়,মই অতি চমুৱাই মোৰ সমষ্টিভিত্তিক কেইটামান কথা ক'বলৈ বিচাৰিছো। এক নম্বৰ, Paddy procurement.আমাৰ যিসমূহ অঞ্চলত ধান উৎপন্ন হয়, দেখা গৈছে যে বাঘবৰ সমষ্টিত কোনো Paddy procurement centre নাই। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ যাতে এই ধান উৎপন্ন হোৱা ঠাই সমূহত Paddy procurement centre যাতে দিয়া হয়। জিলা ভিত্তিত এখন সমিতি আছে আৰু আমি সেই সমিতিৰ সদস্য। কিন্তু জিলা আয়ুক্ত ডাঙৰীয়াই আজি দুবছৰ হ'ল কোনো বৈঠক পতা নাই। গতিকে এই মিটিংবোৰ যাতে regular হয়।

দ্বিতীয়তে, Agriculture ৰ পৰা যিবোৰ input দিয়ে, সেই input ৰ ক্ষেত্ৰত আপোনাৰ বিভাগৰ পৰা এখন চিঠি গৈছিল যে বিধায়ক সকলৰ এজনকৈ nominee থাকিব। আমি nominee দিলো। কিন্তু এতিয়া আকৌ দেখিছো যে nominee বিলাকৰ লগত consult নকৰাকৈ input দিয়ে। সেইটো যাতে আমাৰ public representative ৰ nominee সকলৰ লগত কথা পাতে।

তৃতীয়তে, Sub Divisional Agriculture Office, আলপটিত প্ৰায় ২০ জন মান কৰ্মচাৰী আছে। আগতে এই ঘৰটো বেয়া হৈ আছিল। এইবাৰ আপুনি ২৫ লাখ টকা

দিছে। মই আপোনাক অনুৰোধ কৰিছো যাতে ঘৰটো repairing হোৱাৰ পাছত functional কৰা হয়।

চতুৰ্থতে, মোৰ সমষ্টিত তিনিটা ADO circle আছে - মন্দিয়া, বাঘবৰ আৰু মইনবৰী। মইনবৰীত কোনো গোডাউন নাই। তাত প্ৰায় ১ লাখ মানুহ আছে। কিন্তু বস্তুখিনি দিয়া হয় কলগাছিয়াৰ পৰা। কলগাছিয়াৰ পৰা শেষৰটো গাওঁ পঞ্চায়ত চতলালৈ প্ৰায় ৬০ কিঃ মিঃ দূৰ এখন নদী পাৰ হ'ব লাগে। গতিকে মইনবৰীৰ পৰা চতলাৰ মাজত এটা agriculture godown দিব লাগে। ঠিক তেনেকৈ বাঘবৰ ADO circle ত agriculture godown নাই। চৰৰ মানুহে কৃষিৰ লগত জড়িত input খিনি লৈ যাবৰ কাৰণে খাজনাতকৈ বাজনাটো বেছি হৈ যায়। গতিকে আলপতিৰ পৰা কদমতলালৈ এই পাঁচটা পঞ্চায়ত মিলি এটা গোডাউন দিব লাগে আৰু বাঘবৰত এটা গোডাউন দিব লাগে। এই তিনিটা গোডাউন দিলেহে আমাৰ কৃষকসকল উপকৃত হ'ব।

ঠিক তেনেদৰে, সাৰৰ ক্ষেত্ৰত চৰৰ পৰা আহি সাৰবোৰ মন্দিয়াৰ পৰা নিব লাগে। তাৰ বাবে তেওঁলোকৰ প্ৰতি কুইন্টলত ১০০ টকা extra খৰছ হয়। গতিকে মাননীয় অধ্যক্ষ মহোদয়, আলপতিৰ পৰা কদমতলালৈ এই পাঁচটা পঞ্চায়তৰ সাৰৰ কাৰণে যাতে এটা গোডাউন দিয়া হয়।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ National Horticulture Mission ত বহুত ভাল ভাল আঁচনি আছে কিন্তু আমাৰ কৃষক সকলে এই বিষয়ে একো গমকে নাপায়। দেখা গৈছে যে কৃষি বিভাগৰ ADO বা গ্ৰাম সেৱক সকলে তেওঁলোকৰ কিছুমান চিনাকি মানুহ, বিশেষকৈ long pant পিন্ধা মানুহ, যিসকল আচলতে কৃষক নহয় তেওঁলোকক মাতি আনি সেই আঁচনি দিয়ে আৰু তাৰ বিনিময়ত তেওঁলোকে কিবা লয়। এই বিষয়ে মই আৰু বিশেষ একো নকওঁ, এই Horticulture Mission আঁচনি সমূহ আমাৰ বিধায়ক সকলৰ লগত আলোচনা কৰি বা বিধায়ক সকলৰ representative ৰ লগত আলোচনা কৰি যাতে দিয়া হয়। প্ৰকৃতাৰ্থত যাতে কৃষকসকল ফলপ্ৰসূ হয়।

শেষত মই ক'ব বিচাৰিছো যে APART ৰ অধীনত বহু আঁচনি লোৱা হৈছে। Market Development, ৰাস্তা-ঘাট development আদি। মোৰ বাঘবৰ সমষ্টি কৃষি প্ৰধান সমষ্টি। APART ৰ অধীনত তাত এটাও ৰাস্তা লোৱা হোৱা নাই। Market মাত্ৰ এটা লৈছে। মন্ত্ৰী মহোদয়ৰ হস্তক্ষেপত যাতে বাঘবৰতো দুই চাৰিটা ৰাস্তা পকী কৰিবলৈ লোৱা হয় আৰু দুই চাৰিটা মাৰ্কেট development কৰা হয়। সদৌ শেষত মাননীয় অধ্যক্ষ মহোদয়, আলপতিৰ পৰা কদমতলালৈ এই বৃহৎ অঞ্চল কৃষি উৎপাদনৰ এটা অতি গুৰুত্বপূৰ্ণ অঞ্চল। তাত ইমানে বস্তু উৎপাদন হয়, কিন্তু তেওঁলোকে বজাৰ মূল্য নাপায় কাৰণ মাজত এটা গেপ আছে। জলজলী নদীৰ ওপৰত এখন দলং লাগে। এইটো যদিও PWD ৰ under ত, মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো যাতে আপুনিও কৃষি বিভাগৰ স্বাৰ্থত যাতে জলজলী নদীৰ ওপৰত এটা দলং হয়, তাৰবাবে অনুৰোধ জনালো। প্ৰত্যেক বছৰে আপুনি জানে যে আলুৰ দাম তিনি চাৰি টকা হয়গৈ আৰু আমাৰ কৃষকে পেলাই দিবলগীয়া হয়। যোৱা বছৰ আপোনাৰ নিৰ্দেশত এটা প্ৰচেষ্টা চলিছিল যে APART ৰ অধীনত যাতে আলুখিনি কিনা হয়, কিন্তু শেষত গৈ সেইটো নহ'ল। আমাৰ অসমত যিটো APART ৰ centre আছে, সেইটো most inactive.মই

মন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ যাতে অকল আলুয়ে নহয়, ৰঙালাউ, কেচা জলকীয়া এই বস্তুবিলাক APART ৰ অধীনত কিনি export কৰিব পাৰো তেনেহ'লে আমাৰ দেশৰ অৰ্থনীতিও ভাল হ'ব, foreign exchange ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী কমলাক্ষ দে পুৰকায়স্থ। আপোনাক দুই মিনিট সময় দিছো।

**শ্ৰী কমলাক্ষ দে পুরকায়স্থ(বিধায়ক)ঃ**-- মাননীয় অধ্যক্ষ মহোদয়, আমি কৃষি বিষয়ে দু'একটি কথা বলতে চাই। অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রীকে আমি যেভাবে সম্মান করি উনার মানসিকতাকে আমি আরোও দশগুন বেশি সম্মান করি। অধ্যক্ষ মহোদয়, এজন্য একথা বলছি কারণ ১৯৬২ খৃষ্টাব্দে এই 'এমএসপি' আইন কেন্দ্রীয় সরকারে গৃহীত হয়। অধ্যক্ষ মহোদয়,দুঃখজনক ব্যপার এবং লজ্জা হচ্ছে আজ এই কথাগুলো বলতে আজ আমার সঙের বিধায়করা এই কথাগুলো বলছেন। ২০০১ থেকে ২০১৬ অবধি কার সরকার ছিল সেটা জানা। আমি ২০১১ থেকে ২০১৬ অবধি বিধায়ক ছিলাম। 'এমএসপি' তে কতটুকু চাল প্রকিউর করা হয়েছে, কতটুকু ধান প্রকিউর করা হয়েছে আমি কোনদিন শুনিনি। এই প্রথমবার বর্তমান মুখ্যমন্ত্রীর সময় শুনতে পেলাম যে টার্গেট দিয়ে ধান কেনা হয়। এটা ইতিহাস অধ্যক্ষ মহোদয়। আজ ওনারা ধানের প্রকিউরমেন্টের কথা বলছেন যাতে ধান আরো বেশি প্রকিউর করা হয়। তখন আপনারা কোথায় ছিলেন ? ২০০১ থেকে ২০১৫ অবধি কোথায় ছিলেন ? এর আগে যখন বার বার আপনাদের সরকার ছিল আপানারা কোথায় ছিলেন ? আজ আমি বেশি সমালোচনা করছি না। শুধু বলতে চাই আপানারা পজেটিভ ওয়েতে বলুন এভাবে বলছেন যে মুখ্যমন্ত্রী কোন কাজ করেননি। প্রধানমন্ত্রী কোন কাজ করেননি। আজ কৃষকদের জন্য যে পরিবেশ সৃষ্টি হল আপনারা ধন্যবাদ জানান। আপনারা এখানে বসে কথা বলতে পারছেন যে এগুলো করা হোক, সেগুলো করা হোক। মুখ্যমন্ত্রীর বিচক্ষনতায় যে পরিবেশ সৃষ্টি করা হল যে বাতাবরণ সৃষ্টি করা হল আমি ধন্যবাদ জ্ঞাপন করছি, আমি শুভেচ্ছা জানাচ্ছি। সঙে আমি আমার ভাইদেরকে বলতে চাই আমরা গরুখুঁটি থেকে বেরিয়ে এসে যদি চিন্তা করতে পারি তাহলে ভালো হবে। আমাদের গরুখুঁটি র প্রতি প্রেম বেশি হয়ে গিয়েছে। আমি চাই মুখ্যমন্ত্রীর সঙে কথা বলে সেই সমস্যার সমাধান হোক। এভাবে ওয়াকআউট করে আমরা সমস্যার সমাধান করতে পারবনা। মুখ্যমন্ত্রীর সঙে আলোচনা সাপেক্ষে সেটা সমাধান করা হোক। এবং তার সঙে আমি একটি পরামর্শ দেব আমাদের বর্তমান সরকারের কাছে যে স্থানীয় সুপারি নিয়ে আমাদের মুখ্যমন্ত্রী খুব কনসার্ন। মুখ্যমন্ত্রী যেভাবে মন্ত্রীদেরকে পাঠিয়েছেন অর্থাৎ সেটাও আমাদের একটা ব্যবসার উৎস। সে ব্যাপারে পজেটিভ ওয়েতে যাতে কাজ করা যায় সেই আশা রেখে সবাইকে ধন্যবাদ জানিয়ে এবং একটি কথা বলব আপনারা সরকারের বিরোধিতা করতে করতে কৃষকের বিরোধিতা করবেন না। আপনারা সরকারের বিরোধিতা করতে করতে দেশের বিরোধিতা করবেন না। এই পরিবেশ, এই বিধানসভার বিরোধিতা করবেন না। সবাইকে ধন্যবাদ জানিয়ে আমার বক্তব্য শেষ করছি।

**মাননীয় অধ্যক্ষ** ঃ আমাৰ দুই বজালৈকে আছিল, কিন্তু উত্তৰ আৰু কৃষি শেষ হোৱালৈকে আমি extension কৰিছো।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বাজেট অধিবেশনত কৃষি বিভাগৰ গ্ৰাণ্ট নং ৪৮ ৰ অধীনত মুঠ ২৩২৮৪৩৬৭০০০ টকা কৰ্তন প্ৰস্তাৱ উত্থাপন কৰাৰ বাবে বিৰোধী দলৰ সন্মানীয় দলপতি দেৱব্ৰত শইকীয়া ডাঙৰীয়া আৰু বিৰোধী দলৰ অন্যান্য সদস্য সকলক মই ধন্যবাদ জনাইছো আৰু এই কৰ্তন প্ৰস্তাৱত মাননীয় ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়া, ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া, মজিবুৰ

ৰহমান ডাঙৰীয়া, দিগন্ত কলিতা ডাঙৰীয়া, ভাস্কৰ বৰুৱা ডাঙৰীয়া, ভবেন্দ্ৰ নাথ ভড়ালী ডাঙৰীয়া, পৰমানন্দ ৰাজবংসী ডাঙৰীয়া, আব্দুল বাতিন খন্দকাৰ ডাঙৰীয়া, গোবিন্দ চন্দ্ৰ বসুমতাৰী ডাঙৰীয়া, আমিনুল ইছলাম ডাঙৰীয়া, দুৰ্গাদাস বড়ো ডাঙৰীয়া, খলিলউদ্দিন মজুমাদাৰ ডাঙৰীয়া, গনেশ কুমাৰ লিম্বু ডাঙৰীয়া, মনোৰঞ্জণ তালুকদাৰ ডাঙৰীয়া, অমিয় কুমাৰ ভূঞা ডাঙৰীয়া, আব্দুৰ ৰশিদ মণ্ডল ডাঙৰীয়া, অখিল গগৈ ডাঙৰীয়া, যাদৱ স্বৰ্গীয়াৰী ডাঙৰীয়া, শ্বেৰমান আলী আহমেদ ডাঙৰীয়া আৰু শেষৰ জন বক্তা আছিল কমলাক্ষ দে পুৰকায়স্থ, মই বিশেষ ভাৱে কমলাক্ষ দে ক ধন্যবাদ জনাইছো আৰু সকলোকে বিশেষ ভাৱে ধন্যবাদ জনাইছো। Special thanks দিছো কমলাক্ষ দে ক।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ, ধিং)** ঃ Reply টো কমালক্ষ দে পুৰকায়স্থক দিবলৈ দিয়ক আপুনি কষ্ট কৰিব নালাগে।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী)** ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ সবল দুৰদৰ্শী নেতৃত্বত অসমত এক প্ৰজেশ্য কৰ্মসংস্কৃতি আৰু কৰ্মচঞ্চলতাৰ সূচনা হৈছে। আজিৰ দিনটোত এটা কথা সাতসতুৰেও স্বীকাৰ কৰিবলৈ বাধ্য হৈছে যদিও আজি বিৰোধী পক্ষৰ সন্মানীয় সদস্য সকলে কৰিব লাগে কাৰণে কৰিছে কিন্তু মই দেখিছো যে তাৰে কিছুমান সেই সকলৰ মাজৰে কেইবা গৰাকীয়ে মুকলি ভাৱে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক নিসংকোচে প্ৰসাংশা কৰিছে, চৰকাৰৰ কাম-কাজক প্ৰসংশা কৰিছে। আজিৰ দিনটোত সাতসতুৰেও এটা কথা স্বীকাৰ কৰিবলৈ বাধ্য যে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত আমাৰ চৰকাৰ খনৰ কাৰ্যকালত ৰাজ্য খনত সৰ্বদিশতে যি অভূতপূৰ্ব উন্নয়নৰ ধাৰা বৈছে সেয়া অভিলেশ। স্বৰাজযুক্তৰ কালত ৰাজ্যখনৰ কোনো এখন চৰকাৰৰ আমোলত এনে ধৰণৰ উন্নয়ন হোৱা নাছিল। সেই কথা আমি বহলাই ব্যখ্যা কৰাৰ প্ৰয়োজন নাই। এই উন্নয়নৰ যি গতি সেই গতিৰ অন্ততম অংশীদাৰ হৈছে অসম চৰকাৰৰ কৃষি বিভাগ। যাৰ জৰিয়তে ৰাজ্যখনৰ লক্ষ লক্ষ কৃষক আজি ভাৱিব নোৱাৰা ধৰণৰ উপকৃত হৈছে। মই ধন্যবাদ জনাইছো শাসক পক্ষৰ সদস্য সকলক, তেখেত সকলে কিছু পৰামৰ্শ আমাক দিছে, বিৰোধী পক্ষৰ পৰাও আহিছে, ভৱিষ্যতৰ দিনত নিশ্চয় যি খিনি সম্ভৱ হয় সেই পৰামৰ্শ খিনি আমি কাৰ্যকৰী কৰিবলৈ আমি চেষ্টা কৰিম। মাননীয় মুখ্যমন্ত্ৰীৰ সপোন যে আমাৰ ৰাজ্য খন দেশৰ ৫ খন অগ্ৰাসী ৰাজ্যৰ তালিকাত অন্তভূক্ত কৰিব লাগে আৰু সেই বাবে মুখ্যমন্ত্ৰীয়ে অন্যান্য খণ্ডৰ লগতে কৃষি আৰু আনুসংগিক খণ্ডৰ বিকাশত অগ্ৰধীকাৰ ভিত্তিত গুৰুত্ব আৰোপ কৰিছে। ইয়াৰ ফলশ্ৰুতিতে অসমৰ যুৱশক্তিয়ে কৃষি খণ্ডৰ মাজেৰে জীৱন আৰু জীৱিকাৰ সন্ধান কৰিবলৈ ওলাইছে। আপোনালোক সকলোৱে জানে দশকৰ পিছত দশক ধৰি অৱহেলীত কৃষক ৰাইজক মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ উদ্দ্যোগত যথোচিৎ সন্মান পদোৰ্পনৰ লগতে ৰাজ্যখনত প্ৰথম বাৰৰ বাবে কৃষক ৰাইজক প্ৰথম শ্ৰেণীৰ নাগৰিক হিচাপে স্বীকৃতি প্ৰদানৰ এক উজ্জ্বল ধাৰা আৰম্ভ হৈছে। এনে ব্যক্তিক অসম গৌৰৱ আদিৰ দৰে সন্মানীয় বটা প্ৰদান কৰাতো এটা উদাহৰণ। কৃষি বিভাগে যিবোৰ সা-সুবিধা আগবঢ়াইছে এই সাসুবিধা আগবঢ়োৱা এগৰাকী এই আঁচনিৰ সুবিধা গ্ৰহণ কৰা এগৰাকী ব্যতিক্ৰমি কৃষক হিচাপে চিনাকী দিবলৈ সক্ষম হোৱা চিৰাং জিলাৰ কৃষক সৰ্বেশ্বৰ বসুমতাৰীলৈ ভাৰত চৰকাৰে সন্মানীয় পদ্মাশ্ৰী সন্মান যাচাৰ লগতে নাৰী শক্তিৰ প্ৰতিক লিম্বু ডাঙৰীয়াই উল্লেখ কৰি গৈছিল শোনিতপুৰ জিলাৰ জয়মতী কৃষক উৎপাদন সমিতিক ৰাষ্ট্ৰীয় অটল গৌৰৱ সন্মানেৰে আজি বিভোশিত কৰা হৈছে। আমি ভাৱো যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত আৰম্ভ হোৱা কৃষি ভিত্তিক অসমৰ এই ৰূপন্তৰ যাত্ৰাক দল মত নিৰ্বিশেষে আমি সকলোৱে আদৰণি জনোৱাৰ লগতে আমাৰ সকলোৰে

খাদ্য সুৰক্ষা নিশ্চিত কৰা কৃষক ৰাইজৰ প্ৰতি কৃতজ্ঞ হোৱা উচিত। যিটো সময়ত বিৰোধীয়ে কৰ্তন প্ৰস্তাৱ আনিছে সেই সময়ত আমি দেখিছো যে কেন্দ্ৰীয় চৰকাৰে আৰু বেলেগ বেলেগ ৰাষ্ট্ৰ সমূহে কৃষি খণ্ডৰ বাবে আৱন্টন কৰা পুঁজিৰ পৰিমাণ বৃদ্ধি কৰিছে। কাৰণ বিশ্বজুৰি কৃষি খণ্ড সংকতৰ গৰহাত পৰিছে। জলবায়ু পৰিবৰ্তন এটা ডাঙৰ চেলেঞ্জ। ক্ৰমবৰ্দ্ধমান জনসংখ্যা বৃদ্ধিৰ বিপৰীতে ক্ৰমহাসমান কৃষিভূমি আৰু ক্ৰমহাসমান কৃষি ভূমিত অধীক শস্যৰ উৎপাদনৰ প্ৰত্যাহ্বান আৰু কৃষি ভূমিৰ উৰ্ব্বৰতা হ্ৰাস। কাৰণ বিভিন্ন ৰাষ্ট্ৰই, বিভিন্ন ৰাজ্যই অধিক উৎপাদনৰ বাবে অতিমাত্ৰা ৰাসায়নিক সাৰ আৰু কীটনাশক ঔষধ ব্যৱহাৰ কৰাৰ কাৰণে মাটিৰ গুণাগুণ কমি গৈছে। মাটিৰ যি গুণ যি fertility কমিছে, এনে সংকতৰ মোকাবিলা কৰিবৰ কাৰণে আচলতে বৰ্দ্ধিত পুঁজিৰ আৱন্টনৰ বিকল্প নাই। আমি সকলোৱে জানো যে আমাৰ ৰাজ্য খনৰ কৃষক সকল হৈছে শুদ্ৰ আৰু ৰূপান্তৰ কৃষক আৰু আমাৰ কৃষক সকলে প্ৰতিবছৰে বানপানী, খৰাং, গৰাখহনীয়া, পোতপতংগৰ আক্ৰমণ আদি প্ৰাকৃতিক দুৰ্যোগত জৰ্জৰীত হয় আৰু সেই ৰাজ্যৰ বাজেট কৰ্তন প্ৰস্তাৱ কোনো পক্ষে গ্ৰহণ যোগ্য হব নোৱাৰে। অৱশ্যে আজি সদনত বহু সদস্যই কৃষি খণ্ডলৈ বহু আমোল পৰিৱৰ্তন আনিব পৰা বহু পৰামৰ্শ আগবঢ়াইছে তাৰ বাবে তেখেত সকলক বিশেষ ধন্যবাদ জনাইছো আৰু কৃষি খণ্ড উন্নয়নৰ কাৰণে যিমানখিনি সম্ভৱ হয় মই ইতিমধ্যে উল্লেখ কৰি গৈছো যে সেইখিনি কৰিবলৈ আমাৰ চেষ্টা অব্যাহত থাকিব। অসমৰ অৰ্থনীতি ঘাইকৈ কৃষিভিত্তিক ৰাজ্য খনৰ ৭০ শতাংশতকৈ অধিক জনসাধৰণৰ জীৱন আৰু জীৱিকা নিৰ্ভৰ কৰিছে কৃষি খণ্ডৰ ওপৰত। ২০১৫-১৬ চনৰ কৃষি পিয়ল অনুসৰি ৰাজ্যখনৰ মুঠ জনসাধৰণৰ ২৭.৪২ লাখে হ'ল কৃষিজীৱি পৰিয়াল। সুখৰ কথা যে চৰকাৰী প্ৰয়াস আৰু আমাৰ এই বৃহৎ সংখ্যক ৰূপান্তৰ আৰু ক্ষুদ্ৰশ্ৰেণীৰ কৃষকৰ সন্মীলিত প্ৰচেষ্ঠাত ৰাজ্যখনৰ মুঠ ঘৰুৱা আয়লৈ শস্য উৎপাদনৰ বৰঙণি যথেষ্ট বৃদ্ধি পাইছে। সন্মানীয় সদস্য অখিল গগৈ ডাঙৰীয়াই কিছুমান তথ্য দিছে ক'ত তথ্যবিলাক বিচাৰি পাইছে আমি নাজানো, সেই তথ্যবিলাক কিন্তু আমাৰ হাতত নাই। সন্মানীয় সদস্য গৰাকীয়ে সদনৰ মজিয়াত ডাঙৰ ডাঙৰ কথা কয়, মই বেয়া নাপাও কাৰণ তেখেতে এটা বৃহৎ সংগঠনক নেতৃত্ব দিছিল। তেতিয়া সেই কৃষকৰ স্বাৰ্থৰ পৰিবৰ্তে সেই সময়ত অন্যান্য বিষয় বিলাকতে লাগি আছিল। কিন্তু এতিয়া মই ভাৰিছো যে তেখেতৰ Attention draw কৰা ইয়াত বিভিন্ন ধৰণৰ কৌশল বিভিন্ন সময়ত অৱলম্বন কৰিছে। আজিও তেনে কেতবোৰ কথা ইয়াত কৈছে। মই ভাবিছো এই বিলাক attention draw কৰিবলৈ কৈছে। কাৰণ ৰাজনীতি এৰিলেও তেখেতৰ বিশেষ সমস্যা নহয়। কাৰণ অন্তঃত attention draw কৰাৰ কোচিং চেন্টাৰ খুলি হলেও কৰবাত ভালকৈ চলিব পাৰিব। তেখেতৰ বিশেষ অসুবিধা নহয়। সেই কাৰণে মই গুৰুত্বও নিদিও। জি এচ ডি পি লৈ কৃষিখণ্ডৰ বৰঙনি যথেষ্ট, চৰকাৰী প্ৰয়াস আৰু বৃহৎসংখ্যক উপান্ত আৰু ক্ষুদ্ৰ শ্ৰেণীৰ কৃষকৰ সন্মিলিত প্ৰচেষ্টাত ৰাজ্যখনৰ মুঠ ঘৰুৱা আয়লৈ শস্য উৎপাদনৰ বৰঙণি যথেষ্ট বৃদ্ধি পাইছে। ২০২০-২১ বৰ্ষৰ তথ্য অনুসৰি এই বৰঙণি ২৫ লাখ ২২ হাজাৰ ৬ ৯৫ টকালৈ বৃদ্ধি পাই ২০২১-২২ বৰ্ষৰ provisional estimate অনুসৰি ২৮ লাখ ৩ হাজাৰ ৮৩৯ টকালৈ বৃদ্ধি পাব বুলি অনুমান কৰা হৈছে। শতাংশৰ হিচাপেৰে এই বৃদ্ধিৰ হাৰ ১১.১৪ শতাংশ। বিগত বছৰ সমূহৰ তুলনাত ২০২৩-২৪ বিত্তীয় বৰ্ষত ব্যবহৃত পুঁজিৰ পৰিমান উল্লেখযোগ্য ভাবে বৃদ্ধি পাইছে। ২০২২-২৩ বিত্তীয় বৰ্ষত কেন্দ্ৰীয় আঁচনিৰ অধীনত পুঁজি ব্যৱহাৰৰ শতকৰা হাৰ আছিল ৫৭.৮১ শতাংশ। কিন্তু ইয়াৰ বিপৰীতে ২০২৩-২৪ বিত্তীয় বৰ্ষত কালিলৈকে ২০ ফেব্ৰুৱাৰী ২০২৪ লৈকে কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিৰ অধীনত পুঁজি ব্যৱহাৰৰ শতকৰা হাৰ হ'ল ৬২.৯৯ শতাংশ। কৃষি বিভাগে

ৰূপায়ন কৰি থকা আঁচনি সমূহৰ অধিক সংখ্যকেই কেন্দ্ৰীয় চৰকাৰৰ আঁচনি. যিহেতু ২০২৩-২৪ বিত্তীয় বৰ্ষত কেন্দ্ৰীয় চৰকাৰৰ আঁচনি সমূহৰ ৩য় আৰু ৪ৰ্থ কৃষ্টিৰ ধন কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে মুকলি কৰি দিয়াৰ বাবে অনুমোদন জনাইছে। সেয়েহে অসম চৰকাৰৰ অনুমোদিত বাজেট অবিহনে কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ ধন ব্যয় কৰাটো সম্ভৱ নহয়, আৰু সেয়েহে ৰাজ্যখনৰ কৃষকৰ বৃহত্তৰ স্বাৰ্থত কৃষি বিভাগে গ্ৰান্ট নং ৪৮ৰ অধীনত ২০২৪-২৫ বিত্তীয় বৰ্ষত ২৩২৮৪৩.৪৭ লাখ টকাৰ মঞ্জুৰীৰ প্ৰস্তাৱ দাখিল কৰিছিল। মাননীয় অধ্যক্ষ মহোদয়, ৰপ্তানিকেন্দ্ৰিক কৃষিৰ বিকাশ সাংঘাটিক ধৰণেৰে বৃদ্ধি পাইছে। স্বনিয়োজনৰ বাবে নতুন প্ৰজন্ম শিক্ষিত যুৱক-যুৱতী এই খণ্ডৰ লগত জড়িত হৈ পৰিছে। আমাৰ ৰাজ্যখনৰ কৃষক ৰাইজৰ আৰ্থ সামাজিক স্থিতি আৰু সামাজিক সন্তেলন ঘাইকৈ নিৰ্ভৰ কৰি আহিছে, কৃষিখণ্ডৰ ওপৰত। মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰমোডী ডাঙৰীয়াই কৈছে, we will link Farmers to global markets. we will give the world the taste of India. আৰু সেই পথেৰে আগবাঢ়ি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পৰামৰ্শ মৰ্ম্মে আমাৰ কৃষক ৰাইজে উৎপাদন কৰা জহা চাউল, কোমল চাউল, ভোটজলকীয়া, লিচু, নেমুটেঙা আদিৰ সোৱাদ আজি বিশ্বৰ বিভিন্ন দেশৰ উপভোক্তাই পাবলৈ সক্ষম হৈছে। শেহতীয়াভাবে ৰাজ্যখনৰ যুৱপ্ৰজন্মই কৃষি আৰু উদ্দান শস্য খণ্ডৰ মাজেৰে স্বনিয়োজনৰ পথ মুকলি কৰিবলৈ আগবাঢ়ি আহিছে। আমাৰ কৃষিখণ্ডত যুৱশক্তিৰ অংশগ্ৰহণ আৰু বিভিন্ন আঁচনিৰ জৰিয়তে কৃষি ৰপ্তানিৰ ওপৰত আৰোপ কৰা গুৰুত্বৰ ফলতেই বিগত ৩ টা বছৰত কৃষিৰ ৰপ্তানিৰ পৰিমান ২৫০ শতাংশ বৃদ্ধি পাইছে। ২০২৩ চনৰ জানুৱাৰী মাহৰ পৰা আগষ্ট মাহৰ ভিতৰত মুঠ ১১৮৫ কোটি টকা মুল্যৰ ৪৯ হাজাৰ ৯০ মেট্ৰিকটন কৃষি আৰু আনুসংগিক সামগ্ৰী ৰপ্তানি হৈছে। ইয়াৰ ভিতৰত আছে, চাহ, তিল, মৰাপাট , মাকৈ, নেমুটেঙা, পাণ-তামোল, কঁঠাল, আনাৰস, লেতেকু, আদা-হালধি বিভিন্ন ফলমুল শাক-পাচলি ইত্যাদি। এই কৃষিজাত পণ্য সমূহ বিশ্বৰ বিভিন্ন স্থান যেনে লণ্ডন, বাৰ্মিংহাম, ইটালী, ফ্ৰান্স, ফ্ৰেং,ক ৰ্ফুট, চৌডি আৰবীয়া, ডুবাই কাটাৰ আদিলৈ ৰপ্তানি কৰা হৈছে। যোৱা ১৮ আৰু ১৯ ফেব্ৰুৱাৰী ২০২৪ তাৰিখে Bokakhat Agro Organic Producers Company Ltd.নামৰ এটা FPC য়ে তামিলনাডু আৰু কেৰেলালৈ২১ মেট্ৰিকটন কলা ধান প্ৰেৰণ কৰিছে, আৰু এই সপ্তাহৰ ভিতৰতে ১৯ মেট্ৰিকটন কলা ধান FPC টোৱে ৰাজ্য দুখনলৈ প্ৰেৰণ কৰিব। ২০২২-২৩ বিত্তীয় বৰ্ষত অসমৰ পৰা চাহপাতকে ধৰি প্ৰায় ৪ হাজাৰ কোটি টকাৰ মুল্যৰ কৃষি জাত সামগ্ৰী বিদেশলৈ ৰপ্তানি হৈছে। আনহাতে ২০২৬-২৭ বৰ্ষত অসমৰ পৰা হ'বলগীয়া কৃছি ৰপ্তানিৰ পৰিমান ১০ হাজাৰ কোটি টকা স্পৰ্শ কৰিব বুলি Federation of Indian Export Organization য়ে প্ৰকাশ কৰিছে। APEDA য়ে প্ৰকাস কৰা তথ্য ্ অনুসৰি বিগত ৬ টা বছৰত অসমৰ পৰা যোৱা কৃষি ৰপ্তানি ৮৫ শতাংশলৈ বৃদ্ধি পাইছে। কৃষি আৰু ইয়াৰ সহযোগী খণ্ড সমূহৰ বিকাশৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ আত্মনিৰ্ভৰ অসম গঢ়াৰ এয়া এক উজ্বল চানেকী। মাননীয় অধ্যক্ষ মহোদয়, শেহতীয়াভাবে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ৰাজ্যখনৰ যুৱক যুৱতী সকলক উদ্যোগীক ক্ষেত্ৰখনলৈ আকৰ্ষণ কৰাৰ উদ্যোগ লৈছে। এই অাঁচনিৰ জৰিয়তে অহা দুটা বছৰত ২ লাখ যোগ্য হিতাধিকাৰীক লক্ষ্য কৰি লোৱা হৈছে। দুটা কৃষ্টিত ২ লাখ টকা অৰ্থবা, ৫ লাখ টকা আৰ্থিক সাহ্যৰ্য্য আগবঢ়োৱা এই অভিলাসি আঁচনিখনৰ জৰিয়তে আন আন সকলৰ লগতে কৃষি স্নাতক, পশু চিকিৎসক, মীন স্নাতক, অভিযন্তা, এম বি বি এচ ডিগ্ৰী ধাৰী সকলেও উদ্যোগ স্থাপনৰ বাবে বিত্তীয় সাহাৰ্য্য লাভ কৰিব। এই আঁচনি খনৰ সুবিধালাভ কৰাৰ বাবে এতিয়ালৈকে কৃষি আৰু উদ্যান শস্য শাখাত প্ৰায়

৫ হাজাৰ আৰু মীন খণ্ডত প্ৰায় ১৭ হাজাৰ আবেদনকাৰীয়ে নিজৰ নাম পঞ্জিয়ন কৰিছে। আমাৰ বাবে এয়া সুখৰ খবৰ। অধ্যক্ষ মহোদয়, কৃষি বিভাগে যি সমূহ ক্ষেত্ৰত অগ্ৰাধিকাৰ ভিত্তিত গুৰুত্ব দি ৰাজ্যখনৰ কৃষি খণ্ডত এক পৰিবৰ্তনৰ জোৱাৰ আনিবলৈ সক্ষম হৈছে, তাৰ ভিতৰত আন্তঃগাঠনি অন্যতম। ইয়াৰ উপৰিও আমি বিযেশভাবে গুৰুত্ব দিছো crop-diversification ওপৰত। এতিয়া অখিল গগৈ ডাঙৰীয়াই কৈছে দাইল উৎপাদন কমিছে, এইটো উৎপাদন কমিছে, সেইটো উৎপাদন কমিছে। মাননীয় অধ্যক্ষ মহোদয় আমি এইটো গুৰুত্ব দিছো যে বাণিজ্যিক মুল্য থকা খেতিত। বাণিজ্যিক মুল্য থকাখেতিত আমি গুৰুত্ব দিছো আৰু আমাৰ ৰাজ্যখনৰ প্ৰায় ১০ লাক হেক্টৰ কৃষিভূমি শালি ধান চপোৱাৰ পিছত চন পৰি থাকে। এই ১০ লাখ হেক্টৰ কৃষিভূমিৰ ভিতৰত প্ৰায় ৬ লাখ হেক্টৰ কৃষিভূমিৰ অধিকাংশতেই জলসিঞ্চনৰ সুবিধা আছে, আৰু কিছু পৰিমানৰ কৃষিভূমিত স্বাভাৰিকতে soil moisture ৰ পৰিমানটো অধিক। আৰু এই ৬ লাখ হেক্টৰ কৃষিভূমিত বছৰটোত দুটা বা তাতকৈ অধিক খেতি কৰি উৎপাদনৰ নিশ্চিত স্থলীলৈ পৰিবৰ্তন কৰাৰ বাবে বিভাগে অগ্ৰাধিকাৰ ভিত্তিত কাম কৰি আছে। ২০২৬-২৭ বৰ্ষৰ ভিতৰত অতিৰিক্তভাবে মুঠ ৪ লাখ হেক্টৰ কৃষিভূমিত সৰিয়হৰ খেতি, ১,৬৩লাখ হেক্টৰ কৃষিভূমিত মাহজাতীয় শস্য আৰু ১.৪৬ লাক হেক্টৰ কৃষিভূমিত মাকৈ খেতি কৰাৰ বাবে বিভাগে বিভিন্ন আঁচনি লৈছে। সন্মানীয় কেইবাগৰাকী সদস্যই মাকৈ ওপৰত উল্লেখ কৰি গৈছে। আমি ফ'ডাৰ মিশ্যনো লৈছো, মাকৈ কাল্টিভেশ্যনৰ ওপৰত আমি area expansion য়ো কৰিছো। ২০২৩-২৪ এই দুটা বছৰত মুঠ ১ লাখ ৭৭ হাজাৰ হেক্টৰ কৃষিভূমিত সৰিয়হ,৬৫ হাজাৰ হেক্টৰ কৃষিভূমিত মাহজাতীয় শস্য খেতি কৰা হৈছে। ২০২২-২৩ বৰ্ষত অতিৰিক্ত ভাবে ৩৫ হাজাৰ হেক্টৰ কৃষিভূমি মাকৈ খেতিৰে সামৰি লোৱা হৈছে। একেদৰে আলুখেতিৰ ক্ষেত্ৰত কৃষিভূমিৰ সম্প্ৰসাৰম আঁচনিৰ জৰিয়তে মুঠ ৫ হাজাৰ হেক্টৰ কৃষিভূমি অতিৰিক্ত ভাবে সামৰি লোৱা হৈছে। APART ৰ সহযোগত এতিয়ালৈকে ৰাজ্যখনত ৪ লাখ ৫০ হাজাৰ হেক্টৰ কৃষিভূমিত প্ৰতিকুল জলবায়ু সহনশীল ধানৰ জাত যেনে বাহাদুৰ চাব-১, ৰঞ্জিত চাব-১ , স্বৰ্ণ চাব-১, বীনা ধান -১১ আদিৰ দৰে ধানৰ জাতৰ খেতি কৰা হৈছে। ৪০ হেক্টৰ কৃষিভূমিত GI tag বিশিষ্ট তেজপুৰ লিচুৰ সম্প্ৰসাৰণৰ কাম সম্পুৰ্ণ হৈছে। মাননীয় অধ্যক্ষ মহোদয় যোৱা সময়ছোৱাত আমাৰ কাৰ্য্যকালতে ১ লাখ ৭০ হাজাৰ কৃষি যন্ত্ৰপাতি আমি কৃষকৰ মাজত বিতৰণ কৰিছো। শস্যৰ উৎপাদন আৰু উৎপাদিকা শক্তি বৃদ্ধি কৰিবলৈ কৃষি বিভাগে বিভিন্ন আঁচনি জৰিয়তে কৃষি যান্ত্ৰিকী কৰণ ব্যৱস্থাক কৃষকৰ বাবে সহজলভ্য কৰি তোলাত গুৰুত্ব আৰোপ কৰিছে। sub- mission on agricultural Mechanization নামৰ আঁচনিখনৰ অধীনত ৯৫ শতাংশ ৰাজ সাহাৰ্য্যৰে ২০২২-২৩ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষত মুঠ ৪৭৭ টা village level farm machinery bank. স্থাপন কৰা হৈছে। ২০২২-২৩ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষত ৰাজ্যখনৰ কৃষক গোটৰ মাজত স্থাপন কৰা VLFMB সমূহৰ জৰিয়তে মুঠ ৪৭৭ খন ট্ৰেক্টৰ, ৬২৮ খন পাৱাৰ টিলাৰ, ৪৩১ খন ৰোটাভেটৰ ১৮৫ টা ধানৰ মৰনা মৰা যন্ত্ৰকে ধৰি বিভিন্ন প্ৰকাৰৰ মুঠ ২৪৬১ টা কৃষি যন্ত্ৰপাতি কৃষক নিৰ্দ্ধাৰিত ভাড়াত লৈ ব্যৱহাৰ কৰাৰ বাবে সুবিধা আগবঢ়োৱা হৈছে। মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য যোজনাৰ অধীনত ৰাজ্যখনৰ প্ৰতিখন ৰাজহ গাৰৰ একোটাকৈ কৃষক গোটক ৭৫ শতাংশ ৰাজ সাহায্য৪ৰে ১৬ হাজাৰ ৫১ খন ট্ৰেক্টৰ বিতৰন কৰাৰ উপৰিও শেহতীয়া ভাবে অসমৰ প্ৰতিটো বিধান সভা সমষ্টিত একোখনকৈ কম্বাইন হাৰ্ভেষ্টাৰ বিতৰণৰ কাম চলি আছে। বিগত দুটা বছৰত এতিয়ালৈকে মুঠ ১০৫ খন কম্বাইন হাৰ্ভেছষ্টাৰ বিতৰণৰ কাম সম্পূৰ্ণ হৈছে। প্ৰতিখন ২৫ লাখ টকা মূল্যৰ কম্বাইন হাৰ্ভেছষ্টাৰৰ বাবে ২২.৫ লাখ

টকা ৰাজ সাহাৰ্য্য হিচাপে আগবঢ়োৱা হৈছে। ইয়াৰ উপৰিও আমি RKVY,NFSM,BGREI, SMAM, Horticulture আদি বিভিন্ন আঁচনিৰ অধীনত আমি ৰাজ্যখনৰ বিভিন্ন ঠাইত কৃষি যন্ত্ৰ-পাতি বিতৰণ কৰিছো। কৃষকে যাতে নিশ্চিত জলসিঞ্চণৰ সুবিধা গ্ৰহণ কৰি কৃষি উৎপাদন বৃদ্ধিৰ জৰিয়তে নিজৰ আয় বৃদ্ধি কৰিব পাৰে সেই দিশটোত গুৰুত্ব দিয়া হৈছে আৰু ২০২৬-১৭ চনৰ পৰা এতিয়ালৈকে মুঠ ৬২,৫২৬ টা অগভীৰ নলী-নাদৰ সৈতে ডিজেল চালিত, সৌৰ চালিত আৰু বিদ্যুৎ চালিত পাম্প চেট কৃষকৰ মাজত বিতৰণ কৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, এতিয়া বীজ যোগান সম্পৰ্কে বহু সময়ত সন্মানীয় বিৰোধী পক্ষৰ সদস্য সকলে বহুত কথাই কয় মই শুনি থাকো। পূৰ্ব্বৰ যি কংগ্ৰেছ চৰকাৰ, সেই কংগ্ৰেছ চৰকাৰৰ শাসন কালত অসমৰ কৃষি খণ্ডত যি অৰাজকতাৰ সৃষ্টি হৈছিল সেইটো আজিও কৃষক ৰাইজৰ মাজৰ পৰা আঁতৰি যোৱা নাই। ভাৰতীয় জনতা পাৰ্টীৰ মিত্ৰ জোঁটৰ চৰকাৰখনে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই দায়িত্ব লোৱাৰ পিছতেই কৃষি বিভাগ দূৰ্নীতি মুক্ত হৈছে আৰু কৃষকৰ স্বাৰ্থই প্ৰথম আৰু শেষ কথা এই নাতিৰে বিভাগটো আগবাঢ়িছে। আজি আমি পবিত্ৰ সদনৰ মজিয়াত জনাবলৈ পাই সুখী হৈছো যে ২০১৫-১৬ চনত কৃষি বিভাগে অসম বীজ নিগমৰ জৰিয়তে ৰাজ্যখনৰ কৃষকৰ মাজত বিভিন্ন শস্য ৰ মুঠ ১১,৬৮৪ কুইণ্টল বীজ যোগান ধৰাৰ বিপৰীতে ২০২২-২৩ আৰু ২০২৩-২৪ বৰ্ষত ১১ লাখ ৮৭ হাজাৰ ৪৪৪ কুইণ্টল বিভিন্ন শস্যৰ বীজ কৃষকৰ মাজত যোগান ধৰিবলৈ সক্ষম হৈছে। তেতিয়া হাজাৰত আছিল এতিয়া লাখত গৈছে। ২০১৫-১৬ বৰ্ষৰ তুলনাত যদি শতকৰা হিচাপত চোৱা যায় এইটো ১০০ শতাংশতকৈ বেছি। ২০১৫-১৬ বৰ্ষত আছিল ১১ হাজাৰ আৰু এতিয়া ২০২৩-২৪ বৰ্ষত প্ৰায় ১২ লাখ। ২০২১-২২ বৰ্ষৰ পৰা ২০২৩-২৪ বৰ্ষৰ ভিতৰত কেৱল NFSM আৰু RKVY আঁচনিতে মুঠ ৪ লাখ ৭৭ হাজাৰ ৭১৬ কুইণ্টল বীজ বিভিন্ন শস্যৰ বীজ কৃষকৰ মাজত বিতৰণ কৰা হৈছে। ইয়াৰ জৰিয়তে ১১ লাখ ২৬ হাজাৰ ৯৫৯ হেক্টৰ কৃষি ভূমি সামৰি লোৱা হৈছে আৰু এই তিনিটা বছৰত আঁচনি দুখনৰ জৰিয়তে বিনামূলীয়া বীজ লাভ কৰা উপকৃত কৃষকৰ সংখ্যা হৈছে ১৬ লাখ। বীজ উৎপাদনৰ ক্ষেত্ৰত ৰাজ্য খনক স্বাৱলম্বী কৰি তুলিবলৈ কৃষি বিভাগে অগ্ৰাধিকাৰ ভিত্তিত গুৰুত্ব আৰোপ কৰি আছে। কিছুমান নিদিষ্ট শস্যৰ বীজৰ ক্ষেত্ৰত বহিঃ ৰাজ্যৰ ওপৰত থকা আমাৰ যি নিৰ্ভৰশীলতা তাক দূৰ কৰিবলৈ চৰকাৰে APART ৰ সহযোগত অসম বীজ নিগমৰ জৰিয়তে প্ৰথম বাৰৰ বাবে Seed vertical নামৰ এটা অভিলাষী প্ৰকল্প হাতত লৈছে আৰু এই অভিলাষী আঁচনিখনৰ জৰিয়তে অসম বীজ নিগম আৰু কৃষি বিভাগৰ বীজ ফাৰ্ম সমূহৰ লগতে কৃষক উৎপাদক কোম্পানী সমূহৰ দ্বাৰা বিভিন্ন শস্যৰ মান সম্পন্ন বীজ উৎপাদন কৰাৰ লগতে অসম বীজ নিগমে ডীলাৰ সকলৰ জৰিয়তে কৃষক সকলৰ মাজত এই বীজ বিতৰণ কৰাৰ লক্ষ্য স্থিৰ কৰি লৈছে। এই আঁচনিখনৰ অধীনতে কৃষি বিভাগে ৪০ খন বীজ ফাৰ্ম অসম বীজ নিগমক হস্তান্তৰ কৰিছে। এই ৪০ খন বীজ ফাৰ্ম আৰু অসম বীজ নিগমৰ নিজস্ব ১২ খন বীজ ফাৰ্ম মুঠ ৫২ খন বীজ ফাৰ্মত মান বিশিষ্ট বীজ উৎপাদনৰ পৰিকল্পনা কৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, ২০২৩ বৰ্ষটোক আৰ্ন্তজাতিক মিলেট বৰ্ষ হিচাপে পালন কৰাৰ সৈতে সংগতি ৰাখি অসম বীজ নিগমৰ জৰিয়তে ৰাজ্যখনত প্ৰথম বাৰৰ বাবে Finger Millet and Foxtail Millet bredeer seeds উৎপাদনৰ কাম হাতত লোৱা হৈছে নূন্মতম সমৰ্থন মূল্যত ধান আৰু সৰিয়হ ক্ৰয়ৰ কথা ইতিমধ্যে বিভিন্ন জন সদস্যই উল্লেখ কৰি গৈছে। মাননীয় সদস্য শ্ৰী ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই ও তেখেতক বক্তব্যত কৈ গৈছিল যে আমাৰ যিমান বিলাক Paddy procurement center আছিল, এই চেণ্টাৰৰ সংখ্যা আঁচলতে

কমিছে। মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে জানে যে বহুত মানুহে ধানৰ উচিত মূল্য নোপোৱাৰ কাৰণে ধান খেতি কৰা বাদ দিছিল। কিন্তু যেতিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বিশেষ ভাৱে উদ্যোগ  লৈ যোৰাবাৰ ধান ক্ৰয়ৰ ব্যৱস্থা কৰিলে আৰু খেতিয়কৰ পৰাও আমি যথেষ্ট কষ্ট কৰি হ'লেও সহাঁৰি লাভ কৰিলো। তাৰবাবে আমি এই বছৰ দেখিছো যে তেওঁলোকে বাহিৰতেই তাতকৈ বেছি মূল্য লাভ কৰিবলৈ সক্ষম হৈছে। আমাৰ Paddy procurement ৰ যিটো টাৰ্গেট আছিল, price stabilisation ৰ ওপৰত আমি বেছি গুৰুত্ব দিছিলো। সেই দিশটোৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰৰ ফালৰ পৰা যি উদ্যোগ লোৱা হৈছিল, এতিয়া সেই ক্ষেত্ৰত আমি নিশ্চয় achieve কৰিব পাৰিছো। এই কথাটো সত্য যে এইবাৰ আমাৰ Paddy procurement চেণ্টাৰৰ সংখ্যা কম হৈছে আৰু এই চেণ্টাৰৰ সংখ্যা কম হোৱাৰ কাৰণ হৈছে যে FCI য়ে এইখিনি কৰিবলৈ অলপ অনীহা প্ৰকাশ কৰিছে আৰু দুটামান কোম্পানীয়ে যোৰাবাৰ Paddy procurement ভাল নকৰিলে। কিন্তু আমাৰ প্ৰেচাৰ আছে আৰু সেইকাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই বিষয়ত বিশেষভাৱে উদ্যোগ লৈ Assam Food and Civil Supply Corporation ক বেছি দায়িত্ব অৰ্পণ কৰিছে আৰু তেওঁলোকক Paddy procurement চেণ্টাৰ বহাই দিছে। এইবাৰ আমি মাৰ্লৈবাৰীলৈ গৈছিলো। যেতিয়া আমি দেখিলো যে তেওঁলোকে ধান Paddy procurement চেণ্টাৰত অনা নাই। কিয় অনা নাই জানিব খোজাত গম পালো যে এইবাৰ বাহিৰৰ পৰা ব্যৱসায়ী আহি খেতি পথাৰলৈকে গৈছে আৰু খেতি পথাৰত গৈ তেওঁলোকে কৈছে যে তোমালোকে যিমান মিনিমাম চাপোৰ্ট পাইছা, তাতকৈ এইবাৰ বেছি ৰেটত ক্ৰয় কৰিব। চৰকাৰে এই উদ্যোগটো লোৱাৰ বাবে ভাল হ'ল। কংগ্ৰেছ চৰকাৰৰ শাসন কালত তেতিয়াই যদি ব্যাপক ৰূপত ললে হেতেন তেতিয়াহ'লে আজি খেতিয়ক সকল অন্য খেতিলৈ আগবাঢ়ি নগল হেতেন। গতিকে চৰকাৰখনে Paddy procurement ৰ ক্ষেত্ৰত কোনো ধৰণে ব্যৰ্থ হোৱা নাই বা এইক্ষেত্ৰত চৰকাৰৰ তৰফৰ পৰা কৰিব লগীয়া আছে। সেইখিনি কৰা নাই তেনে কথা নহয়। ইয়াৰ উপৰিও আজিৰ সদনত বিৰোধী পক্ষৰ সদস্য সকলে, কংগ্ৰেছ বা এ আই ডি এফ ৰ সদস্য সকলেও গৰুখুটিৰ বহুমুখী প্ৰকল্পৰ কথা বাৰে বাৰে উত্থাপন কৰিছে। ২০২২ চনৰ ১৫ চেপ্তেম্বৰ তাৰিখে কমিটিৰ পঞ্জীয়ণ আইনৰ অধীনত দৰং জিলাত গৰুখুটিৰ বহুমুখী প্ৰকল্প নামৰ সমিতি এখন পঞ্জীভূত কৰা হৈছে আৰু এই প্ৰকল্পটো এখন ১১ জনীয়া কাৰ্য্যবাহী কমিটিৰ জৰিয়তে পৰিচালনা হৈ আছে। এই প্ৰকল্পটোত ২৫০ জন সদস্যই কাম কৰি আছে। এওঁলোকক কৃষি সৈনিক নামেৰেও নামাকৰণ কৰা হৈছে। এই ২৫০ জনৰ ভিতৰত ১৭৫ গৰাকী পুৰুষ আৰু ৭৫ গৰাকী মহিলা কৃষি সৈনিক। গৰুখুটিৰ বহুমুখী প্ৰকল্পৰ আৰ্হিৰে ৰাজ্যখনৰ বিভিন্ন ঠাইত তেনেধৰণৰ community development programme বা এনেধৰণৰ প্ৰকল্পৰ কাম চলি আছে। সমবায়ৰ জৰিয়তে পঞ্জীয়ণ কৰি বহু বিধায়কে এনেধৰণৰ প্ৰকল্পৰ কাম কৰি আছে। গৰুখুটিৰ বহুমুখী প্ৰকল্পটো এটা বৃহৎ প্ৰকল্প আৰু ইয়াৰ আন্তঃগাঁথনিৰ সৃষ্টিৰ বাবে যথেষ্ট পুঁজিৰ প্ৰয়োজন আছে আৰু ইতিমধ্যে এই পুঁজিও বিনিয়োগ কৰা হৈছিল। কিন্তু পুঁজি বিনিয়োগ কৰাৰ লগে লগে যে ঘূৰাই পাব তাৰ কোনো কথা নাই। আমি নিশ্চিত যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এইক্ষেত্ৰত নিজে পৰ্য্যবেক্ষণ কৰি আছে। তেখেতৰ এইটো এটা সপোনৰ প্ৰকল্প। আমি ভাবো অনাগত দিনবোৰত এই প্ৰকল্পৰ পৰা নিশ্চয় লাভান্বিত হ'ব পাৰিম। কাৰণ ইয়াত কেৱল ধান, মাহ, সৰিয়হ আদি খেতিয়েই নহয়। ইয়াত মীন পালন, পশু পালনৰ ব্যৱস্থাও আছে। ইয়াত উন্নত প্ৰজাতিৰ পশু ক্ৰয় কৰা হৈছে। ৰেচম, বয়ন আদিৰ কাৰণেও আন্তঃগাঁথনি সৃষ্টি কৰা হৈছে। কৃষি যান্ত্ৰিতিকীকৰণ আৰু

জলসিঞ্চণৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। গতিকে এইবোৰ কামৰ বাবে গৰুখুটিৰ বহুমুখী প্ৰকল্পটোত যথেষ্ট টকাৰ বিনিয়োগ কৰা হৈছে। ইয়াৰ উপৰিও আমাৰ অন্য এজন সদস্যই Marketing Board ৰ কথা উল্লেখ কৰিছে। Marketing Board ৰ কথা ক'বলৈ যাওঁতে দুটামান কথা উল্লেখ কৰিব লাগিব। The Assam Agricultural Produce Market Act 1972 আৰু The Assam Agricultural Produce Market General Rules, 1980, 1975. যথাক্ৰমে ২০০৬ আৰু ২০০৩ চনৰ সংশোধনীৰ বাবে বোধহয় বজাৰ কমিটিসমূহ নিৰ্বাচনৰ জৰিয়তে গঠন কৰাৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে অসম চৰকাৰে এখন নতুন কৃষি আইন The Assam Agricultural Produce and Livestock Marketing Promotion and Facilitition Act 2020 গ্ৰহণ কৰে। এই এক্টখন বলবৎ কৰাৰ পাছতেই এই আইনৰ আধাৰত Marketing Committee সমূহৰ নিৰ্ব্বাচন কৰাৰ ব্যৱস্থা কৰিব পৰা যাব আৰু cold storage ৰ কথা সন্মানীয় সদস্য মজিবুৰ ৰহমান ডাঙৰীয়াই উল্লেখ কৰিছে, সেইদিনা তেখেতে এটা ভুল দাতা উল্লেখ কৰিছিল, মই কৃষি বিভাগকো ধৰিছিলো, তেখেতে ভুল দাতা এটা দিছিলে যে ৩ খন power tiller দিয়া বুলি। তাত বহুত power tiller দিয়া হৈছে। দলগাঁও সমষ্টিত power tiller দিয়া হৈছে ৫০ খন, ট্ৰেক্টৰ ১৬০ খন দিয়া হৈছে, বেটেৰী operator spare দিয়া হৈছে ২২১ খন, culvert area দিয়া হৈছে ৬৩ টা, Self Propel Paddy Transplanted ১ টা, manul spare দিয়া হৈছে ৮৯, sub patter 5 & Soil testing laboratory ১ টা দিয়া হৈছে। গতিকে এইখিনি কাম সন্মানীয় সদস্য গৰাকীৰ সমষ্টিত চলি আছে। মই ভাৰো তেখেতে এইখিনি অন্তত চাই ললে নিশ্চয়কৈ গম পাব।

সন্মানীয় সদস্যসকল, ইয়াৰ ওপৰিও অসম চৰকাৰে কৃষকে উৎপাদন কৰা ধান আৰু সৰিয়হ, বিভিন্ন চৰকাৰী সংস্থাৰ জৰিয়তে নিম্নতম সমৰ্থন মূল্য যোগে ক্ৰয় কৰি কৃষকক উৎসাহিত কৰাৰ আঁচনি গ্ৰহণ কৰিছে। এই কথাটো মই উল্লেখ কৰি গৈছো।

এই আঁচনিৰ অধীনত ২০২১-২২ বৰ্ষত ধান ক্ৰয় কেন্দ্ৰসমূহৰ জৰিয়তে ৬০,০২৫ জন কৃষকৰ পৰা ৫,৪১,০৪৩ মেট্ৰিকটন ধান ক্ৰয় কৰা হৈছে। তেনেদৰে ২০২২-২৩ বিত্তীয় বৰ্ষত ৬২,৪২৩ জন কৃষকৰ পৰা মুঠ ৫,৯৮,১২৮ মেট্ৰিকটন ধান ন্যুনতম সমৰ্থন মুল্যত ক্ৰয় কৰা হৈছে। ২০২৩-২৪ বিত্তীয় বৰ্ষত মুঠ ৭,০৮,২০০ মেট্ৰিকটন ধান ক্ৰয় কৰাৰ লক্ষ্য লোৱা হৈছে আৰু যোৱা ৫ ফেব্ৰুৱাৰী, ২০২৪ তাৰিখ পৰ্য্যন্ত first crop হিচাপে ১২,১৮৬ জন কৃষকৰ পৰা ৮১,৮৪১ মেট্ৰিকটন ন্যুনতম সমৰ্থন মূল্যত ক্ৰয় কৰা হৈছে। চৰকাৰে ধানৰ নূন্যতম সমৰ্থন মূল্য বৃদ্ধি কৰাৰ ফলত ব্যক্তিগত ব্যৱসায়ী সকলেও কৃষকৰ পথাৰৰ পৰাই নুন্যতম সমৰ্থন মূল্যতকৈ অধিক মূল্যত ধান ক্ৰয় কৰিবলৈ আৰম্ভ কৰাৰ বাবে আমাৰ কৃষকসকল যথেষ্ট লাভৱান হোৱা পৰিলক্ষিত হৈছে।

একেদৰে আমি সৰিয়হ ক্ৰয় কৰাৰ কথাটোও ভাৱিছো, যিহেতু ভাৰত চৰকাৰে মূল্যটো নিৰ্ধাৰণ কৰে, সেই কামখিনি আৰম্ভ কৰিবলৈ যাওঁতে যিহেতু আমি পলম কৰিছো মে মাহত আৰু সেই সময়ত moisture content টো বহুত বেছি আছিল আৰু ২০২৩ বৰ্ষৰ পৰা প্ৰতি কুইন্টলত ৫,৪৫০ টকা নূন্যতম সমৰ্থন মূল্যত কৃষকৰ পৰা সৰিয়হ ক্ৰয়ৰ ব্যৱস্থাও হাতত লোৱা হৈছে। অধিক সংখ্যক কৃষকৰ পৰা সৰিয়হ ক্ৰয় কৰাত গুৰুত্ব দি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দেশত চলিত বৰ্ষৰ মাৰ্চ মাহৰ পৰা সৰিয়হ ক্ৰয় কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে।

খেতিয়কৰ আৰ্থিক সমৰ্থন আগবঢ়োৱাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি নামৰ

কেন্দ্ৰীয় চৰকাৰৰ আঁচনিখন ২০১৮ চনৰ ডিচেম্বৰ মাহৰ পৰা অসমত ৰূপায়ন কৰা হৈ আহিছে। এই আঁচনিখনৰ নীতি নিৰ্দেশনা অনুসৰি মাটিৰ গৰাকী, একোটা কৃষক পৰিয়ালক বছৰি তিনিটা কিস্তিত ২ হাজাৰ টকাকৈ মুঠ ৬ হাজাৰ টকা তেওঁলোকৰ বেংক একাউন্টত জমা দি অহা হৈছে। ২০২২-২৩ বৰ্ষত PM Kisan আঁচনিৰ জৰিয়তে ৰাজ্যখনৰ ১০,৪৩,৬৮৪ জন হিতাধিকাৰীয়ে ৫৬৩.৮১ কোটি টকা তেওঁলোকৰ বেংক একাউন্ট যোগে লাভ কৰাৰ বিপৰীতে ২০২৩-২৪ বিত্তীয় বৰ্ষত এতিয়ালৈকে ১২,৪৯,৩৪২ জন হিতাধিকাৰীয়ে ৭৬৮.৯৩ কোটি টকা লাভ কৰিছে। PM Kisan আঁচনিৰ ১৬ নম্বৰ কিস্তিত ৰাজ্যখনৰ ১৫ লাখতকৈ অধিক কৃষকে ধন লাভ কৰিবলৈ সক্ষম হ'ব।

ৰাজ্যখনত PM Kisan আঁচনিৰ ১৩ নম্বৰ কিস্তিয়ে সামৰি লোৱা হিতাধিকাৰীৰ তুলনাত ১৫ নম্বৰ কিস্তিত হিতাধিকাৰীৰ সংখ্যা ৯৮ শতাংশ বৃদ্ধি পোৱাৰ লগতে ১৪ নম্বৰ কিস্তিৰ তুলনাত হিতাধিকাৰীৰ সংখ্যা ৩৯ শতাংশ বৃদ্ধি পাইছে। এই আঁচনিখনৰ অধীনত অসমত সকলো যোগ্য হিতাধিকাৰীক অতিশীঘ্ৰে সামৰি ল'ব পৰাকৈ গ্ৰাম সভা, ব্যাপক প্ৰচাৰ অভিযান আদিত গুৰুত্ব দিয়া হৈছে।

সদনত সন্মানীয় এগৰাকীয়ে মাকৈ মূলৰ ওপৰত কৈছে যিহেতু, আমি ভাৰত চৰকাৰক অনুৰোধ জনাম যে মাকৈৰ সমৰ্থন মূল্য দিয়ে, আমি fodder cultivation ত গুৰুত্ব দিছো। ইয়াত Feed Mill বিলাক সম্ভৱ হৈ উঠা নাই। কাৰণ পশু খাদ্যৰ কাৰণে Feed Mill লাগে। কাৰণ আমাৰ Ingredient কম। গতিকে মাকৈ খেতিত আমি area expansion কাৰণে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছো।

অন্যহাতে, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনতো উল্লেখযোগ্য সফলতা লাভ কৰা হৈছে। এই যোজনাৰ অধীনত ২০২২-২৩ বিত্তীয় বৰ্ষত পঞ্জীভূত কৃষকৰ সংখ্যা ৫,২৭,৪১৬ গৰাকীৰ পৰা বৃদ্ধি পাই ২০২৩-২৪ বিত্তীয় বৰ্ষত ৭,৮৭,১৪৯ গৰাকী হৈ গৈছে। শতাংশ হিচাপে এই বৃদ্ধিৰ পৰিমান ১৪৯ শতাংশ।

তেনেদৰে এই যোজনাখনে সামৰি লোৱা বীমাকৃত কৃষি ভূমিৰ পৰিমানে ২০২২-২৩ বিত্তীয় বৰ্ষত ৩,৪৩,০০০ হেক্টৰৰ পৰা বৃদ্ধি পাই ২০২৩-২৪ বৰ্ষত ৪,১৭,০০০ হেক্টৰ হৈছে। শতাংশৰ হিচাপত এই বৃদ্ধিৰ পৰিমাণ ১২১ শতাংশ। ২০২১ বৰ্ষৰ খাৰিফ আৰু ৰবি বতৰকে ধৰি ২০২২ বৰ্ষৰ খাৰিফ বতৰ পৰ্য্যন্ত প্ৰধানমন্ত্ৰীৰ ফচল বীমা যোজনাৰ অধীনত ২,৮২,৮২৮ গৰাকী কৃষকে ২,৩৪.৯৭ কোটি টকা লাভ কৰিছে। ২০২৩-২৪ বিত্তীয় বৰ্ষত বীমাকৃত কৃষি ভূমিৰ বিপৰীতে দাবী কৰা ধনৰ পৰিমান নিৰূপনৰ প্ৰক্ৰিয়া চলি আছে। অধিক সংখ্যক কৃষকে এই যোজনাৰ জৰিয়তে লাভৱান কৰি তুলিবলৈ notified area পূৰ্বৰ ৰাজহ চক্ৰৰ পৰা গাঁও পঞ্চায়ত পৰ্য্যায়লৈ বিস্তৃত কৰা হৈছে।

ইয়াৰ উপৰিও আমি Digital Crop Survey ৰ ওপৰত গুৰুত্ব দিছো। কৃষি সন্দৰ্ভীয় সঠিক তথ্যৰ লগতে digital হোৱাৰ জৰিয়তে দেশৰ কৃষিখণ্ডক আগবঢ়াই নিবলৈ কেন্দ্ৰীয় চৰকাৰে শেহতীয়া ভাৱে Digital Crop Survey নামৰ এখন আঁচনি অসমতে ৰূপায়ণ কৰিবলৈ লোৱা হৈছে। ২০২৩ বৰ্ষৰ খাৰিফ বতৰত ৭ খন জিলাৰ ১১ টা ৰাজহ চক্ৰ আৰু সেই বছৰৰেই ৰবি বতৰত ২ খন জিলাৰ ৬ টা ৰাজহ চক্ৰত Digital Crop Survey সফলতাৰে সম্পন্ন কৰা হৈছে । ৬৯ লাখ টকা ব্যয়েৰে কৰা এই survey ৰ জৰিয়তে ৩.০৭ লাখ দাগ নম্বৰ সামৰি লোৱা হৈছে।

Digital Crop Survey ব্যৱস্থাৰ ফলত আমাৰ কৃষক ৰাইজে KCC লোণ, ন্যূনতম সমৰ্থন মূল্যযোগে শস্য বিক্ৰী, শস্য বীমা সম্পৰ্কীয় বিষয় নিষ্পত্তি, Soil Health Card ৰ সৈতে জড়িত বিষয় আদি সেৱা লাভ কৰাত সুবিধা হ'ব।

Fertilizer ৰ সম্পৰ্কত কিছু অভিযোগ আহে। পূৰ্বতে দূৰ্নীতি হোৱা, বাহিৰা বজাৰত বিক্ৰী হোৱা, অসাধু ব্যৱসায়ীসকলে ৰাসায়নিক সাৰ, বিশেষকৈ ইউৰিয়া সাৰৰ কৃত্ৰিম নাটনিৰ সৃষ্টি কৰি কলা বজাৰত অত্যাধিক মূল্যত কৃষকক বিক্ৰী কৰাৰ অভিযোগ উত্থাপিত হোৱাত মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই বিষয়টো গুৰুত্বসহকাৰে গ্ৰহণ কৰে আৰু ইউৰিয়া সাৰৰ বিতৰণ পদ্ধতিটোৰ আমুল সংস্কাৰ সাধনৰ বাবে পৰামৰ্শ আগবঢ়ায়। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পৰামৰ্শক্ৰমে ২০২২ বৰ্ষৰ ২০ মে তাৰিখে এখন অধিসুচনাৰ জৰিয়তে অসম চৰকাৰে ৰাজ্যখনত ইউৰিয়া সাৰৰ পৰিচালনাৰ বাবে এখন নতুন SOP প্ৰবৰ্তন কৰে। এই ব্যৱস্থাৰ জৰিয়তে অসম ৰাজ্যিক কৃষি সামগ্ৰীক বিপণন পৰিষদক ইউৰিয়া সাৰৰ এক মাত্ৰ পাইকাৰী বিতৰক হিচাপে দায়িত্ব দিয়া হয়। এই ব্যৱস্থাৰ ফলক ইউৰিয়া সাৰ বিতৰণ ব্যৱস্থাটো সংহত হৈ উঠিছে আৰু আমাৰ কৃষক ৰাইজ লাভৱান হৈছে।

Granular Urea সাৰৰ পৰিবহন ব্যয়, কাৰ্য্যকুশলতা, মূল্য আদি বিভিন্ন দিশ বিবেচনা কৰি ২০২৩ বৰ্ষৰ পৰা অসমত কৃষক ৰাইজ লাভৱান হ'ব পৰাকৈ Nano Urea সাৰৰ ব্যৱহাৰত গুৰুত্ব আৰোপ কৰা হৈছে। ২০২১ বৰ্ষৰ পৰা এতিয়ালৈকে ৰাজ্যখনত ১৫,৫৪,০০০ তকৈ অধিক সংখ্যক Nano Urea ৫ শ মিলিলিটাৰ বটল কৃষকক যোগান ধৰা হৈছে। এই ১৫,৫৪,০০০ Nano Urea বটল ৬৯, ৯৬১ মেট্ৰিকটন Granular Urea ৰ সমতুল্য ৪৫ কিলোগ্ৰাম এক বেগ দানাকাৰ ইউৰিয়া সাৰৰ মূল্য ২৬৬.৭০ টকা হোৱাৰ বিপৰীতে এক বটল ৫ শ মিলিলিটাৰ Nano Urea ৰ মূল্য ২২৫ টকা। অৰ্থাৎ এক বেগ granular urea ৰ সাৰৰ সলনি যদিহে এক বটল ৫ শ মিলিলিটাৰ Nano Urea সাৰ কৃষকে ব্যৱহাৰ কৰে, তেন্তে কৃষক গৰাকী প্ৰত্যক্ষভাৱে ৪১.৭০ টকা লাভ হয়।

মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ ওপৰও State Honey Mission আৰম্ভ কৰিছো। কৃষি বিভাগে ৰাজ্যখনত কামৰূপ, গোৱালপাৰা, বাক্সা আৰু গোলাঘাট জিলাত State Honey Mission নামেৰে এখন আঁচনি ৰূপায়ন কৰি আছে। কৃষকৰ অতিৰিক্ত উপাৰ্জন বৃদ্ধিত সহায় কৰাত এই আঁচনিখনৰ অধীনত প্ৰতিখন জিলাৰ ১ শ গৰাকী মৌ পালকক নিৰ্বাচন কৰা হৈছে। এই মৌ পালক সকলক প্ৰশিক্ষণ আগবঢ়োৱাৰ লগতে ১০ টাকৈ মৌ বাহ আৰু আনুষাংগিক সামগ্ৰী প্ৰদান কৰা হৈছে।

ইয়াৰ উপৰিও মই উল্লেখ কৰি গৈছো যে আন্তঃগাঁথনি উন্নয়ণৰ কথা। অসমৰ কৃষি খণ্ডৰ সৰ্বাত্মক বিকাশৰ প্ৰতি লক্ষ্য ৰাখি কৃষি বিভাগে কৃষি খণ্ডত আন্তঃগাঁথ নি উন্নয়ণত গুৰুত্বআৰোপ কৰিছে। মাটিত থকা পুষ্টিৰ পৰিমাণ নিৰূপণ কৰি কৃষক ৰাইজে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাত সহায়ক হোৱা Soil Testing, Quality Control and input testing laboratory স্থাপনত গুৰুত্ব দিয়া হৈছে। ইয়াৰ ভিতৰত ২১ টা নতুন পৰীক্ষাগাৰ আৰু ৫ টা পুৰণি পৰীক্ষাগাৰৰ উন্নীতকৰণৰ কাম হাতত লোৱা হৈছিল। এতিয়ালৈকে এ আঁচনি খনৰ অধীনত ৰাজ্যখনৰ ২৬ খন জিলাত এনে পৰীক্ষাগাৰ স্থাপন আৰু উন্নীতকৰণৰ কাম সম্পূৰ্ণ হৈছে. নতুনকৈ গঠিত জিলা সমূহতো

এনে পৰীক্ষাগাৰৰ স্থাপনৰ কাম হাতত লোৱা হ'ব। এই পৰীক্ষাগাৰ সমূহৰ জৰিয়তে কৃষকৰ পতাৰৰ পৰা বছৰি প্ৰায় ৩ লাখ মাটিৰ নমুনা সংগ্ৰহ কৰি কৃষকক বিনামূলীয়া বাৰে Soil Health কাৰ্ড প্ৰদানৰ ব্যৱস্থা সুচল কৰিব পৰা যাব। ইয়াৰ উপৰিও RKVY আঁচনিৰ অধীনত গুৱাহাটীৰ কানাপাৰাত এটা ৰাজ্যিক পৰ্য্যায়ত Soil Health Management Agency আৰু Soil Survey and Land Use Laboratory স্থাপনৰ কাম সম্পূৰ্ণ হৈছে। ইয়াৰ উপৰিও Knowledge Centre & ADO Office আমি নিৰ্মাণ কৰি আছো। APART ৰ অধীনত ১শ টা কৃষি উন্নয়ণ বিষয়াৰ কাৰ্য্যালয় স্তাপনৰ পথত আমি অগ্ৰসৰ হৈছো। ইয়াৰ ভিতৰত ৪৭ টাৰ নিৰ্মাণ কাৰ্য্য ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু আমি ৯৬ টা Knowledge Centre with Training Hall নিৰ্মাণ কৰিছো। ইয়াৰ বাবে ২০২২-২৩, ২০২৩-২৪ বৰ্যত মুঠ ৬০ কোটি টকা ব্যয় কৰা হ'ব। ইয়াৰ উপৰিও সততে এটা কথা উল্লেখ কৰা হৈছে যে, cold storage ৰ কথা, storage godown ৰ কথা কৃষকৰ মাজত বিতৰণৰ বাবে যোগান ধৰা বীজ আৰু আনুসংগিক সামগ্ৰীসমূহৰ ক্ষেৰ্প্ৰৰ্য্যায়ত বিজ্ঞান সন্মতভাৱে মজুত কৰাৰ বাবে RKVY ৰ আঁচনিৰ অধীনত জিলা আৰু মহকুমা পৰ্য্যায়ত ৫০ টা ১০০ মেট্ৰি টন আৰু ১ টা ২ শ মেট্ৰিক টন ক্ষমতাযুক্ত Stroage Godown স্থাপন কৰা হৈছে, ইয়াৰ উপৰিও অসম বীজ নিগমৰ জৰিয়তে অসম চৰকাৰৰ আঁচনিৰ অধীনত ৯০০০ মেট্ৰিক টন ক্ষমতাযুক্ত মুঠ ১০ টা Storage Godown স্তাপন কৰা হৈছে. ইয়াৰ উপৰিও আমি জৈৱিক খেতিৰ ওপৰত গুৰুত্ব দিছো। অসম পৰম্পৰাগতভাৱেই জৈৱিক কৃষিৰ প্ৰাণকেন্দ্ৰ। জৈৱিক কৃষিৰ প্ৰতি কৃষকক উৎসাহিত কৰি তোলাৰ লগতে জৈৱিক কৃষিত ব্যৱহৃত বিভিন্ন সাৰ পৰিক্ষণৰ বাবে মাজুলি, সৰভোগ আৰু বোকাখাতত ৩ টা Organic Bio Fertilizer Testing Laboratory স্থাপনৰ কাম চলি আছে। ইয়াৰোপৰি গুৱাহাটীত এটা RKVY আঁচনিৰ অধীনত State Agricultural Management and Extension Training Institute ৰ এটা সংহত ভৱন স্থাপন কৰাহৈছেআৰু এই অনুস্থানটোৱে সফলভাৱে কৃষকক প্ৰশিক্ষণ আগবঢ়ায় আছে। ৰাজ্য খনৰ কৃষি উদ্যোগীসকলক প্ৰয়োজনীয় আন্তঃগাঁথনিৰ সৃষ্টিৰ বাবে ঋণ আগবঢ়াই সহায় কৰিবলৈ কৃষি বিভাগে Agriculture Infrastructure Fund নামৰ এখন কেন্দ্ৰীয় চৰকাৰৰ অভিলাসী আঁচনি ৰূপায়ণ কপিৰ আছে। এই আঁচনিৰ অধীনত কৃষক, কৃষক গোট, কৃষি উদ্যোগী আদিক Post Harvest Management Infrastructure আৰু Comunity Farming Assetts ৰ বাবে নিৰ্দিষ্ট প্ৰকল্পৰ বিপৰীতে বেংকৰ জৰিয়তে ঋণ আগবঢ়াই থকা হৈছে। এনে কৃষি ভিত্তিক উদ্যোগ স্থাপনৰ বাবে এতিয়ালৈকে ৯৫৪ খন আবেদন লাভ কৰা হৈছে আৰু ৩৬৫ খন আবেদনৰ বিপৰীতে নিৰ্দিষ্ট প্ৰকল্পৰ অধীনত ৫৪৪ কোটি টকাৰ ঋণ মঞ্জুৰ কৰা হৈছে। এয়া কম টকা নহয়, মাননীয় অধ্যক্ষ মহোদয়। ইয়াৰ উপৰিও আমি উদ্যান শস্যৰ জৰিয়তে আমি যথেষ্টখিনি কাম কৰিছো। কাৰণ পৰম্পৰাগত ভাৱে অসম ইদ্যান শস্যৰ এক সুনাম আছে। আমাৰ উদ্যান শস্যৰ খেতি কৰা কৃষক সকলক নতুন নতুন প্ৰযুক্তিৰ জৰিয়তে উচ্চমান বিশিষ্ট উদ্যান শস্যৰ খেতি প্ৰতি আগ্ৰহী কৰি তুলিবলৈ কামৰূপ জিলাৰ ক্ষেত্ৰীত কেন্দ্ৰীয় চৰকাৰৰ HMNEH আঁচনিৰ অধীনত Centre of Excellence on Vegetable নিৰ্মাণৰ কাম চলি আছে। উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালয়ৰ জৰিয়তে অসমৰ ৯ খন জিলাত ব্যৱহাৰযোগ্য হৈ নথকা ৯ টা Community Canning and Training Centre পুনৰ নিৰ্মাণ কৰি উলিওৱা হৈছে। একেদৰে, HMNEH আঁচনিৰ অধীনত অত্যাধুনিক পদ্ধাতিৰে কাঠফুলাৰ বীজ উৎপাদনৰ জৰিয়তে মাচৰুম উৎপাদনৰ সৈতে জৰিত কৃক

সকলক সহায়  কৰিবলৈ ৰাজ্যখনৰ বিভিন্ন জিলাত ৪ টাকৈ কাঠফুলাৰ বীজ উৎপাদন কেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰ উপৰিও গোৱালপাৰা জিলাত সাক পাচলিৰ বীজ এখন গুৰুত্বপূৰ্ণ আঁচনি  লোৱা হৈছে. এই আঁচনিখনৰ মূঠ প্ৰকল্প ব্যয় ২ কোটি টকাৰ ৫০ শতাংশ উদ্যান শস্য সঞ্চালকালয়ৰ পৰা লোৱা হৈছে। শোণিতপুৰ জিলাৰ জামুগুৰিত স্থাপন কৰিবলৈ লোৱা Horticulture Processing Industry স্থাপনৰ বাবে মূঠ প্ৰকল্প ব্যয় ৩ কোটি ৭ লাখ ৪৪ হাজাৰ টকাৰ ৫০ শতাংশ ৰাজ সাহাৰ্য্য হিচাপে আগবঢ়োৱাৰ ব্যৱস্থা কৰা হৈছে। ঠিক তেনেকৈ নলবাৰী জিলাৰ কুমাৰীকাটাত ৫ হাজাৰ মেট্ৰিক টন ক্ষমতাযুক্ত শীতল ভড়াল স্থাপনৰ বাবে কথাটো  সঘনাই উচ্চাৰিত হৈছে। শীতল ভড়ালৰ স্থাপনৰ বাবেমূঠ প্ৰকল্প ব্যয় ৫ কোটি ৮৫ লাখ টকাৰ বিপৰীতে ২ কোটি ৫০ লাখ টকা ৰাজ সাহাৰ্য হিচাপে অনুমোদন আগবঢ়োৱা হৈছে। Cold storage ৰ কথা সন্মানীয় সদস্য হিচাপে মোক প্ৰায় কৈ থাকে। Power supply টো এটা ডাঙৰ সমস্যা হয়। গতিকে cold room ৰ কথাটো আমি আলাপ আলোচনা কৰি আছো। স্বাবাবিকতে তেনেধৰণে cold room যদি সমষ্টিত নিৰ্মাণ কৰিব পৰা যায়, ভাল হ'ব। কিন্তু মই assurance নিদিও মই চেষ্টা কৰিম যাতে মাননীয় মুখ্যমন্ত্ৰীৰ লগত বিষয়টো আলোচনা কৰি আগবঢ়াবলৈ চেষ্টা কৰিম। ইয়াৰ উপৰিও APART ৰ জৰিয়তে market কৰিছো, warehouse, godown কৰিছো, Road ও কৰিছো। কৃষকে যাতে তেওঁলোকে উৎপাদন কৰা শস্য ৰ উপযুক্ত মূল্য লাভ কৰে সেই দিশত মাননীয় মুখ্যমন্ত্ৰী  ড0 হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই অগ্ৰাধিকাৰ ভিত্তিত গুৰুত্ব আৰোপ কৰিছে। এই গুৰুত্বৰ ফলশ্ৰুতিতেই APART আঁচনিৰ অধীনত বিগত দুটা বছৰত ৰাজ্যখনত বিভিন্ন জিলাত ১ শ খন বজাৰ নিৰ্মাণৰ লক্ষ্য লৈ কামত আগবঢ়া হৈছে। ইতিমধ্যে এনে ২৫ খন বজাৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে আৰু বাকী বজাৰ সমূহৰ নিৰ্মাণৰ কাম চলি আছে। একদৰে APART আঁচনিৰ অধীনতেই লক্ষ্য নিৰ্ধাৰিত ৪০টা warehouse godown ৰ ভিতৰত ১৭ টাৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে। কৃষকে যাতে  পথাৰৰ পৰা বজাৰলৈ উৎপাতিদ ফচল সহজতে পৰিবহণ কৰিব পাৰে সেই দিশত গুৰুত্ব দি এই দুটা বছৰত লক্ষ্য নিৰ্ধাৰিত ২৫০ কিলোমিটাৰ গ্ৰাম্য পথৰ ভিতৰৰ ১৬১ কিলোমিটাৰ পথৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হৈছে। APART আঁচনিৰ অধীনতেই মৰিগাওঁ, লক্ষিমপুৰ, হোজাই, বিশ্বনাথ, কাৰ্বি আংলং আৰু যোৰহাটত ৬ টা Common Facility Center নিৰ্মাণৰ কাম চলি আছে। পথৰুগাটত স্মৃতি যুগমীয়া কৰি তোলাৰ প্ৰয়াস। অসমৰ ইতিহাসত অৰ্থনৈতিক স্বাৱলম্বীতাৰ বিপ্লৱৰ উজ্বল উদাহৰণ পথৰুঘাটৰ ৰণ। সামাজ্ৰবাদী বৃটিছ চৰকাৰৰ পুলিচৰ গুলীত প্ৰাণ আহুতি দিয়া ১৪০ জন কৃষকৰ প্ৰতি শ্ৰদ্ধা জনাই কৃষি বিভাগে দৰং জিলাৰ পথৰুঘাটত বিভাগে ইতিমধ্যে স্থাপন কৰা Integrated Training and Skill Development Centre প্ৰথম মহলাত Digital Auditorium, ব্ৰঞ্জৰ স্মাৰক নিৰ্মাণ আদি বিভিন্ন কাম হাতত লৈছে। ২০২৩-২৪ বৰ্ষত মূঠ ২.৭০ কোটি টচকা ব্যয়ৰে বিভিন্ন কামত অগ্ৰসৰ হোৱা হৈছে। ইয়াৰ উপৰিও দৰংগিৰিত এখন ডাঙৰ কলৰ বজাৰ দেশৰ ভিতৰত বিখ্যাত কলৰ বজাৰ হিচাপে স্বীকৃত। এই দৰংগিৰি পাইকীৰী কলৰ বজাৰ উন্নয়ণৰ বাবে অসম ৰাজ্যিক কৃষি সামগ্ৰী বিপণন পৰিষদৰ জৰিয়তে প্ৰয়াস কৰা হৈছে। উত্তৰ পূৱ পৰিষদৰ ১৪ কোটি ৭৯ লাখ টকাৰ বিত্তীয় সাহাৰ্য্যৰে এই কলৰ বজাৰখনৰ আন্তঃগাঁথনি সৃষ্টি , কৃষকৰ বাবে বেংকৰ সুবিধা, কৃষক প্ৰশিক্ষণ, কৃষক আৰু ক্ৰেতাৰ বাবে আলহী গৃহ temporary storage আৰু packing ৰ সুবিদা আদি সৃষ্টিত গুৰুত্ব দিয়া হৈছে. যোৱা ১৬ ডিচেম্বৰ, ২০২৩ তাৰিখে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড0 হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই গুৱাহাটীৰ পৰা ভাৰ্চুৱেল এই প্ৰকল্পৰ

শোভাৰাম্ভ কৰে আৰু  আমি ১৮ মাহৰ ভিতৰত এই প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰাৰ লক্ষ্য স্থিৰ কৰি লৈছো। ইয়াৰ উপৰিও আমাৰ ৰাজ্য অসমে জৈৱিক কৃষিৰ ক্ষেত্ৰত প্ৰচুৰ সম্ভাৱনা বহণ কৰাৰ সমান্তৰালভাৱে বিশ্ব বজাৰত জৈৱিকভাৱে উৎপাদন কৰা শস্যৰ চাহিদাও  বৃদ্ধি পাইছে। এই দিশটোক গুৰুত্ব দি অসম চৰকাৰে পূৰ্বৰ অসম বীজ প্ৰমাণীকৰণ এজেঞ্চীক অসম বীজ আৰু জৈৱিক প্ৰমাণীকৰণ এজেঞ্চীক পুৰ্ণগঠন কৰিছে। এই এজেঞ্চীটোৱে ধান, সৰিয়হ, মাটিমাহ, মগুমাহ, ৰাজমাহ, বাদাম, চয়াবিন আদি শস্যৰ প্ৰমাণিত বীজ উৎপাদন কৰাৰ বাবে কাম কৰি আছে। প্ৰাকৃতিক কৃষিৰ ওপৰত আমি গুৰুত্ব দিচো Organic cultivation পৰম্পৰাগত কৃষি, আমি trainging কৰিছো প্ৰয়োজনীয় সা-সুবিধা আমি এইক্ষেত্ৰত দিবলৈ চেষ্টা কৰিছো। ৰাজ্যখনৰ বাংগালুৰুৰ Sri Sri Institute of Agricultural Science and Technology Trust সৈতে এখন বুজাবুজি হৈছে আৰু এই বুজাবুজিৰ চু ক্তি অনুসৰি এই trust য়ে ১০ হাজদাৰ কৃযকক প্ৰশিক্ষণ আগবঢ়োৱাৰ ব্যৱস্থা কৰিছে। আমি তেল খাওঁ, সেইসমূহ বাহিৰৰ পৰা আনিব লাগে. এতিয়া Oil palm cultivation আমি আৰম্ভ কৰিব লওতে বিৰাট হৈ হাল্লা লাগি গ'ল। আমি ভালদৰে ভিতৰলৈ নুসুমোৱাকৈ কথা কওঁ। আমাৰ বিষয়া সকলক আমি বাহিৰলৈ পঠিয়াইছিলো। আমি বৰ্হিৰাজ্যলৈয়ো পঠিয়াইছিলো আৰু বিদেশলৈয়ো গৈছিল। আমাৰ APC হৈছিল, Director গৈছিল, কেইবাজনো বিষয়া গৈছিল। আমাৰ দেশক যিহেতু প্ৰতিবছৰে ২৫ নিযুট টনতকৈয়ো অধিক পৰিমাণৰ কোৱা তেলৰ প্ৰয়োজন আৰু এই পৰিমাণৰ মাত্ৰ ৪৮ শতাংশ হে দেশত উৎপাদিত হয়. একেদৰে অসমকো প্ৰতিবছৰে ৩ লাখ মেট্ৰিক টন খোৱা তেলৰ প্ৰয়োজন হয় আৰু ইয়াৰ বিপৰীতে মাথো ৬০ হাজাৰহে মেট্ৰিক টন খোৱা তেলহে অসমত উৎপাদন হয়। খোৱা তেলৰ ক্ষেত্ৰত স্ব-নিৰ্ভৰ হ'ব পৰাকৈ  কেন্দ্ৰীয় চৰকাৰে ২০২১ চনৰ আগষ্ট মাহত National Mission on Edible Oils-Oil Palm শীৰ্ষক এখন নতুন আঁচনি ৰূপায়ণ কৰিছে। এই আঁচনিখন ৰূপায়ণৰ কাৰণে আমি যাৱতীয় ব্যৱস্থা ইতিমধ্যে গ্ৰহণ কৰিছো। এই যে আঁচনি কৰিব লৈছো, আমি waste land তহে কৰিব লৈছো। আমি কাকো মাটিও দিয়া নাই, আমি কোনো company ক মাটিও দিয়া নাই। আমাৰ ৰাজ্যখনৰ কেৱল চন পৰি থকা কৃষি ভূমি বা waste land ত হে তৈল খেজুৰৰ খেতি কৰিবলৈ আঁচনি যুগুত কৰা হৈছে। ইয়াৰ উপৰিও আমি driver civication গুৰুত্ব দিছো। মই কৈ গৈছো যে millet mission আমি লৈছো, Oil palm mission লৈছো। ফ'ডাৰ মিছন লৈছো। Floriculture Mission লৈছো। ামাৰ ৰাজ্যখনত প্ৰায় ১৫ কোটি টকাৰ মানৰ ফুল উযপাদন হয়। কিন্তু আমাক বছৰি ফুল লাগে উৎসৱ পাৰ্বন বিয়া বাৰুৰ কাৰণে ১৩৫ কোটি টকা । তাৰ প্ৰতি লক্ষ্য ৰাখি Floriculture Mission লৈছো। আমি সন্মানীয় সকলো সদস্যৰ সমৰ্থন বিচাৰিছো। আমাৰ দেশৰ per capita consumtion লৈ লক্ষ্য কৰো তেতিয়াহ'লে আমি যদি দেখো যে ভাৰতবৰ্ষত জনে প্ৰতি গ্ৰহণ কৰা চাউল ঘেহু আদিৰ দৰে খাদ্য শস্যৰ পৰিমাণ প্ৰায় স্থিৰ হৈ থকাৰ বিপৰীতে শেহতীয়া উপভূক্তাৰ মাজত নতুন নতুন পুষ্টিকৰ খাদ্য অন্যান্য processed foods ৰ দিনক দিনে বৃদ্ধি পাইছে আৰু সেইবাবে পৰিবৰ্তিত সময়ক গুৰুত্ব দি অসম চৰকাৰৰ কৃষি বিভাগে millet mission গ্ৰহণ কৰিছে অসম মিলেট মিছন নামেৰে। **এই গোটেই কামখিনি কৰোতে ১৯৪৮ চনতে স্থাপিত হোৱা আমাৰ যিগেতু এখন পুৰনি কৃষি বিশ্ববিদ্যালয় আছে তেওঁলোকৰ ডাইৰেক্টৰ অৱ ৰিৰ্চাছ আছে , এক্সটেনশ্যন আছে । আমি এই কৃষি বিশ্ববিদ্যালয়ৰ লগত বুজা বুজিৰে তেওঁলোকৰ পৰা যিখিনি টেকনিকেল চাপোৰ্ট আছে সেইখিনি আমি লৈছো । কেভিকে বিলাক সক্ৰিয় কৰি তোলা হৈছে ।**

ইতিমধ্যে আমি আছাম এগ্ৰি ভিজন নামেৰে এটা পৰিকল্পনাও হাতত লৈছো । ৰাজ্যখনৰ কৃষিখণ্ডটো সংহত ৰূপত প্ৰতিষ্ঠা কৰিবৰ কাৰণে ইয়াত আমি সৰ্ব্বাত্মক বিকাশ সাধনৰ জিৰয়তে সা লাখ হেক্টৰ কৃষি ভূমি সামৰি লৈছো । আচাম এক্সিবিউশ্যনৰ জৰিয়তে প্ৰতিটো ৰাজহ খণ্ডত কমেও দুটাকৈ সক্ৰিয় এপিচি গঠন আৰু ১২৫ টা কাষ্টম হায়াৰিঙ চেন্টাৰ স্থাপন কৰা হৈছে । ১৭৫০ টা বি এল এম এন বি স্থাপনৰ লক্ষ্য আমি হাতত লৈছো । ৰাজ্যখনত প্ৰায় এতিয়া ৫০০তকৈ অধিক এপিচি এক্টিভ হৈ আছে । সন্মানীয় সদস্যসকলক এটাই অনুৰোধ জনাওঁ যে, এটা কথা স্বীকাৰ কৰিবই লাগিব য'ত বংগীয় কূলৰ লোক আছে তাত ত্ৰিপুল ক্ৰছ হয় । মানুহবিলাক লেবেৰিয়াচ গতিকে এই অঞ্চলবিলাকত কেনেকৈ কৃষি কাৰ্য্য কৰিব পাৰি তাৰ কাৰণে এতিয়া জলসিঞ্চন বিভাগৰ লগতো কথা বতৰা আমি পাতিছো । যাতে ক্ল'জ ৰ্কডিনেশ্যনত আমি কাম কাজবিলাক কৰিব পাৰো । অন্য এটা সমস্যা হৈছে । ধান খেতি কৰাৰ পিচত মানুহবিলাকে গৰু- গাই বিলাক মেলি দিয়ে গতিকে ক্লাষ্টাৰ ভিত্তিত এপিচি বিলাকৰ জৰিয়তে আমি যিবিলাক পথাৰ আছে তাত শালি খেতি কৰাৰ পিচতে অন্য খেতি কৰিব পাৰোনেকি তেনেধৰণৰ পৰিকল্পনাও কৰি আছো । মডেল প্ৰস্তুত কৰিছো । মানুহৰ মাজত এৱাৰনেচ বৃদ্ধি কৰাৰ কাৰণেও আমি চেষ্টা কৰিছো । সন্মানীয় বহু বিধায়কে খেতি পথাৰৰ লগত জৰিত । বিধায়ক ভাস্কৰ বৰুৱাও নিজে এগৰাকী খেতিয়ক। আমাৰ শাসকীয় দলৰ বহু সদস্যও খেতি পথাৰৰ লগত জৰিত । আৰু এটা ভাল কথা যে আমি খুৱ আনন্দিত যে যোৱা সময়ছোৱাত আটাইতকৈ ডাঙৰ সফলতাটো হৈছে যে কৃষকে প্ৰথম শ্ৰেণী নাগৰিকৰ মৰ্য্যদা পাইছে। চৰকাৰে বা আমাৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই অসম গৌৰৱৰেও কৃষকক সন্মান যাচিছে । সেই কাৰমে বৰ্তমানে উঠি অহা যুৱক যুৱতীও কৃষি খণ্ডৰ লগত জড়িত হৈ পৰিছে । আমি কৃষি ক্ষেত্ৰত এক্সপোৰ্টৰ কথাটো কোনেও ইয়াৰ আগত কল্পনা কৰিব পৰা নাছিলো । দহ হাজাৰ কোটি টকাৰ উৎপাদিত সামগ্ৰী ২০২৫-২৬ চনত বিহ ৰাজ্যলৈ যাব বুলি বিভিন্ন অৰ্গেনাইজেশ্যনে প্ৰেডিকশ্যন কৰিছে । সেইটো আমাৰ বাবে এটা ডাঙৰ এচীভমেন্ট । মই সন্মানীয় সদস্যসকলক আন্তৰিক ধন্যবাদ জনাইছো যে তেওলোকে কাট মোশ্যনৰ জৰিয়তে বহুতো কথা কৈছে - কিন্তু মই ভাবো যে, বিৰোধী পক্ষই কাট মোশ্যনৰ জৰিয়তে কথা ক'লে কৃষকসকলে ডেফিনেটলী ধৰিব যে, কৃষকে অধিক উপাৰ্জন কৰাটো বিৰোধী সদস্যসকলে নিবিচাৰে নেকি ?

**শ্ৰীআমিনুল ইছলাম(জ্যেষ্ঠ ) , ধিং ঃ** অধ্যক্ষ মহোদয় , এইটো আমি কষকৰ স্বাৰ্থতহে কৈছো । তেখেতসকল যাতে উপকৃত হয় ।

**শ্ৰীঅতুল বৰা, মন্ত্ৰী, কৃষি ইত্যাদি ঃ** তেনেহ'লে ভাল কথা । সকলো সদস্যৰে সন্মতি আছে । মাননীয় অধ্যক্ষ মহোদয় আজিৰ দিনটোত মই এইখিনি ক'লো । আৰু বিভিন্ন প্ৰশ্ন আছিল । আৰু এদিন আমাৰ আছে গতিকে এই প্ৰশ্নবিলাকৰ উত্তৰ মই তেতিয়া দিম ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিলে । এতিয়া মই সন্মানীয় সদস্য শ্ৰীদেবব্ৰত শইকীয়াৰ লগতে তেওঁলোকৰ সহযোগীসকলৰ যি কৰ্ত্তণ প্ৰস্তাৱ আছিলে সেইটো উঠাই ল'বনে ?

**শ্ৰীভৰত নৰহ, নাওবৈচা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি কৰ্ত্তণ প্ৰস্তাৱটো নিশ্চয় উঠাই ল'ম । কিন্তু দুটামান স্পেচিফিক কোৱেশ্যন আছিলে কিন্তু মন্ত্ৰী মহোদয়ে উত্তৰ নিদিলে । যিটো পেডি প্ৰকিউপমেন্ট আছিলে সেইটো টাৰগেট কিয় ক'মিছে । ২০২২-২৩ চনত দহ লাখ মেট্ৰিটন আছিল । কিন্তু ২০২৩-২৪ ত ৭ লাখলৈ নামিছে । যিটো পিপিচি - সেইটো ২৭২ টা আছিল কিন্তু নামি গৈ ১৫৮ টা হ'ল । এইটো বাঢ়িবহে লাগিছিল . কিয় কমিলে ? ২০২২-২৩ চনত আপোনালোকে ৬ টা এজেন্সিৰ পৰা ধান ক্ৰয় কৰিছে কিন্তু এতিয়া 8 টা এজিন্সিৰ পৰাহে ক্ৰয় কৰিছে।

২০২৩-২৪ চনৰ যিটো ৭ লাখ মেট্ৰিকটনৰ টাৰগেট সেইটো এতিয়ালৈ মাত্ৰ ৮১৮৪৩ মেট্ৰিকটন ধানহে ক্ৰয় কৰিছে। এইটোকে মই মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো ।

মাননীয় অধ্যক্ষ ঃ অনাৰেবল্ মিনিষ্টাৰ ..।

**শ্ৰীঅতুল বৰা, (কৃষি ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয় মই এই কথাটো ্লপ আগতেই কৈছো। যে আমাৰ যি মূল লক্ষ্য আছিল সেইটো হ'ল প্ৰাইচ ষ্টেবিলাইজেশ্য - মানে কৃষকে সমৰ্থন মূল্য পাওঁক । যোৱাবাৰ আমাৰ চৰকাৰে যেতিয়া নিম্নতম সমৰ্থনমূল্যত ধান ক্ৰয় কৰিলে তেতিয়া খেতিয়কসকলে দেখিলে যে, মাটি চন পেলাই থোৱাটো উচিত নহয় সেয়েহে এইবাৰ বেছি খেতি কৰিছে । মই মালয়বাৰীলৈ গৈছিলো . তাত খেতিয়কে কৈছে যোৱাবাৰ এম এচ পি বঢ়াই দিলে তাৰ কাৰণে বাহি ৰৰ পৰা বেপাৰী আহি খেতি পথাৰৰ পৰাই অধিক দামত ধান ক্ৰয় কৰি লৈ গৈছে ।আমাৰ পাৰপাছ আছিলে খেতিয়কে উচিত মূল্য পোৱাটো গতিকে আমি চাকচেচ হৈছো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ— এতিয়া কৰ্ত্তন প্ৰস্তাৱটো উঠাই ল'বনে ?

**শ্ৰীভৰত নৰহ, (নাওবৈচা)** ঃ অধ্যক্ষ মহোদয় উঠাই ল'লো ।

মাননীয় অধ্যক্ষ ঃ দুই নং কৰ্ত্তণ প্ৰস্তাৱটো আছিলে- হাফিছ বছিৰ আহমেদ ডাঙৰীয়া আৰু সহযোগীসকলৰ ।

**শ্ৰীআশ্ৰাফুল আহমেদ , (চেঙা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি কৰ্ত্তণ প্ৰস্তাৱ উঠাই ল'ম কিন্তু তাৰ পূৰ্ব্বে এটা কথা ক'ব বিচাৰিছো -কৃষি ক্ষেত্ৰত বেছিভাগ স্কীমেই আমি চিম্বলিক দেখিছো। আজি মন্ত্ৰী মহোদয়ৰ উত্তৰতো স্কীমবিলাক চিম্বলিক যেনেই লাগিছে ।আৰু এটা কথা জানিবলৈ ইচ্ছুক যিসময়ত কৃষি ক্ষেত্ৰত যান্ত্ৰিকীকৰণটো বেছি হ'ব লাগিছিল সেই সময়ত মন্ত্ৰী মহোদয়ৰ বিভাগত ইঞ্জিনিয়াৰ বা টেকনিকেল পাৰ্চ্ছনৰ যিটো অভাৱ এই কথাটো মন্ত্ৰী মহোদয়ে তেওঁৰ বক্তব্যত স্বীকাৰ কৰিব লাগিছিল । মই আশা কৰিম যে, যিহেতু বৰ্তমানে ইৰিগেশ্যন বিভাগত যথেষ্টখিনি মা নুহ ৰিজাৰ্ভ বেঞ্চত বহি আছে গতিকে তাৰ পৰা মানুহ আমি ফিল্ডত দিয়ক অন্তত মেছিনাৰীৰ কামখিনি চোৱাটো প্ৰয়োজনীয় হৈ পৰিছে ।আপোনাৰ পৰা মিলেট আৰু তৈল খেজুৰৰ উত্তৰটো নাপালো গতিকে ইয়াৰ উত্তৰ পাম বুলি আশা কৰি আমাৰ কৰ্ত্তণ প্ৰস্তাৱটো উঠাই ল'লো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ — এতিয়া মন্ত্ৰী ডাঙৰীয়াই কিবা জনাবনে ?

**শ্ৰীঅতুল বৰা, (কৃষি ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ্দুটা কথা ক'ম । আমাৰ ইঞ্জিনিয়াৰ ক'ম আছে সেই কাৰণে কনট্ৰেকচুৰেল ভিত্তিত আমি ততাতৈয়াকৈ ৰেগুলেশ্যন থ্ৰি এফত এগ্ৰিকালচাৰ ইউনিৰ্ভাচিটিৰ হতুৱাই ৰিকুইট কৰাই কিছু ইঞ্জিনিয়াৰ আমি দিছো । তথাপি যিমান খালি আছে সেইখিনি পূৰণ কৰিবলৈ চেষ্টা কৰিম । আৰু এগৰাকী মাননীয় সদস্যই কৈছিলে যে আগতে ভি এল ডব্লিউ বুলি কৈছিল মানে গ্ৰাম সেৱক। এতিয়া এগ্ৰিকালচাৰ এক্সটেনশ্যন এচিচটেন্ট ক'ম আছে গতিকে ইন্টাৰভিউ পাতিবৰ কাৰণে চৰকাৰে ব্যৱস্থা কৰিছে ।ইতিমধ্যে এডৰ্ভাটাইছমেন্ট কৰা হৈছে । গতিকে এইখিনি হ'লে আমি মেনপাৱাৰৰ ব্যৱস্থা কৰিব পাৰিম। ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ – এতিয়া মনোৰঞ্জন তালুকদাৰ।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, (সৰভোগ)** ঃ অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱটো নিশ্চিতভাৱে উঠাই ল'ম কিন্তু মোৰ এটা বিশেষ কথা ক'বলগা আছে । সেইটো হ'ল গৰুখুঁটি প্ৰকল্প । মন্ত্ৰী ডাঙৰীয়াই গৰুখুঁটি প্ৰকল্পটো জাষ্টিফাইড কৰি কৈছে যে ১৫ কোটি টকা তছনচ হ'ল কিন্তু মই স্থিৰভাৱে কৈছো যে অন্তত গৰুখুঁটি প্ৰকল্পৰ কমিটি এইবিলাক চেঞ্জ কৰক । কাক খেদিব লাগে খেদক কিন্তু

গৰুখুঁটি প্ৰকল্প ভালকৈ কৰাৰ এচুৰেন্সটো আমাক দিয়ক নহ'লে সদন কমিটি গঠন কৰক। গৰুখুঁটি প্ৰকল্পত লুণ্ঠন হৈছে এইটো বন্ধ কৰক । ৰাইজৰ ধন অপচয় নকৰিব , মই কৰ্ত্তন প্ৰস্তাৱটো উঠাই লৈছো ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে - এতিয়া শ্বেৰমান আলি আহমেদ ।

**শ্ৰীশ্বেৰমান আলি আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিখিনি ইছ্যু ৰেইজড কৰিছো মন্ত্ৰী মহোদয়ে নিশ্চয় নোট কৰিছে মই সেইখিনি সমাধান বিচাৰি মোৰ কৰ্ত্তণ প্ৰস্তাৱটো উঠাই ল'লো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ – এতিয়া মই মই মঞ্জুৰী প্ৰস্তাৱটো সদনৰ অনুমোদৰ বাবে সদনত দাঙি ধৰিলো । মঞ্জুৰী প্ৰস্তাৱটো হ'ল - ২০২৫ চনৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কাল ছোৱাত কেইটামান ব্যয় বহন কৰিবৰ মঞ্জুৰী নং ৪৮ কৃষিৰ ক্ষেত্ৰত ভাৰপ্ৰাপ্ত মন্ত্ৰীক ২৩২৮ শ কোটি ৪৩ লাখ ৪৭ হাজাৰ টকা মঞ্জুৰ কৰিব লাগে । যিসকল এই প্ৰস্তাৱটোৰ সপক্ষে আছে তেওলোকে কওক হয় , যিসকল বিপক্ষে আছে তেওলোকে কওক নহয় । মই ভাবো হয়ৰ সপক্ষে , হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল । দাবী মঞ্জুৰী নং ৪৮ টো গৃহীত হ'ল । হাউচ এডজৰ্ন টিল ৯.৩০ এ এম অন -২২- ফেব্ৰুৱাৰী -২০২৪.

(২১-০২-২০২৪ তাৰিখৰ সদনৰ কাৰ্য্যসূচী বিয়লি ৩.০০ বজাত অন্ত পৰে )